

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩১৭ ■ গুৱাহাটী ■ দেওবাৰ, ২৬ জুন, ২০২২, ১১ আহাৰ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 317 Dainandin Barta ■ Guwahati, Sunday ■ 26 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only





এইপাৰে নিৰাপত্তাৰক্ষীৰ কাঢ়া দৃষ্টি কটকটীয়া নিৰাপত্তা ইপাৰে ৰাজনৈতিক অতিথি জনপ্ৰতিনিধি

মহাৰাষ্ট্ৰৰ বিসম্বাদী বিধায়ক গোটৰ দাবী

## আমাৰ হোটেলৰ খৰচ কোনো দলে পৰিশোধ কৰা নাই

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৫ জুন ঃ** মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেৰ বিৰুদ্ধে একাংশ শিৱসেনাৰ বিধায়কে বিদ্ৰোহ ঘোষণা কৰি গুৱাহাটীলৈ গুচি আহিছিল। গুৱাহাটীৰ বিলাসী হোটেল ৰেডিছন ব্লুত বাহৰ পতা ■ ৮ পৃষ্ঠাত





গুৱাহাটীত একনাথ সিন্দেৰ নেতৃত্বত বিসম্বাদী শিবিৰৰ নতুন দলৰ নাম ঘোষণা

# শিৱসেনা বালাচাহেব



*তেজপুৰত স্বাস্থ্যকৰ্মীৰ বুষ্টাৰ ড’জ প্ৰদানৰ ছবি, শনিবাৰে*

# আৰ্থিক দীনতাৰ চৰম পৰিণতি

মুছলপুৰত ঋণৰ বোজা সহিব নোৱাৰি পত্নী-সন্তানক হত্যাৰ চেষ্টা চলাই আত্মহনন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৫ জুন ঃ** বাক্সা জিলাৰ মুছলপুৰত আৰ্থিক দীনতাৰ বলি হৈ পত্নী আৰু দুই সন্তানক হত্যাৰ চেষ্টা কৰি অৱশেষত নিজেও আত্মহত্যাৰ পথ বাছি লোৱাৰ দৰে সংঘটিত এক ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণী অনুসৰি জিলাখনৰ মুছলপুৰ সদৰ থানাৰ অন্তৰ্গত বেলগুৰি পথাৰ গাঁৱৰ বামুণপাৰা চুবুৰিৰ চন্দন দাস নামৰ লোকজনে আৰ্থিক অভাৱৰ বাবেই আজি পত্নীৰ লগতে দুই সন্তানক চোকা অস্ত্ৰৰে উপৰ্যুপৰি ঘপিয়াই অৱশেষত নিজেও চিপ লৈ আত্মহননৰ পথ বাছি লয়। চন্দন দাসৰ চোকা অস্ত্ৰৰ আঘাতত গুৰুতৰভাৱে আহত হয় পত্নী ৰূপালী ■ ৮ পৃষ্ঠাত

## পিতৃ বালাচাহেব থাকৰেৰ নাম ব্যৱহাৰ কৰি কাকো ৰাজনৈতিক মুনাফা আদায় কৰিবলৈ নিদিওঁ ঃ উদ্ধৱ থাকৰে

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৫ জুন ঃ** মহাৰাষ্ট্ৰৰ বিসম্বাদী শিবিৰে মাৰাঠী লোকৰ হিয়াৰ আমঠু তথা উদ্ধৱ থাকৰেৰ পিতৃ বালাচাহেব থাকৰেৰ নাম ব্যৱহাৰ কৰি নতুন ৰাজনৈতিক দল ‘শিৱসেনা বালাচাহেব’ খুলিব খোজাৰ বিৰুদ্ধে গৰ্জন দিছে উদ্ধৱ থাকৰেই। উদ্ধৱ থাকৰেই দলটোৰ প্ৰতিষ্ঠাপক-পিতৃপুৰুষ প্ৰয়াত বালাচাহেব থাকৰেৰ নাম লৈ বিদ্ৰোহী গোটটোৱে দল খুলিব বিচৰাৰ বিৰুদ্ধে একপ্ৰকাৰ গৰজি উঠিছে। থাকৰেই কয়— ‘নিৰ্বাচনত জয়ী হ’বলৈ মোৰ দেউতাৰ নাম নল’ব, আপোনাৰ দেউতাৰ নাম ব্যৱহাৰ কৰক।’ মহাৰাষ্ট্ৰৰ শিৱ সৈনিকসকলৰ মাজত ক্ষোভৰ উদ্গীৰণ ঘটাৰ পিছতে বিদ্ৰোহী বিধায়কসকলে দুখোজ পিছুৱাই যাবলগীয়া হৈছে। ইয়াৰ মাজতে বিসম্বাদী শিবিৰে দাবী কৰিছিল যে তেওঁলোকেহ ■ ৮ পৃষ্ঠাত



## সোমবাৰে উচ্চতৰ মাধ্যমিকৰ ফলাফল

### ২.১৫ লাখ পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছে কলা, বিজ্ঞান আৰু বাণিজ্য শাখাত

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ২৫ জুন ঃ** অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা পৰিচালিত দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল অহা ২৭ জুন, সোমবাৰে ঘোষণা কৰা হ’ব। সেইদিনা পুৱা ৯ বজাত পৰিষদৰ ৱেবছাইট ■ ৮ পৃষ্ঠাত

## শিৱসেনাৰ ১৬ বিসম্বাদী বিধায়কলৈ ‘অযোগ্যতা’ৰ জাননী

### ২৭ জুনৰ ভিতৰত দিব লাগিব উত্তৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৫ জুন ঃ** মহাৰাষ্ট্ৰ বিধানসভাৰ উপাধ্যক্ষই আজি বৰ্তমান অসমৰ গুৱাহাটীত থকা একনাথ সিন্দে শিবিৰৰ ১৬জন বিদ্ৰোহী শিৱসেনা বিধায়কলৈ অযোগ্যতাৰ জাননী জাৰি কৰিছে। লগতে, অযোগ্যতাৰ জাননী ■ ৮ পৃষ্ঠাত



কংগ্ৰেছ চৰকাৰে অসাংবিধানিকভাৱে ঘোষণা কৰা জৰুৰীকালীন অৱস্থাৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় জনতা পাৰ্টীৰ উদ্যোগত

## দেশজুৰি ‘ক’লা দিৱস’ পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ জুন ঃ** সমগ্ৰ দেশৰ লগতে অসমতো আজি ভাৰতীয় জনতা পাৰ্টিৰ উদ্যোগত ‘ক’লা দিৱস’ পালন কৰা হয়। উল্লেখযোগ্য যে ১৯৭৫ চনৰ আজিৰ দিনটোতে স্বাধীনোত্তৰ ভাৰতৰ ইতিহাসত এটা নজিৰবিহীন ঘটনা সংঘটিত হৈছিল, যিটো ভাৰতবৰ্ষৰ বাবে এক ক’লা অধ্যায় আছিল। তদানীন্তন প্ৰধানমন্ত্ৰী, কংগ্ৰেছ দলৰ নেত্ৰী প্ৰয়াত ইন্দিৰা গান্ধীয়ে ভাৰতবৰ্ষৰ গণতান্ত্ৰিক সত্বাক কুঠাৰঘাট কৰি দেশত জৰুৰীকালীন অৱস্থাৰ ঘোষণা কৰিছিল আৰু ■ ৮ পৃষ্ঠাত

## অসমত ‘মোদী@২০ঃ ড্ৰীমছ্ মিট্ ডেলিভেৰী’ নামৰ গ্ৰন্থ মুকলি কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

## দুৰ্ঘটনাত পতিত বাহনখনক খুন্দা মাৰিলে আন এখন বাহনে

### আহত ৬জন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৫ জুন ঃ** নগাঁৱৰ শেনচোৱাত আজি নিশা সংঘটিত হোৱা এক পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি উত্তপ্ত হৈ পৰে ■ ৮ পৃষ্ঠাত

ধেমাজিত ক’লা দিৱসত বিজেপিৰ বিধায়ক ভুৱন পেগু

কংগ্ৰেছে আমাৰ দেশক স্বাধীনতা দিয়ালে, আমি সেই সময়ত জাতীয় কংগ্ৰেছ দলৰ পৰাই স্বাধীনতা পালোঁ

## কিন্তু আমি সেই দলক কি কাৰণে বিৰোধিতা কৰি আছোঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২৫ জুন ঃ** ১৯৪৭ চনত ভাৰতে ইংৰাজৰ শাসনৰ পৰা মুক্ত হয়। এই ইংৰাজৰ লগত ভাৰতীয় জাতীয় কংগ্ৰেছে অশেষ কষ্টৰে আন্দোলন কৰি ■ ৮ পৃষ্ঠাত

## মৰিয়নিৰ সমীপৰ নকছাৰিৰ খাটিসোণাত লোমহৰ্ষক হত্যাকাণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ২৫ জুন ঃ** যোৰহাট জিলাৰ মৰিয়নি থানা এলেকাধীন নকছাৰি অঞ্চলত এক নৃশংস হত্যাকাণ্ডৰ ঘটনাই সমগ্ৰ জিলাখনত চাঞ্চল্যৰ সৃষ্টি কৰিছে। একেটা পৰিয়ালৰ এটি কন্যাসহ পতি-পত্নীক হত্যা কৰা ঘটনাই সমগ্ৰ জিলাখনত জোকাৰণিৰ সৃষ্টি কৰিছে। মৰিয়নি থানা ■ ৮ পৃষ্ঠাত




ৰূপা প্ৰকাশন ইণ্ডিয়াক অনুৰোধ

## গ্ৰন্থখন অসমীয়ালৈও অনুবাদ কৰক

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ২৫ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ‘মোদী@২০ঃ ড্ৰীমছ্ মিট্ ডেলিভেৰী’ শীৰ্ষক গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে। উল্লেখ্য যে, মুখ্যমন্ত্ৰীত্বৰ পৰা ভাৰতৰ প্ৰধানমন্ত্ৰী তথা চৰকাৰৰ মুৰব্বী হিচাপে ২০২১ বৰ্ষত বিশ বছৰ সম্পূৰ্ণ কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ২০০১ চনত তেওঁ গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে প্ৰথম কাৰ্যভাৰ গ্ৰহণ কৰে আৰু ২০১৪ চনত ■ ৮ পৃষ্ঠাত



*অম্বুবাচী মেলা উপলক্ষে শক্তিপীঠ কামাখ্যা ধামত ভক্তৰ ভিৰ, শনিবাৰে*

## আছু নেতাক শাৰীৰিক-মানসিক নিৰ্যাতনৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৫ জুন ঃ** যি সময়ত অসমৰ গতিশীল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু আৰক্ষী সঞ্চালকপ্ৰধানে অসম আৰক্ষীক স্মাৰ্ট আৰক্ষী হিচাপে গঢ়ি তুলিবলৈ অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে তেনে ■ ৮ পৃষ্ঠাত



## উচ্চ-উচ্চতৰ মাধ্যমিক পৰীক্ষাত স্থানপ্ৰাপ্তক সম্বৰ্ধনা ইউএছটিএমৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খানাপাৰা, ২৫ জুন ঃ** মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰেৰণা যোগোৱা, স্বীকৃতি প্ৰদান কৰা আৰু সন্মানিত কৰাৰ পৰম্পৰা অব্যাহত ৰাখি ■ ৮ পৃষ্ঠাত

## অস্থায়ী শিবিৰ মহটিয়াই নিলে টাটা ম’বাইল বাহনে

### নিহত এজন, আহত প্ৰায় ৭জন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ২৫ জুন ঃ** মৰিগাঁৱৰ ধৰমতুলত সংঘটিত হৈছে শোকাৱহ ঘটনা। বানত ক্ষতিগ্ৰস্ত হৈ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত থকা অস্থায়ী শিবিৰসহ কেইবাজনো লোকক মহটিয়াই নিলে এখন টাটা ম’বাইল বাহনে। উল্লেখ্য যে শনিবাৰে পুৱতি নিশা এখন তীব্ৰবেগী টাটা ম’বাইল বাহনে ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ ধৰমতুল বিষ্ণু মন্দিৰৰ সমীপত অস্থায়ীভাৱে বান শিবিৰত থকা কেইবাজনো লোকক মহটিয়াই ■ ৮ পৃষ্ঠাত

কপিলীৰ বানত নিঃশেষ হ’ল হোজাইৰ দুখন গাঁও

## আপোন ঘৰখনক বিচাৰি বন্যাৰ্তৰ ক্ৰন্দন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ২৫ জুন ঃ** হোজাইৰ মানচিত্ৰৰ পৰা নিঃশেষ হ’ল দুখন গাঁও । বানে তচ্‌নচ্ কৰি গ’ল গাঁও দুখনক। ৰাজ্যৰ দ্বিতীয়টো বানত কপিলী নৈত বিলিন হ’ল হোজাই জিলাৰ দুখন গাঁও। ইয়াৰে এখন হ’ল লংকা ৰাজহ চক্ৰৰ আৰু আনখন হোজাই ৰাজহ চক্ৰ এলেকাৰ। কপিলীৰ পানী কিছু কমি আহিছে। আশ্ৰয় শিবিৰত থকা লোকসকল উভতিছে নিজ ঘৰখনলৈ। পিছে, সেই গাঁও দুখনৰ বন্যাৰ্তই উভতি গৈ নাপালে আপোন ঘৰখনক, নাপালে গাঁওখনৰ অস্তিত্ব। সকলো নৈত বিলীন হ’ল, ঠিক সপোন এটাৰ সমাধি হোৱাৰ দৰেই। বাতৰি অনুসৰি হোজাই জিলাৰ লংকা ৰাজহ ■ ৮ পৃষ্ঠাত

গোৱালপাৰা আৰক্ষীৰ ড্ৰাগ্‌ছবিৰোধী অভিযান

## কোটি টকাৰ ড্ৰাগ্‌ছ দাহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ২৫ জুন ঃ** গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা আৰক্ষীয়ে জব্দ কৰা ড্ৰাগ্‌ছসমূহ আজি জ্বলাই দিয়ে। আজি পুৱা এঘাৰ মান বজাত গোৱালপাৰা সদৰ থানাৰ অন্তৰ্গত মাকৰীৰ ৰঙাগড়া ফায়াৰিং ৰেঞ্জত গোৱালপাৰা আৰক্ষীৰ বৃহৎ দল এটি উপস্থিত হয়। গোৱালপাৰা জিলা আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডীৰ ■ ৮ পৃষ্ঠাত



## কিয় এই অভিযোগ

### পৰিবহণ বিভাগৰ বিৰুদ্ধে বৰগাঁওত ইটা ব্যৱসায়ী, ট্ৰাক ডাম্পাৰ মালিকৰ সভা

## গাড়ী চলাই একো লাভ হোৱা নাই, পুলিচকে টকা দি থকা হৈছে

লখিমপুৰ ইটা ব্যৱসায়ী

**দৈনন্দিন বাৰ্তা বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৫ জুন ঃ** অসম চৰকাৰৰ পৰিবহণ বিভাগৰ মিছন ছাৰখাৰৰ পাছত ৰাজ্যজুৰি আৰম্ভ হৈছে পৰিবহণ বিভাগৰ ‘অল ক্লিয়াৰ’ অভিযান। এই অভিযান আৰম্ভ হোৱাৰ লগে লগে গাড়ীৰ নথি-পত্ৰ নবীকৰণ আৰু বকেয়াসহ যাৱতীয় কৰ ■ ৮ পৃষ্ঠাত

## ৰাজ্যত অব্যাহত বানৰ সংহাৰ নিহতৰ সংখ্যা ১১৭জনলৈ বৃদ্ধি



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ জুন ঃ** প্ৰলয়ংকৰী বানৰ সংহাৰ এতিয়াও শাম কটা নাই ৰাজ্যত। এতিয়ালৈ বানৰ কবলত পৰি ৰাজ্যত ১১৭জন লোকৰ মৃত্যু হৈছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বুলেটিন অনুসৰি, বানপানীৰ ফলত ক্ষতিগ্ৰস্ত লোকৰ সংখ্যা হ্ৰাস পাইছে। বানপানীৰ ফলত ৩০খন জিলাৰ প্ৰায় ৪৫.৩৪ লাখ লোক ক্ষতিগ্ৰস্ত হৈছে, আনহাতে, বুধবাৰে ৩২খন জিলাত বানপানীৰ ফলত ক্ষতিগ্ৰস্ত লোকৰ সংখ্যা আছিল ৫৪.৫ লাখ। ইফালে, কাছাৰ আৰু বৰপেটাত দুজনকৈ, বজালী, ■ ৮ পৃষ্ঠাত

# বৰাগাঁওৰ ডাম্পিং গ্ৰাউণ্ডত বিজ্ঞানসন্মত পদ্ধতিৰে আৱৰ্জনা নেপেলোৱা কাৰ্যত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ উদ্বেগ

## মুখ্যমন্ত্ৰী আৰু গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰীৰ হস্তক্ষেপ কামনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৪ জুন ঃ** ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীশকৰণৰ (এন জি টি) কঠোৰ নিৰ্দেশৰ পাছত পশ্চিম বৰাগাঁওত দীপৰ বিলৰ সমীপত থকা পূৰ্বৰ ডাম্পিং গ্ৰাউণ্ডটো গুৱাহাটী পৌৰ নিগমে বিগত বৰ্ষৰ জুলাই মাহত বন্ধ কৰি দিছিল । তাৰ পাছত পৌৰ নিগমে পূৰ্বৰ ডাম্পিং গ্ৰাউণ্ডৰ পৰা প্ৰায় এক কিঃমিঃ নিলগৰ পশ্চিম বৰাগাঁওৰ বেলৰতলত দীপৰ বিল সংযোগী পামহী কেনেলৰ দাঁতিত বিগত বৰ্ষৰ আগষ্ট মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰাজ্য চৰকাৰে আবণ্টন দিয়া প্ৰায় ৬০ বিঘা মাটিত গেলা পঁচা, দূষিত আৱৰ্জনা পেলাই আহিছে । কিন্তু কোনো ধৰণৰ বিজ্ঞান সন্মত পদ্ধতি অৱলম্বন নকৰাকৈ পৌৰ নিগমে পামহী কেনেলৰ দাঁতিত অহৰহ আৱৰ্জনা পেলাই অহা বাবে পুনৰ দীপৰ বিলৰ পানী প্ৰদূষিত হৈ পৰে। যাৰ বাবে দীপৰ বিলৰ চাৰিওকাষে থকা বৰাগাঁও , পামহী, দেউছটাল, চকৰদৌ কলিতাপাৰা, মিকিৰপাৰা , আজাৰা মাটিয়া, কেঁওতপাৰাকে ধৰি ১৬ খন গাঁওৰ ৰাইজে দহ মাহৰো অধিক দিন ধৰি দুৰ্গন্ধ, মহ, ডাহ, মাখিকে ধৰি জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা অনিষ্টকাৰী পোক পৰুৱাৰ সৈতে সহাৱস্থান কৰি চলিবলগীয়া হৈছে। আনহাতে ইয়াৰ ফলত বৃহত্তৰ অঞ্চলটোৰ একাংশ লোক নানান অচিন ৰোগত আক্ৰান্ত হোৱাৰ পাছত যোৱা ছেপ্টেম্বৰ মাহৰ পৰা অঞ্চলটোৰ ৰাইজে সমূহীয়া ভাবে গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। আনহাতে দীপৰ বিলৰ জৈৱ বৈচিত্ৰ্য সদায় সুৰক্ষিত ৰক্ষাৰ স্বাৰ্থত দীপৰ বিল বাচাও আন্দোলনলৈ সমৰ্থন আগবঢ়াই অহা পশ্চিম গুৱাহাটীৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই গুৱাহাটী পৌৰ নিগমে প্ৰায় এঘাৰ মাহ ধৰি কোনো ধৰণৰ বৈজ্ঞানিক পদ্ধতি অৱলম্বন নকৰাকৈ ডাম্পিং গ্ৰাউণ্ডত আৱৰ্জনা পেলাই দীপৰ বিলৰ পানী, মাটি, বায়ু প্ৰদূষিত কৰা কাৰ্যত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। আনকি দীপৰ বিলৰ দৰে এটা বিশ্ববিখ্যাত জলাশয় আৰু দেশী-বিদেশী চৰাইৰ বিচৰণথলী আন্তৰ্জাতিক পক্ষী অভয়াৰণ্যৰ মানচিত্ৰত স্থান লাভ কৰা দীপৰ বিলৰ পানী প্ৰদূষিত হৈ ব্যৱহাৰৰ অনুপযোগী হোৱা বিষয়টোত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংঘালৰ হস্তক্ষেপ কামনা কৰিছে বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই । যদি বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰা নহয় তেন্তে বেলৰতলৰ পৰা ডাম্পিং গ্ৰাউণ্ডটো স্থানান্তৰ কৰিবলৈও পৌৰ নিগমক আহ্বান জনাইছে বিধায়ক কলিতাই। আনকি অসম বিধানসভাৰ বিগত বাজেট অধিবেশনত বিধায়ক কলিতাই ডাম্পিং গ্ৰাউণ্ডত বৈজ্ঞানিক পদ্ধতি অৱলম্বন নকৰাকৈ পৌৰ নিগমে আৱৰ্জনা পেলাই দীপৰ বিলখন প্ৰদূষিত কৰা আৰু চৰকাৰে এইক্ষেত্ৰত আওকণীয়া মনোভাৱ পোষণ কৰা বুলি অভিযোগ কৰিছিল। উল্লেখযোগ্য যে গুৱাহাটী পৌৰ নিগমে কেবাবাৰে বিজ্ঞান সন্মত পদ্ধতি অৱলম্বন কৰিম বুলি ঘোষণা কৰিও সেই ঘোষণা বাস্তৱত ৰূপায়ণ নকৰাৰ প্ৰতিবাদত দীপৰ বিল সুৰক্ষা মঞ্চই অহা ২৬ জুনত দিনৰ ১১ বজাৰ পৰা দীপৰ বিলৰ পাৰৰ ঐতিহাসিক শ্ৰী শ্ৰীভাঙৰা গোহাঁই মন্দিৰ চৌহদত পুনৰ দুঘণ্টাযোৰা অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি মঞ্চৰ সভাপতি হেনৰী ডেভিড টেৰণ, সাধাৰণ সম্পাদক প্ৰমোদ কলিতা আৰু সহকাৰী সম্পাদক সুশীল টেৰণে জানিবলৈ দিছে ।



### লাহৰীঘাটত শিক্ষা বিভাগৰ আজৱ কাণ্ড

# বিদ্যালয় একত্ৰিতকৰণক লৈ অসন্তুষ্ট অভিভাৱক-স্থানীয় ৰাইজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৫ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট শিক্ষা খণ্ডৰ অন্তৰ্গত পূৱ চেনিমাৰী প্ৰাথমিক বিদ্যালয়ৰ একত্ৰীকৰণ লৈ স্হানীয় ৰাইজৰ ক্ষোভ প্ৰকাশ। ধুমকুৰা মধ্য ইংৰাজী বিদ্যালয়ৰ লগত একত্ৰীকৰণ হোৱাত শতাধিক অভিভাবক তথা গাঁও খনৰ স্হানীয় ৰাইজ হতাহত ভাঙি পৰিছে। অতি পুৰণি এখন বিদ্যালয় ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱা ধুমকুৰা মধ্য ইংৰাজী বিদ্যালয়ৰ লগত একত্ৰিত কৰণ কৰাত শিক্ষা বিভাগৰ এক হঠকাৰী সিদ্ধান্ত বুলি কব লাগিব। লাহৰীঘাট শিক্ষা খণ্ডৰ কোনো এজন বিষয়াই ক্ষেত্ৰ পৰ্যবেক্ষণ নকৰাকৈয়ে এই একত্ৰিকৰণ কৰিছে বুলি স্হানীয় ৰাইজৰ গুৰুতৰ অভিযোগ। উল্লেখ্য যে গাঁও খনৰ এটা পুৰণি বিদ্যালয়খন এনেধৰণে একত্ৰিকৰণ কৰাত শিক্ষা বিভাগৰ উচ্চ পদস্থ বিষয়াৰ হস্তক্ষেপ বিচাৰিছে স্হানীয় ৰাইজে। প্ৰণিদান যোগ্য যে লাহৰীঘাট শিক্ষা খণ্ড তথা চৰকাৰে যদি উপযুক্ত ব্যৱস্থা নকৰে তেনেহলে অভিভাবক তথা স্হানীয় ৰাইজে বৃহৎ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে।

# বানাক্ৰান্তলৈ সাহায্য শ্ৰীমন্ত শংকৰদেৱ সংঘ-শংকৰদেৱ বিশ্ববিদ্যালয়ৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৫ জুন ঃ** ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতিৰ বাবে স্তব্ধ হৈ পৰিছে জন-জীৱন । ঠায়ে-ঠায়ে মৌলিক প্ৰয়োজনখিনিৰ বাবেও হাহাকাৰ কৰিব লগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে । মানুহৰ এই বিপদৰ সময়ছোৱাত বন্যাৰ্তৰ কাষত শ্ৰীমন্ত শংকৰদেৱ সংঘ আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়। আজি শংকৰদেৱ সংঘ, বিশ্ববিদ্যালয়খনৰ প্ৰতিষ্ঠানিক মূল্যবোধ আৰু উত্তম অনুশীলন কোষ, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত তথা বিশ্ববিদ্যালয়খনৰ প্ৰাক্তন শিক্ষাৰ্থীগোটৰ সহযোগিতাত ৰহাৰ দীঘলবৰী, দুৰ্গাজান অঞ্চলত বান সাহায্য বিতৰণৰ এক কাৰ্যসূচী সমাপন কৰা হয়। এই কাৰ্যসূচীত জিলা প্ৰসাশনে সহযোগিতা আগবঢ়াইছে। ৰহাৰ দীঘলদৰি, মেটেকা দুৰ্গাজানৰ মুঠ ৩৫০ টা পৰিয়ালৰ মাজত নিত্য প্ৰয়োজনীয় সামগ্ৰীসমূহ যেনে- চাউল, দালি, আলু, বিস্কুট, নিমখ, চয়াবিন, চেনি, মুৰি, চাৰ্ফ, চাবুন, ফেনাইল, চেনিটেৰী পেড, শাক-পাচলি, চিৰা, গাখীৰ, পানী বটলৰ সমান্তৰালকৈ বিভিন্ন বয়সৰ ব্যক্তিৰ বাবে কাপোৰ, আঁঠুৰা, গামোচা আদি যোগান ধৰা হয় । ইয়াৰ উপৰি ফুলগুৰিৰ দেওবালি অঞ্চলৰ প্ৰায় ২০০ গৰাকী ব্যক্তিক লঘু আহাৰৰ আৰু পানীৰ যোগান ধৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক তথা বিশ্ববিদ্যালয়খনৰ সঞ্চালক (বিত্ত আৰু পৰিকল্পনা) বাবুল বৰা, বিশ্ববিদ্যালয়খনৰ সহকাৰী গ্ৰন্থাগাৰিক শেখৰজ্যোতি নেওগ, সংঘৰ কেন্দ্ৰীয় সেৱা বাহিনীৰ মুখ্য অধিনায়ক তপন কুমাৰ ৰায়, সাংস্কৃতিক উপ-সচিব কৃষ্ণ কিংকৰ খাটনিয়াৰৰ লগতে সংঘ-বিশ্ববিদ্যালয়ৰ পৰা যোৱা এটা দলে এই কাৰ্যসূচী ৰূপায়ন কৰে । উল্লেখযোগ্য, এই সাহায্য কাৰ্যসূচীলৈ নগাঁৱৰ বিভিন্ন ব্যৱসায়ীক প্ৰতিষ্ঠানেও সহযোগিতা আগবঢ়াইছে । বানাক্ৰান্তসকলৰ মুখত যৎসামান্য হাঁহি বিৰিঙাবলৈ কৰা সংঘ আৰু বিশ্ববিদ্যালয়ৰ এই প্ৰয়াসক সকলোৱে শলাগ লৈছে।

# আলোপতিত আলুগুটিক লৈ দুই ফৈদৰ মাজত প্ৰচণ্ড মাৰপিট, আহত কেইবাজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৫ জুন ঃ** পথাৰৰ আলুগুটি কেৱল পাচলিয়েই নহয় মাৰপিটৰো কাৰক হব পাৰে। তেনে এক কাণ্ড সংঘটিত হৈছে বাঘবৰ সমষ্টিৰ আলোপতি চৰ থানাৰ অন্তৰ্গত আলোপতিৰ সুখোৱাৰঝাৰত। জানিব পৰা মতে বজাৰত আলু বিক্ৰী কৰা ধনক লৈ দুই পক্ষৰ মাজত প্ৰচণ্ড মাৰপিট সংঘটিত হয় আৰু এই মাৰপিটত দুয়ো পক্ষৰে কেইবাজনো লোক আহত হয়। বৃহস্পতিবাৰে সন্ধিয়া হাইজল শ্বেখৰ পক্ষ আৰু কবিৰ আলীৰ পক্ষৰ মাজত সংঘটিত হয় প্ৰচণ্ড মাৰপিটৰ ঘটনা। আলুগুটিক লৈ সংঘটিত হোৱা মাৰপিটত আঘাতপ্ৰাপ্ত লোকক সকলক ততাতৈয়াকৈ আলোপতি চৰ



ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হয় যদিও গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত তিনিজনক উন্নত চিকিৎসাৰ বাবে বৰপেটা ফকৰুদ্দিন আলি আহমেদ হাস্পিতাললৈ প্ৰেৰণ কৰে। ইতিমধ্যে দুয়োপক্ষই ঘটনা সন্দৰ্ভত পৃথকে পৃথকে আলোপতি চৰ থানাত এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে আলুগুটিক লৈ হোৱা এনে মাৰপিটৰ কাণ্ডই চৰ্চা আৰু চাঞ্চল্য বিয়পাইছে অঞ্চলটোত।

# বিশেষভাৱে সক্ষম বকোৰ শিল্পী কবি পূৰ্ণিমা পালৰ জীৱনৰ আধাৰত প্ৰস্তুত কৰা তথ্যচিত্ৰ ‘অপৰাজিতা পূৰ্ণিমা’ৰ শুভ মহুৰত আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৫ জুন ঃ** এগৰাকী বিশেষ ভাৱে সক্ষম কিংবদন্তি চিত্ৰশিল্পী তথা কবি ; লেখক বহু গুণৰ অধিকাৰী পূৰ্ণিমা পালৰ জীৱনৰ আধাৰত নিৰ্মিত তথ্যচিত্ৰ এখনৰ আজি শুভ মুহুৰত হৈ যায়। এক মনোজ্ঞ পৰিবেশত আজি শিল্পী গৰাকীৰ গৃহত আনুষ্ঠানিক ভাৱে বন্তি প্ৰজ্বলন কৰি তথ্যচিত্ৰ খনৰ শ্বুটিং শুভাৰম্ভ কৰে বকো সাহিত্য সভাৰ সম্পাদিকা তথা বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উপাধ্যক্ষা বিজয়া ডেকাই । আজি পূৰ্ণিমা পালৰ জীৱনৰ তথ্যচিত্ৰ নিৰ্মাণৰ শ্বুটিং শুভাৰম্ভ উপলক্ষে আয়োজন কৰা মনোজ্ঞ অনুষ্ঠানৰ সঞ্চালনা কৰে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক তথা বিশিষ্ট শিক্ষাবিদ ড° গণেশ্বৰ চহৰীয়াই। অনুষ্ঠানত অংশগ্ৰহণ কৰে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তপন দত্ত, বকো সাহিত্য সভাৰ সভাপতি সুৰেণ চন্দ্ৰ কলিতা; বিশিষ্ট সমাজকৰ্মী গৌৰাংগ ঠাকুৰীয়া ; ৰমেশ চন্দ্ৰ ডেকা ; নাৰায়ণ তালুকদাৰ ; তথ্যচিত্ৰ নিৰ্মাণৰ সহযোগী বিশিষ্ট শিল্পী প্ৰবীণ ৰাভাকে ধৰি বহু সংখ্যক বিশিষ্ট অতিথি। উল্লেখ্য, অসম সাহিত্য সভাৰ বকো (শতদল) শাখাৰ উদ্যোগত কবি - চিত্ৰশিল্পী পূৰ্ণিমা পালৰ জীৱন ভিত্তিক তথ্যচিত্ৰ ‘অপৰাজিতা পূৰ্ণিমা’ নামেৰে প্ৰস্তুত কৰা তথ্য চিত্ৰখনৰ ৰচনা আৰু পৰিচালনা কৰিব প্ৰ াদ বড়োই আৰু ভিডিঅ’গ্ৰাফী কৰে মনোজ দাসে। বিশেষ ভাৱে সক্ষম শিল্পী গৰাকীৰ জীৱন দৰ্শনৰ ওপৰত আলোকপাত কৰা বিষয়টোক আন্তৰিকতাৰে উৎসাহ



জনায় বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ তৰফৰ পৰা। লগতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ তৰফৰ পৰা শিল্পী গৰাকীক জাতীয় গামোচাৰে শুভেচ্ছা জনাই পাছ হাজাৰ টকাৰ আৰ্থিক বৰঙণি আগবঢ়াই অধ্যক্ষ ড°তপন দত্তই। ইয়াৰ পিছতে শিল্পী গৰাকীৰ জীৱনৰ আধাৰত নিৰ্মিত তথ্যচিত্ৰৰ শ্বুটিং শুভাৰম্ভ হয়।

# বকোৰ বেকেলী গাঁও পঞ্চায়ত সমবায় সমিতিৰ সঞ্চালক মণ্ডলী নিৰ্বাচনত বিষয়াই আচৰণবিধি উলংঘাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৫ জুন ঃ** ৰাইজৰ আস্থা আৰু বিশ্বাসৰ আধাৰত পৰিচালিত গাওঁ পঞ্চায়ত সমবায় সমিতি এখনৰ বৰ্তমানৰ সঞ্চালক মণ্ডলীৰ বিৰুদ্ধে দীৰ্ঘ দিন ধৰি অভিযোগৰ উপৰি অভিযোগ উত্থাপন কৰি আহিছে। এই অভিযোগ উত্থাপন হৈছে কামৰূপ জিলাৰ বকো ৰাজহ চক্ৰৰ অন্তৰ্গত বেকেলী গাওঁ পঞ্চায়ত সমবায় সমিতিৰ সঞ্চালক মণ্ডলীৰ বিৰুদ্ধে। উল্লেখ্য যে ; বকোৰ বেকেলী গাওঁ পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ পৰিচালনা সমিতিৰ বিতৰ্ক দীৰ্ঘদিনীয়া। এই সমবায় সমিতি খনৰ আভ্যন্তৰীণ বিবাদ আৰু ৰাজহুৱা ধনৰ হিচাৱৰ বিসংগতি চিৰযুগমীয়া। সমবায় সমিতি খনৰ বাৰ্ষিক হিচাবৰ বিসংগতিৰ বিতৰ্ক আদালতৰ মজিয়াত চলি আছে। এই বাৰ পুনৰ বিতৰ্কত সোমাই পৰিছে সাধাৰণ সভা আৰু সঞ্চালক মণ্ডলী গঠন সম্পৰ্কে নিৰ্বাচনী বিষয়াই কৰা ৰহস্যৰ ঘটনা। বেকেলী গাওঁ পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ অংশীদাৰ ৰাইজৰ অভিযোগ গুৰুতৰ। অভিযোগ অনুসৰি বেকেলী গাওঁ পঞ্চায়ত সমবায় সমিতিৰ সঞ্চালক মণ্ডলী গঠনৰ সাধাৰণ সভা অনুষ্ঠিত হৈছিল চলিত বৰ্ষৰ যোৱা ১০ মাৰ্চত। কিন্তু উপস্থিত ৰাইজ আৰু অংশীদাৰ পৰ্য্যাপ্ত পৰিমাণৰ উপস্থিত নহোৱাত সাধাৰণ সভা ১৬ মাৰ্চলৈকে পিছুৱাই দিয়া হয়। প্ৰাপ্ত তথ্য অনুসৰি সমবায় সমিতিৰ সঞ্চালক মণ্ডলীৰ সদস্য সংখ্যা ১৫ গৰাকী হ’ব লাগে কিন্তু ১৬ মাৰ্চলৈকে ৮ গৰাকীয়েহে মনোনয়ন দাখিল কৰে। ইফালে আজি সমবায় খনৰ অংশীদাৰ সকলে অভিযোগ উত্থাপন কৰে যে সাধাৰণ সভাৰ দিন তাৰিখৰ প্ৰচাৰ নহোৱাৰ বাবে যোগ্য তথা ইচ্ছুক অংশীদাৰে মনোনয়ন দাখিল কৰিব নোৱাৰিলে। আনহাতে অংশীদাৰ সকলে জনোৱা মতে ; ৰাজ্য চৰকাৰৰ খাদ্য আৰু অসামৰিক বিভাগৰ দ্বাৰা পৰিচালিত গাওঁ পঞ্চায়ত সমবায় সমিতিসমূহ পৰিচালনাৰ বাবে সম্পূৰ্ণ চৰকাৰী নীতি নিৰ্দেশনা অনুসাৰে আয়োজিত হ’ব লাগে নিৰ্বাচনী সাধাৰণ সভা। কিন্তু সাধাৰণ সভাত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সহকাৰী পঞ্জীয়ক তথা নিৰ্বাচনী বিষয়া মৃণাল শইকীয়া ; নিৰ্বাচনী পৰ্য্যবেক্ষক অঞ্জনা দাস ৰাজখোৱা আৰু লতা নেওগে সম্পুৰ্ণ নীতি বহিৰ্ভুত ভাৱে অসম্পুৰ্ণ সঞ্চালক মণ্ডলী গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰে। সমবায় খনৰ অংশীদাৰ সকলে অভিযোগ কৰে যে ; যি আঠ গৰাকীয়ে মনোনয়ন দাখিল কৰিছে ইয়াৰ দুই গৰাকীৰ বিৰুদ্ধে আছে সমবায় আইনৰ পৰিপন্থীৰ অভিযোগ। একেটা পৰিয়ালৰ দুজনে অংশীদাৰ হোৱা। অভিযোগ মতে নিৰ্বাচনী বিষয়া মৃণাল শইকীয়াক বিষয়টো জনোৱা হৈছিল কিন্তু এক ৰহস্যময় কাৰণত ব্যৱস্থা গ্ৰহণ নকৰিলে। এই ক্ষেত্ৰত সমবায় সমিতিৰ নিৰ্বাচনী বিধি ভংগৰো অভিযোগ আনিছে। ইয়াৰোপৰি সমবায় সমিতি খনে চৰকাৰী নীতি নিৰ্দেশনা উলঙ্ঘা কৰি দৰিদ্ৰ হিতাধিকাৰীৰ পৰা প্ৰতি খন ৰেচন কাৰ্ডৰ বাবদ এশ ( ১০০) টকাকৈ সংগ্ৰহ কৰিছে। অভিযোগ মতে ঘিলাবাৰীৰ ছায়দৰ ৰহমান নামৰ সমবায় খনৰ এজেন্ট জনৰ জৰিয়তে সংগ্ৰহ কৰিছে বৃহৎ পৰিমানৰ ধন। ইয়াৰোপৰি এই ছায়দৰ ৰহমানে বন্দাপাৰা কেন্দ্ৰত নতুনকৈ ৰেচন কাৰ্ড বনায় দিয়াৰ বাবদ তিনি হাজাৰৰ পৰা পাছ হাজাৰকৈ অধিক টকা লোৱাৰ অভিযোগ উত্থাপন হৈছে। যি সময়ত চৰকাৰী ঘোষণা মতে উপঢৌকন লোৱা আৰু দিয়া দুয়োটা কাৰ্য্য অপৰাধ। তেনে সময়তে বেকেলী গাওঁ পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ সঞ্চালক মণ্ডলীয়ে এই ধন সংগ্ৰহ কৰি অপৰাধ কৰিছে। ইফালে শূন্য সহনশীলতাৰ কথা কোৱা চৰকাৰ খনে ইয়াৰ উচিত তদন্ত কৰিবনে ? ইয়াৰ উচিত তদন্ত হ’ব লাগে বুলি দাবী উত্থাপন কৰিছে সমবায় খনৰ অংশীদাৰ সকলে। ইয়াৰ উপৰিও একাধিক গুৰুতৰ অভিযোগ আনিছে সমবায় খনৰ বিৰুদ্ধে অংশীদাৰ সকলে। এই সন্দৰ্ভত অতি শীঘ্ৰে গুৰুত্ব আৰোপ কৰিবলৈ কৰ্তৃপক্ষক আহ্বান জনাইছে অংশীদাৰ সমাজে।

# ধুবুৰী জিলাৰ ফকিৰগঞ্জত চোৰাং গৰুসহ চাৰি গো সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৫ জুন ঃ** ধুবুৰীৰ নদী পথেৰে অব্যাহত আছে চোৰাং গৰু সৰবৰাহ । যোৱা নিশা ফকিৰগঞ্জ আৰক্ষীয়ে ৩০টাকৈ গৰু জব্দ কৰাৰ লগতে চাৰিজনকৈ লোকক আটক কৰে । প্ৰাপ্ত বাতৰি মতে, যোৱা নিশা ব্ৰহ্মপুত্ৰত যোৱা এদল লোকে কেইজনমান চোৰাং বেপাৰীয়ে নাও ভৰ্তি গৰু লৈ যোৱা দেখা পাই ফকিৰগঞ্জ আৰক্ষীক খবৰ দিয়ে । আৰক্ষী দলে ঘটনাস্হলীত উপস্হিত হোৱাৰ পূৰ্বেই ১১টাকৈ গৰু লৈ বেপাৰীয়ে উধাও হয় । আৰক্ষীয়ে নাওখনত থকা ১৯টাকৈ গৰু জব্দ কৰাৰ লগতে বাকী ১১টা গৰুৰ সন্ধানত নামি পৰে । আজি পুৰা ১১টা গৰু সহ চাৰিজন লোকক আটক কৰি থানালৈ আনে । আৰক্ষীয়ে ধৃত ব্যক্তি কেইজনৰ বিৰুদ্ধে ফকিৰগঞ্জ থানাত ১০৯য২০২২নম্বৰত গোচৰ পঞ্জীয়ণ কৰি ধুবুৰী আদালত লৈ চালান দিয়ে । উল্লেখ্য যে ধৃত ব্যক্তি কেইজন গো সুৰক্ষা বাহিনীৰ সদস্য আৰু তেওঁ লোকেই আৰক্ষীক চোৰাং গৰু সম্পৰ্কে খবৰ দিছিল । গো সুৰক্ষা বাহিনীৰ সদস্য কামাল হোছেন (ৰাজু), ৰফিকুল ইছলাম ,মফিদুল ইছলাম আৰু ফৰজুল হকক আৰক্ষীয়ে আটক কৰাৰ আৰঁত ৰই গৈছে আন এক ৰহস্য।



# লাহৰীঘাট ছিনিয়ৰ চেকেণ্ডাৰী ইংলিচ স্কুলৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৫ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট চিনিয়ৰ চেকেণ্ডাৰী ইংলিচ স্কুলত বিগত ২৮ এপ্ৰিলত অনুষ্ঠিত হোৱা তিনি দিনীয়া বাৰ্ষিক ক্ৰীড়া সমাৰোহৰ বঁটা বিতৰণী অনুষ্ঠানটি আজি বিদ্যালয় প্ৰেক্ষাগৃহত সুকলমে সম্পন্ন হয়। উক্ত বঁটা বিতৰণী অনুষ্ঠানত উক্তস্কুলৰ নাৰ্চাৰীৰ পৰা নৱম শ্ৰেণীলৈ প্ৰায় ২০০ ছাত্ৰ ছাত্ৰীয়ে ৭টা খেলৰ লগতে কেবাটাও গ্ৰোপখেলত অংশগ্ৰহণ কৰিছিল। বিশেষকৈ A, B, C আৰু D গ্ৰোপৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্হান মিলাই মুঠ ১১৬ জন ছাত্ৰ-ছাত্ৰীয়ে কৃতিত্ব অৰ্জন কৰি নিজৰ নিজৰ প্ৰতিভা সাব্যস্ত কৰে। বঁটা বিতৰণী অনুষ্ঠানত স্থান অনুযায়ী ১১৬ জন ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰিও বিদ্যালয়ৰ শিক্ষক গোটৰ সকলোকে একোটাকৈ নিচুকনি পুৰস্কাৰ প্ৰদান কৰা হয়। বঁটা বিতৰণী অনুষ্ঠানটি সঞ্চালনা কৰে বিদ্যালয়ৰ অধ্যক্ষ ছুলমান আলীয়ে। সভাৰ উদ্দেশ্য বাখ্যা কৰে উপাধ্যক্ষ ৰামকৃষ্ণ বাগলাৰীয়ে। বঁটা প্ৰদান কাৰ্যসূচীত সহযোগিতা আগবঢ়ায় সহশিক্ষক চাহিদ আলী, নিতিত বাগলাৰী, সুস্মিতা সাহা, নুৰজাহান বেগমে। আমন্ত্ৰিত অতিথি হিচাপে পৰিচালনা সমিতিৰ সভাপতি আবুল কাশেম, উপ-সভাপতি আব্দুল আলী, প্ৰতিষ্ঠাপক সভাপতি হাৰুণ অল ৰাশিদৰ লগতে বহু গন্যমান্য ব্যক্তি সকল উপস্থিত আছিল। বঁটা বিতৰণী অনুষ্ঠানত বিদ্যালয়ৰ প্ৰায় দ্বি শতাধিক ছাত্ৰ ছাত্ৰী, অভিভাবক, পৰিচালনা সমিতিৰ কৰ্ম কৰ্তা আৰু শিক্ষক গোটৰ সকলোৱে উপস্থিত আছিল। অৱশ্যে এফালে চেটাৰডে ক্লাৰ আৰু আনফালে অভিভাবক সভাৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি বঁটা বিতৰণী অনুষ্ঠানটি সম্পন্ন কৰা হয়। ইতিমধ্যে হৈ যোৱা প্ৰথম গোট পৰীক্ষাত ছাত্ৰ-ছাত্ৰীসকলৰ বহী মূল্যায়নত অভিভাবক সকলৰ তৰফৰ পৰা সন্তোষ প্ৰকাশ কৰে।


**LOST**

I HAVE LOST MY ORIGINAL LAND REGISTRATION DOCUMENT, DALIL NO.1397/08 UNDER BARPETA SUB REGISTER.
It is true to the Affidavit Notary public Barpeta and Police Report vide kayakuchi O.P GDE No.531/23-06-2022.

Md. Safiqul Islam
S/O- Lt. Ala Uddin Ahmed
VILL-Banbahar
P.O.-Kayakuchi
P/S.- BARPETA
DIST.- BARPETA
Ph.- 9435025535


## ৰাশিফলত আজিৰ দিনটো

**১১ আহাৰ, দেওবাৰ, ২৬ জুন, ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ কৃষ্ণা ত্ৰয়োদশী, নক্ষত্ৰ ঃ কৃত্তিকা, জন্ম ৰাশি ঃ বৃষ**
**সূৰ্যোদয়- ৪-৩৬-১৪ সূৰ্যাস্ত- ৬-১৫-২৫**



■ **মেষ** ঃ উপহাৰ গ্ৰহণ ■ **বৃষ** ঃ উত্তম খাদ্য লাভ ■ **মিথুন** ঃ প্ৰিয়জনৰ আগমণ ■ **কৰ্কট** ঃ ভ্ৰমণ যোগ ■ **সিংহ** ঃ নৃত্যগীতত ব্যস্ত ■ **কন্যা** ঃ চোৰৰ ভয় ■ **তুলা** ঃ আদৰ্শবাদী মনোভাৱ ■ **বৃশ্চিক** ঃ ছাত্ৰীৰ সুনাম ■ **ধনু** ঃ পিতৃ-মাতৃৰ ৰোগ ■ **মকৰ** ঃ ৰক্তচাপ বৃদ্ধি ■ **কুম্ভ** ঃ পাৰদৰ্শী ব্যক্তি ■ **মীন** ঃ শিক্ষকৰ সুনাম।

# চি আৰ পি এফৰ ‘নিচামুক্ত ভাৰত অভিযান’ শীৰ্ষক কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২৫ জুন ঃ** আজাদী কা অমৃৎ মহোৎসৱৰ সৈতে সংগতি ৰাখি আজি কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী চমুকৈ CRPF ৰ ১৩৬ নং বেটেলিয়ানৰ উদ্যোগত ওদালগুৰি চহৰত ‘‘নিচা মুক্ত ভাৰত অভিযান’’ শীৰ্ষক এক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। স্থানীয় বিষ্ণু ৰাভা কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত আয়োজিত এই অনুষ্ঠানত চি আৰ পি এফৰ আৰক্ষী মহা পৰিদৰ্শক চনাল ভি. মিশ্ৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকি নিচা জাতীয় দ্ৰব্যৰ ভয়াৱহতাৰ বিষয়ে উল্লেখ কৰাৰ লগতে ইয়াক বৰ্জন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত ওদালগুৰিৰ অতিৰিক্ত উপায়ুক্ত ৰক্তিম বুঢ়াগোহাই, ওদালগুৰি জিলাৰ প্ৰতিষেধক বিষয়া ডাঃ গণেশ ব্ৰহ্মৰ লগতে কেইবাজনো লোকেও নিচা জাতীয় সামগ্ৰী সেৱনৰ ভয়াবহতাৰ সন্দৰ্ভত ভাষণ আগবঢ়াই । এই অনুষ্ঠানৰ লগত সংগতি ৰাখি সজাগতামূলক সমদল তথা গছপুলি ৰোপণ কাৰ্যসূচীও ৰূপায়ন কৰা হয়। আজিৰ এই কাৰ্যসূচীত চি আৰ পি এফৰ ১৩৬ নং বেটেলিয়ানৰ কামাণ্ডেন্ট অজিৎ চাংৱান, ওদালগুৰিৰ উপ- আৰক্ষী অধীক্ষক সুকুমাৰ সিংহাৰ লগতে চি আৰ পি এফৰ বহু কেইজন শীৰ্ষ বিষয়া, কেইবাখনো বিদ্যালয়ৰ অধ্যক্ষ, প্ৰধান শিক্ষক, ছাত্ৰ-ছাত্ৰী তথা পিলামল ফাউণ্ডেচনৰ বিষয়ববীয়াসকলেও অংশগ্ৰহণ কৰে।



### নলবাৰীৰ ধমধমাত ভয়াৱহ অগ্নিকাণ্ড

# জুইত ছাই হ’ল ৩ কোটি টকাৰ সম্পত্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৫ জুন ঃ** যোৱা নিশা নলবাৰীৰ ধমধমাৰ বড় মছজিডদৰ ব্যৱসায়ী স্থলীত এক ভয়ংকৰ অগ্নকাণ্ড সংঘটিত হয় ।অগ্নিকাণ্ডত প্ৰায় তিনি কোটি টকাৰ সা-সম্পত্তি জাহ যায় ।প্ৰাপ্ত বাতৰি মতে শুকুৰবাৰে নিশা প্ৰায় ১২.৪৫ মান বজাত সংঘটিত অগ্নিকাণ্ডত ২০ খনৰো অধিক ব্যৱসায় প্ৰতিষ্ঠান জাহ যায় । শ্বৰ্টচাৰ্কিটৰ ফলত উক্ত অগ্নিকাণ্ড সংঘটিত হোৱা বুলি কৰা ধাৰণা কৰা হৈছে ।অগ্নিকাণ্ডৰ পিছতেইনলবাৰী; তামুলপুৰ, ৰঙিয়া আৰু বেলশৰৰ পৰা অহা চাৰিখনকৈ অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীয়ে স্থানী লোক, ধমধমা আৰক্ষী চকী, ধমধমা গাঁও ৰক্ষী বাহিনী সহযোগত ডেৰঘন্টীয়া আপ্ৰাণ প্ৰচেষ্টাৰ ফলত জুই নিৰ্বাপন কৰিবলৈ সক্ষম হয় ।ভয়ংকৰ অগ্নিকাণ্ডৰ পৰা কোনোমতে ৰক্ষা পৰে ধমধমা বৃহৎ সাপ্তাহিক বজাৰ খনৰ বহু সংখ্যক ব্যৱসায়িক প্ৰতিষ্ঠানৰ লগতে বৃহৎ ধমধমা চ’কৰ ব্যৱসায় প্ৰতিষ্ঠান, দোকান-পোহৰ।



# বঙাইগাঁৱৰ গোলাপাৰা পথাৰৰ শ শ বিঘা খেতিত আঁঠুলৈকে বালি ঃ কৃষকৰ মাজত হাহাকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ২৫ জুন ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত গোলাপাৰা তৃতীয় খণ্ডৰ পথাৰত বালিৰে পোত গৈছে শস্য। বিগত বানপানীৰ পিছত গোলাপাৰা পথাৰৰ ধান খেতি, মৰাপাট খেতিৰ ওপৰত বালিৰে পোত গৈছে। চৰকাৰী সুবিধা নোলোৱাকৈ কৃষক সকলে মুৰৰ ঘাম মাটিত পেলাই খেতি কৰিছিল যদিওঁ বানপানীয়ে সকলো শেষ কৰি পেলাইছে। মানাহ নৈৰ পানীয়ে কৃষকৰ সপোন তচনচ কৰি পেলাইছে। ক্ষতিগ্ৰস্ত অঞ্চলত এতিয়ালৈকে উপস্থিত হোৱা নাই ৰাজ্যৰ বিয়াগোম কৃষি বিভাগ। ক্ষতিগ্ৰস্ত কৃষকসকলক চৰকাৰী সাহায্য প্ৰদান কৰি সহায় কৰিবলৈ আহ্বান জনাইছে ক্ষতিগ্ৰস্ত কৃষকসকলে।

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
২৬ জুন, ২০২২ ■ দেওবাৰ ■ গুৱাহাটী ■ ১১ আহাৰ, ১৯৪৪ শক


# জনাঞ্চলক বনাঞ্চল ঘোষণাৰ যো-জা চলোৱাৰ বিৰুদ্ধে কলিয়াবৰত সাব্যস্ত হৈছে তীব্ৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৰা, কলিয়াবৰ, ২৫ জুন ঃ** কলিয়াবৰৰ হাতীমূৰাক সংৰক্ষিত বনাঞ্চল ঘোষণাৰ যো-যা চলোৱাৰ বিৰুদ্ধে ওলাই আহিছে হাতীমূৰা, জখলাবন্ধা, কেৰিবাকৰিৰ সৰ্বসাধাৰণ ৰাইজ। শুকুৰবাৰৰ দিনটোতে চৰকাৰৰ এনে জনবিৰোধী নীতিৰ বিৰুদ্ধে কলিয়াবৰৰ জখলাবন্ধাত ৰাজহুৱা সভাৰে প্ৰতিবাদ সাব্যস্ত কৰিছে স্থানীয় ৰাইজে। ঐতিহ্যমণ্ডিত হাতীমূৰা অঞ্চলটোক সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণাৰ যো-জা চলোৱাৰ বিৰুদ্ধে জনসাধাৰণে সাব্যস্ত কৰে তীব্ৰ প্ৰতিবাদ। শুকুৰবাৰে জখলাবন্ধা গাঁও পঞ্চায়তৰ কাৰ্যালয় চৌহদত হাতীমূৰাক সংৰক্ষিত বনাঞ্চল কৰাৰ প্ৰসংগত স্থানীয় প্ৰশাসনে আয়োজন কৰিছিল এক ৰাজহুৱা শুনানী। প্ৰশাসনৰ এই ৰাজহুৱা শুনানিৰ সময়তে হাতে-হাতে প্লেকাৰ্ড লৈ, শ্ল'গান দি ৰাইজে সাব্যস্ত কৰিলে তীব্ৰ প্ৰতিবাদ। ঐতিহ্যমণ্ডিত হাতীমূৰা অঞ্চলক বনাঞ্চল ঘোষণা নকৰিবলৈ দাবী জনাই সমদল বাহিৰ কৰি প্ৰতিবাদ সাব্যস্ত কৰিলে স্থানীয় পাঁচ শতাধিক ৰাইজে। উল্লেখ্য যে, হাতীমূৰাৰ প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলক সংৰক্ষিত বনাঞ্চললৈ উন্নীতকৰণৰ বাবে ৰাজহুৱা শুনানী আহ্বান কৰি যোৱা ১৩ জুনত জাৰি কৰিছিল এক জাননী। শুকুৰবাৰৰ ৰাজহুৱা শুনানীৰ সময়তে হাতীমূৰাক সংৰক্ষিত বনাঞ্চললৈ




উন্নীতকৰণৰ প্ৰস্তাৱ উঠাই লোৱাৰ দাবীত প্ৰতিবাদ কৰিবলৈ ওলাই আহিল স্থানীয় ৰাইজ। হাতীমূৰাক সংৰক্ষিত বনাঞ্চল কৰাৰ চৰকাৰৰ জনবিৰোধী চিন্তাই অঞ্চলটোত যুগ-যুগ ধৰি প্ৰকৃতি আৰু বন্যপ্ৰাণীৰ সৈতে সহৰস্থান কৰা স্থানীয় খিলঞ্জীয়া ৰাইজৰ জীৱন-জীৱিকাৰ প্ৰতি অন্ধকাৰ নমাই অনাৰ শংকা প্ৰকাশ কৰিছে প্ৰতিবাদকাৰীসকলে। হাতীমূৰাক সংৰক্ষিত বনাঞ্চললৈ উন্নীত কৰাৰ চিন্তা পৰিহাৰ কৰিবলৈ চৰকাৰক দাবী জনাইছে বিভিন্ন দল-সংগঠনৰ লগতৰ স্থানীয় জনসাধাৰণে। স্থানীয় প্ৰশাসনে আয়োজন কৰা ৰাজহুৱা শুনানীত কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থা, আদিবাসী ছাত্ৰসন্থাৰ নগাঁও জিলা সমিতি, চাহ জনজাতি ছাত্ৰসন্থাৰ নগাঁও জিলা সমিতি, নগাঁও জিলা চাহ মজদুৰ সংঘৰ বিষয়ববীয়া উপস্থিত থাকি চৰকাৰৰ জনবিৰোধী চিন্তাক তীব্ৰ গৰিহণা দিয়াৰ লগতে হাতীমূৰাক সংৰক্ষিত বনাঞ্চললৈ উন্নীত কৰাৰ চিন্তা পৰিহাৰ কৰিবলৈ চৰকাৰক দাবী জনাইছে। কলিয়াবৰৰ মহকমাধিপতিৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ একোখনকৈ স্মাৰকপত্ৰও প্ৰদান কৰে সভাত উপস্থিত দল-সংগঠনসমূহে। ৰাইজৰ দাবী উপেক্ষা কৰি জনবসতি অঞ্চল হাতীমূৰাক যদিহে সংৰক্ষিত বনাঞ্চললৈ উন্নীত কৰে তেন্তে চৰকাৰখনে তীব্ৰ আন্দোলনৰ সন্মুখীন হ'ব বুলি হুংকাৰ প্ৰদান কৰে আজিৰ প্ৰতিবাদস্থলীত উপস্থিত দল-সংগঠনসমূহে। উল্লেখ্য যে, প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলখনত ঐতিহাসিক মহিষমৰ্দ্দিনী দুৰ্গা মন্দিৰ অৱস্থিত হোৱাৰ পৰিপ্ৰেক্ষিতত ভৱিষ্যতে দৰ্শনাৰ্থী আহ-যাহ তথা অনান্য পালিত উৎসৱসমূহক লৈ এক প্ৰশ্নবোধকৰ সৃষ্টি কৰিব বুলি এটা মহলে অভিযোগ তুলিছে। তদুপৰি, সেই স্থানতে হাতীমূৰা-কুকুৰাকটা পাহাৰ মথাউৰিত নিৰ্মিয়মান কলংমুখৰ শ্লুইছ গে'ট অৱস্থিত। তেনস্থলত ভৱিষ্যতে সংৰক্ষিত বনাঞ্চলৰ মাজতে তেনে এক স্পৰ্শকাতৰ নিৰ্মাণ সুৰক্ষিত কৰি ৰখাত এক সমস্যাৰ সৃষ্টি হোৱাটো একপ্ৰকাৰ নিশ্চিত। এছিয়াৰ দ্বিতীয় জলসিঞ্চন আঁচনিখনো অৱস্থিত। আনহাতে, প্ৰস্তাৱিত বনাঞ্চলৰ কাষেৰে বৈ যোৱা কলিয়ামোমোৰা দলঙলৈকে ব্ৰহ্মপুত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ষষ্ঠ সংযোজনৰ অন্তৰ্গত হোৱাৰ বাবে মৎস্য ব্যৱসায়ীসকল পূৰ্বৰে পৰা অনেক সমস্যাৰ সন্মুখীন হৈ আহিছে। স্থানীয় কৃষিজীৱি ৰাইজে ম্যাদী পট্টাৰ কৃষিভূমিত কৃষিকৰ্ম কৰি জীৱন নিৰ্বাহ কৰি আছে। তেনেস্থলত সামগ্ৰীক পৰিস্থিতি অনুধাৱন কৰি বিভাগীয় কৰ্তৃপক্ষই এনে এক সিদ্ধান্ত নল'ব বুলিয়ে কলিয়াবৰৰ সচেতন মহলে বিবেচনা কৰে।




## শিক্ষামন্ত্ৰীৰ আহ্বানক প্ৰত্যাহ্বান অসম ৰাজ্যিক শিক্ষক সন্মিলনীৰ
# শিক্ষকসকলক শ্ৰেণীকোঠাত ব্যস্ত ৰখাৰ আহ্বান চৰকাৰক

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২৫ জুন ঃ** শেহতীয়াকৈ ৰাজ্যৰ শিক্ষা বিভাগ আৰু শিক্ষকসকলৰ কৰ্মৰ মাজত এক সামঞ্জস্যহীন পৰিৱেশে দেখা দিয়া পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত ৰাজ্যৰ শিক্ষক আৰু চৰকাৰৰ মাজত এক প্ৰত্যক্ষ সঙ্ঘাতৰ উকমুকনি যোৱা সময়ছোৱাত দেখা দিছে। শুকুৰবাৰে কলিয়াবৰৰ কুঁৱৰীটোলস্থিত কলিয়াবৰ মুক্তিযুঁজাৰু ভৱনত অনুষ্ঠিত ৰাষ্ট্ৰীয় শিক্ষা নীতি -২০২০ বিষয়ক এক সজাগতা সভাত এনে এক পৰিৱেশৰ উমান পোৱা গ'ল। অলপতে শিক্ষা মন্ত্ৰীয়ে 'শিক্ষকসকলক অনাশৈক্ষিক কামত ব্যৱহাৰ কৰিলে কি ক্ষতি হয়' বুলি কৰা মুকলি বিতৰ্কৰ আহ্বানক প্ৰত্যাহ্বান জনাইছে অসম প্ৰাথমিক শিক্ষক সন্মিলনীৰ। অসম তথা ভাৰতৰ সমগ্ৰ শিক্ষক ব্যৱস্থাটো চৰকাৰৰ ভুলৰ বাবেই যে আজি এই দশা হৈছে। এই বিষয়টো তথ্য-প্ৰমাণসহ শিক্ষা মন্ত্ৰীৰ মুকলি আহ্বানক মুকলি প্ৰত্যাহ্বান জনাবলৈ সাজু। এই মন্তব্য অসম ৰাজ্যিক শিক্ষক সন্মিলনীৰ। আনহাতে, সাংবাদিকতা আৰু অনান্য ব্যক্তিগত-সমাজিক অনাশৈক্ষিক কাম যেনে — জীৱন বীমা, ঠিকা-ঠুকলি, ৰাজনৈতিক দলৰ নেতাজাতীয় ধেমাধৰা শ্ৰেণীকোঠাত নথকা শিক্ষকসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ পক্ষত শিক্ষক সন্মিলনী। ২০১৩ চনতেই তদানীন্তন শিক্ষা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ত ঘোষণা কৰিছিল যদিও, পাছলৈ ফুটুকাৰ ফেনলৈ পৰিৱৰ্তন হ'ল। বৰ্তমান মুখ্যমন্ত্ৰীগৰাকীৰ মুখত একেটা ঘোষণাক অসম ৰাজ্যিক শিক্ষক সন্মিলনীয়ে আদৰণি জনাইছে। কিন্তু ঘোষণাটো কাৰ্য্যকৰী হ'বনে নাই সেই লৈ সন্দিহান শিক্ষকসকল। উল্লেখ্য যে, কলিয়াবৰত ৰাষ্ট্ৰীয় শিক্ষা নীতি — ২০২০ বিষয়ক এক সজাগতা সভাত অংশগ্ৰহণ কৰিবলৈ আহি এই গুৰুত্বপূৰ্ণ মন্তব্য কৰে অসম ৰাজ্যিক শিক্ষক সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল গোস্বামীয়ে। তদুপৰি, নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি সন্দৰ্ভতো কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তদুপৰি, নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি সন্দৰ্ভতো কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। গোস্বামীয়ে কয়, নতুন শিক্ষানীতিত প্ৰাক-প্ৰাথমিক শাখাটো প্ৰাথমিক বিদ্যালয়ৰ লগত অন্তৰ্ভুক্ত কৰা হৈছে যদিও, সেই শাখাটোত শিক্ষাদানৰ বাবে শিক্ষকৰ নিযুক্তি তথা অৰ্হতাৰ বিষয়ে কোনোধৰণৰ পৰিষ্কাৰ ধাৰণা এটা নতুন শিক্ষা নীতিয়ে দিব পৰা নাই। যদি ২০২৩ চনৰ পহিলা এপ্ৰিলৰ পৰা ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ জৰিয়তে শিক্ষাদান প্ৰক্ৰিয়া আৰম্ভ কৰা যায় তেনেহ'লে এই বিষয়টো অনতি পলমে নিস্পত্তি কৰাটো জৰুৰী হৈ পৰিছে।

## নগাঁৱত আম আদমি পাৰ্টীৰ চমক
# জিলা কাৰ্যালয় উদ্বোধন জন সচেতনতা বৃদ্ধিৰ বাবে বাইক ৰেলী

**দৈনন্দিন বাৰ্তাৰ সেৰা, নগাঁও, ২৫ জুন ঃ** শেহতীয়াকৈ অসমত আম আদমী পাৰ্টিৰ তৎপৰতা বৃদ্ধি পাইছে। ইতিমধ্যে গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনত দলটোৰ এগৰাকী সদস্য নিৰ্বাচিত হৈছে। ইয়াৰ পিছত দলটোৰ সাংগঠনিক স্থিতি ক্ৰমশঃ মজবুত হোৱাৰ কথা চৰ্চিত হৈছে। ৰাজ্যৰ আন ঠাইৰ লগতে নগাঁও জিলাতো দলটোৰ সাংগঠনিক কাম-কাজ আৰম্ভ কৰিছে ৰাজ্যিক নেতৃত্বই। ইয়াৰ অংশ হিচাপে দলটোৰ নগাঁও জিলা সমিতিৰ কাৰ্যালয় মুকলি কৰা হয়। চহৰখনৰ পলিটেকনিক তিনি আলিত দলটোৰ জিলা কাৰ্যালয়টি উদ্ধোধন কৰে নগাঁও পৌৰসভাৰ দুগৰাকী চাফাই কৰ্মী ক্ৰমে বিনোদ বাসফৰ আৰু হাফিজা খাতুনে। ইয়াৰ পাছতে জিলাখনৰ সাধাৰণ সভাখন জিলা সমন্বয়ক ৰূপম শৰ্মাই পৰিচালনা কৰে। সভাত উপস্থিত থাকি ৰাজ্যিক সমিতিৰ যুটিয়া সমন্বয়ক ৰাজীৱ শইকীয়াই দলটোৰ সাংগঠনিক ভেটি কেনেকৈ সবল কৰিব পাৰি, তাৰ ওপৰত বক্তব্য ৰাখে। সভাত দলটোৰ জিলা সমিতিৰ উপদেষ্টা অধিবক্তা নুৰুল হাচান, আইনী উপদেষ্টা জামাল উদ্দিন চৌধুৰী, জিলাৰ সহকাৰী সমন্বয়ক মইশ শইকীয়া, ৰিজ আহমেদ, সম্পাদক যুগান্ত বৰাকে ধৰি বহু কেইগৰাকী নেতা উপস্থিত থাকে। এই সভাখনত জিলাখনৰ বিভিন্ন দল- সংগঠনৰ কেইবা গৰাকী ব্যক্তিয়ে যোগদান কৰে। সভাৰ অন্তত নগাঁও কলেজ চকৰ পৰা পুৰণিগুদাম কলেজ হৈ পুণৰ নগাঁও চহৰলৈ এটি বাইক ৰেলী বাহিৰ কৰা হয়। সৰ্বসাধাৰণ ৰাইজৰ মাজত জন সচেতনতা বৃদ্ধি কৰাৰ বাবে এই বাইক ৰেলীৰ অনুষ্ঠিত হয় বুলি দলটোৰ নেতৃত্বই সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

# টিপলাইত দক্ষিণ-পশ্চিম অসম আন্তঃ হাইস্কুল ব'ৰ্ডৰ ৫৬সংখ্যক বাৰ্ষিক অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৰা, বকো, ২৫ জুন ঃ** দক্ষিণ-পশ্চিম অসম আন্তঃ হাই স্কুল বোৰ্ডৰ ৫৬ তম বাৰ্ষিক অধিৱেশন খন আজি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচিৰে গোৱালপাৰাৰ




টিপলাই হাই স্কুল প্ৰাঙ্গণত অনুষ্ঠিত হৈ যায়। পুৱাৰ ভাগত বোৰ্ডৰ গতাকা উত্তোলণ কৰে দক্ষিণ-পশ্চিম অসম আন্ত হাই স্কুল বোৰ্ডৰ উপ-সভাপতি লোকমান আলী। স্মৃতি তৰ্পণ অনুষ্ঠানৰ শুভাৰম্ভ কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি তথা টিপলাই উচ্ছতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ জগবনধু কৈৱৰ্তই। বৃক্ষৰোপণ কৰে টিপলাই উচ্ছতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হৰ মোহন নাথে আৰু ইয়াৰ পিছতেই উপ-সভাপতি লোকমান আলীৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। উল্লেখ্য যে, বোৰ্ডৰ অধীনৰ গোৱালপাৰা আৰু কামৰূপ (গ্ৰাম্য) জিলাৰ ৪৪ খন বিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী সকলে অংশগ্ৰহণ কৰে আৰু বিভিন্ন বিদ্যালয়ৰ ৫৪ জন কৈ অৱৰসৰী শিক্ষক-শিক্ষয়ত্ৰীক সম্বৰ্ধণা জনোৱা হয়। সম্বৰ্ধণা অনুষ্ঠাণৰ আঁত ধৰে দক্ষিণ-পশ্চিম অসম আন্ত হাই সকুল বোৰ্ডৰ সম্পাদক। সভাত কেইবাগৰাকীও অবসৰী শিক্ষক কৰ্মচাৰীয়ে ভাষণ প্ৰদান কৰে আৰু বৰ্তমান সময় শিক্ষক-শিক্ষয়ত্ৰী সকলোৰ লৰা-ছোৱালীয়ে অসমীয়া মাধ্যমৰ বিদ্যালয় এৰি ইংৰাজী মাধ্যমৰ বিদ্যালয় লৈ যাবলৈ ধৰাটোত আক্ষেপ প্ৰকাশ কৰে। সভাৰ প্ৰাক মুহুৰ্তত বিদ্যালয় খনৰ শিক্ষয়ত্ৰীদ্বয় পল্লবী দাস আৰু মুনু দাসৰ নৃত্য আৰু গীত-মাতে আপুত কৰে বহুজনক।

# বিহালী মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিযোগিতামূলক উচ্চ শিক্ষা আৰু স্ব-নিয়োগৰ ক্ষেত্ৰত মত-বিনিময় অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৰা, বিহালী, ২৫ জুন ঃ** জীৱিকা নিৰ্দ্দেশনা কোষ আৰু ছাত্ৰ সংসদ 'বিহালী মহাবিদ্যালয়ৰ সহযোগত প্ৰতিযোগিতা মুলক উচ্চ শিক্ষা আৰু স্ব-নিয়োগৰ সম্পৰ্কত ছাত্ৰ-ছাত্ৰীকলৈ মহাবিদ্যালয়ৰ সভাকক্ষত এক মত-বিনিময় অনুষ্ঠান অনুষ্ঠিত হৈ যায়। ছাত্ৰ ছাত্ৰী সকৰে স্নাতক ডিগ্ৰী শিক্ষা শেষ কৰি কেনেদৰে নিজকে ইতিবাচক চিন্তাৰে আগুৱাইলৈ যাব পাৰিব সেই সম্পৰ্কত আজি এই গুৰুপুৰ্ণ সভাখন অনুষ্ঠিত হৈ যায় ।মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয়ৰ সহযোগত অনুষ্ঠিত সভাখনত অধ্যক্ষ ড° জীৱন চন্দ্ৰ নাথে সভাপতিত্ব কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশন কৰা এটি কুৰাছেৰে সভাখন মুকলি কৰা হয় ! অধ্যাপক প্ৰাঞ্জল মহন্তই আতঁ ধৰা সভাত উদ্দেশ্য ব্যাখ্যা কৰে অধ্যাপক ৰাজীৱ মহন্তই। সভাখন উদ্বোধন কৰে বিহালী সমষ্টিৰ বিধ্যায়ক তথা প্ৰাক্তন মন্ত্ৰী ৰঞ্জিত দত্তই !ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি গুৰুপুৰ্ণ ভাষণ আগবঢ়াই ৰঞ্জিত দত্তই।। সমল ব্যক্তি হিচাপে উপস্থিত থাকি বিভিন্ন বিষয়ত ছাত্ৰ-ছাত্ৰী সকল আগুৱাই যাব পৰাকৈ বক্তব্য আগবঢ়াই ক্ৰমে সোনমণি শইকীয়া কৃষি উন্নয়ন বিষয়া বৰগাং বিহালী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ডঃ বেদানন্দ নাথ : জিলাৰ উদ্যোগ আৰু বানিজ্য বিভাগৰ সহকাৰী সঞ্চলক বিজিত মহন্ত আৰু ৰিকি দত্তই। আদৰণি ভাষণত সভাপতি ড° জীৱন চন্দ্ৰ নাথে কয় যে আমি আমাৰ ছাত্ৰ-ছাত্ৰী সকলক অকল পুঁথিগত শিক্ষা দিয়ে দায়িত্ব সামৰিব বিচৰা নাই - মহাবিদ্যালয়ৰ শিক্ষা শেষ কৰি যাতে বিভিন্ন বিষয়ত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে ইতিবাচক চিন্তাৰে আগুৱাই যাব পাৰে আৰু স্ব-নিয়োগৰ বিষয়ত অভিজ্ঞতা লাভ কৰিব পাৰে সেই সম্পৰ্কতহে এই সভাখন আয়োজন কৰা হৈছে বুলি উল্লেখ কৰে!

# নিশা ট্ৰাকৰ খুন্দাত চূৰ্ণ-বিচূৰ্ণ আৰক্ষীৰ গাড়ী, চালক আহত

**দৈনন্দিন বাৰ্তাৰ সেৰা, নগাঁও, ২৫ জুন ঃ** নগাঁও বাইপাছৰ ঘাঁহীত কালি নিশা সংঘটিত এক দুৰ্ঘটনাত আৰক্ষীৰ এখন গাড়ীৰ ব্যাপক ক্ষতিসাধন হোৱাৰ লগতে গাড়ীখনৰ চালকজন গুৰুতৰভাবে আহত হয়। নিশা আৰক্ষীৰ বাহনখনত দ্ৰুতবেগী এখনট্ৰাকে খুন্দা মৰাৰ ফলতেই দুৰ্ঘটনাটো সংঘটিত হয়। জানিব পৰা মতে নিশা তহলদাৰী বৰঘাট আৰক্ষীৰ ব'লেৰো গাড়ীখনত প্ৰচণ্ড গতিত খুন্দা মাৰে গুৱাহাটী অভিমুখী এএছ ০১কেচি ০৫৪৮ নম্বৰৰ এখন ট্ৰাকে। ফলত চূৰ্ণ বিচূৰ্ণ হৈ পৰে আৰক্ষীৰ বাহনখন। দুৰ্ঘটনাটোত গুৰুতৰ ভাবে আহত হয় ললিত দাস নামৰ আৰক্ষীৰ বাহনখনৰ চালকজন। নিশাই তেওঁক নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় আহত। ইপিনে দুৰ্ঘটনা সংঘটিত কৰিয়েই ট্ৰাক খনৰ চালকজনে ঘটনাস্থলীৰ পৰা পলায়ন কৰে।

# শ্ৰীৰামপুৰত আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ ভাংসহ ট্ৰাক জব্দ ঃ চালকসহ দুজনক আটক

**দৈনন্দিন বাৰ্তাৰ সেৰা, গোসাঁইগাঁও, ২৫ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-পশ্চিমবংগ সীমান্তৰ শ্ৰীৰামপুৰত আজি পুৱাৰ ভাগত শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয়



কুমাৰ ৰায়ৰ নেতৃত্বত আৰক্ষীৰ দলে গোপন খবৰৰ ভিত্তিত অভিযান চলাই শ্ৰীৰামপুৰস্হিত ৩১ নম্বৰ (গ) ৰাষ্ট্ৰীয় ঘাইপথত এন এল ০৬ এ ৪৪৩৮ নম্বৰৰ বাৰ চকীয়া ট্ৰাকত তালাচী চলাই উদ্ধাৰ কৰে বৃহৎ পৰিমানৰ ভাং। ট্ৰাকখনৰ হুডৰ তলত চেম্বাৰ বনোৱাই লুকুৱাই অনা ভাং সমূহ অসমৰ গুৱাহাটী পৰা ট্ৰাকত বোজাই কৰি বহিঃৰাজ্যৰ বিহাৰ অভিমুখে গৈ আছিল ট্ৰাক খনত ৩৭টা পেকেটত ভাং খিনি কঢ়িয়াই নিয়া হৈছিল। ট্ৰাকখনৰ পৰা ৪ কুইণ্টল ৪৭ কিলোগ্ৰাম ভাং উদ্ধাৰ কৰা হৈছে। ট্ৰাক খনৰ চালক ৰামবাবু ৰায় (৩২)আৰু সহ: চালক দীপক ৰায়ক(২৭) আটক কৰা হৈছে। দুয়োৰে ঘৰ বিহাৰৰ সমস্তিপুৰত বুলি আৰক্ষীৰ জেৰাত স্বীকাৰ কৰিছে।জব্দকৃত ভাং খিনিৰ বজাৰ মূল্য ৫০ লাখ টকা হ'ব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। শ্ৰীৰামপুৰত আৰক্ষীয়ে ভাং জব্দ কৰাৰ সম্ভেদ লাভ কৰি গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া নৱনিতা শৰ্মা আৰু গোসাঁইগাঁও আৰক্ষী থানাৰ অ চি অমৰ জ্যোতি বাইলুং শিমুলটাপু আৰক্ষী চকীত উপস্থিত হৈ ভাং কঢ়িয়াই অনা ট্ৰাক খনৰ চালক আৰু সহঃচালকক জেৰা অব্যাহত ৰাখি অধিক তথ্য লাভৰ সন্ধান কৰে।

# জাগীৰোডৰ ধৰমতুলত পথ দুৰ্ঘটনাত বানাক্ৰান্ত নিহত, আহত শিশুসহ ৬জন

## ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত আশ্ৰয় শিবিৰত আছিল বানাক্ৰান্তৰ পৰিয়ালটো

**দৈনন্দিন বাৰ্তাৰ সেৰা, জাগীৰোড, ২৫ জুন ঃ** বানৰ মাজতে এক শোকাৱহ পথ দুৰ্ঘটনাই জোকাৰি গ'ল জাগীৰোডৰ ধৰমতুল। কোনেও নভবাকৈ শুক্ৰবাৰে নিশা প্ৰায় ১২:৩০ বজাত ধৰমতুলৰ এটা পৰিয়াললৈ নামি আহিল অমানিশা। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত আশ্ৰয় লৈ থকা এটা পৰিয়ালক মহতিয়াই নিয়ে এখন তীব্ৰবেগী বাহনে। গুৱাহাটীৰ পৰা নগাঁও অভিমুখী AS01-NC-1204 নম্বৰৰ যুদ্ধা বাহনখনে প্ৰথমে খুন্দা মাৰে ৰখাই থোৱা এখন বাহনত। তাৰ পিছতে নিশা আহাৰ গ্ৰহণ কৰি থকাৰ সময়তে বাহনখনে মহতিয়াই নিয়ে বানাক্ৰান্ত পৰিয়ালটোক। দুৰ্ঘটনাত বুবু দাস নামৰ এজন লোক নিহত হোৱাৰ লগতে আহত হয় এটি ৯ মহীয়া শিশু সহ মুঠ ৬ জন লোক। আহত কেইজন ক্ৰমে ৰামপাল দাস, গীতা দাস, সংগীতা দাস, শিব দাস আৰু বিষ্ণু দাস। ৯ মহীয়া শিশুটি সঞ্জয় দাস সহ আটাইকে সংকটজনক অৱস্থাত জি এম চি এইচ লৈ প্ৰেৰণ কৰা হৈছে। ইয়াৰে দুগৰাকীকৈ লোকে মৃত্যুৰ সৈতে যুঁজি আছে চিকিৎসালয়ত। ইফালে দুৰ্ঘটনা সংঘটিত কৰি নিশাৰ এন্ধাৰৰ সুযোগ লৈ চালকজন পলায়ন কৰিছিল যদিও পৰৱৰ্তী সময়ত চালক পদুম বড়োক আটক কৰি মৰিগাঁৱলৈ প্ৰেৰণ কৰে আৰক্ষীয়ে। ইফালে মৃত বুবু দাসৰ অস্থায়ী শিবিৰত উপস্থিত হয় মৰিগাঁও জিলাৰ উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া আৰু অতিৰিক্ত উপায়ুক্ত গৰ্গ মোহন দাস। উপায়ুক্তৰ সন্মুখতে বুবু দাসৰ ভগ্নীয়ে উজাৰিলে ক্ষোভ। জবাবদিহি কৰিলে জিলা ড' পায়ুক্তক। অৱশ্যে পৰিয়ালটোক সকলোধৰণৰ সহায় কৰা হব বুলি আশ্বাস প্ৰদান কৰে উপায়ুক্তই। আনহাতে মৰনোত্তৰ পৰীক্ষাৰ পিছত দুপৰীয়া বুবু দাসৰ মৃতদেহ লৈ অনা হয় অস্থায়ী শিবিৰত। কান্দোনত ভাগি পৰে পৰিয়ালবৰ্গৰ লগতে ওচৰ চুবুৰীয়া। উল্লেখ্য যে, আৰক্ষী প্ৰশাসনৰ হেমাহিৰ বাবেই এজন লোকৰ মৃত্যু হোৱাৰ লগতে এটা পৰিয়াললৈ ঘোৰ অমানিশা নামি অহাৰ অভিযোগ স্থানীয় লোক তথা আত্মীয়ৰ।

Urgently Required
Security Guards
International Mall,
Kerala, Sal:16000+
Free Hostel
10th Pass, 5.5 feet
7025585441
7034280845

## পশ্চিম নলবাৰীৰ পূৰ্ণিৰ পামত ১৬টা পৰিয়াল গৃহহীন
# শিশু-মহিলাসহ মথাউৰিতে দুৰ্বিষহ জীৱন বানাক্ৰান্তৰ
## স্থানীয় বিধায়ক, পঞ্চায়ত প্ৰতিনিধিয়ে খবৰ নোলোৱাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৰা, পশ্চিম নলবাৰী, ২৫ জুন ঃ** পশ্চিম নলবাৰী অঞ্চলৰ ধৰ্মপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ২১ নং উত্তৰ ক্ষেত্ৰী ধৰ্মপুৰ গাঁও পঞ্চায়ত এলেকাৰ উত্তৰ আমনিৰ পূৰ্ণিৰ পামৰ ১৬ টা বানবিধ্বস্ত দুৰ্ভগীয়া পৰিয়াললৈ চৰকাৰ তথা স্থানীয় বিধায়ক তথা পঞ্চায়ত প্ৰতিনিধিসকলে পিঠি দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে উত্তৰ আমনিৰ পূৰ্ণি পামৰ কানাইখুন্দা নদীৰ মথাউৰিৰ দাঁতিত বসবাস কৰা ১৬ টা দুৰ্ভগীয়া পৰিয়ালে এইবাৰৰ বিধ্বংসী বানত ঘৰ-বাৰীকে ধৰি সৰ্বস্ব হেৰুৱাই নিঠৰুৱা হৈ পৰিছে। উল্লেখ্য, উত্তৰ আমনিৰ পূৰ্ণিৰ পামত সুদীৰ্ঘ দিন ধৰি বসবাস কৰি অহা অনন্ত বৰ্মন, জোন বৰ্মন, ভবেন বৰ্মন, মাজু বৰ্মন আৰু মামন বৰ্মনৰ বাসগৃহ কেইটাৰ মাজেৰে বুঢ়াদিয়া, মৰা পাগলাদিয়া আৰু কানাইখুন্দা নদীৰ বাঢ়নী পানীৰ প্ৰচণ্ড সোঁত বৈ যোৱাত আটাইকেইটা পৰিয়ালৰে বাসগৃহ সমূহ উচন হয়। পৰিয়ালকেইটাৰ বাসগৃহ থকা ঠাইত খহনীয়াই প্ৰকাণ্ড পুখুৰীৰ সৃষ্টি কৰিছে। হঠাতে অহা বানৰ ঢলৰপৰা কোনোমতে পৰিয়ালকেইটা ওলাই আহি কানাইখুন্দা নদীৰ মথাউৰিৰ ওপৰত আশ্ৰয় লৈ জীৱন ৰক্ষা কৰিবলৈ সক্ষম হয় যদিও পৰিয়ালকেইটাৰ স্থাবৰ-অস্থাবৰ সকলো সম্পত্তি নৈত জাহ যায়। শ্ৰমজীৱী পৰিয়ালকেইটাই কোনোমতে ক্ৰয় কৰিবলৈ সক্ষম হোৱা বিজুলি পাংখা, টেলিভিছন চেট, বাচন-বৰ্তন, বিছনা, সাজ-পোছাক বানে উটুৱাই নিয়ে। বানে উটুৱাই নিছে ছাত্ৰ-ছাত্ৰীৰ পাঠ্যপুথিকে ধৰি অন্যান্য শিকন সঁজুলি।



এই পৰিয়ালকেইটাকে ধৰি চুবুৰিটোৰ ১৬টা পৰিয়াল এতিয়া গৃহহীন হৈ কানাইখুন্দা নদীৰ পাৰতে টম্বু সাজি আশ্ৰয় গ্ৰহণ কৰি আছে। বানপীড়িত লোকসকলে শুক্ৰবাৰে বান পৰিস্থিতি পৰ্যবেক্ষণ কৰিবলৈ যোৱা সাংবাদিকৰ দল এটিৰ সন্মুখত অভিযোগ কৰে যে উত্তৰ আমনিৰ পূৰ্ণিৰ পামৰ বানত বিধ্বস্ত হোৱা পৰিয়ালকেইটাৰ এই দুৰ্দিনৰ সময়ত স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, চামতা জিলা পৰিষদৰ সদস্য মীনাক্ষী দাস তথা স্থানীয় পঞ্চায়ত সভাপতি বিকাশ বৰ্মনে বাতৰি যুগুত কৰাৰ সময়লৈকে কোনো খবৰেই নোলোৱাৰ অভিযোগ উত্থাপিত কৰিছে ভুক্তভোগী পৰিয়ালে। ইপিনে প্ৰশাসনৰ ফালৰ পৰা এসাঁজৰ বাবে সামান্য খাদ্য সামগ্ৰী যোগান ধৰিয়েই দায়িত্ব সামৰা বুলিও ভুক্তভোগী লোকসকলে গুৰুতৰ অভিযোগ উত্থাপিত কৰিছে। নিৰ্বাচনৰ সময়ত ভোট বিচাৰি দুৰ্গম অঞ্চলটোলৈ সঘনাই যোৱা জনপ্ৰতিনিধিসকলে বানৰ সময়ত তেওঁলোকৰ খবৰ নোলোৱাত এতিয়া অঞ্চলটোত ক্ষোভৰ উদ্গীৰণ হৈছে।

Affordable Health Mission
GNRC
Quality• Value•Trust
জিএনআৰচি টেলিমেডিচিন সেৱা
ঘৰতে বহি এতিয়া আপুনি পাব পাৰে
জিএনআৰচিৰ বিশেষজ্ঞ চিকিৎসকৰ চিকিৎসা পৰামৰ্শ
আজিয়েই ডাউনল'ড কৰক
GNRC Telehealth App
(Google Play storeত উপলব্ধ)
যোগাযোগ ঃ 1800-345-0022
info@gnrchospitals.com www.gnrchospitals.com

# অনুৰাধা শৰ্মা পূজাৰীৰ 'ইয়াত এখন অৰণ্য আছিল'




■ জনাৰ্দন তালুকদাৰ

ভাৰতীয় লেখকৰ সাহিত্য কৰ্মক স্বীকৃতি দিয়া আৰু উদগনি যোগোৱাৰ উদ্দেশ্যে ভাৰতৰ ৰাষ্ট্ৰীয় সাহিত্যিক অনুষ্ঠান সাহিত্য অকাদেমিয়ে প্ৰতি বছৰে ভাৰতবৰ্ষৰ বিভিন্ন ভাষাৰ লেখকসকলক প্ৰদান কৰে 'সাহিত্য অকাদেমি বঁটা'। পূৰ্বৰে পৰা বৰ্তমানলৈ অসমীয়া ভাষাত সাহিত্য অকাদেমি বঁটা লাভ কৰা মহান সাহিত্যিকসকলৰ ভিতৰত অনুৰাধা শৰ্মা পূজাৰীও অন্যতম। ২০২১ বৰ্ষৰ সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল অসমৰ এগৰাকী জনপ্ৰিয় সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰী বাইদেউৰ 'ইয়াত এখন অৰণ্য আছিল' গ্ৰন্থখনে। মানৱ সভ্যতা আধুনিকভাৱে প্ৰতিষ্ঠিত হোৱাৰ লগে লগে আৰম্ভ হৈছিল জনবিস্ফোৰণ। সভ্যতা গঢ়াৰ নামত মানুহে প্ৰকৃতিৰ ওপৰত কৰা অত্যাচাৰ আৰু ধ্বংসলীলাই সমগ্ৰ জীৱ জগতৰ অস্তিত্বৰ ওপৰত শংকা আৰু বিভীষিকা নমাই আনিছে। মানুহে হিংস্ৰ ৰূপ ধাৰণ কৰি গছ-গছনি কাটি, বিল-জলাশয় পুতি, অৰণ্য ধ্বংস কৰি যেতিয়াই বসতি কৰিবলৈ ল'লে তেতিয়াৰ পৰা আৰম্ভ হ'ল প্ৰকৃতি আৰু মানুহৰ অন্তহীন যুদ্ধৰ আখৰা। ৰ'দ- বৰষুণৰ পৰা ৰক্ষা কৰিবলৈ বাসস্থানৰ প্ৰয়োজন। কিন্তু সেইবুলি নিজক নিৰাপদ কৰিবলৈ জানো আনক নিৰাপত্তাৰ পৰা বঞ্চিত কৰাটো উচিত। প্ৰকৃতিৰ অমূল্য দান ধ্বংস কৰিলে মানৱ সভ্যতাৰ উত্থান হ'বনে? এখন অৰণ্য যেতিয়া নিজে গঢ়ি তোলা অতি দুৰূহ তেন্তে সেইখন ধ্বংস কৰাৰ অধিকাৰো মানুহৰ নাই। এখন অৰণ্যৰ, এটা পাহাৰৰ ওপৰত আধাৰিত 'ইয়াত এখন অৰণ্য আছিল' গ্ৰন্থখন।

মহানগৰীৰ অৰণ্য দখল কৰি হেঁপাহৰ ঘৰ সজা এজাক মানুহ আৰু হেঁপাহৰ অৰণ্যখন নহ'লে থাকিব নোৱৰা অনেক প্ৰাণীৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ পাইছে উপন্যাসখনত। ৰাজনৈতিক কথা-বাৰ্তাৰ পৰা আন্তৰিক আৱেদনলৈকে কিতাপখনত সন্নিৱিষ্ট আছে অলেখ সাধুৰ দৰে কাহিনী। প্ৰতিটো বাক্যতে যেন লুকাই আছে অব্যক্ত বেদনা।

কিতাপখনৰ মূল বিষয়বস্তু আমচিং অৰণ্য আৰু উচ্ছেদ। আমচিং অৰণ্যৰ পৰা জনবসতিৰ উচ্ছেদৰ সামগ্ৰিক পৰিৱেশ সুন্দৰকৈ বৰ্ণিত হৈছে গ্ৰন্থখনত। খুব সূক্ষ্মভাৱে আমচিং কেনেকৈ অৰণ্যৰ পৰা জনঅৰণ্য হ'ল, কিদৰে হাবি-বননি উছন হ'ল, অৰণ্য আৰু মানুহৰ মাজৰ সংঘাতৰ বিষয়ে উপস্থাপন কৰিছে গ্ৰন্থখনত। গছ-গছনি ধ্বংস, বন্যপ্ৰাণী হত্যা, বিল-জলাশয় আদিৰ আৰম্ভ হোৱা ধ্বংসলীলাৰ কৰুণ বাস্তৱ, লেখিকাৰ আমচাঙৰ গুহাত প্ৰৱেশ, ১৯৭২ চনৰ বন্যপ্ৰাণী সুৰক্ষা আইনৰ সাম্প্ৰতিক সময়ত মহত্ত্ব কিমান আদি বিষয়ৰ লগতে চীন, ম্যানমাৰ আদি দেশৰ মানুহে ভাৰতবৰ্ষ, বিশেষকৈ অসমৰ বন্যপ্ৰাণীসমূহৰ প্ৰতি প্ৰদৰ্শন কৰা উদাৰতাই চোৰাং চিকাৰীসকলক যোগোৱা উৎসাহৰ ৰহস্য আৰু উপন্যাসখনৰ পৃষ্ঠাই পৃষ্ঠাই প্ৰকাশ পাইছে বন্যপ্ৰেমী লোকৰ কৰুণ বিননি। উপন্যাসখনৰ এফালে আছে অৰণ্যৰ নিৰ্জনতাত কোলাহল সৃষ্টি কৰা অনেক কাহিনী তথা ব্যাথা আৰু আনফালে আছে ক্ষুধাতুৰ-আভিজাত্য নামৰ দৈত্যটোৱে কোঙা কৰা তথা মুখা পিন্ধা কিছু লোকৰ বাস্তৱিকতা।

অনুৰাধা শৰ্মা পূজাৰীয়ে উপন্যাসখনৰ শেষত উল্লেখ কৰিছে যে এই সময় মানুহে ঠিকনা হেৰুওৱাৰ সময়। মানুহ, জীৱ-জন্তু সকলোৱে এক নিৰাপদ স্থানৰ সন্ধানত বিচলিত হৈ পৰিছে। অৰণ্যসমূহ, বিল-জলাশয়সমূহ মানুহে দখল কৰিবলৈ বাধ্য হৈছে। অৰণ্য হৈ পৰিছে মৰুভূমি। জীৱ-জন্তুৰ বাবে বাসস্থান, খাদ্যৰ মহাসংকটে দেখা দিছে। এই সকলোবোৰেই মানৱ সভ্যতালৈ অশনি সংকেত কঢ়িয়াই আনিছে। কিন্তু এই সকলোবোৰ সমস্যা মানৱসৃষ্ট। ইয়াৰ সমাধান ক'ত? মানুহৰ বৈশিষ্ট্যৰে পৃথিৱীত বাচি থাকিব পাৰিবনে? যদি মানুহে প্ৰকৃতিক নিৰাপত্তা দিব নোৱাৰে, তেন্তে মানুহ নিজেই হৈ পৰিব এদিন জীৱাশ্মৰ ইতিহাস। যি ইতিহাস লিখিবলৈ বাচি নাথাকিব মানুহ। এই উপন্যাসখনে আধুনিক সমাজখনৰ বিষয়ে এনে কেতবোৰ প্ৰশ্ন উত্থাপন কৰিছে যিবোৰ ইয়াৰ আগেয়ে কোনো লেখকে কৰা নাছিল।

'কিছুমান চৰাই কিয় ইমান ওপৰলৈ উৰিবলৈ লাগে, !জনাথন লিভিংষ্টনৰ দৰে সূৰ্য চুব পৰাকৈ উৰাৰ হাবিয়াস কিয় জাগে! আনতকৈ ভিন্ন হোৱাৰ আকাংক্ষাই যদি সফলতা আনে, তেন্তে সেই সফলতাই ডেউকা পুৰি যন্ত্ৰণা দিয়ে কিয়?'

-(প্ৰিয় এশাৰী)

ফোন ঃ ৬৯০০৭-৮৮৮৭০

# এগৰাকী চিকিৎসকৰ এখন কাব্যগ্ৰন্থ প্ৰসংগত

■ নীলিম আকাশ কাশ্যপ

(১)

ইতিমধ্যে সভাখন আৰম্ভ হৈছিল। তেতিয়া ডাঃ কলিতাই তেওঁৰ অনুভৱ ব্যক্ত কৰি আছিল মাইকৰ সন্মুখত থিয় হৈ। গলগলীয়া মাতটোৰে তেওঁ স্বানুভৱ বৰ্ণাওঁতে প্ৰসংগক্ৰমে উল্লেখ কৰা উদ্ধৃতি, উদাহৰণ, বিশ্বৰ ভিন্ন ভাষাৰ কবিতাৰ পংক্তিবোৰে উমান দিছিল- ডাঃ কলিতা অধ্যয়নপিপাসু। একেদৰে, নিজৰ অনুভৱ প্ৰকাশৰ পৰতো ব্যৱহাৰ কৰা বিভিন্ন উপমাসদৃশ উল্লেখে উমান দিয়াইছিল- তেওঁ কবিতাক লালন কৰিছেহি হিয়াৰ অন্তেষপুৰত।

ভ্ৰাম্যমাণ থিয়েটাৰৰ বাবে প্ৰখ্যাত পাঠশালাৰ আজাদ ভৱনস্থিত সভাখনত এগৰাকী অতিথি হিচাপে উপস্থিত থাকি আমি দিয়া আমাৰ শুভেচ্ছামূলক ভাষণতো সেই কথা কৈছিলোঁ। তেওঁ জনোৱা মতে 'সোণৰ খাৰু-কলিজাৰ ছাঁ' উপন্যাসেৰে এই নিঃকিনে আখৰা কৰা শব্দৰে পোনতে চিনাকি হোৱাৰে পৰা মনত পোহা অভীপ্সাৰে আমাৰ উপস্থিতি সভাখনত




অন্তঃকৰণে বিচৰা ডাঃ কলিতাৰ আন্তৰিকতাক নেওচা দিব নোৱাৰিয়েই গা ভালে নথকাৰ পৰিপ্ৰেক্ষিতত নাযাওঁ নাযাওঁ বুলি বাৰম্বাৰ ভবাৰ পিছতো অৱশেষত উপস্থিত হৈ অনুভৱ কৰিছিলোঁ- পৰ্বটোৰ চৌপাশে বৰণীয়া পাখি মেলি উৰি ফুৰিছিল কবিতাময় অলেখ পখিলা।

(২)

সাহিত্য চৰ্চাৰে জড়িত অনেক চিকিৎসক আমাৰ চৌপাশে আছে। পূৰ্বৰ প্ৰেক্ষাপট নিলগাই ৰাখি সাম্প্ৰতিক অসমীয়া সাহিত্যলৈ দৃষ্টি নিক্ষেপ কৰিলেও চকুত পৰে তেনে কেইবাগৰাকীও সাহিত্যসেৱী চিকিৎসক। নীলিম কুমাৰ, শুভ্ৰ কিংকৰ গোস্বামী, পংকজ গোবিন্দ মেধি, ৰাতুল ভট্টাচাৰ্য, ৰুবী কটকী, হিতেশ দাস আদিকে ধৰি বহুগৰাকী চিকিৎসা সেৱাৰে জড়িত লেখকৰ তালিকাত আৰু এজন চিকিৎসকৰ নাম সংযোজিত হ'ল। এই লেখাৰ প্ৰাৰম্ভতে 'ডাঃ কলিতা' বুলি উল্লিখিত লোকগৰাকীয়েই তেওঁ- যাৰ সম্পূৰ্ণ শুভ নাম ডাঃ পংকজ কলিতা।

(৩)

ছাত্ৰাৱস্থাৰপৰাই জড়িত হৈ আহিছিল যদিও কবিতাবোৰ প্ৰকাশ কৰা নাছিল বুলি নিজৰ অনুভৱ প্ৰকাশৰ পৰত ব্যক্ত কৰা কলিতাৰ পহিলাখন কাব্য সংকলন 'ৰ'দৰ ছাতি-ভালপোৱাৰ বৰষুণ'ত সংকলিত হৈছে ৮১টাকৈ কবিতা। উপমা, ৰূপক, প্ৰতীক, ব্যঞ্জনাদিৰ সমাহাৰ ঘটা কলিতাৰ কবিতাবোৰত সমাজৰ চৌপাশৰ ব্যক্তি, পৰিঘটনা, ভিন্নানুভৱাদিৰ ৰেঙণি স্পষ্ট।

মাতৃয়ে প্ৰসৱৰ পূৰ্বৰ যন্ত্ৰণা আৰু পিছৰ আনন্দ ভালদৰে বুজে- কিন্তু চিকিৎসক এগৰাকীয়ো (তাতে যদি সংশ্লিষ্ট বিভাগৰ হয়, তেতিয়া সম্ভৱতঃ আৰু বেছিকৈ...।) এই সম্পৰ্কীয় অনুভৱ কম নহয়। প্ৰসূতি বিভাগৰ সু-চিকিৎসক ৰূপজ্যোতি কলিতাৰ সহোদৰ পংকজ কলিতাই কবিতাৰ মাতৃ হিচাপে প্ৰসৱৰ পূৰ্বৰ যন্ত্ৰণাৰে সংপৃক্ত হোৱাৰ পিছত সন্তান ভূমিষ্ঠৰ আহ্লাদতে দীৰ্ঘকাল মজি নাথাকি পুনঃপ্ৰসৱ যন্ত্ৰণাক গৰ্ভলৈ অনাৰ প্ৰয়াস কৰিব বুলি আশাবাদী। আমি আশাবাদী- পংকজ কলিতা কবিতাৰে উজ্জীৱিত হ'ব, যদিহে শব্দক ৰ'দত ছাতি কৰাৰ বিপৰীতে বৰষুণক ভালপোৱালৈ ৰূপান্তৰিত কৰি তেওঁ কবিতাৰ খেতিপথাৰৰ হৈ পৰে এগৰাকী গাত ৰ'দ নলগা তথা বৰষুণ নপৰা খেতিয়ক।

(কাশ্যপ অসমীয়াৰ বাদেও ভাৰতীয় ইংৰাজী সাহিত্যৰ এগৰাকী ঔপন্যাসিক)

ফোন ঃ ৭৬৬৩৯-৫৭৫০০

# লুকাই খালে ঢুকাই যায়, বাটি খালে আটি যায়

■ ৰমেশ চন্দ্ৰ চৰেণ

শাওণ মাহ। ভৰ বাৰিষা। ঠায়ে ঠায়ে পথাৰত পানীৰে ডোঙা বান্ধিছে। পথাৰৰ মাজ ভাগত থকা টিলাবোৰেও মূৰ দাঙি উঠিছে। সুবিশাল পথাৰৰ মাজেৰে পানীৰ নলা প্ৰৱহমান হৈ আছে। নলাৰ দুয়োকাষে দুটি উপপথ। চহা ৰাইজে এই দুটি উপপথেৰে আহ-যাহ কৰি খেতিবাতি কৰি আহিছে। সেউজীয়া ঘাঁহৰে আবৃত এই উপপথটোতে গৰু, ছাগলী চৰোৱা হয়। বাৰিষাৰ অস্তগামী সূৰুযৰ হেঙুলী কিৰণে পথাৰৰ সোনসেৰুৱা পানীৰ পৰশত আৰু এক মনোমোহা স্বৰূপ ধাৰণ কৰিছে। কিছু সময়ৰ পৰত, ৰান্ধনী বেলীৰ ক্ষণত গাঁৱৰ গৰখীয়ামখাই গৰু-গাই লৈ ঘৰমুৱা হৈ আছে। হঠাৎ পথাৰৰ মাজত থকা টিলাটোলৈ চকুত পৰিল গৰখীয়ামখাৰ। লহপহকৈ ছাতু ফুটি উঠিছে। গৰখীয়ামখাই চিঞৰিয়েই উঠিল— সৌৱা চোৱা, ছাতু ফুটি উঠিছে, ছাতু ফুটি উঠিছে। লহপহকৈ বাঢ়ি উঠা ছাতুখিনি চাই বুধুৱা আৰু মাংৰাই লোভ সামৰিব নোৱাৰি ছিঙি ল'বই বিচাৰিছিল। কিন্তু মংলাই সন্ধিয়াৰ পৰত এইদৰে ছিঙি লৈ গ'লে নষ্ট হ'ব বুলি আশংকা কৰি লগৰহঁতক হকা-বাধা কৰে। নিশাৰ সাঁজৰ বাবে লৈ যাব লাগে বুলি এক প্ৰকাৰ জোৰ-জবৰদস্তি কৰিছিল বুধুৱা আৰু মাংৰাই। অৱশেষত উপায়ান্তৰ নাপাই মংলাই সিদ্ধান্ত এটা ল'লে যে পুৱাভাগত তিনিজনেও গোট খাই নষ্ট নোহোৱাকৈ ছাতুখিনি ছিঙি লৈ যাব। মংলাৰ এই সিদ্ধান্তত আন দুগৰাকীয়ে মান্তি হৈ ঘৰমুৱা হ'ল। পিছে তিনিগৰাকী গৰখীয়াৰ চিন্তা। লহপহকৈ ফুটি উঠা লোভনীয় ছাতুখিনি প্ৰথমে কিদৰে সৰহকৈ ছিঙি আনিব পাৰি। লোভত বশৱৰ্তী হৈ কেউজনৰে মন জুমুৰি মাৰিবলৈ ধৰিলে। ভৰ নিশালৈ কেউজনেই চিন্তাত মগ্ন। সিদ্ধান্ত এটাত উপনীত হ'ল যে দোকমোকালিতে কোনেও নজনাকৈ ছাতুখিনি লৈ যাব। মাংৰাই চিন্তাত ২ মান বজালৈ উজাগৰী নিশা কটালে। যেন এক অঘোষিত ছাতু সংগ্ৰহ কৰাৰ প্ৰতিযোগিতাহে। ৰাতিপুৱা দোকমোকালিতে বুধুৱাই শুই উঠি মোনা এখন লৈ ছাতু আনিবলৈ বুলি ৰাওনা হ'ল। খৰখেদাকৈ ছাতুখিনি কোনোবাই দেখেমানে পাৰ্যমানে উঠাই লৈ গ'ল। বহু ছাতু এনেয়ে পৰি নষ্ট হ'ল। পিছমুহূৰ্তত মংলায়ো কোনোৱে নেদেখাকৈ ছাতুখিনি লৈ আনিব বুলি গৈ দেখে যে ছাতুখিনি অৰ্ধেক অংশ কোনোবা এজনে লৈ গৈছে। অ'ত ত'ত বহু ছাতু সিঁচৰতি হৈ পৰিও আছে। মংলাই মনত অলপ আঘাত পালে। শেষত আন কোনোৱাই দেখে মানে তেৰোঁ ছাতুখিনি খান্দি খুন্দি লৈ যায়। সদৌ শেষত ছাতুৰ চিন্তাত পৰি উজাগৰী নিশা কটোৱা মাংৰাই পুৱা শুই উঠাত অলপ পলম হ'ল যদিও তেৰোঁ হাতত সাৰে ভৰিত সাৰে হাতত কটাৰী আৰু মোনা এখন লৈ কোনেও দেখা নোপোৱাকে গৈ দেখি মূৰে-কপালে হাত দিলে। মাংৰাই গম পালে যে নিশ্চয় বুধুৱা আৰু মংলাৰে কাম। মোক এইদৰে ৰাম ঠগন দি মনে মনে ছাতুখিনি তেওঁলোকে লৈ যায়। এই বুলি মনত ভাবি খঙত অগ্নিশৰ্মা হৈ পৰিল। বেজাৰ আৰু খঙত তেওঁ ঘৰলৈ গৈ কোৰ এখন আনিলে। প্ৰথমে সিঁচৰতি হৈ পৰা ছাতুখিনি বুটলি ল'লে। পাছত কোৰেৰে ছাতু থকা ঠাইডোখৰ খান্দি খুন্দি একেবাৰে চিন-চাব নাইকিয়া কৰি পেলালে। এনেদৰেই লহপহকৈ বাঢ়ি ফুটি উঠা ছাতু গজা ঠাইখিনি নিমিষতে নষ্ট হ'ল। ইয়াকে কয় লুকাই খালে ঢুকাই যায়, বাটি খালে আটি যায়। মংলা, বুধুৱা আৰু মাংৰাই সিদ্ধান্ত লোৱা অনুসৰি ছাতুখিনি তিনিওৰে ভগাই লোৱা হ'লে ক্ষতিসাধন নহ'লহেঁতেন। কিন্তু লোভত পৰি তিনিওগৰাকী গৰখীয়াই ভৱিষ্যতে খাব পৰা ছাতুখিনি পুলিয়ে-পোখাই নোহোৱা কৰি পেলালে।

(ছাতু হ'ল টিলা বা খেৰৰ মেজিত হোৱা এক প্ৰকাৰ খাব পৰা লাফু। আদিবাসী ভাষাত ছাতু বুলি কোৱা হয়)

## সাম্প্ৰতিক সময়ৰ সুখপাঠ্য কাব্যগ্ৰন্থ

## কবি অশ্বিনী কুমাৰ নাথৰ

# 'অনুভবি ছন্দত হিয়াৰ এপাহি গোলাপ'

■ শংকুসিদ্ধ নাথ




কবিৰ মানসপটৰ অফুৰন্ত কল্পনাময়ী নিজৰাই হৈছে কবিতা। অনুভৱী মনৰ অবিৰত সাধনাত হৃদয়ত থুপ খাই থকা শব্দ ভঁৰালৰ মধুময় আস্ফালনৰ কোমল নাম কবিতা। কবিতা কবিৰ সঞ্চিত ভাবনাৰ শক্তিশালী উক্তি। বিশ্ব সাহিত্যৰ আৰম্ভণিতে সৃষ্টি হৈছিল এই কাব্য সাহিত্যৰ। অনুৰূপ ধৰণে অসমীয়া কবিতায়ো অসমীয়া ভাষা-সাহিত্যত এক বিশেষ স্থান দখল কৰি আহিছে।

অতীতৰ পৰা বৰ্তমানলৈকে সময়ৰ গতিত খোজ মিলাই অসমৰ কবিসকলেও অসমীয়া কাব্য সাহিত্যক বৰ্ণাঢ্য ৰূপত গঢ়ি তুলিবলৈ সক্ষম হৈছে। আধুনিক অসমীয়া কাব্যবেদীত শ্ৰদ্ধাৰ্ঘ্য আগবঢ়োৱা তেনে এগৰাকী কবি হ'ল বাক্সা জিলাৰ মাজৰমাথাৰ অশ্বিনী কুমাৰ নাথ। নাথৰ 'অনুভবি ছন্দত হিয়াৰ এপাহি গোলাপ' শীৰ্ষক কাব্যগ্ৰন্থখন পঢ়ি তেনে আশানুৰূপ সঞ্চাৰণ পৰিস্ফুট হৈছে। চহা জীৱনৰ প্ৰেমিক কবি অশ্বিনী কুমাৰ নাথে হৃদয় বিদাৰি বাজে বীণ, জোনাকৰ লাজুকী বনত, তিৰবিৰ জোনাক ৰাতি, তোমাৰ বুকুত জীপাল হৈ থাকিব বিচাৰোঁ, মোৰ কলিজা ধপেধপাই, মৰি থাকিম অভিমানত তোমাৰ বাবে, ৰাতিৰ পিছত দিন অহাৰ দৰে তুমি আহিবা শীৰ্ষক কবিতাকেইটিত ভাব-ভংগিমা, আৱেগ, প্ৰেম, বিষাদ, অভিমানৰ পৰিধি ভৰাই কবিগৰাকীয়ে নিজকে দুৰ্বাৰ প্ৰেমিকৰূপে গঢ়ি তুলিছে।

'তুমি অহাৰ গোন্ধত
মোৰ হৃদয়ত
গঢ়িব খোজে
মাতাল ঘোঁৰাৰ
ফেঁহুজালি' (অৰ্থৱহ আশাবাদ)

'তোমাৰ হৃদয়ত পাওঁ
এটি ঘৰমুৱা
সপোনৰ গান' (প্ৰেমৰ প্ৰশান্তি)

'তুমি নাহিলে প্ৰেতাত্মা হৈ
উৰি যাব মোৰ হৃদয়খনি...' (বিৰহ বেথা)

'দুগালত তোমাৰ দেখোন
ৰাতিপুৱাৰ ৰঙা বেলিৰ আৱৰণ
তাতে ভাহি উঠে
প্ৰেমৰ আস্বাদন...' (চিৰসেউজ প্ৰেম)

তদুপৰি ছন পৰা ফাগুনৰ পথাৰত, মোৰ কোঠালিত ওলমি আছে হতাশাৰ কেঁচা গোন্ধ, মোৰ ল'ৰালিক উপহাস নকৰিবা আদি কবিতাৰ জৰিয়তে পাঠকক শৈশৱৰ পৰা অভিজ্ঞ জীৱনৰ দৰ্শন দিবলৈ সক্ষম হৈছে।

'শিয়ালৰ হোঁৱা-
চোতালত গোট মাৰে
সুখৰ দিনৰ হাঁহি -আনন্দৰ
কোলাহল,' (ৰূঢ় বাস্তৱ)

'আপোন সুৰৰ মায়াজালেৰে
ঐক্য সংহতিৰ জয়ঢোল
বজাবলৈ
তুমি হ'ব লাগিব
পৃথিৱীৰ বুভুক্ষা
এনাজৰীৰ দলিল...' (প্ৰগতিবাদ)

আধুনিক কবিতাৰ দুৰ্বোধ্যতা নথকা অশ্বিনী কুমাৰ নাথৰ কবিতাত পাঠকে নিজকে বিচাৰি পাব। অৰ্থাৎ সহজ-সৰল প্ৰকাশ ভংগী, নিপুণ হাতৰ বুলনি, শব্দৰ লালিত্যত তেওঁৰ প্ৰায়সংখ্যক কবিতাই সুখপাঠ্য হৈ উঠিছে। অনাগত দিনত নাথে অসমীয়া কাব্য জগতখনক আৰু অধিক জ্যোতিষ্মান কৰিব বুলি আমি আশাবাদী। বঙাইগাঁও জিলাৰ ইউনিক প্ৰিণ্টাৰ্ছত মুদ্ৰিত কাব্যগ্ৰন্থ 'অনুভবি ছন্দত হিয়াৰ এপাহি গোলাপ'ৰ মূল্য ষাঠি টকা।

ফোন ঃ ৯৮৬৪১-২০৪৫৭

## চুটি গল্প ...

# বিশ্বাসঘাতক

■ কাজি শ্বাহাদত ইছলাম

বছৰৰ শেষৰ দিনটোত ৰূমমেটসকলে বৰ আড়ম্বৰপূৰ্ণভাৱে কৰা পাৰ্টীটোত বাৰ্বী অলপো আগ্ৰহী নহয়। গুৱাহাটীৰ হোষ্টেলত অহাৰে পৰা আজি প্ৰথম এনে ধৰণৰ পাৰ্টীৰ সন্মুখীন হৈছে। প্ৰত্যেকে নিজৰ নিজৰ কামত ব্যস্ত হৈ পৰিছে। কোনোৱে মাংস কটাত, কোনোৱে নহৰু-পিঁয়াজ আৰু আদাৰ বাকলি এৰুওৱাত, কোনোৱে চৌকা বনোৱাত, কোনোৱে আকৌ বয়ফ্ৰেণ্ডৰ সৈতে বৰকৈ কথা পতাত। কিন্তু বাৰ্বীয়ে নীৰৱে অকলশৰে নাতি দূৰত অন্ধকাৰত বহি আকাশৰ অকলশৰীয়া জোনটো চাই আছিল। মনগহনত মেটমৰা বিষাদ, দুচকুত পানী। যেন অপ্ৰত্যাৱৰ্তিত এক সময়ৰ প্ৰতীক্ষাৰে তাই বাট চাই আছে। আজি তাইৰ কাষত কোনো নাই। এসপ্তাহ আগতে তাইৰ জীৱনৰ হীৰাতুল্য কমৰেড তাইৰ পৰা বিচ্ছিন্ন হৈ গৈছে। তাইৰ হৃদয় এতিয়া জোনাকবিহীন আকাশ। এতিয়া সংগী মাথোঁ হাতৰ ম'বাইলটো। দিনে-ৰাতিয়ে ইউটিউব আৰু ফেচবুকতে তাই সময়বোৰ অতিবাহিত কৰিছে।

হঠাতে মেছেঞ্জাৰত অহা মেছেজ এটাই তাইৰ নীৰৱতাক ভাঙি দিলে। কংকন বোলা ল'ৰাজনে প্ৰতি দিনাৰ দৰে আজিও হেল্ল' বুলি মেছেজ দিছে, লগতে নতুন বছৰৰ শুভেচ্ছা। অতদিনে গুৰুত্ব নিদিয়া কংকনক আজি তাই আওকাণ নকৰিলে। প্ৰতি শুভেচ্ছা জনোৱাৰ লগতে বাকী খবৰ-পাতিও সুধিলে। কিছু সময়ত ভিতৰতে কংকনৰ শিশুসুলভ তথা ধেমেলীয়া আচৰণে তাইৰ মুখত হাঁহি আৰু মনত আনন্দৰ ঢৌ তুলিবলৈ সক্ষম হ'ল। অলপ সময়ৰ ভিতৰতে ফোনৰ যোগাযোগ আৰম্ভ হ'ল। ঘড়ীয়ে বাৰ বজাৰ সংকেত দিলে। গোটেই পৃথিৱীৰ লগতে বাৰ্বীয়ে চিঞৰি উঠিল হেপী নিউ ইয়েৰ বুলি। তেতিয়ালৈ কংকন ফোনতেই আছিল। এসপ্তাহৰ পৰা পাই অহা তুমুল কষ্টক যেন কংকনৰ বন্ধুত্বই ধৰাশায়ী কৰি দিলে। পুৰণি বছৰটোৰ স'তে পুৰণি স্মৃতিবোৰক কবৰস্থ কৰি তাই নতুন বন্ধুজনৰ পৰা পোৱা আনন্দৰ নিজৰাত অন্য এক নতুন পৃথিৱীৰ ফালে বৈ যাব ধৰিলে।

আজি এমাহ হ'ল কংকনৰ স'তে তাইৰ বন্ধুত্বৰ। তাইৰ মনত আৱেগ-কষ্টবোৰ বিলুপ্তপ্ৰায় হ'ব ধৰিছে। এই সকলো সম্ভৱ হৈছে একমাত্ৰ কংকনৰ বাবেই। ইমান কম সময়তে ইমান ভাল এজন বন্ধু পাব বুলি তাই কাহানিও কল্পনা কৰা নাছিল। তাই আজি-কালি দুখ কৰাৰ সুযোগেই নাপায়। কেতিয়াবা তেনে অনুভৱৰ কথা ক'লে কংকনে মুহূৰ্ততে বিলোপন কৰি দিয়ে। কংকনে তাইৰ বাবে কেতিয়াবা হিৰো, কেতিয়াবা কমেডিয়ান হয়। ঘণ্টাৰ পিছত ঘণ্টা দুয়ো ভিডিঅ' কলত সময় অতিক্ৰম কৰিবলৈ ধৰিলে।

গুৱাহাটীৰ খানাপাৰাত থকা কংকনৰ ফাৰ্মাচীখন আৰম্ভ কৰা আজি ছবছৰেই হ'ল। ব্যৱসায় অতি উত্তম নহ'লেও বেয়াও নহয়। ঘৰতে চাৰি ভাই-ককাইৰ মাজত তেওঁ সৰু। আৰ্থিক অৱস্থা টনকিয়াল নহয় যদিও এম এ পাছ কৰি ফাৰ্মাচী এখনত তিনি বছৰ থাকি 'কংকন ড্ৰাগ্‌ছ' নামেৰে নিজাকৈ এই ফাৰ্মাচীখন দিছিল। স্বভাৱত ভদ্ৰ, নম্ৰ এজন ল'ৰা। তেওঁ যদিও মনে মিলা বন্ধুৰ স'তে কথা আৰম্ভ কৰিলে তেওঁৰ স'তে কথা কৈ কোনেও পাত্তা নাপায়। তেওঁৰ অমায়িক স্বভাৱ আৰু শিশুসুলভ আচৰণে অতি কম সময়তে বাৰ্বীৰ মনত এখন বিশেষ স্থান দখল কৰিবলৈ সক্ষম হ'ল। তেওঁলোকৰ বন্ধুত্ব হোষ্টেলখনৰ প্ৰতিজনী ছোৱালীয়ে গম পালে। তাইৰ বিষাদৰ সময়ছোৱাত প্ৰতিজন ৰূমমেটে সমভাগী হৈছিল বাবে আজি তাইৰ চেহেৰাত বিৰিঙি ফুৰা আনন্দই সকলোকে সুখ দিব ধৰিলে। আৰু সকলোৰে বিবেচনাত বাৰ্বী-কংকনৰ যুটিটো শ্ৰেষ্ঠ যুটি হৈ পৰিল। বাৰ্বীৰ স'তে সকলোৱেই হেঁপাহেৰে বৈ আছে অতি সোনকালেই কংকন আহিব তাইক লগ কৰিবলৈ। এনেদৰেই নতুন বছৰটো ডাঁহেচীয়া হৈ পৰিল। কাৰণ আজি জুন মাহৰ এঘাৰ তাৰিখ। বাৰ্বীৰ অনুৰোধ নৎস্যাত কৰিব নোৱাৰি তাইৰ স'তে তাইৰ গাঁৱলৈ যাবলৈ মান্তি হ'ল। জালুকবাৰীৰ বাছ আস্থানতে আজি প্ৰথমবাৰৰ বাবে লগ ধৰিব আৰু তাইৰ গাঁৱলৈ একেলগে যাব। অতি আগ্ৰহী কংকনে পুৱা ন বজাৰ আধা ঘণ্টা আগতেই বাছ আস্থানত উপস্থিত হ'ল আৰু তাইলৈ অপেক্ষা কৰিব ধৰিলে। আজি ঘড়ীৰ কাঁটাডাল যেন বৰকৈ ভোকাতুৰ হৈ পৰিছে। যাৰ বাবেই হয়তো আধা ঘণ্টাৰ সীমা অতিক্ৰম কৰোঁতে চাৰি ঘণ্টা সময় খৰচ হোৱাৰ অনুমান হৈছে তেওঁৰ। তাই আহিব... কংকনে কোনোবা গাড়ীৰ আঁৰত লুকাই থাকিব... পিছফালৰ পৰা হঠাৎ বাৰ্বী বুলি মাতি ছাৰপ্ৰাইজ দিব... কত কি যে কল্পনা। কিন্তু তেওঁৰ বুকুৰ ধপ্‌ধপনিবোৰৰ উৎপাতত তেওঁৰ দুভৰি কঁপিব ধৰিলে।

পিছফালৰ পৰা কোনোবাই চকু দুটা দুই হাতেৰে জপাই ধৰাত কংকনে চমকি উঠিল। নিজৰ দুহাতেৰে অচিনাকি হাত দুখন এৰুৱাব ধৰাত তেওঁৰ নাকত ভাহি আহিল এক নাৰীবাদী সুবাস, লগতে অন্য এক ব্যতিক্ৰমী সুঘ্ৰাণ। হাত দুখন বৰ নৰম, হয়তোবা কোনোবা ছোৱালীৰ হাতেই হ'ব। গুৱাহাটীত এনে ধেমালি কৰা বন্ধু-বান্ধৱী তেওঁৰ নাই। সকলো ৰহস্যক দূৰীভূত কৰাৰ বাবে তেওঁ পিছফালে ঘূৰি চালে। মাস্ক আৰু দীঘল চুলিৰ আঁৰত এখনি চিনাকি মুখ। তাই হাতেৰে মাস্কখন আঁতৰাই দিয়াত কংকনে নিজৰ হাতত নিজেই চিকুট মাৰি বাস্তৱতাৰ উমান ল'লে। নাই... !এয়া সপোন নহয়, অপেশ্বৰীজনী বাৰ্বীয়েই হয় আৰু সোঁ-শৰীৰে তেওঁৰ সন্মুখতে। নাই... !তেওঁৰ দুচকুৰে মানি ল'বলৈ টান পাইছে। কিন্তু বাৰ্বীয়ে সাবটি ধৰাত তেওঁ সম্বিত ঘূৰাই পালে। তেওঁ সৰগ দেখা নাই, কিন্তু বাৰ্বীৰ পৰশত তেওঁ যেন সৰগৰ আমেজ পালে।

তাইহাতত ধৰি কংকনক বাছত উঠালে। বাছ ষ্টাৰ্ট হ'ল। আৰম্ভ হ'ল সিহঁতৰ বাৰ্তালাপ। কিন্তু বাৰ্তালাপটো একপক্ষীয় আছিল। কাৰণ কংকনে গালত হাত দি একেলেথাৰিয়ে তাইৰ



দুই ওঁঠৰ নাচোনবোৰহে চাই আছিল। বাৰ্বীৰ কোনো কথাই তেওঁৰ কৰ্ণপৰ্দা ছেদন কৰিব পৰা নাছিল। এনেদৰেই অৰ্ধপথ অতিক্ৰমিলে সিহঁতে। বাৰ্বীৰ অভিযোগত কংকনৰ ধ্যান ভংগ হ'ল। দুয়োজনৰ মুখমণ্ডলত আজি সংকুচিত ৰাস্তা আৰু সময়ৰ প্ৰতি বিৰক্তিৰ ছাপ। ইমান পৰত কংকনে তাইৰ সোঁহাতখনৰ আঙুলিৰ ফাঁকেৰে নিজৰ বাঁওহাতৰ আঙুলিবোৰ সুমুৱাই দিলে। তাই মনত ভৰসা প্ৰাপ্তিৰ সুখ উদয় হ'ল। সিহঁত দুজনৰ সম্পৰ্কটোৱে আজি অন্য এটা ৰূপত পুনৰজন্ম ল'বলৈ হাবিয়াস কৰিলে। বন্ধুত্বৰ এনাজৰীডালে ৰূপ সলাই প্ৰেমৰ দুৱাৰত উপস্থিত হ'ল। দুয়োৰে চকু লাজুকীয়া হৈ পৰিল। কিছু সময়তেই এজনে আনজনক সাবটি ধৰিলে। বাৰ্বীয়ে তেওঁক আজি ধৰা হাত দুখন কেতিয়াও এৰি নিদিবলৈ কাতৰ অনুৰোধ জনালে। কংকনে তাইৰ কপালত ভৰসাদায়ক চুমা এটি খালে।

হেণ্ডিমেনৰ চিঞৰত দুয়ো সংযত হ'ল। মানে গন্তব্যস্থল পোৱাৰ সংকেত। বাছৰ পৰা সিহঁত নামিল। বেলিয়ে ইতিমধ্যে এন্ধাৰৰ হাতত আত্মসমৰ্পণ কৰিছে। কোনেও কাৰো পৰা বিদায় ল'ব পৰা নাই। এক বিষাদময় পৰিৱেশ। ওচৰৰ দোকানৰ পৰা তাইৰ চিৰ প্ৰিয় ডেইৰী মিল্ক চকলেটৰ লগতে ঘৰৰ কাৰণে এটা মিঠাইৰ টোপোলা কিনি তাইৰ হাতত দিলে। দুয়োৰে মাজত বিচ্ছেদৰ ঢৌৱে মৌনতাৰ সৃষ্টি কৰিলে। এনেকৈ কিছু সময়...। চৌদিশৰ কোলাহলেও সিহঁতৰ মৌনতাক পৰাজিত কৰিব পৰা নাই।

গুৱাহাটী অভিমুখে গৈ থকা বাছৰ হেণ্ডিমেনটোৰ বিকট চিঞৰত দুয়ো এৰা এৰি হোৱাৰ সিদ্ধান্ত ল'লে।

চাৰি চকুত চকুলো বিৰিঙি উঠিছে। সিহঁতৰ বিপৰীতমুখী পদচালনাই পৰস্পৰৰ শৰীৰক দূৰ আৰু আত্মাযুটিক একাত্ম কৰিবলৈ ধৰিলে। বাছৰ ছিট নথকা হেতুকে তেওঁ অন্য যাত্ৰীৰ দৰে থিয় হৈয়েই যাব ধৰিলে। বাছৰ ইমান ভিৰৰ মাজতো তেওঁ বহুত অকলশৰীয়া অনুভৱ কৰি আছে। তাইলৈ কল কৰি হেডফোন দুটা কাণত গুজিলে। দুয়োৰে কণ্ঠতে উচুপনি। দুয়ো অনুভৱ কৰিব ধৰিলে প্ৰেমৰ মাধুৰ্যতা, বিচ্ছিন্নতাৰ যন্ত্ৰণা। তাই ইতিমধ্যে ঘৰ পাই কিছু সময়ৰ বাবে ফোনৰ পৰা বিৰতি হোৱাৰ অনিচ্ছাকৃত অনুমতি মাগিলে। তেওঁৰ সহমত পোৱাত তাই ফোন কাটি ৰূমত সোমাল। বাৰ্বী-কংকনৰ ভালপোৱাৰ গভীৰতাই আকাশ চুলে গৈ। যিহেতু দুয়ো গুৱাহাটীতে থাকে গতিকে প্ৰতি ৰবিবাৰেই আউটিঙৰ পৰ্ব থাকেই। এনেদৰেই ছেকেণ্ড, ঘণ্টা, দিন, মাহ, বছৰবোৰ স্ব-গতিত বৈ যাব ধৰিলে। পাৰ হ'ল দুটি বছৰ। মনৰ সম্পৰ্কই দৈহিক সম্পৰ্কৰ দিশে গতি কৰিলে। আজিকালি বাৰ্বীৰ মনত কংকনৰ স'তে বিয়া হোৱাৰ চিন্তাৰ বাহিৰে অইন চিন্তাই স্থান নাপায়। পঢ়া-শুনাৰ প্ৰতি আকৰ্ষণ একেবাৰেই কমি গ'ল। কংকনেও নিজাকৈ মহানগৰীত ঘৰ এটা সজোৱাৰ আশাত বাৰ্বীক বুজাই-বঢ়াই বিয়াৰ বিষয়টো পিছুৱায়। দুয়োৰে মাজত আনুষ্ঠানিকতাৰ বাদে সকলো ক্ষেত্ৰত পতি-পত্নীৰ সম্পৰ্ক হৈ পৰিল। ক'বলৈ গ'লে সিহঁত এতিয়া সমাজ স্বীকৃতিবিহীন এহাল দম্পতী। সিহঁতৰ সম্পৰ্কই ভৰি দিয়া আজি তিনি বছৰ হ'ল। বাৰ্বী এতিয়া চাৰি মাহৰ গৰ্ভৱতী। কথাষাৰ কংকনক কোৱাত কংকনে অস্বস্তি অনুভৱ কৰিলে। কংকনে বিচৰা নাই তাই সন্তান জন্ম দিয়ক। কিন্তু বাৰ্বীৰ জেদ, সিহঁতৰ বিয়া যিহেতু অচিৰেই সম্পন্ন হ'ব গতিকে তাই সন্তান এবৰ্ছন নকৰে। ডিচেম্বৰ মাহৰ শেষৰটো দিন। নতুন বছৰত উপহাৰ দিয়াৰ বাবে বাৰ্বীয়ে কংকনৰ বাবে ধুনীয়া জোতা এযোৰ কিনিলে। তাই ছাৰপ্ৰাইজ দি বহুত ভাল পায়। সেই বাবে ভাবিলে আজি তাই কংকনক ছাৰপ্ৰাইজ দিব। এই উদ্দেশ্যে কল মেছেজ নকৰাকৈয়েই তাই তেওঁৰ ফাৰ্মাচী গৈ পালে। ফাৰ্মাচীত তেওঁ কংকনক নাপালে যদিও মালিকৰ ছিটত সন্তানৰ সৈতে বহি থকা মহিলাজনীক কংকন ক'ত বুলি সুধিলে। মহিলাজনীয়ে বাৰ্বীক তাইৰ পৰিচয় সুধিলত তাই নিজকে কংকনৰ গাৰ্লফ্ৰেইণ্ড বুলি পৰিচয় দিলে। মহিলাজনীৰ মূৰত যেন আকাশ খহি পৰিল। কাৰণ তেওঁ আছিল কংকনৰ পত্নী বিদিশা আৰু লগৰ শিশুটো কংকনৰ একমাত্ৰ সন্তান বিৰ্জু। বাৰ্বীৰ দুচকুত অন্ধকাৰে ছানি ধৰিলে লগতে অজ্ঞান হৈ মজিয়াত পৰি গ'ল। চৌদিশৰ মানুহ চাপি আহি দোকানত ভিৰ কৰিলে। কাষ্টমাৰৰ ঘৰৰ পৰা কংকনে উভতি আহি দোকানত ভিৰ দেখি হতভম্ব হৈ পৰিল। পৰিস্থিতিৰ বুজ ল'বলৈ ভিৰ ফালি ভিতৰত গৈ ঘটনাটো বুজি পালে আৰু বিপাঙত পৰি গ'ল। ইফালে উপস্থিত ৰাইজে বাৰ্বীৰ মূৰত পানী ঢালি তাইক সুস্থ কৰিছিল ইতিমধ্যে। পত্নী আৰু প্ৰেয়সীৰ ক্ষোভিত দৃষ্টিত কংকনৰ যেন বাক্‌শক্তি হেৰাই গ'ল। সন্তানৰ কান্দোন আৰু দুয়োৰে যৌথ জেৰাত তেওঁ হুক্‌হুকাই কান্দি উঠিল। অৱশেষত বাৰ্বীয়ে দুয়ো হাতেৰে চকুলো মচি মচি সেই ঠাই ত্যাগ কৰি চিধা মেডিকেললৈ গুচি গ'ল। এবৰ্ছন কৰি ঘৰলৈ সোমোৱাৰ সময়ছোৱাতে তাইৰ স'তে কৰা বিশ্বাসঘাতকতাৰ কথা ভাবি তাই সিদ্ধান্ত ল'লে যে জীয়াই থকিবলগীয়া দিনকেইটাত 'প্ৰেম' আৰু 'বিবাহ' এই শব্দ দুটা পাহৰি যাব।

ফোন ঃ ৬০০২৫-৯৪৪৩০

## বানাক্ৰান্তৰ মাজত বিকি বাবাৰ উদ্যোগত বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ সাহায্য বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৫ জুন ঃ** ভয়াৱহ ৰূপতে মঙলদৈৰ বান পৰিস্থিতিয়ে। মঙলদৈ সমষ্টিৰ বৰথেকেৰাবাৰী, সৰু থেকেৰাবাৰী, চোটো নগাঁও, বৰ নগাঁও, নিজ ৰঙামাটি, দাড়িয়াপাৰা, ভালুকখোৱাপাৰা, গড়খাৱাপাৰা, ভোকিয়ামাৰা আদি গাঁৱত অধিক জটিল হৈ পৰিছে বান পৰিস্থিতি। প্ৰধানতঃ চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ পৰা নামি অহা শাকতোলা নৈৰ পূবু পাৰৰ মথাউৰিৰ বৰ আঠীয়াবাৰী গাঁৱত ছিগা অংশৰে পানী ‘সোমাই জপ্ৰলয় ঘটাইছে। বান পৰিস্থিতিয়ে সমগ্ৰ চহৰখনকে স্তব্ধ কৰি তোলাৰ সময়ত এটুপি খোৱা পানীৰ বাবে হাহাকাৰ কৰি থকাৰ সময়তে বন্যাতৰ মাজত মঙলদৈৰ বিকি বাবা খ্যাত এগৰাকী সন্নাসীয়ে অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰী বিতৰণ কৰাত সন্তোষ প্ৰকাশ কৰিছে বন্যাতসকলে। বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ সভাপতি কেন্দ্ৰীয় সমিতিৰ সভাপতি বিপুল মহন্ত, দৰং জিলা সমিতিৰ সভাপতি উপেন ডেকা, সচিব প্ৰধান বিচিত্ৰ শৰ্মা আৰু সুজিত দাসৰ উপস্থিতত পিপৰা দোকান, ৰঙামাটি, মানেইঘাট, দাৰিয়াপাৰা, ঠেকেৰাবাৰীৰ মাথাউৰি আৰু শিবিৰত আশ্ৰয় লৈ থকা প্ৰায় ৭০০ টা পৰিয়ালক পানী বটল, বিস্কুট, বেড, কলকে ধৰি কেতবোৰ সামগ্ৰী বিতৰন কৰে। কেতিয়াও নভৰা নিচিন্তাকৈ জীৱনত প্ৰথমবাৰৰ বাবে হোৱা বানত সৰ্বস্বান্ত হোৱা পৰিয়ালকেইটিক কৰা সাহায্যই বিকি বাবাৰ মহানুভৱতাৰ পৰিচয় দিছে।



তৃণমূল কংগ্ৰেছৰ সংবাদ মেল সম্বোধন, গুৱাহাটীত শনিবাৰে

## চামতা ক্ৰীড়া সংঘৰ বন্যাৰ্তক সাহায্য বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৫ জুন ঃ** পশ্চিম নলবাৰীৰ বানপীড়িত ৰাইজৰ মাজত ২৩ জুনত চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ উদ্যোগত বিভিন্ন খাদ্য-সামগ্ৰী বিতৰণ কৰা হয়। উল্লেখ্য যে সংঘৰ শুভাকাংক্ষী, ৰাষ্ট্ৰীয় পদকপ্ৰাপক প্ৰাক্তন ভলীবল খেলুৱৈ তথা অসম ভলীবল(পুৰুষ) দলৰ পৰিচালক ৰঞ্জিত ডেকা আৰু সংঘৰ আজীৱন সদস্য কমল বৰ্মনৰ সহযোগত পশ্চিম নলবাৰীৰ কেইবাখনো গাঁৱত এই বান সাহায্য বিতৰণ কৰা হয়। দলটিয়ে বৰবিলা, খেলুৱা, হেলচা, দাহুদী আদি অঞ্চলৰ আশ্ৰয় শিবিৰত উপস্থিত হৈ বন্যাৰ্ত লোকসকলৰ মাজত চিৰা, চেনী, গুৰ, বিস্কুট, চাবোন, ফেনাইল, ব্লিচিং পাউদাৰ, খোৱা পানীৰ বটল আদি যোগান ধৰা হয়। চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ সাধাৰণ সম্পাদক বিকাশ ভট্টাচাৰ্যৰ নেতৃত্বত সম্পন্ন হোৱা এই বান সাহায্য বিতৰণ কাৰ্যসূচীত অসম ভলীবল(পুৰুষ) দলৰ পৰিচালক ৰঞ্জিত ডেকা, ৰাষ্ট্ৰীয় ভলীবল ৰেফাৰী দেৱজিত ডেকা, সংঘৰ যুটীয়া সম্পাদক বিনয় দত্ত, সহকাৰী সম্পাদক অমল বৰ্মন, জ্যেষ্ঠ সদস্য হাচান আলী, কাৰ্যনিৰ্বাহক সদস্য দেৱজিত ঠাকুৰীয়া, জয়ন্ত তালুকদাৰ আজীৱন সদস্য গৌতম হালৈ, কমল বৰ্মন, কুলেন্দ্ৰ তালুকদাৰ আদিৰ সহযোগত সামগ্ৰীসমূহ বিতৰণ কৰা ঞ্জহয়। স্মৰ্তব্য যে যোৱা ১৯ জুনতো চামতা আঞ্চলিক ক্ৰীড়া সংঘই বৃহত্তৰ অঞ্চলটোৰ মুঠ আঠটাকৈ শিবিৰৰ বন্যাৰ্তসকলৰ মাজত কিছু খাদ্য-সামগ্ৰী বিতৰণ কৰি দুৰ্গতসকললৈ কিছু সহায়ৰ হাত আগবঢ়াইছিল।

## চাহ শ্ৰমিকক ৰেচনৰ নামত বৰবিহ প্ৰদানৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৫ জুন ঃ** চাহ শ্ৰেমিকৰ ৰেচনৰ নামত দিয়া হৈছে বৰ বিহ। ৰেচন বিতৰণকাৰী ABC TEA Workers Welfare Service ক নিষিদ্ধ কৰাৰ দাবী। ডিব্ৰুগড়ত শুকুৰবাৰে বিয়লি ‘নেচনেল ফ্ৰন্ট অফ ইণ্ডিয়ান ট্ৰেড ইউনিয়নে সংবাদ মেল পাতি গুৰুতৰ অভিযোগ উত্থাপন কৰে। বিয়লি ৩ বজাত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবত আয়োজিত সংবাদ মেলত অসম জাতীয় পৰিষদৰ নেতা তথা নেচনেল ফ্ৰন্ট অফ ইণ্ডিয়ান ট্ৰেড ইউনিয়ন’ৰ বিষয়ববীয়া ইজৰাইল নন্দই চাহ বাগিচাৰ শ্ৰমিকসকলক খাদ্যৰ নামত বৰবিহ বিতৰণ কৰা ৰেচন বিতৰণকাৰী ঠিকাদাৰী প্ৰতিষ্ঠান এবিচিটি ৱৰ্কাৰ্চ ওৱেলফেয়াৰ চাৰ্ভিচে (ABC TEA Workers Welfare Service) বুলি তথ্য সহকাৰে অভিযোগ কৰি জিলা প্ৰশাসনক এই সন্দৰ্ভত স্মাৰকপত্ৰ প্ৰদান কৰা বুলি জনায়। এবিচিটি ৱৰ্কাৰ্চ ৱেলফেয়াৰ চাৰ্ভিচক অতি সোনকালে নিষিদ্ধ কৰাৰ দাবী সংগঠনটোৰ।তথ্য সহকাৰে অভিযোগ কৰি ৰাজ্যৰ চাহ বাগিচাসমূহত চাহ শ্ৰমিকৰ খাদ্যৰ নামত পচা চাউল,পচা আটা দিছে ৰেচন বিতৰনকাৰী ঠিকাদাৰী প্ৰতিষ্ঠান এবিচিটি ৱৰ্কাৰ্চ ৱেলফেয়াৰ চাৰ্ভিচে (ABC TEA Workers Welfare Service)। যাৰ বাবে চাহ শ্ৰমিক সকলৰ মাজত খাদ্যত বিষক্ৰিয়া হোৱাৰ শংকা প্ৰকাশ কৰিছে নেচনেল ফ্ৰন্ট অফ ইণ্ডিয়ান ট্ৰেড ইউনিয়নে। চাহ শ্ৰমিকসকলে এনে ৰেচন লবলৈ অপাৰগ হোৱাৰ লগতে ঠায়ে ঠায়ে প্ৰতিবাদো সাব্যস্ত কৰিবলগীয়া হৈছে বুলি অসম জাতীয় পৰিষদৰ নেতা জনে কয়। উল্লেখ্য যে শেহতীয়াকৈ খাৰজান চাহ বাগিছাত যোৱা মাহত নিম্ন মানদণ্ডৰ ৰেচন যোগান ধৰা হৈছিল বুলি কৈ ইয়াৰ পিছতে শ্ৰমিকে প্ৰতিবাদ কৰাত কিছু সলনি কৰা হৈছিল। কিন্তু পুনৰ দাইচাজন চাহ বাগিচাত পুনৰ অখাদ্য ৰেচন যোগান ধৰে। এই ৰেচন শ্ৰমিকে ল’বলৈ অমান্য হোৱাত এই ৰেচনসমূহ পুতি পেলেৱা সন্দৰ্ভত তথ্য প্ৰদান কৰে সংবাদ মেলত। একমাত্ৰ কমিচন ৰাজ আৰু লুণ্ঠনৰ স্বাৰ্থত খাদ্যৰ নাম বৰবিহ বাগিচাৰ শ্ৰমিকসকলক দিয়াৰ অভিযোগ উত্থাপন কৰিছে নেচনেল ফ্ৰণ্ট অফ ইণ্ডিয়ান ট্ৰেড ইউনিয়নে (NFITU)। বৰুৱা উপাধিধাৰী নামৰ লোকজনৰ নেতৃত্বত এই কাৰ্য হোৱা বুলি গুৰুতৰ অভিযোগ কৰে।লুন্ঠনৰাজ চলোৱা ABC TEA Workers Welfare Service নিষিদ্ধ কৰাৰ দাবী জনাই ইজৰাইল নন্দই প্ৰশাসন তথা চৰকাৰক কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ দাবী জনাইছে।

## যোগীঘোপা ৰে’ল ষ্টেচন ঠিকাদাৰী শ্ৰমিক সন্থাৰ সভাপতিৰ দায়িত্বত বাবু খান

### নৱ-নিৰ্বাচিত পূৰ্ণাংগ সমিতিৰ কাৰ্যভাৰ গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২৫ জুন ঃ** যোগীঘোপাৰ ৰে’ল ষ্টেচনৰ ৰেক লোডিং-আনলোডিঙৰ কামত নিয়োজিত শ্ৰমিকৰ সংগঠন ‘যোগীঘোপা ৰে’লৱে ষ্টেচন ঠিকাদাৰী শ্ৰমিক সন্থা’ৰ নৱনিৰ্বাচিত পূৰ্ণাংগ সমিতিখনে ২৩ জুনত আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰে। ৰেক লোডিঙত কামত নিয়োজিত শ্ৰমিক সংগঠনটোৰ অধীনস্থ প্ৰায় ৯৪৭গৰাকী শ্ৰমিকৰ সমৰ্থন মৰ্মে মজমুল ইছলাম ওৰফে বাবু খান সভাপতি আৰু আহমেদ আলী সেখ সাধাৰণ সম্পাদকৰূপে বাচনি কৰা হয়। সন্থাৰ বাকী বিষয়ববীয়াসকল ক্ৰমে আউৱাল মজিদ, টিকেন কলিতা আৰু জগদীন্দ্ৰ নাৰায়ণ ছৌধুৰীক উপদেষ্টা, মতলেব আলী, তৈয়ব আলী আৰু নিমাল হুছেইনক উপ-সভাপতি, গোপাল সাহাক সহকাৰী সাধাৰণ সম্পাদক আৰু সাহা আলীক কোষাধ্যক্ষ হিচাপে বাচনি কৰা হয়। সংগঠনটোৰ পূৰ্বৰ সমিতিৰ কাৰ্যকাল উকলি যোৱাৰ পিচত নতুন সমিতি গঠনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও অধিকাংশ শ্ৰমিকে নিৰ্বাচনৰ পক্ষপাতি নোহোৱাত অৱশেষত আলোচনামৰ্মে শ্ৰমিকৰ সমৰ্থনৰ ভিত্তিত নতুন সমিতিখন বাচনি কৰে।

## বিহালীত পুনৰ বাঘৰ আতংক কেইবাটাও ছাগলী নিধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২৫ জুন ঃ** বিহালী অঞ্চলত বিভিন্ন সময়ত বাঘৰ আক্ৰমনত গৰু-ছাগলী নিধন কৰি অহাৰ সময়তে এইবাৰ বিহালী আৰক্ষী থানাৰ অন্তৰ্গত বিজুলী জাৰণিত কেইবাটাও ছাগলী নিধন কৰিছে বাঘে। যোৱা তিনিদিন ধৰি এটা বাঘে বিজুলী জাৰণি অঞ্চলত বিচৰণ কৰি আছিল। বৰগাং বনাঞ্চলিক বিষয়াৰ নেতৃত্ব অহা বন কৰ্মীয়ে বাঘটোৰ খোঁজ আৰু আচৰণ বিচাৰি পাইছিল যদিও কাৰো কোনো ক্ষতি সাধন কৰা নাছিল। কিন্তু যোৱা নিশা সেই অঞ্চলৰে নিপেন তচাৰ এজনী ডাঙৰ ছাগলীৰ লগতে চাৰিটা সৰু ছাগলী নিধন কৰে। অৱশ্যে ডাঙৰ ছাগলীজনীৰ আধা খোৱা অংশ লাভ কৰিছে যদিও সৰু ছাগলীকেইটাৰ সন্ধান পোৱা নগ’ল। ৰাইজৰ সন্দেহ সৰু ছাগলীকেইটা বাঘে খাইদিছে। এই কথা গম পাই বন বিভাগৰ লোক উপস্থিত হৈ বাঘৰ অনুসন্ধান চলাই আৰু ৰাইজক ফটকা দি সাৱধানে থাকিবলৈ আহ্বান জনাইছে।

## দক্ষিণ কামৰূপৰ ছয়গাঁও খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত মহিলাৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ২৫ জুন ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ত আজি প্ৰধানমন্ত্ৰী আৱাস গৃহৰ ঘৰ বঞ্চিত মহিলাৰ তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী।প্ৰতিবাদী লোকসকলৰ পৰা জানিব পৰা মতে ২০১১বৰ্ষত গৃহৰ আৱণ্টন পোৱা লোকসকলে আজি এঘাৰ বছৰে কিয় বাকী আধৰুৱা টকাখিনি লাভ কৰা নাই সেই সমস্ত কথা ঘুণুক-ঘাণাককৈ হ’লেও নিজ নিজ পঞ্চায়তৰ পৰা জানিব পৰাত আজি এনেধৰণৰ ক্ষোভৰ উদ্‌গীৰণ ঘটা দেখিবলৈ পোৱা যায়। প্ৰতিবাদী লোকসকলে ছয়গাঁও খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ত উন্নয়ন বিষয়া কাশ্যপী কাশ্যপ গ’ বেক, কাশ্যপী কাশ্যপ হুঁচিয়াৰ, নিজ মতামত নচলিব, আমাক ঘৰ লাগিব ই, আমি আজি মৰি যাম তথাপিও ইয়াৰ পৰা আঁতৰি নাযাও শ্ল’গানেৰে পৰিস্থিতি উত্তাল কৰি তোলে। অভিযোগ মতে নতুনকৈ জৈন কৰা খণ্ড উন্নয়ন বিষয়া কাশ্যপী কাশ্যপে নিজ মতত টকা পাচবুকত সোমোৱাটো বন্ধ কৰি ৰখা বুলি আজিৰ প্ৰতিবাদী লোকসকলে অভিযোগ তোলে। পৰিস্থিতি বিষম দেখি আৰক্ষী অৰ্ধসামৰিক বাহিনীৰ লোক উপস্থিত হোৱাৰ লগতে ছয়গাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া সৰোজ সোণোৱাল উপস্থিত হৈ প্ৰতিবাদী লোকসকলক আলোচনা মৰ্মে ঘৰ পোৱাৰ আশ্বাস দিয়াতহে পৰিস্থিতিৰ কিছু সাম কাটে। প্ৰতিবাদী কাৰ্যসূচীত প্ৰায় সাতখন মান গাঁৱৰ পাঁচ শতাধিক পুৰুষ মহিলাই অংশ লয়।

## বিশ্বনাথত ‘অগ্নিপথ’ৰ বিৰুদ্ধে প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৫ জুন ঃ** বিশ্বনাথৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বীণাপাণি নাট্য সমাজৰ সন্মুখত অগ্নিপথৰ বিৰুদ্ধে ডিৱাই এফ আই এছ এফ আই আৰু এ আই কে এছে প্ৰতিবাদ কৰে। সেনা বাহিনীত ঠিকাভিত্তিক নিযুক্তি অগ্নিপথ যোজনা বাতিল কৰি স্থায়ী নিযুক্তি দিয়া, বান, খহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়ালক পৰ্যাপ্ত পৰিমাণৰ ক্ষতি পূৰণ আদায় দিয়া তথা পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা আৰু অসমৰ বানপানী সমস্যা সমাধানৰ দাবীত এই প্ৰতিবাদ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই প্ৰতিবাদী কাৰ্যসূচীত বিশ্বনাথ জিলা চিপিআই এমৰ বিশ্বনাথ জিলা সভাপতি গংগা পৰাজুলি, বিশ্বনাথ জিলা ডিৱাই এফ আইৰ সম্পাদক স্নেহাংকৰ চক্ৰৱৰ্তী, কৃষক সভাৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে।

## শিৱসাগৰত নৱ-নিযুক্ত স্নাতক শিক্ষক-শিক্ষয়িত্ৰীৰ অভিৰোচন কৰ্মশালা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৫ জুন ঃ** শিৱসাগৰ আৰু চৰাইদেউ জিলাত নিকা আৰু স্বচ্ছতা ভিত্তিত নিযুক্তি পোৱা শিৱসাগৰ জিলা উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্নাতক পদৰ নৱ নিযুক্তি শিক্ষক সকলৰ এটি অভিৰোচন কৰ্মশালা শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত বিদ্যালয় পৰিদৰ্শক কমলজ্যোতি গগৈৰ বিশেষ উদ্যোগত সফলতাৰে সম্পন্ন হয়। বিদ্যালয়খনৰ অধ্যক্ষা মঞ্জু চেতিয়াৰ পৌৰহিত্যত অনুষ্ঠিত কৰ্মশালাখনিত অবিভক্ত শিৱসাগৰ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈয়ে শিক্ষকসকলৰ কৰ্মৰাজীৰ ওপৰত সুন্দৰ আলোকপাত কৰে।সমল ব্যক্তি হিচাপে উপস্থিত থাকে শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপিকা ড° লখিমী দত্ত আৰু অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° পংকজ হাজৰিকা আৰু শিৱসাগৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক দিলীপ দাস। শিক্ষা বিভাগৰ কৰ্মচাৰী মন্টু কলিতাই আঁত ধৰা কৰ্মশালাত শিৱসাগৰ জিলা অধিবিদ্যা পৰিষদৰ সম্পাদক তথা ডিমৌ উচ্চ মাধ্যমিক বালিকা বিঃ প্ৰধান শিক্ষক উদয় দত্ত আৰু কে কে জি সোঁৱৰণি বিদ্যালয়ৰ ইংৰাজী বিভাগৰ বিষয় শিক্ষয়িত্ৰী মধুস্মিতা শইকীয়া উপস্থিত থাকি বক্তব্য আগবঢ়ায়। কৰ্মশালাত নৱ নিযুক্ত ১৬০গৰাকী শিক্ষক শিক্ষয়িত্ৰীয়ে অংশ গ্ৰহণ কৰা কৰ্মশালাত জিলা আঁচনি বিষয়া ৰিছা শইকীয়া আৰু জ্যেষ্ঠ গাণনিক নিলাক্ষী চাংমাই উপস্থিত থাকে।



অম্বুবাচী উপলক্ষে কামাখ্যা ধামত ভক্তৰ ভিৰ, শনিবাৰে

## পশ্চিম ৰঙিয়াৰ বিশিষ্ট সমাজকৰ্মী যাদৱ চন্দ্ৰ বৈশ্যৰ বিয়োগত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, তুলসীবাৰী, ২৫ জুন ঃ ঃ** পশ্চিম ৰঙিয়াৰ মধ্যপাণ্ডুৰী অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী যাদৱ চন্দ্ৰ বৈশ্যৰ অলপতে আকস্মিক বিয়োগ ঘটাত সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পৰে। ৰঙিয়া মহকুমা অনুসুচিত জাতি পৰিসদৰ বিষয়ববীয়া প্ৰয়াত বৈশ্যৰ বিয়োগত গভীৰ শোক ব্যাক্ত কৰে স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে। কোঠোৰা উচ্চ মাধ্যমিক বিদ্যালয় আৰু ছহিদ সুনন্দ শালৈ মধ্য ইংৰাজী বিদ্যালয়ৰ উদ্যোগত তদুপলক্ষে অনুষ্ঠিত কৰা হয় শোক সভা। প্ৰধান শিক্ষক পংকজ পল্লৱ শৰ্ম্মাৰ সঞ্চালনাত অনুষ্ঠিত সভাত মধ্য ইংৰাজী শাখাৰ প্ৰধান শিক্ষক গজেন চন্দ্ৰ লহকৰৰ লগতে আন কেবাগৰাকী শিক্ষকে প্ৰয়াত বৈশ্যৰ বৰ্ণিল কৰ্ম জীৱনৰ বিষয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। তেনেদৰে স্থানীয় জগদ্ধাত্ৰী পূজা, দুৰ্গা পূজা, বাসন্তী পুজা সমিতিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক ব্যক্ত কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈও সমবেদনা জ্ঞাপন কৰে। প্ৰয়াত বৈশ্যই মৃত্যুৰ সময়ত পত্নী, পুত্ৰ, বোৱাৰী, কন্যাসহ আত্মীয়-স্বজন ইহ সংসাৰত এৰি যায়।

## নলবাৰীত কোলাত কেচুৱা লৈ বিপদসংকুল যাতায়াত

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৫ জুন ঃ** ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে নলবাৰীতো বিস্তৰ ক্ষতিসাধন কৰিছে। প্ৰলয়ংকাৰী বানে তচনছ কৰি পেলাইছে বহু পৰিয়ালৰ ঘৰ-দুৱাৰ, পোহনীয়া জীৱ-জন্তু, কৃষি ভূমি, পথ, উপ-পথসমূহ। জিলাখনৰ ধৰ্মপুৰ সমষ্টিৰ অন্তৰ্গত কুৰিখনৰো অধিক গাঁও বানৰ কৱলত পৰাৰ লগতে আন কেবাখনো গাঁৱক কৃত্ৰিম বানে বুৰাই পেলায়। সমষ্টিটোৰ বৰক্ষেত্ৰী বৰ্নি গাঁৱৰ চান্দপাৰাৰ পৰা বেলশৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সংমণ্ডল কাৰ্যালয়লৈ যোৱা পথটোৰে আজিও যাতায়াত বন্ধ হৈ আছে। উক্ত পথটোৰ ওপৰেৰে পানী বাগৰি পৰাত সম্প্ৰতি যাতায়ত বন্ধ হৈ পৰাত ৰাইজৰ হাহাকাৰ লাগিছে। এই পথটো পকীকৰণ কৰাৰ ক্ষেত্ৰত অঞ্চলবাসী ৰাইজে দাবী জনাই আহিছে যদিও আজিও নহ’ল পকীকৰণৰ ব্যৱস্থা। পথটো কৃত্ৰিম বানে বুৰাই ৰখাত পথৰ মাজে মাজে ডাঙৰ গাঁতৰ সৃষ্টি হৈছে। যাতায়াত বিপদসংকুল হৈ পৰিছে। ৰাইজে অভিযোগ কৰা মতে পথটো বিভাগীয়ভাৱে কেবাবাৰো জোখ-মাখ কৰা হ’ল যদিও আজিও কাৰ্যকৰী নহ’ল। ৰাইজৰ সমস্যা সমস্যা হৈয়েই থকাত ক্ষোভিত হৈ পৰিছে ভুক্তভোগী ৰাইজে।



## কাকপথাৰত কেন্সাৰ ৰোগৰ সজাগতা সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ২৫ জুন ঃ** কাকপথাৰ শাখা সাহিত্য সভাৰ উদ্যোগত আৰু কাকপথাৰ লেখিকা সমাৰোহৰ সহযোগত কাকপথাৰ গাঁও পঞ্চায়ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত কালি এখন কেন্সাৰ ৰোগৰ সজাগতা সভা অনুষ্ঠিত হয়। অসমৰ অন্যতম বিশিষ্ট মহিলা তথা কটন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা মিনতি বৰঠাকুৰে কেন্সাৰ বেমাৰৰ ওপৰত বক্তৃতা প্ৰদান কৰি উপস্থিত ৰাইজক উপকৃত কৰে। তেওঁ কয় যে তেওঁ দুবাৰো কেন্সাৰ ৰোগত ভোগে যদিও সাহসেৰে তাৰ মুখামুখি হোৱাৰ কাৰণত আৰু ৰোগবিধৰ ক্ষেত্ৰত মানিবলগীয়া নিয়মবোৰ ভালদৰে পালন কৰা বাবে এতিয়ালৈকে ভালদৰে জীৱন-যাপন কৰি থাকিবলৈ সক্ষম হৈছে। কোনো লোকৰ ৰোগবিধ হ’লে মনত সাহস গোটাই ঔষধ সেৱন কৰাৰ লগতে আহাৰ নিয়মিতভাৱে গ্ৰহণ কৰিবলৈ আৰু ৰাগীয়াল বস্তু বৰ্জন কৰিবলৈ তেওঁ সভাসদসকলক আহ্বান জনাই বক্তৃতা সামৰে। শাখা সাহিত্য সভাৰ সভাপতি অলক্ষিত মৰাণৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় কাকপথাৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী হেমপ্ৰভা মৰাণে। এই অনুষ্ঠানতে কাঁন মহোৎসৱত প্ৰদৰ্শিত হোৱা ‘বাঘজান’ কথাছবিখনৰ নিৰ্মাতা তথা কথাছবিখন প্ৰযোজনা কৰা জয়চেং জয় দহোটীয়াক সাহিত্য সভাৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিশিষ্ট ব্যক্তিসকল ক্ৰমে মঞ্জুল শৰ্মা, শ্ৰীকুমাৰ দহোটীয়া, ৰহিলা চাংমাই, গাঁও পঞ্চায়তখনৰ সভানেত্ৰী লখিমা হাজৰিকা, শাখা সম্পাদক নিপেন কুশল দাস আদিৰ উপৰি সাহিত্য সভা আৰু লেখিকা সমাৰোহৰ বহুসংখ্যক কৰ্মীয়ে সভাখনত যোগদান কৰি সাফল্যমণ্ডিত কৰি তোলে।

## দক্ষিণ শালমাৰা উন্নয়ন খণ্ডত হাট-ঘাট আৱণ্টন দিয়াৰ নামত গভীৰ ষড়যন্ত্ৰৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৫ জুন ঃ** ফকিৰগঞ্জ সোণাপাৰাস্থিত দঃ শালমাৰা উন্নয়ন খণ্ডত চলিছে ব্যাপক অনিয়ম দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰিছে দক্ষিণ শালমাৰা বিজেপি দলৰ এটা সঁজাতি দলে। হাট-ঘাট আৱণ্টন দিয়াৰ নাম উন্নয়ন খণ্ড বিষয়াই লৈছে চৰম অনিয়মৰ আশ্ৰায়। কোনো নিবিদা গ্ৰহণৰ আহ্বান তথা ৰাজহুৱাভাৱে জাননী নিদিয়াকৈ বিডিঅ’গৰাকীয়ে হাট ঘাট আৱণ্টন প্ৰক্ৰিয়া চলায় বুলি অভিযোগ বিজেপি কৰ্মীসকলৰ। এই কাৰ্যত বাধা প্ৰদান কৰে বিজেপি দলৰ এটা সঁজাতী দলে। দলটিয়ে বিডিঅ’গৰাকীক সাক্ষাৎ কৰি প্ৰতিবাদ কৰাত বন্ধ ৰাখিবলৈ বাধ্য হয় আৱণ্টন প্ৰক্ৰিয়া। এই সন্দৰ্ভত বিজেপি জিলা সংখ্যালঘু মৰ্চাৰ সভাপতি ড° জাকিৰ হোছেন, জিলা সম্পাদক আমানুৰ উদ্দিনে প্ৰকাশ কৰে তীব্ৰ প্ৰতিক্ৰিয়া।

### এবছু আৰু জনস্বাস্থ্য বিভাগৰ উদ্যোগ

## বানবিধ্বস্ত গাঁৱত ছটিয়ালে ব্লিচিং পাওদাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২৫ জুন ঃ** ভূটানৰ পৰা বৈ অহা কুলশী নদীৰ বাঢ়নী পানীয়ে ভেৰগাঁও মহকুমাৰ কেবাখনো গাঁও বুৰাই ঘৰ-দুৱাৰ, বস্তি, পশুধন লগতে জনতাৰ ক্ষতিসাধন কৰি আশ্ৰয় শিবিৰত থাকিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। শুকুৰবাৰে টংলা আঞ্চলিক এবছু’ আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগ, টংলাই বান বিধ্বস্ত গাঁও চেনিপাৰাত ব্লিচিং পাউদাৰ ছটিয়াই এক সুন্দৰ নিদৰ্শন দেখুৱায়। ওদালগুৰিৰ বিটিচি খালিংদুৱাৰ সমষ্টিৰ লগতে পানেৰী অন্তৰ্গত বান বিধ্বস্ত চেনিপাৰা গাঁৱত টংলা আঞ্চলিক বড়ো ছাত্ৰ সন্থা আৰু টংলা জনস্বাস্থ্য কাৰিকৰী বিভাগে চেনিপাৰা গাঁৱত ঘৰে ঘৰে ব্লিচিং পাউদাৰ ছটিয়ায়। বান বিধ্বস্ত অঞ্চলত যাতে কোনোধৰণৰ বেক্টেৰিয়া উৎপন্ন হৈ যিকোনো বেমাৰত ভুগিব নালাগে, তাৰ বাবে এনে পদক্ষেপ লোৱা বুলি জানিব দিয়ে। উক্ত কাৰ্যসূচীত টংলা আঞ্চলিক বড়ো ছাত্ৰ সন্থাৰ সভাপতি ৰাজীৱ বড়ো, সাধাৰণ সম্পাদক গৌমচাৰ বড়ো লগতে টংলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ টেকনিকেল অফিচাৰ ৰামিজ ৰাজা চৌধুৰীৰ নেতৃত্বত ব্লিছিং ছটিওৱা হয়।

## বহিঃৰাজ্যত কাম কৰিবলৈ যোৱাৰ পথত নিতাইপুখুৰীৰ যুৱক সন্ধানহীন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৫ জুন ঃ** নিজৰ পৰিয়ালক পোহ-পাল দিয়াৰ লক্ষ্যৰে বহিঃৰাজ্যত কাম কৰিবলৈ ওলাই যোৱাৰ পথত ডিমৌ সমীপৰ নিতাইপুখুৰীৰ এজন বিবাহিত ব্যক্তি বিশাখাপট্টনমত সন্ধানহীন হোৱা বাতৰি পোৱা গৈছে। জানিব পৰা মতে নিতাইপুখুৰী আৰক্ষী চকীৰ অন্তৰ্গত বহুৱাবাৰী গাৱঁৰ পাৰ্থ গগৈ(বিপুল) (৪২)নামৰ যুৱকজনে আন চাৰিজন যুৱকৰ সৈতে ২৮ মে’ত ডিব্ৰুগড়ৰ পৰা ৰেলেৰে তামিলনাডুলৈ কোম্পানীত কাম কৰিবলৈ বুলি যাত্ৰা কৰে। ৩১ মে’ৰ পুৱাৰ ভাগত বিশাখাপট্টনমৰ ৰে’ল ষ্টেচনত ৰে’লখন ৰখোৱাত পাৰ্থ গগৈয়ে বাথৰুমলৈ যোৱাৰ পিছতে ৰে’লখনে পুনৰ যাত্ৰা কৰে আৰু পাৰ্থ গগৈ সন্ধানহীন হয়। ইফালে যুৱকৰ দলটোৱে সন্ধানহীন সতীৰ্থ পাৰ্থ গগৈৰ খবৰ কৰে যদিও কোনো সন্ধান লাভ নকৰিলে। আনহাতে পাৰ্থ গগৈৰ পত্নী গৌৰীপ্ৰভা গগৈয়ে ৩ জুনত নিতাইপুখুৰী আৰক্ষী চকীত স্বামীৰ নিৰুদ্দেশ সন্দৰ্ভত এজাহাৰ দাখিল কৰে যদিও তাৰ কোনো উত্তৰ নাই। ইফালে উক্ত ৰে’ল ষ্টেচনৰ পৰা এগৰাকী ব্যক্তিয়ে ৮৩৪১৮৪৬১২০ নম্বৰৰপৰা গৌৰীপ্ৰভাৰ পিতৃলৈ ফোন কৰি পাৰ্থ গগৈক কেনেকৈ পঠিওৱা হ’ব বুলি ফোন কৰাত পিতৃয়ে ব্যক্তিজনক অসমলৈ পঠিয়াই দিবলৈ অনুৰোধ জনায়। বৰ্তমান উক্ত ফোন নম্বৰটো ফোন কৰিলে চুইচ অফ পোৱা বুলি জনায়। গৌৰীপ্ৰভা গগৈয়ে তেওঁৰ স্বামীক ঘূৰাই আনিবলৈ আৰক্ষীক কাতৰ আহ্বান জনায়।

### নগাঁও প্ৰেছ ক্লাবত এনএছইউআইৰ সংবাদ মেল

## বিজেপি চৰকাৰে স্বেচ্ছাচাৰী শাসন চলাইছে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৫ জুন ঃ** ‘কেন্দ্ৰীয় চৰকাৰে লোৱা জনবিৰোধী আঁচনিৰ প্ৰতিবাদ কৰাৰ বাবেই এনএছইউআইৰ ৪গৰাকী ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদকক ভুৱা গোচৰত তিহাৰ জেললৈ প্ৰেৰণ কৰা হৈছে। অগ্নিপথ আঁচনিৰ জড়িয়তে ভাৰতৰ যুৱ প্ৰজন্মক ভয়াবহ নিবনুৱা সমস্যাৰ মাজলৈ ঠেলি দিব বিচৰা কাৰ্যৰ প্ৰতিবাদ এনএছইউআইয়ে কৰাৰ বাবে বিজেপিয়ে প্ৰতিশোধৰ ৰাজনীতি কৰিছে’- নগাঁও প্ৰেছ ক্লাবত এক সংবাদমেলৰ আয়োজন কৰি এই অভিযোগ কৰে কংগ্ৰেছৰ ছাত্ৰ সংগঠন এনএছইউআইৰ নগাঁও জিলা সভাপতি পল্লৱজ্যোতি নাথে। সংগঠনটোৰ সভাপতি গৰাকীয়ে কেন্দ্ৰীয় চৰকাৰ আৰু বিজেপিক তীব্ৰ সমালোচনা কৰি কয় বিজেপিয়ে দেশত স্বেচ্ছাচাৰী শাসন চলাইছে। চৰকাৰৰ বিৰোধ কৰিলেই নানা ভুৱা গোচৰত অভিযুক্ত কৰি ৰঙাঘৰলৈ প্ৰেৰণ কৰাৰ ব্লুপিণ্ট ৰঁচিচে কেন্দ্ৰীয় চৰকাৰে। এয়া গণতন্ত্ৰৰ পৰিপন্থী। দেশৰ গণতান্ত্ৰিক শাসনব্যৱস্থাক চৰম উপহাস কৰিছে বিজেপিয়ে। এনএছইউআইৰ নগাঁও জিলা সভাপতি পল্লৱজ্যোতি নাথে লগতে কয়, কেন্দ্ৰীয় চৰকাৰে গণতান্ত্ৰিল প্ৰমূল্যবোধৰ ৰক্ষা কৰি এনএছইউআইৰ কাৰাৰুদ্ধ ৰাষ্ট্ৰীয় সম্পাদক কেইগৰাকীক বিনাচৰ্তে মুক্তি দিয়ক লগতে দেশৰ বিভিন্ন প্ৰান্তত সংগঠনটোৰ কাৰ্যকৰ্তাসকলৰ বিৰুদ্ধে ৰুজু হোৱা ভুৱা গোচৰ প্ৰত্যাহাৰ কৰক।

## ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় সাহিত্য, কলা পদকেৰে উজলিছে যোৰহাটৰ স্বপ্না বৰঠাকুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ২৫ জুন ঃ** অসমৰ অগ্ৰণী প্ৰকাশন গোষ্ঠী দিগদৰ্শন প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত কাব্য সংকলন ‘শিলে গান গায়’ৰ স্ৰষ্টা স্বপ্না বৰঠাকুৰে বাংলা আৰু ইংৰাজী কবিতাৰ বাবে এতিয়ালৈকে চাৰিশৰো অধিক আন্তঃৰাষ্ট্ৰীয় সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰি আন্তঃৰাষ্ট্ৰীয় ছবি সংস্থা ‘ড্ৰীম পেইন্টব্ৰাছ’-এ আয়োজন কৰা ৰাষ্ট্ৰীয় ছবি প্ৰদৰ্শনীত বৰঠাকুৰৰ তিনিখন ছবি প্ৰদৰ্শিত হোৱাৰ লগতে সোণৰ পদক আৰু সোণৰ মেডেল লাভ কৰিবলৈ সক্ষম হয়। ইংৰাজী, বাংলা আৰু অসমীয়া ভাষাত সাহিত্য চৰ্চাত ব্ৰতী থকা স্বপ্না বৰঠাকুৰক ইতিমধ্যে ‘নাৰজিয়া ব্ৰেণ্ড প্ৰম’টাৰচ’ৰ তৰফৰ পৰা ‘ইণ্ডিয়ান ৱ’মেন এৱাৰ্ড’, ‘ৱ’মেন ডেডিকেশ্বন মেগাজিন আৰু জে ছি ডি বিদ্যাপীঠ’-ৰ তৰফৰ পৰা ‘ইন্টাৰনেশ্যনেল ৱ’মেন প্ৰিমিয়াম এৱাৰ্ড’, ইংৰাজী কাব্যগ্ৰন্থ ‘ফ্লেভাৰচ অব লাইফ’ৰ বাবে আন্তঃৰাষ্ট্ৰীয় প্ৰকাশন ‘ইনকুইলিচ পাব্লিকেশ্যন’ৰ তৰফৰ পৰা ‘মষ্ট আউটষ্টেণ্ডিং ৰাইটাৰ’ হিচাপে ‘চাৰপ্ৰাছ এৱাৰ্ড’, অসমীয়া কাব্যগ্ৰন্থৰ বাবে ‘প্ৰয়াস প্ৰকাশন গোষ্ঠী’ৰ তৰফৰ পৰা ‘কাব্য ৰত্ন বঁটা’, বাংলা ‘নৱজাগৰণ সাহিত্য পৰিবাৰ’ৰ তৰফৰ পৰা ‘কাব্য ৰত্ন বঁটা’, ‘ডিভাইন হেণ্ড ৱেলফেয়াৰ অৰ্গেনাইজেছন’ৰ দ্বাৰা ‘নাৰী শক্তি গৌৰৱ বঁটা’ প্ৰদান কৰা হয়। যোৰহাট কলেজত পঢ়ি থকা সময়তেই ‘শ্ৰেষ্ঠা সাহিত্যিক’, ‘শ্ৰেষ্ঠা তাৰ্কিক’ সন্মান লাভ কৰা বৰঠাকুৰক মহাবিদ্যালয়ৰ তৰফৰ পৰা অলপতে ‘চিৰ জেছিয়ান, চিৰ জ্যোতিষ্মান’ সন্মান আগবঢ়ায়। ‘মণিকৰ্ণিকা আৰ্ট গেলাৰী’য়ে ৰাষ্ট্ৰীয় পটভূমিত আয়োজন কৰা ছবি প্ৰদৰ্শনীত বৰঠাকুৰৰ চিত্ৰ প্ৰদৰ্শন হোৱাৰ লগতে পুৰস্কাৰ বুটলিবলৈ সক্ষম হয়। বৰঠাকুৰক ইতিমধ্যে ঔৰংগাবাদস্থিত আন্তঃৰাষ্ট্ৰীয় ছবি সংস্থা ‘অজন্তা-ইলোৰা’ই তেখেতৰ ছবিৰ বাবে ‘কলাভূষণ’ সন্মান প্ৰদান কৰিছে। ইয়াৰ উপৰি বৰঠাকুৰে অসম চৰকাৰৰ ‘অসম ভাষা গৌৰৱ আঁচনি’ৰ অন্তৰ্গত ‘লেখক সম্বৰ্ধনা’ লাভ কৰে।উল্লেখ্য যে বৰঠাকুৰে শেহতীয়াকৈ কলকতাৰ আন্তঃৰাষ্ট্ৰীয় ছবি সংস্থা ‘ড্ৰীম পেইন্টব্ৰাছ’ৰ তৰফৰ পৰা কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ স্মৃতিত টেগৰ এৱাৰ্ড লাভ কৰিবলৈ সক্ষম হোৱাৰ লগতে অজন্তা-ইলোৰা আন্তঃৰাষ্ট্ৰীয় ছবি সংস্থাৰ পৰা প্ৰদৰ্শিত ছবিৰ বাবে ‘ভাৰতীয় কলাৰত্ন আৰ্ট এক্সিলেঞ্চ এৱাৰ্ড’ পাবলৈ সক্ষম হয়।




এডুভিডেন শীৰ্ষক অনলাইন পাঠদান সংস্থাৰ শীৰ্ষ কাৰ্যবাহী ইষ্টিয়াক হক আৰু গৌৰৱ দাসে গুৱাহাটী প্ৰেছ ক্লাবত সংবাদ মেল সম্বোধন কৰাৰ সময়ত, শনিবাৰে

## মৰমৰ অকণিহঁত...

মৰম ল'বা। তোমালোকৰ কুশল কামনা কৰিলো। এতিয়া তোমালোকৰ গৰমৰ বন্ধ হ'ল নহয়নে বাৰু। স্বাভাৱিকতে ভাল লগাই কথা। কিন্তু এইবাৰ গৰমৰ বন্ধৰ আনন্দ অনুভৱ কৰাটো কিছুমানৰ কাৰণে ভাবিব নোৱৰা কথা হৈ পৰিছে। কাৰণ আগতীয়াকৈ অহা বানে তোমালোকৰ বহুতৰে আলাই-আথানি হৈছে। কিছুমানে হয়তো এতিয়াও বানপানীৰ কবলতে আছা। কোনোবাৰ কোনোবাৰ ঘৰবাৰী পানীয়ে উটুৱাই নিয়াৰ ফলত শিবিৰতে থাকিবলগীয়া অৱস্থা হৈছে। মুঠতে তোমালোকৰ একাংশৰ দুখ কুলাই-পাচিয়ে নধৰা হৈছেগৈ। যিসকলে এই বানৰ সমস্যাত পৰা নাই সেইসকলে বানত পৰি সৰ্বস্বান্ত হোৱা তোমালোকৰ দৰে ছাত্ৰ-ছাত্ৰীসকলৰ খবৰ লৈছানে বাৰু। যদি এতিয়াও লোৱা নাই তেওঁলোকৰ এই বিপদৰ সময়ত মাত এষাৰ দিলে সঁচাকে তেওঁলোকে বহুত ভাল পাব। পাৰিলে বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীসকলক তোমালোকৰ সাধ্য অনুসৰি কিতাপ-পত্ৰ, কাপোৰ, চেণ্ডেল, কলম আদি দি সহায় আগবঢ়াব পাৰা। এই বিপদৰ সময়ত এই সহায়ে তেওঁলোক চিৰদিন তোমালোকৰ ওচৰত কৃতজ্ঞ হৈ থাকিব। আৰু তোমালোকৰো মনত বহুত শান্তি আৰু সুখ অনুভৱ হ'ব। আনন্দও পাবা এনেবোৰ মহৎ কাম কৰিলে। কাৰোবাক তোমালোকে সুখৰ দিনত মাত দিব নোৱাৰিলেও এই দুখৰ দিনত তেওঁলোকৰ ওচৰত এবাৰ হ'লেও থিয় দিলে তেওঁলোকে কিমান সুখ আৰু আনন্দ অনুভৱ কৰিব চাবাচোন। দুখৰ দিনত মাত এষাৰেও আৰ্তজনক বহুত সুখী কৰিব পাৰে। যদি তেওঁলোকক আন্তৰিকতাৰে মাতষাৰ দিয়া হয়। আশাকৰো এইখিনি অন্ততঃ তোমালোকে কৰিবা। সুখৰ দিনত বহুত বন্ধু পোৱা যায় কিন্তু বিপদৰ সময়তহে প্ৰকৃত বন্ধু চিনিব পৰা যায়। এয়াই হ'ল তোমালোকৰ প্ৰকৃত বন্ধুৰ পৰিচয় দিয়াৰ সময়।

আজিলৈ বাৰু আহো দেই। পুনৰ মৰম ল'বা।

তোমালোকৰ—

**ভূপেন মামা**

# কণমানি ফৰিঙৰ বিষয়ে অকণমান জানো আহাঁ

■ **বন্দনা মহন্ত**

আমাৰ এই পৃথিৱীখন বিভিন্ন ধৰণৰ বৈচিত্ৰ্যপূৰ্ণ জীৱৰে পৰিপূৰ্ণ। আমি কেতিয়াবা কিছুমান ভিন্নৰঙী পোক-পতংগ আমাৰ ওচৰে-পাঁজৰে দেখোঁ। সিহঁত সাধাৰণতে অন্যতকৈ বহুত ধৰণে পৃথক। এনে পৃথক ধৰণৰ কণমানি জীৱ এটাৰ বিষয়ে আজি তোমালোকক ক'বলৈ লৈছো। সেই কণমানি জীৱটোৰ নাম হৈছে ফৰিং। তোমালোক সকলোৱে নিশ্চয় ফৰিং দেখিছা আৰু কেতিয়াবা ফুল বা ঘাঁহত পৰি থকা ফৰিং ধৰিবলৈ চেষ্টাও কৰিছা। কিন্তু ইমান সহজে ইহঁতক ধৰিব পৰা নাযায়। ইহঁতে দীঘল জাঁপ এটা মাৰি ক্ষন্তেকতে কোনোবাখিনি পায়গৈ। আমি যদিও ভাবিব পাৰো যে ইহঁতে নুশুনে বা নেদেখে বুলি কিন্তু ইহঁতে দেখেও আৰু শুনেও। আচৰিত কথা যে কিছুমান ফৰিঙৰ পেটত আৰু কিছুমানৰ ঠেঙৰ ওচৰত শ্ৰৱণ ইন্দ্ৰিয় অৰ্থাৎ কাণ থাকে। ফৰিঙৰ বৈজ্ঞানিক নাম হৈছে Orthoptera Caelifera। পৃথিৱীত যদিও বিভিন্ন ধৰণৰ ফৰিং আছে; তথাপি ইহঁতৰ দেহৰ আকাৰ চাই আৰু বিশেষকৈ মুখখনৰ ওপৰত থকা শুং কেইডাল দীঘল নে চুটি তাৰ ওপৰত ভিত্তি কৰি দুটা ভাগ কৰা দেখা যায়। চুটি শুং থকা ফৰিং আৰু দীঘল শুং থকা ফৰিং। চুটি শুং থকা ফৰিঙক 'Locusts বুলিও কোৱা হয়। সাধাৰণতে দেখাত সৰু সৰু ফৰিংবোৰক এই ভাগত অন্তৰ্ভুক্ত কৰিব পাৰি। ডাঙৰ ফৰিংবোৰৰ শুংবোৰ যথেষ্ট দীঘল হয়। ইহঁতৰো আকৌ দুটা ভাগ আছে।

"গ্ৰীণ মেড' " আৰু

" কেটিদিদ "

সৰু ফৰিংবোৰে ঠেঙে ঠেঙে ঘঁহনি খুৱাই শব্দ সৃষ্টি কৰে। ডাঙৰ ফৰিংবোৰে পাখিয়ে পাখিয়ে ঘঁহাই শব্দ উৎপন্ন কৰে। ফৰিঙে মুখেৰে মাত দিব নোৱাৰে। ইহঁত নিমাত প্ৰাণী। সিহঁতে ঠেং আৰু পাখিৰ সহায়ত যি শব্দ সৃষ্টি কৰে সেইবোৰকে ফৰিঙে গোৱা গীত বুলি কোৱা হয়।

ইহঁতৰ মুখৰ পেশী বৰ শক্তিশালী। ঠেং তিনিযোৰ আৰু পাখি দুযোৰৰ সহায়ত ইহঁত জঁপিয়াই চলা ফুৰা কৰে। ইহঁতৰ প্ৰথমৰ পাখিৰ আৱৰণটো ডাঠ ছালেৰে আবৰা আৰু পোন। দ্বিতীয় পাখি দুখন ইফালৰ পৰা সিফাললৈ দেখি থকা, তেনেই পাতল। যেতিয়া ইহঁতে জাঁপ মাৰে অৰ্থাৎ ইফালৰ পৰা সিফাললৈ যাবলৈ জঁপিয়ায় তেতিয়া ডাঠ পাখি দুখনৰ লগত পাতল পাখি দুখন জাপ খাই পৰে। দীঘল ঠেঙৰ কাৰণে জঁপিয়াবলৈ সুবিধা হয়। ঠেংকেইটা ভাঁজ খাই থাকে বাবে একেবাৰে ওচৰৰ পৰা নেদেখিলে ঠেঙৰ দৈৰ্ঘ্য চকুতেই নপৰে।

ইহঁতৰ ৰঙো বিভিন্ন ধৰণৰ আছে। পাতল সেউজীয়া, ডাঠ সেউজীয়া, ধোঁৱা বৰণীয়া, মুগা চানেকীয়া ইত্যাদি। আমাৰ অসমত সাধাৰণতে দেখা ফৰিংবোৰ সিমান ডাঙৰ নহয়।

কাকতি ফৰিং নামেৰে কিছুমান ফৰিঙৰ নামকৰণ কৰা হয়। ইহঁতে জাক পাতি থাকে।

ফৰিংবোৰে খাদ্য হিচাপে গছৰ পাত, ফুল, শাক - পাচলি খায়। বন্ধাকবিৰ পাত, পিঁয়াজৰ পাত, গোমধানৰ পাত, গাজৰৰ পাত আদি ইহঁতৰ প্ৰিয় খাদ্য। ইহঁতে মৃত পোক-পৰুৱাও খাদ্য হিচাপে গ্ৰহণ কৰে।

ফৰিঙে গছপাত নতুবা ঘাঁহ-বনত জিৰণি লোৱা দেখা যায়। ইহঁতে খুব কম সময়হে শোৱে। দিনত বা ৰাতি সমানে কাৰ্যক্ষম হৈ থাকে। ইহঁত অঘৰী প্ৰাণী। অৰ্থাৎ ইহঁতে নিজৰ বাবে বাহ সাজি ল'ব নাজানে। সেই বাবে এঠাইৰ পৰা আন এঠাইলৈ গৈ ঠাই সলনি কৰি বাস কৰে।

গৱেষণাৰ দ্বাৰা পোৱা গৈছে যে ২৫০ মিলিয়ন বছৰৰ আগৰ পৰা ফৰিং পৃথিৱীত আছে। হাবি বা পথাৰত সাধাৰণতে ফৰিং বেছিকৈ দেখা যায়। ফৰিং ধৰিবলৈ যোৱা মানুহক কেতিয়াবা ফৰিঙে কামোৰে। কিন্তু ই বিষাক্ত নহয়। ফৰিং চৰাইৰ আৰু অন্য জন্তুৰো প্ৰিয় খাদ্য। ফৰিঙে শত্ৰুৰ পৰা জীৱন ৰক্ষা কৰিবলৈ গছপাতৰ আঁৰত লুকাই থাকে।

ফৰিঙে কেতিয়াবা বাট ভুল কৰি মানুহৰ ঘৰতো সোমাই হি। কিছুমান মানুহে ফৰিং ঘৰত সোমোৱাতো শুভ লক্ষণ বুলি বিশ্বাস কৰে।

ফৰিঙে বাট ভুল কৰি মানুহৰ ঘৰত সোমালে সিহঁত বৰ অসহায় হৈ পৰে। তোমালোকে তেনেকুৱা অসহায় ফৰিং দেখিলে তাক ধৰি গছপাত বা কোনো ফুলগছত এৰি থৈ আহিব পাৰা। এনে কৰিলে নিমাত জীৱটোক সহায় কৰা হ'ব। আমাৰ এই পৃথিৱীখনত সকলো প্ৰাণীৰে জীয়াই থকাৰ অধিকাৰ আছে। ফৰিঙৰ দৰে বহুতো সৰু সৰু পোক-পতংগ আমাৰ ওচৰে-পাঁজৰে আছে। তোমালোক সকলো যাতে এই প্ৰাণীবোৰৰ প্ৰতি মৰমীয়াল হোৱা তাকেই কামনা কৰি ফৰিঙৰ বিষয়ে কৰা আলোচনা সামৰিলো দেই।

ফোনঃ ৯৪৩৫৫-৩০৪৪৭



অভিজিৎ কলিতা, চন্দ্ৰপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ষষ্ঠ শ্ৰেণী



# শিশুৰ ওপৰত সামাজিক মাধ্যমৰ প্ৰভাৱ



■ **হিমাজ্যোতি তালুকদাৰ**

সামাজিক মাধ্যম অবিহনে আমি বৰ্তমান অবিকল। যিকোনো ভাল-বেয়া খবৰ আমি সামাজিক মাধ্যমৰ যোগেৰেই লাভ কৰিব পাৰোঁ যদিও ইয়াৰ প্ৰয়োগৰ ওপৰত ধ্যান ৰখাটো অতি প্ৰয়োজনীয় কথা, বিশেষকৈ আমাৰ শিশুসকলৰ পৰা। কেতিয়াবা আমাৰ জ্ঞাতে বা অজ্ঞাতে কিছুমান নেদেখিবলগীয়া বা নুশুনিবলগীয়া বিষয়ৰ মাজলৈ শিশুসকল সামাজিক মাধ্যমৰ জৰিয়তে সাঙোৰ খাই পৰে। ইয়াৰ বাবে আমি পোনতে সিহঁতক দোষাৰোপ কৰিলে নহ'ব কাৰণ শিশুসকলৰ মন জিজ্ঞাসু নজনা বিষয়ৰ বিষয়ে জানিবলৈ, নুশুনা কথা শুনিবলৈ সিহঁত ইচ্ছুক গতিকে এইটো আমাৰ দায়িত্ব যে কোনটো ভাল, কোনটো বেয়া সেই বিষয়ে শিশুসকলক মাৰ্গ দৰ্শন কৰোৱা। বৰ্তমান প্ৰযুক্তি বিদ্যাৰ যুগত যদি আমাৰ সন্তানে সামাজিক মাধ্যমৰ বিষয়ে একোৱে অৱগত নহয় তেনেহ'লে আমাৰ সন্তানটি অন্যৰ তুলনাত পিছপৰি ৰ'ব। ভাল-বেয়া এটা মুদ্ৰাৰ ইপিঠি সিপিঠি বুলি ক'ব পাৰি। যিদৰে দুখ থাকিলেহে সুখৰ অনুভূতি বেছিকৈ হয় ঠিকে তেনেদৰে বেয়া থাকিলে ভালো নিশ্চিতভাৱে থাকিব। সামাজিক মাধ্যম বিভিন্ন প্ৰকাৰৰ আছে- বাতৰি কাকত, নিউজ চেনেল, ফেচবুক, হোৱাটছএপ, ইনষ্টাগ্ৰাম, টেলিগ্ৰাম ইত্যাদি ইত্যাদি। ইয়াৰে ভিতৰত অতি সহজতে শিশুৰ ওপৰত প্ৰভাৱ পেলোৱা বা জনপ্ৰিয়তা লাভ কৰিব পৰা মাধ্যম হৈছে ফেচবুক, হোৱাটছএপ, ইনষ্টাগ্ৰাম, টেলিগ্ৰাম। তাকৰসংখ্যক অভিভাৱকক বাদে প্ৰায়সংখ্যক অভিভাৱকে জনপ্ৰিয় সামাজিক মাধ্যমসমূহৰ ব্যৱহাৰ কৰে, যিটো তেওঁলোকৰ সন্তানৰ দৃষ্টিগোচৰ হয় আৰু এটা সময়ত তেওঁলোকৰ সন্তানৰো সেইসমূহ মাধ্যমৰ বাবে হাবিয়াস বাঢ়ি গৈ এটা সময়ত প্ৰয়োজন হৈ পৰা দেখিবলৈ পোৱা যায়, যিটো শিশুৰ বাবে একেবাৰেই উপযোগী নহয়। সামাজিক মাধ্যম ব্যৱহাৰৰ দিশ দুটা অৰ্থাৎ ভাল আৰু বেয়া দিশ। উপযোগিতাসমূহ সুচাৰুৰূপে ব্যৱহাৰ কৰিব জানিলে উপকাৰ হয় আৰু অপপ্ৰয়োগ কৰিলে বিপথগামী হৈ পৰে। অভিভাৱকসকল যিহেতু শিশুসকলৰ দিক্‌দৰ্শক গতিকে সিহঁতক ভাল ব্যৱহাৰসমূহৰ বিষয়ে জনাব লাগে। জনপ্ৰিয় সামাজিক মাধ্যমৰ সু-প্ৰয়োগ হৈছে যে আমি ঘৰত বহিয়েই দেশ-সমাজৰ খবৰ অতি সহজতে লাভ কৰিব পাৰোঁ, দূৰত থকা আপোনজনৰ লগতে ইচ্ছা গ'লেই চাই কথা পাতিব পাৰোঁ, কোনো সৎ ব্যক্তিয়ে লাভ কৰা দেশীয় বা আন্তঃৰাষ্ট্ৰীয় পুৰস্কাৰৰ বিষয়ে পোৱা বাতৰিসমূহে শিশুক শুভ কাম কৰিবলৈ উৎসাহ প্ৰদান কৰে, দুৰ্যোগৰ সময়ত ঘৰত বহিয়েই শিক্ষা লাভ কৰিবলৈ সম্ভৱ, হস্তশিল্পৰ বিষয়ে যথেষ্ট পৰিমাণে জ্ঞান অৰ্জন কৰিব পাৰি ইত্যাদি। আনহাতে, অনুপযোগী যথেষ্ট দিশ আছে যিসমূহৰ বিষয়ে আমি সকলোৱে অৱগত সেয়েহে নিজৰ সন্তানটিক ভৱিষ্যতে সু-ব্যক্তিত্বৰ অধিকাৰী কৰি গঢ়ি তুলিবলৈ উচিত পন্থা লোৱাই শ্ৰেয়।

*ফোন ঃ ৯৭০৬৬-৮২০৩৪*

## চতুৰ শিয়াল

এদিনাখন এটা সিংহই সি থকা গুহাটোত এটা হৰিণা চিকাৰ কৰি আনি খাই আছিল। সেই সময়তে এটা শিয়াল আহি সিংহটোৱে হৰিণাটো খাই থকা দেখি তাৰো লোভ লাগিল। তেতিয়া সি এটা বুদ্ধি সাজি সিংহটোক ক'লে — 'ককাই, তুমি হৰিণা চিকাৰ কৰাৰ সময়ত তোমাক বৰ ধুনীয়া দেখি। আকৌ এবাৰ হৰিণা চিকাৰ কৰি মোক দেখুৱাব পাৰিবানে?' শিয়ালটোৰ প্ৰশংসা শুনি সিংহটোৱে বৰ আনন্দ পালে আৰু নিশ্চয় পাৰিম বুলি খাবলৈ এৰি চিকাৰলৈ লৰ মাৰিলে। কিন্তু আনন্দিত হৈ দৌৰ মাৰোতেই সিংহটো এটা শিলত উজুটি খাই পৰি ভৰি এখনত দুখ পালে। সি চিকাৰ কৰিব নোৱাৰি গুহাটোলৈ উভতি আহি দেখি আচৰিত হ'ল। কাৰণ তাত শিয়ালটোও নাই আৰু সি খাই থকা হৰিণাটোও নাই। বুধিয়ক শিয়ালটোৱে সিংহটোক ছলাহি কথাৰে চিকাৰলৈ পঠিয়াই সেই সুযোগতে হৰিণাটো নি আনন্দ মনেৰে উদৰ পূৰাই খালে।

■ **ভাৰ্জিষ্ণু শৰ্মা**



লিনা ডেকা, দ্বিতীয় শ্ৰেণী, বাইহাটা, কামৰূপ



## আমি সৰু সৰু ফুল

(এটি শিশু গীত)

## আমাৰ গৰম বন্ধ

■ **গৌৰী মহন্ত**

গৰম বন্ধ, গৰম বন্ধ, বিনোদনৰ দিন,
সকলোতে আছিল মাথোঁ আনন্দৰ চিন।
লাহে ধীৰে শুই উঠি পঢ়িবলৈ বহা,
মা-দেউতাৰ নাছিল শাসন অতিকৈ কাঢ়া।
ফুটবল ক্ৰিকেট খেলো চিএঙৰি বাখৰি,
হৈছিলোঁ বোকাত আমি লুটুৰি পুটুৰি।
পঢ়ো বুলি সন্ধিয়া কিতাপখন মেলি,
ভাগৰত বিছনাত পৰিছিলো ঢলি।
গছত আছিল পনিয়ল মধুৰী পকি,
খাই ছিলো সমনীয়াৰ সৈতে গছৰ ডালত বহি।
আনৰ বাৰীৰ আম জাম লিচু আৰু কঁঠাল,
উদৰ পূৰাই খাইছিলো ফল বৰ ৰসাল।
বৰশী বাইছিলো পুখুৰী পাৰত বহি,
সময়বোৰ কটাইছিলো
সাঁতুৰি নাদুৰি।
বৰষুণৰ আমেজ লওঁ দেউতাই কৰে খং,
অসুখলৈ ভয় নাই
কৰি থাকো ৰং।
শৈশৱৰ গৰম বন্ধ মনোমোহা ক্ষণ,
আনন্দৰে ভৰি আছিল কুমলীয়া মন।
মধুৰ স্মৃতি শৈশৱৰ বৰষুণত তিতি,
হওঁ মই এতিয়াও জুৰুলি জুপুৰি।

*ফোন ঃ ৯৪৩৫৭-৪২০৮৪*



■ **দিগন্ত বৰ্মন**

জগত ফুলনিৰ আমি
সৰু সৰু ফুল,
মিলি-জুলি থাকো সবে
নাই জাতি কুল।
আমি ফুলনিৰ সৰু সৰু ফুল।।
জিৰ -জিৰ মলয়াই
কঁহুৱা কপাই,
নাচি নাচি খেলে নিতৌ
ৰঙা-নীলা পখিলাই।
আমি ফুলনিৰ সৰু-সৰু ফুল।।
বাগিচাৰ যতেক ফুল
নাচি-বাগি হওঁ বিয়াকুল,
উঠলি উঠে আমাৰ
হৃদয়ৰ দুয়োকুল।
আমি ফুলনিৰ সৰু সৰু ফুল।।
এ,
মানিক বুটলি আমি
যাম আগুৱাই,
ধৰণীত সজালো আজি
ফুলৰে শৰাই।
আমি ফুলনিৰ সৰু সৰু ফুল

*ফোন ঃ ৯৪৩৫২-০২৪৪৭*

## ভালুকপুঙৰ ভালুকাই

■ **গায়ত্ৰী দেৱী বৰঠাকুৰ**

ভালুকপুঙৰ ভালুকাই আমাৰ অতি মৰমৰ।
কিতাপ পঢ়ি যে ভাল পায় ভালুকায়ে বৰ।
কণ কণ সবে মিলি নাম দিছে 'কিতাপ পোক'।
কিতাপহে বঢ়াই পিছে মগজুৰ চোক।"
বিশ্ব গ্ৰন্থ দিৱসৰ দিনা ভালুকায়ে বজাৰলৈ যায়।
এবোজা কিতাপ বুকুত বান্ধি ঘৰলৈ কঢ়িয়ায়।
উত্তৰ কোৰিয়াৰ দৰে আমাৰ ইয়াতো যদি আকৌ হয় লকডাউন।
নহ'ব আৰু ভালুকাইৰ 'বেটাৰী ডাউন'।
নতুন-নতুন পঢ়ি পাৰ কৰিব এটি- এটি দিন।
অতি দৰকাৰী পৃষ্ঠাবোৰত দি যাব একো-একোটা চিন।
দৰকাৰ হ'লে অনলাইনতো কিতাপ অৰ্ডাৰ দিব।
বোপাককাৰ সহজটো নো ভালুকায়ে কিয়নো বাৰু এৰিব?
ককাকেই হেনো সৰুতেই ভালুকাইক দিছিলে কিতাপৰ ধুনীয়া গোন্ধ।
তাহানিতেই ককাকে নিতৌ পঢ়িছিলে চোতালত পুথি, মাৰি লৈ এটি পোন্ধ।
বংশৰ পৰম্পৰা ৰক্ষা কৰি ভালুকায়ে আজিও ধুতী পিন্ধি পঢ়ে কিতাপ।
কিতাপৰ নামত খৰচ কৰে কিমান টকা, তাৰো ৰাখে হিচাপ।
মন গ'লেই ভালুকায়ে লিখিব তোমালোকলৈ কিতাপৰ উপকাৰিতাৰ কথা।
মইনাহঁত, তোমালোকো আমাৰ ভালুকাইৰ দৰে হ'বলৈ যত্নপৰ হোৱা।'
কিতাপেই আমাৰ মৰমৰ বন্ধু ভালুকায়ে কয়।
কিতাপ পঢ়াৰ অভ্যাসটি সৰুতেই গঢ়িবলৈ তোমালোকে মনতে কৰা চয়।
তেহে শিকাবা দুটা কথা, পণ্ডিত বুলিব লোকে।
আদৰ পাবা ভালুকাইৰ দৰে পৃথিৱীৰ দেশে-দেশে।

*ফোনঃ ৮৮২২৯-৪৩০৬৪*

# গৰম বন্ধত সন্তানৰ বন্ধু হওঁ আহক

■ **গীতাশ্ৰী বৰা**

গৰম বন্ধ জুলাই মাহৰ প্ৰথম দিনাৰে পৰা হয় যদিও, চৰকাৰে এইবাৰ কেইদিনমান পূৰ্বে ঘোষণা কৰিলে। বানাক্ৰান্ত অঞ্চলৰ বহু বিদ্যালয় বন্ধ হৈ আছে, কোনো কোনো বিদ্যালয়ৰ আকৌ গৰম বন্ধ আগতীয়াকৈ হয়। দুটি বছৰ লকডাউনৰ বাবে বিদ্যালয়সমূহ বন্ধ থকাৰ বাবে এইবাৰ বহু অভিভাৱকৰ গৰম বন্ধৰ প্ৰতি প্ৰতিক্ৰিয়া এনেদৰে প্ৰকাশ কৰাও দেখা গৈছে যে 'গৰম বন্ধ' দিব নালাগে। দুটা বছৰে পঢ়া-শুনাৰ যথেষ্ট ক্ষতি হ'ল, বিদ্যালয়ত পাঠদান যিহেতু নহ'লেই সৰু ল'ৰা-ছোৱালীয়ে আখৰ চিনাক্তকৰণত অসুবিধাত পৰা দেখা গ'ল। অনলাইন পাঠদানৰ জৰিয়তে উপকৃত হ'ল যদিও বৃদ্ধি পালে মোবাইলৰ প্ৰতি আসক্তি। প্ৰায়ে অভিভাৱকৰ মুখত শুনো মোবাইলত বেছি সময় তেওঁলোক ব্যস্ত থাকি ভাল পায়। সন্তানৰ এই মোবাইল মেনিয়া প্ৰতি ঘৰে ঘৰে যেন এক সমস্যা হৈ পৰিছে। ভিডিঅ' গ্ৰেম, ৰিল বনোৱা আদি অনন্য শিতানত তেওঁলোক ব্যস্ত থাকে। মোবাইল নহ'লে যেন তেওঁলোকৰ উশাহটোকে ল'বলৈ কষ্ট পাই এনে কৰাও দেখা যায়। আজিৰ প্ৰজন্মৰ গৰম বন্ধ বুলিয়েই নহয়, উৎসৱ-পাৰ্বণ লৈও উৎকণ্ঠা সীমিত। আমাৰ দিনৰ 'গৰম বন্ধ'ৰ দিনটোলৈ মনত পেলালে আচৰিতেই হওঁ। কম হেঁপাহত বকুল গছৰ তলৰ পৰা বকুল ফুল বুটলি আনি বেজী-সূতাৰে বকুলৰ মালা গাঁঠি প্ৰিয় শিক্ষক - শিক্ষয়িত্ৰীক উপহাৰ দিওঁ। 'গৰম বন্ধ'ৰ দিনা পুৱাতেই উঠি বকুল ফুল বুটলা, ওচৰৰ চুবুৰিত পাতাবাহাৰ ফুল বিচাৰি মালা বনোৱা, এইবোৰেই সুখৰ সময়। এতিয়া স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে আনন্দ ক'ত কৰিব? ওচৰতে ভাল খেলপথাৰ নাথাকে, ওচৰ-চুবুৰীয়াৰ লগত মিলা-প্ৰীতি নাই। আত্মীয় - কুটুমৰ লগত অহা-যোৱা নাই, যৌথ পৰিয়াল নাই। যিহে ভয়ানক ঘটনাৰ আমি সাক্ষী হওঁ মুক্ত মনেৰে তেওঁলোকক এৰিবলৈ ভয়।

'গৰম বন্ধ' বুলি যিহেতু অভিভাৱকসকলে সন্তানক লৈ দূৰ ভ্ৰমণলৈ যায়। আমি সন্তানক এই সময়ছোৱাত ঘৰত অলপ দীঘলীয়াকৈ পাওঁ গতিকে এইকেইদিন তেওঁলোকক সময় দিবলৈ চেষ্টা কৰো আহক। স্কুল বন্ধ বুলি এই গৰম বন্ধকেইদিন শুই-বহি মোবাইল চাই থাকিবলৈ নিদিব। প্ৰাতঃভ্ৰমণলৈ তেওঁলোকক লৈ ওলাই আহক। পুৱাৰ পৰিৱেশৰ লগত চিনাকি কৰি দিয়ক। পথৰ দাঁতিত থকা গছ-গছনিবোৰৰ নাম কৈ চিনাকি কৰি দিয়ক। পুৱাই নানা পখি বিচৰণ কৰে, তেনে নাম জনা পখিৰ বিষয়ে কওক। পুৱাই যান-বাহনৰ ভিৰ নাথাকে, পথত চাইকেল চলাবলৈও লৈ যাব পাৰে। আপোনাৰ সন্তান যদি স্কুললৈ পঠোৱা বেছি দিন হোৱা নাই তেনে শিশুক পথৰ কাষত থকা ছাইন্ ব'ৰ্ডবোৰ পঢ়িবলৈ দিয়ক। আখৰ চিনাকি কৰি দিয়াত আপুনিও সহায় কৰক। গৰম বন্ধৰ সময়ত সন্তানক লৈ পৰিয়ালৰ ইঘৰ-সিঘৰলৈ ফুৰিবলৈ যাওক, পৰিয়ালৰ ইটো-সিটো লগ হৈ কেৰম, লুডু, লুকা-ভাকু খেলিবলৈ দিয়ক। কিছুমান আমোদজনক খেল খেলিবলৈ দিয়ক, য'ত আপোনাৰ সন্তানে প্ৰাণ খুলি হাঁহিব পাৰে। আমি শিশুসকলক সৰুৰে পৰা লক্ষ্য কৰিলে দেখা পাওঁ ল'ৰা-ছোৱালীৰ খেলৰ ধৰণবোৰ পৃথক। ল'ৰাবোৰে সাধাৰণতে গাড়ী-পিষ্টল, বাদ্যযন্ত্ৰ বজাই ভাল পাই। আনহাতে, ছোৱালীবোৰে দাপোণখনৰ কাষত ৰৈ সাঁজি-কাচি ব্যস্ত হৈ থাকে। কন্যা সন্তানক এই গৰম বন্ধৰ সময়ত বেজীৰে কাপোৰত ফুল তুলিবলৈ, মণি গাঁথিবলৈ দিয়ক, বজাৰত বিভিন্ন ফুল বনোৱাৰ সামগ্ৰী পোৱা যায় সেইবিলাক ক্ৰয় কৰি ফুল বনোৱা, পুতলা বনোৱা, ফ্ৰেবিক কৰা আদি কাম কৰিবলৈ দিয়ক। আপোনাৰ সন্তানক পেলনীয়া বস্তুৰে সামগ্ৰী প্ৰস্তুত কৰিবলৈ দিয়ক, পেইণ্টিং কৰিবলৈ, উলৰ বিভিন্ন সামগ্ৰী বনাবলৈ, টাবত ফুল ৰুবলৈ, ঘৰৰ সৰু-সুৰা কাম কৰিবলৈ দিয়ক। ইউটিবত সহজতে এনে সামগ্ৰী বনোৱা পদ্ধতি সহজতে উপলব্ধ। বিভিন্ন মাটিৰ পাত্ৰ কিনি আনি ৰং-তুলিকাৰে সজাবলৈ দিয়ক। বিভিন্ন বিষয়ৰ কৰ্মশালা এই সময়ছোৱাত হয়, গতিকে খবৰ ৰাখক আৰু তেনে কৰ্মশালালৈ পঠাব। নিজৰ কিতাপ-পত্ৰ সঠিক ঠাইত থোৱা, কাপোৰ, জোতা আদি নিজৰ বস্তু কেনেদৰে পৰিপাটীকৈ ৰাখিব লাগে এই সময়ছোৱাতেই শিকাওক। আপোনাৰ সন্তানক ঘৰলৈ অহা আলহি-অতিথিৰ ওচৰত কেনেদৰে সোধা-পোছা কৰিব লাগে তাৰ আভাস দিয়ক। ঘৰত যদি বয়োজ্যেষ্ঠ লোক থাকে তেখেতসকলৰ লগত নানা আমোদজনক কাহিনীৰ ভাগ ল'বলৈ দিয়ক। গৰম বন্ধৰ সময়ছোৱাত নানা ফল সহজতে পোৱা যায়, সেইবিলাক খাবলৈ দিয়ক। ফলৰ ৰস ঘৰতে তৈয়াৰ কৰি খাবলৈ দিব পাৰে।

আধুনিক জীৱন শৈলীৰ অত্যাধুনিক বিলাসী সংযোজনৰ এবিধ সামগ্ৰী হৈছে ফ্ৰীজ। গতিকে গৰম বন্ধত ঘৰত থকা কেইদিন আপোনাৰ সন্তানক ফ্ৰীজৰ পানী কমকৈ খাবলৈ দিব। বিশুদ্ধ খোৱাপানী খাবলৈ দিব। বজাৰত পোৱা শীতল পানীয়, ফাষ্ট ফুড খালে কিয় বেয়া সেই কথা বুজাই দিব। সন্তানৰ বাবে সময় দিব লাগে তথা তেওঁলোকৰ স্বাস্থ্যৰ প্ৰতি সতৰ্ক থকাটো পিতৃ-মাতৃৰ কৰ্তব্য। মনত ৰাখিব মৰম-আদৰ, সহযোগিতা নাপালে সন্তানে সকলোৰে পৰা আঁতৰি এখন বেলেগ পৃথিৱীত বাস কৰে। নিঃসংগতা আৰু হীনমন্যতাই যাতে সন্তানক দুৰ্বল কৰি পেলাব নোৱাৰে তাৰ প্ৰতি সকলো পিতৃ-মাতৃ সচেতন হ'বৰ প্ৰয়োজন। গৰম বন্ধৰ সময়ত আপোনৰ সন্তানৰ মনৰ বুজ লওক। আপোনাৰ কষ্টোপাৰ্জনেৰে ডাঙৰ কৰা আপোনাৰ সন্তান নিশ্চয় নিজৰ ভৰিত থিয় হ'ব পৰাকৈ গঢ় দিয়ক। তেওঁলোক যেন যন্ত্ৰপিষ্ট নহয়। মনত ৰাখিব মৰম, সাহস আৰু প্ৰেৰণাৰে তেওঁলোকক মহান কৰিবলৈ আমিয়েই তেওঁলোকৰ বিশ্বাসী সহোদৰ।

*ফোন ঃ ৯৩৬৫৪-৫২৫৬৬*





হিয়ামণি ফুকন, তৃতীয় শ্ৰেণী, গুৱাহাটী জাতীয় বিদ্যালয়, নুনমাটি

## অপেক্ষাৰত

(আপোনজনক হেৰুওৱাৰ বেদনা)

■ সুনীল দাস

জানো!
তুমি আৰু কোনোদিনে উভতি নাহা
মৰমৰ মাতষাৰ লৈ।
প্ৰেমৰ বিনোদন কৰিবলৈও নাহা
দিনটোৰ শেষত সুখ-দুখৰ বাৰ্তালাপৰ বাবেও আজি তুমি নাই।
তথাপি ৰৈ থাকো তোমাক
দেখিলেই আঁজুৰি আনিম আৰু বোকোচাত সুমুৱাই ল'ম
আৰু কোনোদিনে আঁতৰি যাব নিদিওঁ।
প্ৰেমৰ আলিংগণ চেনেহৰ চাৰনি
হৃদয়ত দলিচা পাৰি নীৰৱে ৰৈ থাকো তুমি আহিবা।
জানিও নাজানো, মনে নকয়
তুমি যে গুচি গ'লা।
আজিও অপেক্ষাৰত
কোনে বুজিব মোৰ মনৰ বেথা
তোমাৰ মোৰ জীৱন গাথা,
সৰ্বতোপ্ৰকাৰে বিজয়ৰ গান গাই
তুমি আৰু এই পৃথিৱীত নাই।
অপেক্ষাৰত, তুমি আহিবা
ভগৱানেও শুনা নাই কিজানিবা
মোৰ মনৰ বেদনা।
কোনোৱে কয় হেনো তুমি জোনাক নিশাৰ পপীয়া তৰা
মই জানো মোৰ হৃদয় তোমাৰ মৰমেৰে ভৰা।
পাহৰিব পাৰো জানো সেই কল্পনা
বিৰহ-বেদনাৰে ভুগি আছো এতিয়া ভীষণ যন্ত্ৰণা।
জানো তুমি কোনোদিনে উভতি নাহা।
তথাপি আজিও অপেক্ষাৰত।
*ফোন ঃ ৮৮৭৬৯-৭৫৭০২*

## তুমি আহিলেই

■ ঝৰ্ণালী শৰ্মা বৰকটকী

তুমি আহিলেই
নৈ পাৰৰ কঁহুৱা ফুলবোৰ
ফুলিব ধৰে
তুমি আহিলেই
সুগন্ধি ফুলৰ সুবাস
আমোল মোলাই উঠে ধৰণী
কাঁচিয়লী ৰ'দ চেৰেঙাত
আকাশে বিচিত্ৰ ৰহণ সানে
তুমি আহিলেই
আশান্ত বতাহ জাকে
আউল লগায় মনত
তোমাৰ আগমনত উৰুখা পঁজাত
জ্বলি উঠে আশাৰ বন্তি।
*ফোন ঃ ৯১০১৮-৬০৩৫৯*

## অসমৰ খবৰবোৰ পায়ে আছোঁ

■ অনুভৱ প্ৰিয়ম মিৰি

টিভিত ব্ৰেকিং নিউজ চাব নোৱাৰে
খবৰ কাকতৰ মুখ্য পৃষ্ঠা পঢ়িব নোৱাৰে
চালে পঢ়িলে বুকুৰ বিষ বাঢ়ি আহে
বোৱাই নিব খোজে চকুলো।

কৃত্ৰিম বানত গুৱাহাটী নদী হৈ বয়
বাৰিষাৰ বানত বন্যাৰ্তৰ হুমুনিয়াহ
খেতিয়কৰ সপোনবোৰ বানত উটি যায়
নদী বান্ধৰ পানীত হাহাকাৰ নৈপৰীয়া
ভূমিস্খলনত সংযোগ বিচ্ছিন্ন পাহাৰ-ভৈয়াম।

নিবনুৱাৰ সংস্থাপন নাই
সংস্থাপন বিচাৰি বহিঃৰাজ্যলৈ গমন
সাৰ্বভৌমত্বৰ স্বাধীন অসম বিচাৰি
অসমীয়া যুৱক-যুৱতী জংঘললৈ গৈয়ে আছে
অথচ চৰকাৰৰ কোনো পদক্ষেপ নাই।

দোকান-বজাৰলৈ গৈ কিনিব নোৱাৰে
মূল্যবৃদ্ধি হৈয়ে আছে বয়-বস্তুৰ
পেট্ৰল, ডিজেল, চিলিণ্ডাৰ, ঔষধৰ
দাম কমাৰ ঠিকনা নাই
দুখীয়া-মধ্যবিত্তৰ পানীত হাঁহ নচৰা অৱস্থা।

চৰকাৰৰ সুলভ মূল্যৰ দোকানত শাৰী
পি এম কিষাণ, অৰুণোদয় আঁচনিৰ
বিনামূলীয়া ধন উলিয়াবলৈ বেংকত দীঘলীয়া শাৰী
তথাপি ধনী হোৱা নাই দুখীয়া-মধ্যবিত্ত।

উচ্ছেদিত অসহায় জনতাৰ ক্ৰন্দন
ধৰ্ষণ, হত্যা, দুৰ্নীতি চলিয়ে আছে
ছিণ্ডিকেট, কমিছন চলিয়েই আছে
চকু মুদা কুলি হৈ বহি আছে চৰকাৰ।

হিন্দু-মুছলমানৰ ৰাজনীতিত মছগুল
চৰকাৰ-শাসক আৰু বিৰোধী
উন্নয়নৰ নামত ফটা ঢোল বজোৱা
অসমৰ খবৰবোৰ পায়ে আছোঁ।

## কি বুলি মাতিছিল

■ হিমাজ্যোতি তালুকদাৰ

কি বুলি মাতিছিল তেওঁ
তেওঁৰ মনত নাই
ময়ো দুনাই নুসুধিলোঁ।

অতদিনে দুহাতেৰে জীৱন বিচাৰিছোঁ
মৰণে বোবা হৈ পিছে পিছে ঘূৰিছিল।

আবতৰীয়া ধুমুহাত ঘৰ ভাঙিব বুলি
ভবা নাছিলোঁ।
*ফোন ঃ ৯৭০৬৬-৮২০৩৪*

## জীৱনৰ বিচিত্ৰ চিত্ৰ

■ নৱজিৎ দেউৰী

মই ক্ষুধাৰ্ত আছিলোঁ
আপুনি এটা কমিটী গঠন কৰিছিল
ক্ষুধাৰ কাৰণ অনুসন্ধানৰ বাবে।

মই গৃহহীন আছিলোঁ
আপুনি মোৰ দুৰ্দশা নিৰীক্ষণৰ বাবে
এটা ৰিপ'ৰ্ট দাখিল কৰিছিল।

মই অসুস্থ আছিলোঁ
আপুনি আয়োজন কৰিছিল
দেশৰ অনগ্ৰসৰ জনগোষ্ঠীৰ অৱস্থা
পৰ্যালোচনাৰ বাবে এটা ছেমিনাৰ।

আপুনি মোৰ সকলো সমস্যাৰ বিষয়ে
তদন্ত কৰিছিল
কিন্তু মই এতিয়াও ক্ষুধাৰ্ত
এতিয়াও গৃহহীন
আৰু এতিয়াও অসুস্থ।
*ফোন ঃ ৯৩৬৫২-০২৯৬২*

## বলিয়া বান

■ পিংকু কলিতা

বুকুত গজা সপোনবোৰ
নিমিষতে তচ্‌নচ্‌ কৰি
জীৱনৰ ৰংবোৰ খন্তেকতে
থানবান কৰিবলৈ কিয় আহ
হেৰৌ বলিয়া বান!
আঘোণৰ সোণোৱালী সপোনৰ আশাত
বন্দী কৃষকৰ বুকুত
কিয় দিয়া যন্ত্ৰণাৰ এটুকুৰা ঘা!
সুখৰ ঘৰখনৰ পৰা
কিয় কাঢ়ি নিয়া আপোনজনক!
চৌদিশে আজি হাহাকাৰ
তথাপি নুগুচে তোৰ অহংকাৰ!
বৰকৈ আমনি কৰে
কোমল কলিজাত
দুঃসময়ৰ ছবিয়ে
যেতিয়া
দুচকুত ধৰা দিয়ে!
কাবৌ কৰিছোঁ হেৰৌ বান
আৰু নাহিবি তই
চকুৰ পচাৰতে উটুৱাই নিবলৈ
সপোনৰ ঘৰখন!
বৰষুণৰ প্ৰেমত বন্দী মনে
আজি নীৰৱে উচুপে
বানে ধোৱা দুঃসময়ৰ ছবি
নিবিচাৰোঁ চাবলৈ!
ভোক আৰু পিয়াহত
চৎফটাই পাৰ কৰা
বিপন্ন সময়ৰ অশ্ৰুসিক্ত দুচকু
স্বপ্নাতুৰ মনত আৰু
নিবিচাৰো কাহানিও।।
*ফোন ঃ ৯১০১৪-৭৫২৪৮*

## নিলগন

■ ধনঞ্জয়

মধুৰ পক্ষীৰ দৰে সোধো তোমাক
কথাবোৰ

তুমি অমায়িক হৈ দিয়া
মৌখিক সাক্ষাৎকাৰৰ উত্তৰবোৰ।

তোমাৰ একো নাই!
উৎসুকতা।
ডৰিকণা মাছ হওঁ
অনুভৱৰ পাৰত নাচি ফুৰো।

লাহে লাহে
বেলিটো পশ্চিম আকাশত নামি গৈছে
সেই সিদিনা
একেলগে ৰাতিপুৱাৰ জলপানৰ কথা
ভাবিছিলো।।
*ফোন ঃ ৯৮৫৯৪-০৪৭২৮*

## ভাল-বেয়া মানুহ

■ কল্পৰাজ ডেকা

মানুহ ভাল বেয়া নাথাকে
মানুহ মানুহেই
আনৰ দৃষ্টিত বেয়া মানুহজনৰ হয়তো
অন্তৰ্দৃষ্টিৰ এচুক বিকলাংগ
নতুবা চিন্তাশক্তিত মামৰে ধৰে,
আৰু ভাল বুলি ভবাজনে হয়তো
প্ৰকাশ ভংগীত লালিত্য সানে!

ভাল-বেয়া ব্যক্তিবিশেষে নিৰ্ধাৰণ নকৰে
পৰিপাৰ্শ্বিকতা আৰু কৰ্মৰ আচৰণেহে
নিৰ্ধাৰণ কৰে।

ছন্দোময় কথাৰ ফলাফল হ'ব পাৰে তিতা
কুকুহা মাতৰো ফলাফল হ'ব পাৰে মিঠা।
চিগাৰেট হুপা মানুহজনৰ
অভ্যাসটো ভাল নালাগিলেই জানো
মানুহজন বেয়া হ'ব পাৰে!
দিনত মিতিৰালি পাতি
নিশা চোৰৰ চতুৰালি ধৰা পৰাৰ পাছত জানো
চোৰজন ভাল হৈ থাকে!

কোনোজনৰ যদি অভ্যাস
কোনোজন হয়তো পৰিস্থিতিৰ দাস
সেয়ে ভাল-বেয়া বুলি কোনো মানুহ নাথাকে,
প্ৰতিজন মানুহৰে কৰ্ম আৰু আচৰণত এই গুণ
সংপৃক্ত।
*ফোন ঃ ৮১৩৫৯-৯১৬৮৩*

## মোৰ হাতত কাৰো খবৰ নাই

■ বসন্ত কৌশিক ভাগৱতী

মোৰ হাতত কাৰো খবৰ নাই
দীঘল নদীখন, গাঁৱৰ সৰু পথাৰখন
ঘৰৰ চোতালখন
আনকি মানুহৰো।

এনেকুৱা এটা ভাব হৈছে
যেন কাৰো হাতত শুদ্ধকৈ উত্তৰ নাই
পঢ়াশালিৰ ওকলা যোগ অংকবোৰৰ
অথবা পাঁচ দুগুণ দহ
দহৰ শূন্য হাতে এক
দুই দুগুণ চাৰি
চাৰিয়ে একে পাঁচ।

এই যে বাঢ়ি যায়
আৰু কমি যায়
আকৌ বাঢ়ি যায়।

ক্ৰমৰ ভিতৰত ধাৰ কৰা বিয়োগ অংক এটা
পাতি
উত্তৰ উলিয়াবলৈ যত্ন কৰিছোঁ
না ধাৰ কৰিব পাৰিছোঁ
না উত্তৰ।

জ্যমিতি বাকচৰ ৰাবাৰেৰে মচি পেলাইছোঁ
মনৰ ভাব
প্ৰকাশ কৰা নাই গল্প।

দুখন দেশৰ কাজিয়া
পৃথিৱীৰ মানুহৰ বেমাৰ
মনত শান্তি নাই
সেই বাবেই এনেকুৱা।।
*ফোন ঃ ৬০০০৫-৩৭৭৭৪*

## বসন্ত কথা

■ দীপমণি দাস

যোৱাবেলি বসন্তত চৰাইহালে কি কথা
পাতিছিল
ডালে ডালে, পাতে পাতে
আজি মনত পেলাব পৰা নাই

চৰাইহালো নাই
গছজোপাও নাই

মনত পৰিল সকলো
সকলো কথাই মনত পৰি গ'ল
বেৰত থকা চিত্ৰখন পঢ়ি-
য'ত চৰাইহালে কথা পাতিছে
আজীৱন সেউজীয়া গছৰ ডালত
বসন্ত কথা।

## শেষ বিদায় ঃ তোমাৰ বাহিৰে মোৰ কোনো নাছিল

■ নবীন বুঢ়াগোহাঞি

গোটেই গাঁও পিৰালি গচকা বান
বানে আনে দুঃখমিশ্ৰিত পলস।

আইৰ অসুখ যোৱা-থোৱা
শেষবাৰৰ বাবে চাইছে মিতিৰ-কুটুমে।

বৰঘৰৰ পৰা ঢেঁকীটো ওপঙি ওলাই আহিল
পানীৰ সোঁতৰ স'তে চোতালত খলমলাই ফুৰিছে
উলংগ শিশু এটি ঢেঁকীত উঠি এগাঁঠি পানীত
খেলিছে
তাৰ পৰাই মাকক মাতিছে
'আই চোৱাহি অ' আই'

ইমান নিজান
সকলোৰে মুখত ইচ্-আচ্
বগা কাপোৰে ঢকা দেহ
এটাই চাঙিত উঠি ওলাই আহিল
পানীৰ চোতাললৈ...।

নাও ৰৈ আছিল
বাট-ঘাটত
কাঠ আৰু সমৱেত মানুহ
কিছুমান মৌন কান্দোন
ঘৰখন উৰুঙা কৰা
সাংঘাতিক নীৰৱতা
জয়াল।
*ফোন ঃ ৬০০১৬-৫২৫২৫*

## বন্ধ কোঠাৰ খিৰিকীখন

■ উপমা কছাৰী

আজি বহু দিনৰ অন্তত
খুলি দিলো মোৰ
বন্ধ কোঠাৰ খিৰিকীখন
জিৰ জিৰকৈ সোমাই আহিল
এজাক চেঁচা বতাহ
মই দুচকু জপাই দিলোঁ।

কিমান সময়? উহো
কিমানটা বসন্ত পাৰ কৰিছোঁ
উজাগৰি নিশাত
এই বন্ধ কোঠালিৰ মজিয়াত।

খিৰিকীৰ সিপাৰে উৰি ফুৰিছে
এজাক মুক্ত পখী
সিহঁতক প্ৰাণভৰি চাই আছো
বন্ধ কোঠাৰ খিৰিকীৰে।।
*ফোন ঃ ৯৩৬৫০-৮৯৭৬৫*

## যুদ্ধ

■ বিকাশ শৰ্মা

যুদ্ধই আমাক কি দিয়ে?
গুলী, বাৰুদ, মিছাইলৰ শব্দত
দেশখন অন্ধকাৰ হৈ
হাজাৰটা সপোনৰ পিছে পিছে দৌৰি
আমাৰ বুকুত তেজ সিঁচি দিয়ে।

যুদ্ধবোৰে আমাৰ ভালপোৱাবোৰ
মাটিত মিহলি কৰি
একাকীকত্বৰ জয়গান বিচলিত কৰে।
যুদ্ধ হ'লে ক'লা ধোঁৱাবোৰে খেদি আহে
আমাৰ চকুৰ সেউজীয়া পথাৰলৈ।

যুদ্ধ হ'লে মাকবোৰৰ চকুত
এন্ধাৰ নামি আহে।
চকুপানীবোৰে চুই যায়
সৈনিক পুত্ৰৰ ছবি।
বতাহৰ গোন্ধত ভাহি আহে
শিশুৰ কেঁচা তেজ।

যুদ্ধ হ'লে মৃতদেহবোৰৰ বুকুত
শুই পৰে সভ্যতাৰ অৱক্ষয়।
যুদ্ধ হ'লে মেঘবোৰে কঢ়িয়াই ফুৰে
নাৰীৰ বুকুত ওফন্দি উঠা দুখ।
যুদ্ধ হ'লে কাৰ বুকুত কোনে বিচাৰিব তেজৰ
হিচাপ।
যুদ্ধ হ'লে গুলীবিদ্ধ ফুলবোৰৰ স্বাধীনতা
চিৰদিনৰ বাবে মাটিত মিহলি।

নালাগে এই যুদ্ধ...
যুদ্ধত বাঢ়ি আহে আমাৰ চকুত
মৃত্যুৰ বিভীষিকা!
*ফোন ঃ ৭০০২৫-৯২২৯৩*

## শেষ আবেলিৰ বেলি

■ উদ্দীপনা ভূএঞা

অনামী বতাহৰ ঢৌত
খোপনি হেৰুওৱা
উৎকণ্ঠাৰ শেষ বিন্দুত
এপাহ শুভ্ৰ বন নহৰুৰ ফুলত
এয়ানো কিহৰ
নৈপৰীয়া উছৱৰ আয়োজন?

বেপৰোৱা সংলাপৰ গইনা লৈ
আত্মাৰ তৃষ্ণা নিবাৰণ
কৰিব পৰাকৈ
বিষণ্ণ আকাশৰ বুকুৰ
শেষ আবেলিৰ বেলিৰ ৰংবোৰত
আছে জানো উচ্ছাসৰ হিল্লোল?

সময় ভেদিব পৰা সুতীব্ৰ দৃষ্টিত
ৰৈ আছে অতীতৰ পৰা বৰ্তমানলৈ
এছাতি গতিহাৰা স্তব্ধ বতাহ।
খণ্ডিত পৰিধিৰ সীমনাত
বিভ্ৰান্তিৰ চাকনৈয়াত
শব্দবোৰ যেন ক্লান্ত, অসহায়!

শুকান মাটিৰ চপৰাত
নিৰূপিত বহু দায়িত্ব...
চপচপীয়া বুকুবোৰৰ
অভ্যন্তৰত আলোড়িত হয়
শুই থকা বহু কল্প কথা
আৰু কিছু ব্যাখ্যাহীন বিষাদ।

## সুখৰ এজাক বৰষুণ

■ দেৱজিত বৰুৱা

আজি বৰষুণ এজাক আহিল
মোৰ সপোনৰ বৰষুণ
অপেক্ষাৰ যেন অন্ত পৰিল,
সুখৰ এজাক বৰষুণৰ।

ৰুদ্ধ ফাঁট মেলি থকা বসুমতী
আইৰ কোলাত তুমি আহিলা
আশাৰ বতৰা হৈ।
দুচকুত এটা সেউজীয়া সপোন
মই যেন আকৌ
জী উঠিছোঁ।

দুখবোৰক তুচ্ছ কৰি
মই যেন আকৌ
কৈ উঠিছোঁ,
বিষাদৰ জুই নুমুৱাবলৈ
আজি আহিল সুখৰ
এজাক বৰষুণ।

ইমানকৈ বাজিছে মাদল
তালে তালে নাচিছে,
সেউজী দেশৰ গাভৰু
বতাহত ওপঙিছে
হাজাৰ হাজাৰ সপোন।
তোমাৰ আগমনত হৈ পৰিছে
নিজৰা চঞ্চল।

তোমাৰ বুকুত আছে
মমতাৰ সঞ্জীৱনী সুধা
যি সুধা পান কৰিয়েই
বসুমতীয়ে আৰম্ভ কৰে
বৰ্ণিল মাত্ৰা।

তুমি আনা বসুমতীলৈ ৰং, ভোগৰ বতাহ।
তুমি জানা মাথোঁ সেউজীয়া মন্ত্ৰ।
তোমাৰ নৃত্য সুৰে,
সদায় ছন্দোময় কৰি তোলে বসুমতীক।

আজি আহিল, সুখৰ এজাক বৰষুণ।
মোৰ স্বপ্নাতুৰ দুচকুত সপোনৰ আগমনী,
বতাহত ভাহিছে সোণাৰুৰ সুগন্ধি।
আজি অপেক্ষাৰ অন্ত পৰিল।
হেঁপাহ পলুৱাই আজি বৰষুণত তিতিম!
বৰষুণৰ পানীৰে ধুই পেলাম
বিষাদৰ ঘাম...।
*ফোন ঃ ৯৩৯৪১-২৫৫১১*

## সোণাৰু ফুলিলে

■ তৰু বড়া

সোণাৰু ফুলিলে
গাখীৰতী হেঁপাহ এটা
ক্ৰমে ক্ৰমে উজাই আহে
এজাৰফুলীয়া বিষাদ এটা
উজনি-ভাটি কৰে
বুকুৰ চাপৰিত
নৈপৰীয়া বতাহ জাকে
কঢ়িয়াই আনে
পথাৰৰ গৰ্ভৱতী সপোন
আৰু
মোৰ দেহে-মনে
ঢৌ খেলে
হালধীয়া মাথোঁ
হালধীয়াই।
পচা শিপা এনেয়েও কেঁচা!

## মোক ৰুই থ

■ অজয় বৰুৱা

মোক ৰুই থ
তোৰ শাওণৰ জীপাল হৃদয়ত
সেউজ হৈ শিপাম তোৰ বোকা পানীৰে ভৰুণ
হৃদয়ত।
দিন-ৰাতি গুণ-গুণাম তোৰ গান,
প্ৰভাতী সুৰ হৈ বাঁহীত বাজিম।

মোক ৰুই থচোন
তোৰ শাওণৰ জীপাল হৃদয়ত
তোৰো পথাৰ পলসুৱা হ'ব
প্ৰেম-ভালপোৱাৰ বীজেৰে।
নাথাকিব সপোনৰ পৰিধি।
শাওণৰ জীপাল হৃদয়ত ৰুই থ'লে
আঘোণৰ পথাৰত সোণসেৰীয়া হৈ
ধানৰ থোক থাকে ওলমি।
মায়াসনা আপোনত্বৰ প্ৰেমৰ জোনাকেৰে
দেহ আৰু মনৰ ভঁৰাল ভৰাম।

মোক ৰুই থ'লে
মই জীৱনজুৰি শিপাই থাকিম
তোৰ তেজে তেজে।।
*ফোন ঃ ৯৭০৭৭-৩০৪২৭*

## জীৱনৰ ৰং

■ ডাঃ চন্দনা মেধি দাস

সৰীসৃপৰ দৰে বগুৱা বাইছে
খং, ৰাগ, মান-অভিমান
ঈৰ্ষা, ক্ষোভ, হিংস্ৰতা
আৰু,
আৰু ক'বলৈ গ'লে
বহুত কিবাকিবি।

নিৰুপায়, নিৰুদ্বিগ্ন
সকলো যেন পথভ্ৰষ্ট
অনুভৱো আক্ৰান্ত
কাঁইটেৰে বিদ্ধ
হৈ ৰক্তাক্ত।

কিন্তু,
অনুভৱৰ বিধ্বস্ততাত
উশাহ হেৰুৱাই
পৰি ৰ'ব জীৱন পখী
আৰু এনেকৈয়ে
এনেকৈয়ে ছানি ধৰিব আকাশ
কলীয়া ডাৱৰে।

এনে সময়তে
থিক এনে সময়তে
জ্বলাব লাগিব
এগছি প্ৰেমৰ চাকি
যাৰ পোহৰত উজলি উঠিব
অন্ধকাৰ মন, আকাশ-বতাহ
থাউকতে ম্লান পৰিব
খং, ৰাগ, মান-অভিমান
আৰু বহুত কিবাকিবি।

সেউজীয়া ৰং জীৱনৰ
সেউজীয়া আশা-ভৰসা
শান্তিৰ পৰিভাষা অময়া
লৈ আহাচোন আঁচল ভৰাই
এমুঠিমান প্ৰেম পাৰিজাত
নীলিম হৈ পৰক জীৱনৰ বাট।
*ফোন ঃ ৭০০২৭-৮৪৩৩৫*

## বিশ্বাস আৰু সম্পৰ্ক

■ পদ্মজা ফুকন শইকীয়া

সম্পৰ্ক!
এক বিশ্বাস
আইৰ গৰ্ভত স্থিতি লোৱা দিন ধৰি
আইৰ স'তে, আপোন মানুহবোৰৰ স'তে
বিশ্বাসতে গঢ় লৈ উঠে এক সম্পৰ্ক
প্ৰেম, বন্ধুত্ব আৰু ভালপোৱাৰ।

সম্পৰ্কৰ মূল শিপাডালেই হ'ল বিশ্বাস
বিশ্বাসতেই ঠন ধৰি উঠে সম্পৰ্ক
সম্পৰ্কৰ পিছল জখলাডালত
বগুৱা বাওঁতে খোপনি নুপুতিলে
টুপুংকৈ সৰি পৰে বিশ্বাস
বিশ্বাসত আউল লাগিলেই
ফাঁট মেলে সম্পৰ্কৰ গাঢ়তা।

মোৰ বাবে বিশ্বাসেই প্ৰেম
প্ৰেমেই ভগৱান
বিশ্বাস আছে বাবেই সম্পৰ্ক আছে
বিশ্বাস আছে বাবেই প্ৰেম আছে
বিশ্বাস স্বতঃস্ফূৰ্ত
সম্বন্ধ এক সাধনা
হৃদয়ৰ পৰা হৃদয়লৈ চিৰযুগমীয়া হোৱা।

## কবিৰ ঘৰ

■ দীপক কুমাৰ কলিতা

কোনে কয় কবি হেনো অকলশৰীয়া!
দোকোল-টকা বানত বুৰে হেনো,
কবিৰ ঘৰ!ওঁহো, কবিৰ পদূলিৰ দীঘল বাট
সদায় জক্‌মকীয়া। সোণাৰু ফুলৰ গোন্ধত
আমোল-মোলায়, কবিৰ ঘৰ, মৰমৰ ঘৰ।

## জোকাৰিলেই বৃক্ষ লেহুকা নহয়

■ ড° ৰীতা দত্ত

জোকাৰিলেই বৃক্ষ লেহুকা নহয়
যাৰ থাকে মাটিত খামুচি ধৰাৰ অপৰিসীম
শক্তি।
ধুমুহাই বৃক্ষৰ আগ লৰাব পাৰে;
শিপাক নোৱাৰে।

ধুমুহাই বৃক্ষক ধৃতি দিয়ে সঁচা, কিন্তু
গা-গছত মূৰ খুন্দিয়াই
নিজেই আহত হয়, হয় নিথৰুৱা!

শুকান পাত উৰুৱাই নি আনৰ চোতাল
লেতেৰা কৰাকেই জয় নোবোলে।
সংজ্ঞা থাকে জয়ৰ
'জোকাৰিলেই বৃক্ষ লেহুকা নহয়'।

## ইয়াত এখন নদী আছিল

■ পূৰৱী দাস

নদীখনি নিৰলে বৈ যায়
দুয়োকুল ওপচাই,
পাৰত গঢ়ি উঠে
সভ্যতাৰ প্ৰাচুৰ্যতা।

জন্মৰে পৰা মৃত্যুৰ দিনলৈকে
নৈখনে আঁকোৱালি লয়
সুখ-দুখ, হাঁহি-অশ্ৰুবোৰ।

সোঁৱৰণীৰ পাতখিলাও
নৈৰ বুকুতে
উটি-ভাহি যায়।

নৈখনে কথা কয়,
সুখ-দুখৰ...
স্মৃতিবোৰ ধৰি ৰাখে।

বাৰিষাত ওফন্দি আহে
ফেনে ফোটোকাৰে,
ঢৌবোৰে বিষাদৰ লগতে
সুখবোৰো কঢ়িয়াই আনে।

নৈখনে বিচাৰে,
সদায়ে,
একেদৰে বৈ থাকিবলৈ।

কিন্তু সময়ে,
জীৱনৰ দৰে
নৈখনকো সলায় পেলায়।

খৰালি হ'লে শুকাই,
কৰ্কৰীয়া মাৰে।

ৰৈ যায় মাথোঁ বালিচৰ।
মৰাসুঁতি এৰি
নৈখনে গতি লয়
ক্ৰমে নতুনৰ পিনে
সাহস আৰু উদ্যমেৰে
ন নৈখন বৈ যায়,
পাতনি মেলে
নতুন দিনৰ
নতুন প্ৰভাতৰ।
*ফোন ঃ ৮৬৩৮৫-৪৬১২৯*

## প্ৰত্যাশা

■ ধন কুমাৰ বৰা

অহা বাটটোৰে ঘূৰি যাবলৈ আৰু মন নাই
লগ পাই অহা অতীতটোৱেও আমনি
কৰা নাই
তুমি কেনে আছা সুধিবলৈ মন যোৱা নাই
আগলৈ যোৱা বাটটোৰে মাথোঁ
আগুৱাই আছোঁ
লগ পাইছোঁ বেলিফুলক
তায়ো বাট চাই আছে
কাইলৈ পুৱাই ওলাব হেনো সূৰ্য।
*ফোন ঃ ৯৩৬৫৪-৮৭১৫১*

## প্ৰথম পৃষ্ঠাৰ পৰা—

## গ্ৰন্থখন অসমীয়ালৈও অনুবাদ

বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক ৰাষ্ট্ৰখনৰ প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব লোৱাৰ আগলৈকে সেইপদত অধিষ্ঠিত হৈ থাকে। ২০১৯ চনত তেওঁ পুনৰ নিৰ্বাচিত হয়। তেওঁৰ নিৰন্তৰ কৃতিত্ব আৰু দৃঢ়তাৰ স্বীকৃতি স্বৰূপে ৰাষ্ট্ৰীয় পৰ্যায়ত ইতিমধ্যে প্ৰকাশিত 'মোদী@২০ঃ ড্ৰীমছ মিট্ ডেলিভেৰী' শীৰ্ষক গ্ৰন্থখন আজি অসমত উন্মোচনৰ সাক্ষী হৈ ৰ'ল ৰাজ্যবাসী। ৰূপা পাব্লিকেশ্যন ইণ্ডিয়াৰ দ্বাৰা প্ৰকাশিত এই গ্ৰন্থখন নন্দন নিলেকানি, সুধা মূৰ্তি, সদগুৰু, পি ভি সিন্ধু, অমিশ ত্ৰিপাঠী আদি বিশিষ্ট বুদ্ধিজীৱী তথা লেখকৰ ৰচনাৰে সমৃদ্ধ। বিগত ২০ বছৰ ধৰি চৰকাৰৰ মুৰব্বী হিচাপে নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশখনে যি মৌলিক ৰূপান্তৰৰ মাজেৰে অতিক্ৰম কৰিছে, তাৰ বিষদ বিবৰণ আৰু চিত্ৰণ কৰি প্ৰথিতযশা সাহিত্যকসকলৰ দ্বাৰা ৰচনা কৰা অধ্যায়সমূহৰ সংকলনেই হৈছে এই গ্ৰন্থখন। গ্ৰন্থখনত মোদীৰ শাসনৰ আৰ্হিৰ বিষয়েও বিষদভাৱে উল্লেখ কৰা হৈছে আৰু ইয়ে সমাজৰ প্ৰতিটো শ্ৰেণীৰ জীৱনক স্পৰ্শ কৰিছে। গ্ৰন্থ উন্মোচনী উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে 'মোদী@২০ঃ ড্ৰীমছ্ মিট্ ডেলিভেৰী' শীৰ্ষক গ্ৰন্থখন নিঃসন্দেহে এখন উৎকৃষ্ট গ্ৰন্থ। গণতান্ত্ৰিকভাৱে নিৰ্বাচিত চৰকাৰৰ মুৰব্বী হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ যোৱা দুটা দশকৰ যাত্ৰাক সামৰি লোৱা এই গ্ৰন্থখন প্ৰকৃততে সম-সাময়িক ভাৰতৰ এক তথ্য সমৃদ্ধ ঐতিহাসিক নথি। যুগান্তকাৰী এই গ্ৰন্থখন উন্মোচন কৰিবলৈ পাই তেওঁ অতিশয় সুখী আৰু গৌৰৱান্বিত বুলি উল্লেখ কৰে। তেওঁ কয় যে ২০০১ চনৰ ৭ অক্টোবৰত নৰেন্দ্ৰ মোদীয়ে মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছতে সমগ্ৰ দেশতে 'গুজৰাট আৰ্হি' হিচাপে উন্নয়নৰ এক নতুন দিগন্তৰ সূচনা কৰে। কৃষিকে ধৰি সকলো খণ্ডতে ৰূপান্তৰমুখী দিশ মুকলি কৰি নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ আৰ্হিক বিশ্বৰ সন্মুখত সফলতাৰ কাহিনী হিচাপে দাঙি ধৰিবলৈ সক্ষম হৈছে। প্ৰায় চাৰিটা কাৰ্যকাল মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত থকাৰ পিছত দেশৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ আশীৰ্বাদ আৰু সহযোগিতাত তেওঁ ভাৰতৰ প্ৰধানমন্ত্ৰী হ'ল। ২০১৮ চনৰ আগতে কেন্দ্ৰত কোনো চৰকাৰে সংখ্যাগৰিষ্ঠতাৰে ক্ষমতালৈ অহা নাছিল। কিন্তু এই পৰিঘটনাৰ অন্ত পেলাই বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰে নিৰংকুশ সংখ্যাগৰিষ্ঠাতাৰে ক্ষমতালৈ অহাৰ লগে লগে নৰেন্দ্ৰ মোদীয়ে এই পৰিৱৰ্তন সম্ভৱ কৰি তুলিলে। বহু সমালোচকে কয় যে বিজেপিৰ প্ৰতি জনসমৰ্থন জনসাধাৰণৰ সাময়িক আবেগৰ প্ৰতিফলন আছিল। তেওঁলোকৰ মতামত আছিল যে প্ৰধানমন্ত্ৰী মোদীয়ে জনসাধাৰণক দেখুৱাই দিয়া সপোন আৰু আশাবোৰ কেতিয়াও পূৰণ কৰিব নোৱাৰে। কিন্তু সমালোচকৰ এই মতামতক ভুল বুলি প্ৰমাণ কৰি ২০১৯ চনত সাধাৰণ নিৰ্বাচনত প্ৰধানমন্ত্ৰী মোদীয়ে একেৰাহে দ্বিতীয়টো কাৰ্যকালৰ বাবে জনসাধাৰণৰ অধিক সমৰ্থনেৰে পুনৰ নিৰ্বাচিত হৈছিল। যিটো বিগত পাঁচ দশকত এক অভূতপূৰ্ব আছিল। ২০১৯ চনত সাধাৰণ নিৰ্বাচনত নৰেন্দ্ৰ মোদীৰ প্ৰতি যি জনাদেশ দিয়া হৈছিল সেয়া নিঃসন্দেহে দেশৰ জনসাধাৰণক দেখুৱাই দিয়া সপোন আৰু আশাৰ পূৰ্ণতাৰ প্ৰতিফলন আছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। দেশত প্ৰধানমন্ত্ৰী মোদীৰ ব্যাপক প্ৰভাৱৰ বিষয়ে ব্যাখ্যা আগবঢ়াই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ২০১৩ চনত ভাৰতীয় জনতা পাৰ্টিৰ নিজা ৪ জন মুখ্যমন্ত্ৰী আছিল আৰু এনডিএ মিত্ৰজোঁটৰ এজন মুখ্যমন্ত্ৰী আছিল। গোটেই দেশত বিজেপিৰ ৭৭৩ জন বিধায়ক আছিল। আজি বিজেপিৰ নিজাববীয়াকৈ ১২ জন মুখ্যমন্ত্ৰী আৰু মিত্ৰ দলৰ ৬ জন মুখ্যমন্ত্ৰী আছে। আজি বিজেপিৰ বিধায়কৰ সংখ্যা ১৪৪৩ জনলৈ বৃদ্ধি পাইছে। ইয়াৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দলটোৰে সামাজিক আৰু ভৌগোলিক প্ৰেক্ষাপটত কেনেদৰে সম্প্ৰসাৰণ হৈছে সেয়া সহজে প্ৰত্যক্ষ কৰিব পাৰি। মুখ্যমন্ত্ৰীয়ে কয় যে ২০২১ চনৰ অক্টোবৰ মাহত প্ৰধানমন্ত্ৰী মোদীয়ে গণতান্ত্ৰিকভাৱে নিৰ্বাচিত চৰকাৰৰ মুৰব্বী হিচাপে নিজৰ ৰাজনৈতিক জীৱনৰ দুটা দশক সম্পূৰ্ণ কৰিছে। ভাৰতৰ দৰে বৈচিত্ৰ্যপূৰ্ণ দেশ এখনত প্ৰায় দুটা দশক ধৰি জনসাধাৰণৰ এক ভৱিষ্য-দৰ্শনেৰে আলোড়িত কৰি ৰখাটো এক বিৰল ঘটনা। অৱশ্যে যোৱা ২০ বছৰত এটা নাম, এটা ধাৰণাই এনে অসম্ভৱক সম্ভৱ কৰি দেশবাসীক মুগ্ধ কৰি তুলিছে। সেয়াই হৈছে নৰেন্দ্ৰ মোদী। তেওঁ কয় যে আজি মোদী এক পৰিৱৰ্তনৰ নাম, এক আশাৰ নাম, এক প্ৰত্যাশাৰ নাম। দেশবাসীৰ মতে মোদী থাকিলে সকলো সম্ভৱ। জনসাধাৰণে বিশ্বাস কৰে 'মোদী হে টো মুমকিন হে' — মুখ্যমন্ত্ৰীয়ে কয়। গ্ৰন্থখনৰ ওপৰত ভাষণ আগবঢ়াই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে নৰেন্দ্ৰ মোদীয়ে দেশৰ আটাইতকৈ শক্তিশালী পদলৈ উন্নীত হোৱাৰ ২০ টা ঘটনাবহুল বছৰ আৰু এই সময়ছোৱাই প্ৰতিজন ভাৰতীয়ৰ জীৱনত কেনে প্ৰভাৱ পেলাইছে সেই বিষয়ে এইখন গ্ৰন্থৰ জৰিয়তে সামৰি লোৱাটো নিঃসন্দেহে এক গভীৰ প্ৰত্যাহ্বান আছিল। এই সন্দৰ্ভত ভিন্ন জনৰ মতানৈক্য হোৱাতো নিতান্তই স্বাভাৱিক। কিন্তু ব্লু ক্ৰাফ্ট ডিজিটেল ফাউণ্ডেশ্যনে সম্পাদনা আৰু সংকলনেৰে বিভিন্ন ক্ষেত্ৰত জনপ্ৰিয়, প্ৰভাৱশালী আৰু জ্ঞানী লোকসকলৰ মতামত আৰু ব্যক্তিগত অভিজ্ঞতা সামৰি গ্ৰন্থখনত সন্নিৱিষ্ট কৰা প্ৰবন্ধসমূহে প্ৰধানমন্ত্ৰী মোদীৰ ব্যক্তিত্বৰ সফলতা আৰু আৰ্থ-সামাজিক, ৰাজনৈতিক জীৱনলৈ আগবঢ়োৱা অৱদানৰ ছবি এখন দাঙি ধৰিবলৈ সক্ষম হৈছে। তেওঁ কিতাপখনৰ সম্পাদনা আৰু সংকলনৰ সৈতে জড়িত ব্লু ক্ৰাফ্ট ডিজিটেল ফাউণ্ডেশ্যনৰ প্ৰতিজন কৰ্মকৰ্তাক অভিনন্দন জ্ঞাপন কৰে। তেওঁ অনুষ্ঠানত ৰূপা পাব্লিকেশ্যন ইণ্ডিয়াক সমাজৰ প্ৰতিটো শ্ৰেণীৰ পঢ়ুৱৈ সমাজৰ উপলব্ধ কৰি তুলিবলৈ গ্ৰন্থখনৰ অসমীয়া অনুবাদৰ বাবে উদ্যোগ ল'বলৈ অনুৰোধ জনায়। অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, প্ৰথিতযশা সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী, এক্সিছ মাই ইণ্ডিয়াৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালক প্ৰদীপ গুপ্তা, অলিম্পিক পদক প্ৰাপ্ত বেডমিন্টন খেলুৱৈ পি ভি সিন্ধু, অলিম্পিক পদক প্ৰাপ্ত বক্সাৰ লাভলীনা বৰগোহাই, এছিয়ান গেমছ পদকপ্ৰাপ্ত দৌৰবিদ হিমা দাস, সংগীত শিল্পী আৰু সুৰকাৰ অংগৰাগ পাপন মহন্ত, বিশিষ্ট অস্ত্ৰোপচাৰ বিশেষজ্ঞ তথা পদ্মশ্ৰী ডাঃ ইলিয়াছ আলী, ৰাষ্ট্ৰীয় অভিলেখ সৃষ্টিকাৰী দৌৰবিদ অম্লান বৰগোহাঁই প্ৰমুখ্যে অসম চৰকাৰৰ কেইবাজনো মন্ত্ৰী তথা গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

## আমাৰ হোটেলৰ খৰচ

শিৱসেনাৰ বিসম্বাদী বিধায়কৰ হোটেলৰ খৰচ কোনে বহন কৰিছে বুলি প্ৰশ্নৰ উদ্ৰেক ঘটাৰ সময়তে বিসম্বাদী শিবিৰে কৈছে যে তেওঁলোকৰ হোটেলৰ খৰচ কোনো বিশেষ দলে বহন কৰা নাই। বিসম্বাদী শিবিৰে কয়— 'কোনো দলে আমাৰ হোটেলৰ কোঠাৰ ধন পৰিশোধ কৰা নাই। আমাৰ নেতা একনাথ সিন্দেই আমাক ফোন কৰিছিল আৰু আমি আহি ইয়াতে থাকিলোঁ। তেৰেঁই আমাৰ ব্যয় পৰিশোধ কৰিব। এই ঘটনাৰ আঁৰত বিজেপিৰ কোনো হাত নাই।' ইফালে আজি একনাথ সিন্দেই নেতৃত্ব দিয়া বিদ্ৰোহী শিবিৰে 'শিৱসেনা বালাচাহেব' নামেৰে এটা নতুন দল খুলিব বুলি ঘোষণা কৰিছে। এই কথাত পিতৃৰ নাম ব্যৱহাৰ কৰাৰ বাবে উদ্ধৱ থাকৰেৰে আপত্তি দৰ্শাইছে আৰু প্ৰয়োজনত আদালতলৈ যোৱাৰো ভাবুকি দিছে। ইফালে, শিৱসেনাৰ বিধায়কৰ বিদ্ৰোহত অসম চৰকাৰৰ ভূমিকা আজি পুনৰবাৰ অস্বীকাৰ কৰিছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে বিধায়কসকলে নিজেই তেওঁলোকৰ থকাৰ খৰচ বহন কৰি আছে। একনাথ সিন্দেয়ে দাবী কৰিছে যে শিৱসেনাৰ ৫৬জন বিধায়কৰ ৩৮জন বিধায়কৰে তেওঁৰ প্ৰতি সমৰ্থন আছে। এই সংখ্যা ২৮৮জনীয়া মহাৰাষ্ট্ৰ বিধানসভাত দলটোৰ শক্তিৰ দুই-তৃতীয়াংশতকৈও অধিক। সংবিধানৰ দশম অনুসূচী অনুসৰি, যিকোনো বিধায়কেই দল ত্যাগ কৰিব পাৰে আৰু নতুন দল গঠন কৰিব পাৰে বা আন এটা দলৰ সৈতে একত্ৰিত হ'ব পাৰে বুলিও সিন্দেই মন্তব্য কৰিছে।

## দেশজুৰি 'ক'লা দিৱস' পালন

সকলোবোৰ গণতান্ত্ৰিক দল, মত ব্যক্তি আদি সংগঠনক নিষিদ্ধ ঘোষণা কৰি উক্ত সংগঠনসমূহৰ নেতৃবৰ্গক কাৰাগাৰত বন্দী কৰি একনায়কত্ববাদৰ সূচনা কৰিছিল। ভাৰতীয় সংবিধান আৰু গণতান্ত্ৰিক প্ৰমূল্যক ধ্বংস কৰা এই সিদ্ধান্তৰ ফলত সংবিধানত উল্লেখ থকা সকলো মৌলিক অধিকাৰ হনন কৰা হৈছিল আৰু নাগৰিকৰ মানৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছিল। সাংবিধানিক সংস্থা আৰু ন্যায়িক ব্যৱস্থাকো নিষ্ক্ৰিয় কৰি দিয়া হৈছিল। গণতন্ত্ৰৰ ৰাজহাড় ভাঙি দিবলৈ কৰা এই ষড়যন্ত্ৰক স্বাধীন ভাৰতবৰ্ষৰ গণতন্ত্ৰ প্ৰেমী কোনো শক্তি তথা ব্যক্তিয়েই ক্ষমা কৰি দিব নোৱাৰে। এনে ঘটনা ভৱিষ্যতে যাতে পুনৰবাৰ কোনো ৰাজনৈতিক শক্তিয়েই কৰাৰ সাহস গোটাব নোৱাৰে, তাৰ বাবে ভাৰতীয় জনতা পাৰ্টিয়ে আজিৰ দিনটোক অৰ্থাৎ ২৫ জুনক দেশজুৰি 'ক'লা দিৱস' হিচাপে পালন কৰি আহিছে। সাম্প্ৰতিক বানত বেয়াকৈ প্ৰভাৱিত জিলাসমূহৰ বাহিৰে আন প্ৰায় কেইখন সাংগঠনিক জিলাতে আজি ক'লা দিৱস উদ্‌যাপন কৰা হয়। জিলা আৰু মণ্ডল পৰ্যায়ত অনুষ্ঠিত এই দিৱসৰ সৈতে সংগতি ৰাখি আলোচনা চক্ৰ, সংবাদমেল আদিৰ আয়োজন কৰা হয়। জিলাসমূহৰ দায়িত্বত থকা মন্ত্ৰী, বিধায়ক তথা সাংসদসকলে জিলাই জিলাই সংবাদমেল সম্বোধন কৰে। আনহাতে দেশৰ জৰুৰীকালীন অৱস্থাত যিসকল লোকে কাৰাবাস খাটিছিল আৰু এই পৰিস্থিতিৰ ফলত বেয়াকৈ ভুক্তভোগী হৈছিল সেই সকল লোকক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ভাৰতীয় জনতা যুৱ মৰ্চাৰ উদ্যোগতে আজি ৰাজ্যৰ বিভিন্ন মহাবিদ্যালয়ত আলোচনা চক্ৰৰ আয়োজন কৰা হয়। আনহাতে কাইলৈ অৰ্থাৎ ২৬ জুনত প্ৰধানমন্ত্ৰীৰ 'মন কী বাত' অনুষ্ঠানৰ পিছত ৰাজ্যিক বিজেপিৰ হেঙেৰাবাৰীস্থিত মুখ্য কাৰ্যালয়ত ক'লা দিৱস উদ্‌যাপন কৰা হ'ব।

## কোটি টকাৰ ড্ৰাগছ দাহ

নেতৃত্বত উপস্থিত হোৱা আৰক্ষীৰ দলটোৱে প্ৰায় কোটি টকাৰ ড্ৰাগছ দাহ কৰে। জিলাখনৰ বিভিন্ন সময়ত জব্দ কৰা ড্ৰাগছ, হেৰ'ইন গাঞ্জাসমূহ আজি দাহ কৰে। গোৱালপাৰা জিলা আৰক্ষীৰ মাদক দ্ৰব্য অভিযান শাখাৰ অভিযানত বিভিন্ন সময়ত জব্দ কৰা হৈছিল ড্ৰাগছ, হেৰ'ইন, গাঞ্জা আৰু অসংখ্য টেবলেট। জব্দকৃত নিচাজাতীয় সামগ্ৰীসমূহ দাহ কৰা কাৰ্যসূচীত অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণাল ডেকা, অতিৰিক্ত আৰক্ষী অধীক্ষক (বি) পাহাৰী কৌৱৰ, উপ-আৰক্ষী অধীক্ষক অনুৰাগ শৰ্মা, জিলা আবকাৰী বিষয়া, প্ৰদূষণ বিষয়াৰ উপৰি জিলাখনৰ বিভিন্ন থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসকল উপস্থিত থাকে। ড্ৰাগছসমূহ দাহ কৰাৰ পিছত সাংবাদিকৰ আগত জিলা আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডীয়ে কয় যে গোৱালপাৰা জিলাখনক ড্ৰাগছমুক্ত কৰিবলৈ সকলো প্ৰকাৰৰ অভিযান অব্যাহত আছে আৰু অনাগত দিনতো অব্যাহত থাকিব। সেয়ে তেওঁ এই ড্ৰাগছবিৰোধী অভিযানত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰি শীঘ্ৰেই গোৱালপাৰা জিলাখন ড্ৰাগছ মুক্ত জিলা গঢ়িবলৈ সকলোকে আহ্বান জনায়।

## আৰ্থিক দীনতাৰ চৰম পৰিণতি

মদাহি, পুত্ৰ জীৱন কুমাৰ মদাহি আৰু কন্যা কৃষ্ণামণি মদাহি । জানিব পৰা মতে চন্দন দাসে বিভিন্নজনৰ পৰা পৰা ঋণ লৈ পৰিশোধ কৰিব পৰা নাছিল । ফলত নিতৌ তেওঁৰ ঘৰত সৃষ্টি হৈ আহিছিল অশান্তিৰ। আনহাতে, ঋণ পৰিশোধ কৰিব নোৱাৰি একপ্ৰকাৰ হতাশগ্ৰস্ত হৈ পৰিছিল চন্দনে। যাৰ ফলত চন্দনে আজি একপ্ৰকাৰ মানসিক ভাৰসাম্য হেৰুৱাই হঠাতে পত্নীৰ লগতে পুত্ৰ আৰু কন্যাক চোকা অস্ত্ৰৰে আঘাত কৰে। চোকা অস্ত্ৰৰ আঘাতত তিনিওজন ঢলি পৰাৰ পিছতে চন্দন দাসে নিজেও ঘৰৰ ভিতৰত চিপ লৈ আত্মহত্যা কৰে। ঘটনাৰ বিষয়ে জানিব পাৰি আত্মীয়ই ততাতৈয়াকৈ গুৰুতৰভাৱে আহত আটাইকেইজনকে মুছলপুৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। পিছত ঘটনাস্থলীত বাক্সা জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক আৰু মুছলপুৰ আৰক্ষীৰ এটা দল উপস্থিত হৈ চন্দন দাসৰ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। স্থানীয় ৰাইজেও আৰ্থিক দীনতাৰ বাবেই চন্দন দাসে এইদৰে পত্নী-সন্তানক হত্যাৰ চেষ্টা কৰি আত্মহননৰ দৰে পন্থা বাছি লোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে । অৱশ্যে আৰক্ষীৰ তদন্ততহে সেয়া পোহৰলৈ আহিব। প্ৰকাশ যে মৃত চন্দন দাসে এবছৰ পূৰ্বে বামুণপাৰা গাঁও উন্নয়ন সমিতিৰ সম্পাদক আছিল আৰু সম্পাদক হৈ থাকোতে তেওঁৰ হাতত থকা ৰাইজৰ টকা পৰিশোধ কৰিব পৰা নাছিল। এই টকা গাঁও সমিতিয়ে তেওঁৰ পৰা বিচৰাত সমিতিৰ কেইবাজনো লোকক বেয়া ব্যৱহাৰ কৰে। পৰৱৰ্তী সময়ত গাঁও উন্নয়ন সমিতিয়ে চন্দন দাসৰ পৰিয়ালক গাঁৱৰ পৰা এঘৰীয়া কৰে। গতিকে চন্দন দাসৰ পৰিয়াললৈ গাঁৱৰ মানুহৰ অহা-যোৱা বন্ধ হৈ পৰিছিল। সেয়েহে চন্দন দাসৰ মৃত্যুৰ প্ৰকৃত কাৰণ সংক্ৰান্তত গাঁওবাসীয়ে অজ্ঞতা প্ৰকাশ কৰে।

## আছু নেতাক শাৰীৰিক

সময়তে তামুলপুৰ আৰক্ষীৰ মুখত কালিমা সানি তামুলপুৰ জিলাৰ কুমাৰীকাটাত কুমাৰীকাটা আৰক্ষী চকীৰ দুগৰাকী বিষয়াই এজন ছাত্ৰ নেতাৰ ওপৰত অভব্য আচৰণ কৰাই নহয় হাতৰ হেলমেট পৰ্যন্ত ক্ষতিগ্ৰস্ত কৰা ঘটনাই সমগ্ৰ বাক্সা জিলাতে তীব্ৰ প্ৰতিক্ৰিয়া আৰু উত্তেজনা সৃষ্টি কৰিছে। অভিযোগ মতে সদৌ বাক্সা জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ডুলুজিৎ দাসক কুমাৰীকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীৰ সন্মুখতে এগৰাকী সহকাৰী উপ-পৰিদৰ্শকে তালাচীৰ নামত অভব্য আচৰণ কৰাৰ লগতে শাৰীৰিক-মানসিকভাৱে অপদস্থ কৰে। আনকি কুমাৰীকাটা আৰক্ষী চকীৰ সহকাৰী উপ-পৰিদৰ্শকগৰাকীয়ে ছাত্ৰ নেতাগৰাকীক বলপূৰ্বক সুৰাপান কৰা বুলি স্বাস্থ্য পৰীক্ষা কৰিবলৈ বাধ্য কৰি মানসিকভাৱে হাৰাশাস্তি কৰাৰো অভিযোগ উত্থাপিত হৈছে । ছাত্ৰ নেতাগৰাকীক আৰক্ষীয়ে মানসিক আৰু শাৰীৰিকভাৱে হাৰাশাস্তি কৰা ঘটনাক লৈ সৰৱ হৈ পৰিছে বাক্সা জিলা তথা তামুলপুৰ মহকুমা ছাত্ৰ সন্থা। ছাত্ৰ নেতাগৰাকীক অপদস্থ কৰা আৰক্ষী বিষয়াৰ ওপৰত ২৪ ঘণ্টাৰ ভিতৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰি অন্যথা আৰক্ষী প্ৰশাসনৰ বিৰুদ্ধে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰো ভাবুকি দিয়ে। সমগ্ৰ ঘটনাই তামুলপুৰ অঞ্চলত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘটনা সন্দৰ্ভত বাক্সা জিলা ছাত্ৰ সন্থাৰ সভাপতি গোবিন্দ শৰণীয়াই সংবাদ মাধ্যমৰ আগত সদৰী কৰা মতে, কালি নিশা বাক্সা জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ডুলুজিৎ দাসে তামুলপুৰ জিলা সদৰৰ পৰা কুমাৰীকাটাৰ নিজ গৃহ অভিমুখে গৈ কুমাৰীকাটা বজাৰ চ'কত পথৰ কাষত নিজৰ বাহনখন ৰখাই প্ৰস্ৰাৱ কৰিবলৈ যায়। হঠাৎ উক্ত স্থানত কুমাৰীকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰাঞ্জল বৰুৱা আৰু সহকাৰী উপ পৰিদৰ্শক শৈলেন কলিতাসহ আৰক্ষীৰ দল এটা উপস্থিত হৈ আছু নেতাগৰাকীক বিভিন্ন প্ৰশ্ন কৰি তালাচী চলাই ব্যতিব্যস্ত কৰি তোলে । এ এছ আইগৰাকীয়ে ছাত্ৰ নেতাগৰাকীয়ে নিজৰ পৰিচয় দিয়াৰ পাছতো নানা অশ্লীল গালি-গালাজ কৰাৰ লগতে আছু ছান্দা তোলা সংগঠন বুলি অভব্য আচৰণ কৰাই নহয় এএছআইগৰাকীয়ে মুখ্যমন্ত্ৰীকো কেৰেপ নকৰো বুলি দম্ভালি মাৰি আছু নেতা ডুলুজিৎ দাসক সুৰাপান কৰা বুলি বলপূৰ্বক কুমাৰীকাটা ৰাজ্যিক স্বাস্থ্য কেন্দ্ৰলৈ স্বাস্থ্য পৰীক্ষা কৰিবলৈ লৈ যায় । চিকিৎসকে ছাত্ৰ নেতাগৰাকী কোনো ধৰণৰ সুৰাপান কৰা নাই বুলি স্পষ্ট কৰি দিয়াৰ পাছতো চিকিৎসকক সুৰাপান কৰা বুলি ৰিপ'ৰ্ট দিবলৈ হেঁচা প্ৰয়োগ কৰে বুলিও অভিযোগ উঠিছে। ছাত্ৰ নেতাগৰাকীক আৰক্ষীয়ে কৰা শাৰীৰিক আৰু মানসিক নিৰ্যাতনৰ ঘটনাক কেন্দ্ৰ কৰি আজি তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ত আছুৰ কেন্দ্ৰীয় সমিতিৰ ক্ৰীড়া সম্পাদক পূৰ্ণ ডেকা, বাক্সা জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক অজয় বড়ো, ক্ৰীড়া সম্পাদক কুমুদ ডেকাৰ লগতে বিভিন্ন বিষয়ববীয়া উপস্থিত হৈ উক্ত ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে অভিযুক্ত আৰক্ষী বিষয়া দুগৰাকীৰ বিৰুদ্ধে তদন্ত কৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাই তামুলপুৰ জিলা আৰক্ষী অধীক্ষকৰ হাতত এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। ঘটনাৰ উচিত তদন্ত কৰি দোষী আৰক্ষী বিষয়া দুগৰাকীক উপযুক্ত শাস্তি প্ৰদান নকৰিলে বাক্সা জিলা আছুৱে তীব্ৰ আন্দোলন গঢ়ি তোলাৰো হুংকাৰ দিয়ে। আনহাতে, বাক্সা জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকগৰাকীক আৰক্ষীয়ে শাৰীৰিক আৰু মানসিক নিৰ্যাতন কৰা কাৰ্যক তামুলপুৰ জিলা উন্নতি সভা, তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থা, বৰ্মন কছাৰী ছাত্ৰ সন্থা, গৰিয়া মৰিয়া দেশী যুৱ-ছাত্ৰ পৰিষদ লগতে আটছাই তীব্ৰ গৰিহণা দিয়াৰ লগতে তেনে ধৰণৰ কাৰ্যৰ পৰা বিৰত থাকিবলৈ সকীয়াই দিয়ে।

## গাড়ী চলাই একো লাভ হোৱা

পৰিশোধ নকৰা বাহনৰ বিৰুদ্ধে ৰাজ্য বিভিন্ন স্থানৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথত ব্যাপক তালাচী অভিযান অব্যাহত ৰাখিছে পৰিবহণ বিভাগে। ৰাজ্য আন আন প্ৰান্তৰ লগতে লখিমপুৰ, বিশ্বনাথ, শোণিতপুৰ জিলাতো পৰিবহণ বিভাগে যান-বাহন আইন ভংগ কৰা গাড়ীসমূহৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। পৰিবহণ বিভাগৰ বিষয়া -অভিযানকাৰী দলে বিশেষকৈ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত অব্যাহত ৰাখিছে নথি-পত্ৰবিহীন আৰু অভাৰলোডেড শিলবৰ্তি ডাম্পাৰ, অভাৰলোড ইটাবৰ্তি ট্ৰাকৰ বিৰুদ্ধে। বিশেষকৈ উত্তৰ অসমৰ মধ্য অংশ হিচাপে চিহ্নিত লখিমপুৰ, গহপুৰ, হাৰাজান আৰু বিহালী সমষ্টিৰ বৰগাঁওৰ পৰা শ শ ট্ৰাক দিনে-নিশাই পৰিবহণ বিভাগৰ চকুত ধূলি দি যান-বাহন আইন উলংঘা কৰি অত্যধিক বোজা লৈ ট্ৰাকসমূহ অৰুণাচল প্ৰদেশলৈ সৰবৰাহ হৈ থকাৰ তথ্য পোহৰলৈ আহিছে। একমাত্ৰ অত্যধিক বোজাই নহয় এই ট্ৰাকসমূহৰ ভিতৰত অধিকাংশ গাড়ীয়েই বহু বছৰ ধৰি পুনৰ নৱীকৰণ নকৰা, চৰকাৰক কৰ নিদিয়াৰ লগতে নথি-পত্ৰবিহীনভাৱে ট্ৰাকত প্ৰতিদিনে শোণিতপুৰ, জামুগুৰি, টৌভঙা, বৰগাং, বিহালীৰ পৰা লখিমপুৰ , অৰুণাচল প্ৰদেশলৈ দৈনিক অভাৰলোডেডৰ জৰিয়তে ইটা সৰবৰাহ কৰি আহিছে। এইদৰে ডাম্পাৰৰ ট্ৰাকৰ অত্যধিক ইটা ট্ৰাকে ট্ৰাকে কঢ়িওৱাৰ ফলত ১৫নং ৰাষ্ট্ৰীয় ঘাইপথটো অধিকাংশ স্থান নষ্ট হোৱাৰ অভিযোগ উঠিছে। আনহাতে, অত্যধিক বোজা কঢ়িওৱা ট্ৰাকসমূহৰ বিৰুদ্ধে বিভিন্ন সময়ত দল-সংগঠনে পৰিবহণ বিভাগক অভিযোগ দি আহিছে যদিও যিদৰে পৰিবহণ বিভাগ কঠোৰ হ'ব লাগিছিল সেইদৰে নোহোৱা বুলি একাংশ দল-সংগঠনে প্ৰকাশ কৰে। শেহতীয়াকৈ দল-সংগঠনৰ সচেতন ব্যক্তিৰ দাবীত শোণিতপুৰ, বিশ্বনাথ, লখিমপুৰ জিলা পৰিবহণ বিভাগক কঠোৰ হ'বলৈ বাধ্য হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ বিশ্বনাথ আৰু লখিমপুৰ জিলা পৰিবহণ বিভাগে প্ৰায়ে ৰাষ্ট্ৰীয় ঘাইপথটোত অভিযান অব্যাহত ৰাখিছে অত্যধিক বোজা কঢ়িওৱা ট্ৰাক-ডাম্পাৰ বিৰুদ্ধে। যোৱা কেইবাটা মাহত বিশ্বনাথ জিলা পৰিবহণ বিভাগে কেইবা কোটি টকাৰ কৰ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে নথি-পত্ৰবিহীন গাড়ীৰ পৰা। আনহাতে, লখিমপুৰ জিলা পৰিবহণ বিভাগক চৰকাৰী প্ৰায় ৩৬ কোটি টকা কৰ সংগ্ৰহ কৰিবলৈ টাৰ্গেত দিয়া বুলি এক সূত্ৰৰ পৰা জানিব পৰা গৈছে। ইয়াকে লৈ এতিয়া লখিমপুৰ পৰিবহণ বিভাগক অধিক কঠোৰ হোৱা দেখা গৈছে ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত। চৰকাৰে বান্ধি দিয়া নিৰ্দিষ্ট পৰিমাণৰ ধন সংগ্ৰহ কৰিবলৈ লখিমপুৰ জিলা পৰিবহণ বিভাগৰ বিষয়াসকল এতিয়া অধিক কঠোৰ হ'বলৈ বাধ্য হৈছে। যাৰ ফলত কোনো নথি-পত্ৰবিহীন আৰু পুনৰ নৱীকৰণ নকৰা বছৰীয়া কৰ আদায় নকৰা যান-বাহন, অত্যধিক বোজা কঢ়িওৱা গাড়ীৰ অভিযানত নামি পৰিছে ৰাজপথত। আনহাতে, বহু লোকে গাড়ী ক্ৰয় কৰি পঞ্জীয়ন নকৰাকৈ আৰু বছৰীয়া কৰ আদায় নিদিয়াকৈ যুগ যুগ ধৰি চলাই থকা দেখা গৈছে। বিশেষকৈ বিহালী সমষ্টিত কেইজনমান ইটা ভাতাৰ মালিকে বছৰ বছৰ ধৰি এক্সেভেটৰ,BÎ জেচিবি, ডাম্পাৰ, পঞ্জীয়ন নকৰাকৈ, চৰকাৰৰ বছৰীয়া কৰ আদায় নিদিয়াকৈ গাড়ী চলাই থকাৰ অভিযোগ উঠিছে। এই অভিযোগৰ ভিত্তিত ইতিমধ্যে বিশ্বনাথ পৰিবহণ বিভাগে অভিযান অব্যাহত ৰাখিছে। আনহাতে, বছৰীয়া কৰ আদায় নিদিয়া এক্সভেটৰ জেচিবি পৰিবহণ বিভাগৰ জালত পৰা দেখা গৈছে। শেহতীয়াকৈ বৰগাঁওৰ দুজন ইটা ভাতাৰ মালিকৰ দুখন জেচিবি জব্দ কৰি বৰগাং আৰক্ষী চকীত পৰিবহণ বিভাগে জব্দ কৰি ৰাখিছে। আনহাতে, বিশ্বনাথ আৰু লখিমপুৰ জিলা পৰিবহণ বিভাগৰ উচ্চপদস্থ বিষয়াৰ দলে ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত চলোৱা তালাচী অভিযানত নথি-পত্ৰ নৱীকৰণকে ধৰি যাৱতীয় কৰ আদায় নিদিয়াৰ বহু বিসংগতি ধৰা পেলায় বহু ট্ৰাক, ডাম্পাৰ আদি গাড়ীৰ। ইতিমধ্যে এই গাড়ীসমূহৰ বিৰুদ্ধে জৰিমনা ভৰাইছে বিভাগে। আনহাতে, বৃহস্পতিবাৰে বিশ্বনাথৰ পৰিবহণ বিভাগে বৰগাঁওৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথ অভিযানৰ সময়ত এখন জেচিবি দীৰ্ঘদিন ধৰি কোনোধৰণৰ কৰ পৰিশোধ নকৰাৰ লগতে নম্বৰ ব্যৱহাৰ নকৰি চলাই থকাত বাহনখন জব্দ কৰি বৰগাং আৰক্ষীক গতাই দিয়ে। জব্দ কৰা জেচিবিখন খান উপাধিৰ এজন ব্যৱসায়ীৰ বুলি জানিব পৰা গৈছে। তাৰ কিছুদিন পূৰ্বে বৰগাঁওৰ ব্যৱসায়ী হুছেইন উপাধিৰ এখন জেচিবি পৰিবহণ বিভাগে জব্দ কৰি বৰগাং আৰক্ষীক গতাই দিয়ে। ইফালে বৃহস্পতিবাৰে বৰগাঁওত লখিমপুৰৰ কেইজনমান ইটা ব্যৱসায়ী আৰু ট্ৰাক মালিক বৰগাঁওত উপস্থিত হৈ বৰগাঁওৰ ইটা ব্যৱসায়ীৰ সৈতে এখন বৈঠকত মিলিত হয়। বিশেষকৈ ব্যৱসায়ীসকলে অত্যধিক বোজা কঢ়িওৱা কথাটো নিজেই প্ৰকাশ কৰি কয়— লখিমপুৰ পৰিবহণ বিভাগৰ বিষয়া আৰু পুলিচক বহুত টকা দিব লাগে। গাড়ী চলাই আৰু পুলিচক টকা দিব নোৱাৰিম বুলি প্ৰকাশ কৰি অত্যধিক বোজা গাড়ী নচলোৱাৰ সংকল্প গ্ৰহণ কৰে। আনহাতে, লখিমপুৰ পৰিবহণ বিভাগৰ এই কাণ্ডৰ বিৰুদ্ধে কঠোৰ সমালোচনা কৰে সভাত । সভাত বৰগাং ইটা ভাতাৰ মালিক তথা ব্যৱসায়ী মইনুল শ্বেখক সভাপতি, হাচেন আলীক সম্পাদক আৰু বৰগাং ইটা ভাতা মালিক আয়ুব খান, নেকিবুল আলম সহঃ সম্পাদক বৰগাং ইটা ভাতা মালিক চাহজান খানক লৈ এখন সমিতি গঠন কৰে।

## অস্থায়ী শিবিৰ মহটিয়াই নিলে

নিয়ে, যাৰ ফলত বুবু দাস নামৰ এজন ব্যক্তি নিহত হয় আৰু আন এটি শিশুসহ ৭জনকৈ ব্যক্তি গুৰুতৰভাৱে আহত হয়। আহত আটাইকেইজনকে এম্বুলেঞ্চৰ জৰিয়তে চিকিৎসালয়ত ভৰ্তি কৰে আৰক্ষী আৰু স্থানীয় লোকে। আনহাতে, স্থানীয় ৰাইজে আৰক্ষীৰ গাফিলতিৰ বাবে এনেদৰে ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হৈ এজন ব্যক্তি মৃত্যু মুখত পৰাৰ লগতে ৭জনাকৈ ব্যক্তি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হ'বলৈ পালে বুলি ক্ষোভ প্ৰকাশ কৰে। মৰিগাঁও ৰাজহ চক্ৰ বিষয়া ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ তদাৰক কৰাৰ লগতে নেলী আৰু ধৰমতুল আৰক্ষীক কৰ্কথনা কৰা পৰিলক্ষিত হয়।

## শিৱসেনা বালাচাহেব

'প্ৰকৃত শিৱসেনা'। কিন্তু শিৱসেনাৰ পুৰণি সমৰ্থকে বিসম্বাদী শিবিৰক উভতি ধৰাত বাধ্যত পৰি বালাচাহেবৰ নাম ব্যৱহাৰ কৰি নতুন দল খুলিব বিচাৰিছে। থাকৰেই কয় যে দলটোৱে ভাৰতৰ নিৰ্বাচন আয়োগলৈ পত্ৰ লিখিব যাতে শিৱসেনা বা বালাচাহেব থাকৰেৰ নাম কাৰো ৰাজনৈতিক স্বাৰ্থৰ বাবে অপব্যৱহাৰ নহয়, অন্যথা তেওঁলোকে আইনী ব্যৱস্থাৰ সন্মুখীন হ'ব। থাকৰেই লগতে কয়— 'তেওঁলোকে (বিদ্ৰোহী বিধায়কসকলে) যি কৰিব বিচাৰে সেয়া কৰিব পাৰে, মই তেওঁলোকৰ বিষয়ত হস্তক্ষেপ নকৰো। তেওঁলোকে তেওঁলোকৰ নিজৰ সিদ্ধান্ত ল'ব পাৰে, কিন্তু কোনেও বালাচাহেব থাকৰেৰ নাম ব্যৱহাৰ কৰা উচিত নহয়।' উল্লেখ্য, মহা বিকাশ আঘাদী (এমভিএ) চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহৰ নেতৃত্ব দিয়া একনাথ সিন্দে শিবিৰে শনিবাৰে তেওঁলোকৰ নতুন দলৰ নাম ঘোষণা কৰিছে। সেই মৰ্মে বিসম্বাদী শিবিৰৰ নতুন দলৰ নাম হ'ব 'শিৱসেনা বালাচাহেব'। দলটোৱে আন কোনো দলৰ সৈতে মিত্ৰতা নকৰে বুলিও বিসম্বাদী শিবিৰে স্পষ্ট কৰি দিছে। মহাৰাষ্ট্ৰৰ মন্ত্ৰী তথা শিৱসেনাৰ নেতা একনাথ সিন্দেৰ নেতৃত্বত বিদ্ৰোহী গোটে ৰাজ্যখনত উদ্ধৱ থাকৰে নেতৃত্বাধীন চৰকাৰখন ভংগ কৰিবলৈ বিজেপিৰ সৈতে হাত মিলাব পাৰে বুলি বহুতে আলোচনা কৰাৰ সময়তে বিসম্বাদী শিবিৰে নতুন দলৰ নাম ঘোষণা কৰে। 'আমাৰ গোটটোক শিৱসেনা বালাচাহেব বুলি কোৱা হ'ব। আমি কোনো দলৰ সৈতে একত্ৰিত নহ'ম,' শিৱসেনাৰ বিদ্ৰোহী বিধায়ক দীপক কেচৰকাৰে কয়। উদ্ধৱ থাকৰেৰ নেতৃত্বত শিৱসেনাই ১৬জন বিদ্ৰোহী বিধায়কক অযোগ্য ঘোষণা কৰাৰ প্ৰস্তুতি চলোৱাৰ সময়তে বিসম্বাদী শিবিৰে নতুন দল খোলাৰ কথা ঘোষণা কৰে। মহাৰাষ্ট্ৰ বিধানসভাৰ উপাধ্যক্ষ নাৰহাৰী জিৰৱালে ১৬জন বিদ্ৰোহী শিৱসেনা বিধায়কলৈ অযোগ্যতাৰ জাননী প্ৰেৰণ কৰিব পাৰে বুলি জানিব পৰা গৈছে। উদ্ধৱ থাকৰে নেতৃত্বাধীন শিৱসেনাই একনাথ সিন্দেকে ধৰি ১৬জন বিদ্ৰোহী বিধায়কৰ সদস্য পদ বিধানসভাত 'উপস্থিত নথকাৰ' বাবে খাৰিজ কৰিবলৈ বিধানসভাৰ উপাধ্যক্ষৰ ওচৰত এখন আবেদন দাখিল কৰিছে।

## সোমবাৰে উচ্চতৰ মাধ্যমিকৰ

আদিত ফলাফলসমূহ উপলব্ধ হ'ব। মোবাইলৰ জৰিয়তেও ফলাফল আহৰণৰ সুবিধা থাকিব। উল্লেখ্য যে এদিনৰ পূৰ্বে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই টুইটাৰৰ জৰিয়তে এই ফলাফলৰ বিষয়টো ঘোষণা কৰিছে। ইয়াৰ পূৰ্বে অৱশ্যে ২০ জুন তাৰিখেই এই পৰীক্ষাৰ ফলাফল ঘোষণাৰ ইংগিত পূৰ্বে দিয়া হৈছিল যদিও মূলতঃ বানপানীৰ বাবেই পৰীক্ষাৰ ফলাফল ঘোষণাত পলম হোৱা বুলিব পাৰি। চলিত বৰ্ষৰ ১৫মাৰ্চৰ পৰা ১২ এপ্ৰিল তাৰিখলৈকে পৰীক্ষাসমূহ অনুষ্ঠিত হৈছিল। মুঠ ২.১৫ লাখ পৰীক্ষাৰ্থী এইবাৰ অৱতীৰ্ণ হৈছে। উল্লেখ্য যে ২০২১ বৰ্ষত বিকল্প মাধ্যমেৰে মূল্যাংকণ কৰি ফলাফল ঘোষণা কৰা হৈছিল। সেয়েহে বিজ্ঞান শাখাত ৯৯.০৬ শতাংশ, কলা শাখাত ৯৮.৯৩ শতাংশ আৰু বাণিজ্য শাখাত ৯৯.৫৭ শতাংশ উত্তীৰ্ণ হৈছিল। ২০২০ বৰ্ষত ফলাফলৰ সামগ্ৰিক উত্তীৰ্ণৰ হাৰ আছিল ৭৮.২৮ শতাংশ। এইবাৰো আশা কৰা ধৰণে ফলাফল লাভ কৰিবলৈ পৰীক্ষাৰ্থীসকল সক্ষম হ'ব বুলি ধাৰণা কৰা হৈছে।

## কিন্তু আমি সেই দলক কি

স্বাধীনতা আনিছিল। কিন্তু সেই কংগ্ৰেছ দলক কি কাৰণত আমি আজি বিজেপি দলে বিৰোধিতা কৰি আহিছোঁ। আমি প্ৰকৃততে কাক বিৰোধিতা কৰিছোঁ। চৰকাৰ হোৱা স্বাৰ্থত বিৰোধিতা কৰি আছোঁ, কংগ্ৰেছ দলক বিৰোধিতা কৰি আছোঁ নে এই দলৰ নীতিক বিৰোধিতা কৰি আছোঁ। এতিয়াও আমি প্ৰকৃত স্বাধীনতা পোৱা নাই । ভাৰতীয় চিন্তা, সভ্যতা, সংস্কৃতি, গোলাম কৰি থৈ যোৱা এয়ে হ'ল ভাৰতীয় জাতীয় কংগ্ৰেছ। এই মন্তব্য জোনাই সমষ্টিৰ বিধায়ক ভুৱন পেগুৰ । আজি ধেমাজি জিলা বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত ক'লা দিৱসত কংগ্ৰেছ শাসন কালত কংগ্ৰেছ দলৰ নীতি-আদৰ্শক তীব্ৰ সমালোচনা কৰে বিজেপিৰ বিধায়কজনে। উল্লেখ কৰিব পাৰি যে— ১৯৭৫ চনৰ ২৫ জুনত তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে সংবিধানৰ ৩৫২ অনুচ্ছেদ অনুসৰি ভাৰতবৰ্ষত জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছিল। আৰু ভাৰতীয় জনতা পাৰ্টীয়ে ২৫ জুনৰ দিনটো 'ক'লা দিৱস' হিচাপে মানি আহিছে। আজি ধেমাজিতো ভাৰতীয় জনতা পাৰ্টী, ধেমাজি জিলা সমিতিৰ উদ্যোগত বিজেপিৰ জিলা কাৰ্যালয়ত 'ক'লা দিৱস' অনুষ্ঠিত হয়। অনুষ্ঠানত বিহপুৰীয়া সমষ্টিৰ বিধায়ক অমিয় ভূঞা আৰু জোনাই সমষ্টিৰ বিধায়ক ভুৱন পেগু উপস্থিত থাকি ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰ খৰ্ব কৰা ১৯৭৫ চনৰ ২১মহীয়া জৰুৰীকালীন অৱস্থাৰ ক'লা দিনৰ কথা স্মৰণ কৰে। বিধায়ক অমিয় ভূঞাই জৰুৰীকালীন অৱস্থাৰ ক'লা দিনবোৰক ধিক্কাৰ দি বৰ্তমান চৰকাৰৰ গণতন্ত্ৰৰ ভেটি মজবুত কৰাৰ প্ৰচেষ্টাৰ কথা সাংবাদিকৰ আগত কয়।

## উচ্চ-উচ্চতৰ মাধ্যমিক

ইউনিভাৰ্চিটী অক্ চায়েন্স এণ্ড টেকনলজি মেঘালয়ে ইআৰডি ফাউণ্ডেশ্বন গুৱাহাটীৰ সহযোগত আজি মেঘালয় আৰু অসমৰ ৰাজ্যিক বোৰ্ডৰ অধীনৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ শীৰ্ষস্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ উৎকৃষ্ট ফলাফলৰ বাবে সম্বৰ্ধনা জনায়। এই উপলক্ষে অসম আৰু মেঘালয়ৰ বিভিন্ন প্ৰান্তৰ পৰা আহি উপস্থিত হোৱা ১৩৭ গৰাকী শীৰ্ষস্থান প্ৰাপ্তসকলৰ ভিতৰত আছিল অসমৰ ছেবাৰ অধীনৰ হাইস্কুল শিক্ষান্ত আৰু হাই মাদ্ৰাছা পৰীক্ষাত স্থানপ্ৰাপ্তসকল আৰু মেঘালয়ৰ এমবিঅ'এছইৰ হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত স্থানপ্ৰাপ্তসকল। ইআৰডিএফৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ কোচিং চেণ্টাৰ, ভিজন ৫০ একাডেমীৰ সহযোগত ইউএছটিএমৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত গণ্যমান্য ব্যক্তিৰ উপস্থিতিত এই কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলক স্মাৰক, প্ৰমাণপত্ৰ আৰু নগদ ধন প্ৰদান কৰা হয়। দুয়োখন ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ সৈতে তেওঁলোকৰ বিদ্যালয়ৰ অধ্যক্ষ আৰু পৰামৰ্শদাতাসকলো এই অনুষ্ঠানত উপস্থিত থাকে। এই অনুষ্ঠানৰ মুখ্য অতিথি আছিল শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ৰাজীৱ মোহন পণ্ট। তেওঁ সকলো ছাত্ৰ-ছাত্ৰীকে তেওঁলোকৰ সফলতাৰ বাবে অভিনন্দন জনাই আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰে। তেওঁ কয় যে অঞ্চলটোৰ প্ৰগতি আৰু সমৃদ্ধিৰ বাবে শিক্ষাই হৈছে একমাত্ৰ আহিলা আৰু দেশৰ যুৱক-যুৱতীয়ে তেওঁলোকৰ কেৰিয়াৰ গঢ়োতে সমাজৰ কথা চিন্তা কৰি তাক বাস্তৱত ৰূপায়িত কৰিব লাগে। ছাত্ৰ-ছাত্ৰী আৰু অনুষ্ঠানত উপস্থিত থকা সকলোকে আদৰণি জনাই ইউএছটিএমৰ আচাৰ্য মেহবুবুল হকে এক উৎসাহদায়ক আৰু প্ৰেৰণাদায়ক ভাষণত কয় যে যদি কোনো লোকে তেওঁৰ উদ্দেশ্যত উপনীত হ'বলৈ কল্পনা কৰে আৰু নিষ্ঠাৰে কাম কৰি যায়, তেন্তে এই পৃথিৱীত তেওঁক কোনেও বাধা দিব নোৱাৰে 'আজিৰ অনুষ্ঠানটো সকলো মেধাৱী ছাত্ৰ-ছাত্ৰীৰ বাবে এটা মঞ্চ য'ত তেওঁলোকে অসামৰিক সেৱাৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ উৎসাহিত হয়।' শলাগৰ শৰাই আগবঢ়াই ইউএছটিএমৰ প্ৰোঃ উপাচাৰ্য ড° বলেন্দ্ৰ কুমাৰ দাসে কয়— 'শিক্ষা হৈছে এনেকুৱা এক কাৰ্যকৰী পথ যিয়ে জীৱনৰ বিভিন্ন স্তৰত মানুহক উত্তম আৰু অধিক উৎপাদনশীল কৰি তোলে। ই মানুহৰ মনৰ পৰা সন্দেহ আৰু মলিনতা দূৰ কৰে আৰু সকলোকে অন্ধকাৰৰ পৰা পোহৰলৈ আনে।' তেওঁ কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ প্ৰচেষ্টাত ভৱিষ্যত উজ্জ্বল কামনা কৰে।

## আপোন ঘৰখনক বিচাৰি

চক্ৰৰ অন্তৰ্গত থকা কপিলী নৈৰ পাৰত অধিকাংশ বিহাৰী সম্প্ৰদায়ৰ লোকে বসবাস কৰা ঠাইচুবালী নামৰ গাঁওখন বৰ্তমান বিলীন হৈ গ'ল কপিলী নৈত। কপিলী নৈৰ বানে বালি চাপৰিলৈ পৰ্যবসিত কৰিলে উক্ত গাঁওখন। উক্ত অঞ্চলটোত এইবাৰ অহা বানৰ প্ৰকোপ বৃদ্ধি পোৱাত গাঁওখনৰ ৰাইজে নিজৰ ঘৰ-দুৱাৰ এৰি কোনোমতে প্ৰাণটোকে লৈ আশ্ৰয় লৈছিল সমীপৰ মথাউৰিত। উল্লেখ যে, হোজাই জিলাত কপিলী নৈৰ জলপৃষ্ঠ বিগত প্ৰায় পাঁচ দিন ধৰি কমিবলৈ আৰম্ভ কৰে যদিও কপিলী নৈৰ গাতে লাগি থকা অঞ্চলসমূহত বিগত দুদিন মানৰ পৰাহে কমিবলৈ ধৰিছে পানী। পানী কমাত কপিলীপৰীয়া ৰাইজে নিজৰ ঘৰখন বিচাৰি হাবাথুৰি খাইছে। কাৰণ নিজে এৰি থৈ অহা আপোন ঘৰখন বৰ্তমান নাই সেই স্থানত। সকলো জাহ গ'ল কপিলী নৈত। নিজৰ ঘৰখন বিচাৰি নাপাই কান্দিছে গএঞাই । ঠিক তেনেদৰে হোজাইৰ কপিলীপৰীয়া আন এখন গাঁৱৰ বানে চিন-মোকাম নোহোৱা কৰে। গাঁওখনৰ নাম কানাইবালি টুপ। কোমোৱাকটা ৰাজহ গাঁৱৰ গাতে লাগি থকা বনগাঁৱৰ সমীপৰ এই গাঁওখনৰ এতিয়া কোনো চিন-মোকাম নোহোৱা হ'ল। কৃষিজীৱী প্ৰায় তিনিশ লোকে ঘৰবাৰী সাজি উক্ত স্থানত বসবাস কৰি আছিল। এই গাঁওখন হোজাই ৰাজহ চক্ৰৰ মানচিত্ৰত আজিকোপতি অন্তৰ্ভুক্ত নোহোৱাত এই গাঁওখন বনগাঁও বুলি কোৱা হয়। বঙালী, আদিবাসী আৰু হিন্দীভাষী লোকে নৈৰ পাৰত খেতি কৰি জীৱন নিৰ্বাহ কৰিছিল। প্ৰথমটো বানত ইয়াৰ লোকসকলে খেতি-বাতি হেৰুৱাই আশ্ৰয় শিবিৰত আছিল । আশ্ৰয় শিবিৰৰ পৰা নিজ ঘৰলৈ গৈ পোৱাৰ কিছুদিন পিছতেই অহা দ্বিতীয়টো বানত এই গাঁৱৰ প্ৰায় চাৰিশ বিঘা মাটি এতিয়া কপিলীৰ বালিচৰলৈ পৰিণত হয় । ঘৰ-দুৱাৰ সমস্ত বলিয়া বানে ভাঙি পেলোৱাত এই লোকসকল এতিয়া গৃহহীন হৈ পৰিল। বানৰ পিছত গাঁওখনৰ অস্তিত্ব নোহোৱা হৈ পৰাত গাঁওবাসী এতিয়া ক্ৰন্দনত ভাগি পৰিছে। হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষে লংকা ৰাজহ চক্ৰৰ ঠাইচুবালি গাঁৱৰ বাসিন্দাসকলক যেনেদৰে আন ঠাইলৈ স্থানান্তৰ কৰাৰ কথা ঘোষণা কৰিছে, ঠিক তেনেদৰে হোজাইৰ কানাইবালিটুপ গাঁওখনৰ বাসিন্দাসকলকো স্থানান্তৰ কৰাৰ আহ্বান জনায় ৰাইজে।

### হোজাইত ডিমাপুৰ আৰক্ষীৰ অভিযান

## বিলাসী বাহনৰ গৰাকীক ডিঙি কাটি হত্যা কৰি গাড়ী লৈ উধাও হোৱা দুই কুখ্যাত ডকাইত গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ২৫ জুন ঃ** হোজাইত ডিমাপুৰ আৰক্ষীয়ে অভিযান চলাই দুই কুখ্যাত ডকাইত গ্ৰেপ্তাৰ কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজি পুৱতি নিশা হোজাই জিলাৰ মোৰাঝাৰ থানাৰ অন্তৰ্গত পূব যমুনা গাঁৱত হোজাই আৰক্ষীৰ সহযোগত অভিযান চলাই দুই কুখ্যাত ডকাইত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত ডকাইত দুটা ক্ৰমে চিতলমাৰীৰ আব্দুল লতিফ আৰু যমুনাগাঁৱৰ চালেহ আহমেদ বুলি জানিব পৰা গৈছে। ডিমাপুৰ আৰক্ষী, মোৰাঝাৰ আৰক্ষী আৰু গাঁওৰক্ষী বাহিনীৰ সহযোগত পূব যমুনা গাঁৱৰ পৰা গ্ৰেপ্তাৰ কৰে ডকাইত দুটাক। ৬ দিন পূৰ্বে ডিমাপুৰত ব্ৰিজা বাহনৰ গৰাকীক হত্যা কৰি বাহনসহ সামগ্ৰী লুট কৰি লৈ অহাৰ অভিযোগ ডকাইত দুটাৰ বিৰুদ্ধে। দুই ডকাইতৰ লগত আৰু বৃহৎ নেটৱৰ্ক থকাৰ সন্দেহ কৰিছে আৰক্ষীয়ে। দুয়োকে গ্ৰেপ্তাৰ কৰি আজি হোজাই শংকৰদেৱ নগৰ আদালতত হাজিৰ কৰি দুয়োকে ডিমাপুৰ আৰক্ষীৰ জিম্মাত লৈ ডিমাপুৰলৈ লৈ যায়।

## চোৰাং সোণৰ ব্যৱসায়ীক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২৫ জুন ঃ** বৰপেটাত এজন চোৰাং সোণৰ ব্যৱসায়ী গ্ৰেপ্তাৰ কৰা কৰিবলৈ সক্ষম হয়। ধৃত চোৰাং সোণ ব্যৱসায়ীটোৰ নাম ছাহজাহান আলী। ছাহজাহান আলীৰ ঘৰ বৰপেটা জিলাৰ গৰৈমাৰীৰ বানিয়াৰাপাৰা গাঁৱত । ম্যানমাৰৰ পৰা সৰবৰাহ হোৱা সোণৰ চোৰাং ব্যৱসায়ৰ সৈতে জড়িত আছিল ছাহজাহান আলী । মেঘালয় আৰক্ষীৰ খবৰৰ ভিত্তিত অভিযান চলাই বৰপেটা আৰক্ষীয়ে চোৰাং সোণ ব্যৱসায়ীটোক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় । ছাহজাহান আলীৰ ঘৰৰ পৰা বৰপেটা আৰক্ষীয়ে নগদ ২৭ লাখ ১১ হাজাৰ ৪৮০ টকা জব্দ কৰে । ঘৰৰ বিভিন্ন স্থানত লুকুৱাই ৰখা অৱস্থাত নগদ ধনৰাশি উদ্ধাৰ হয় । উল্লেখ্য যে শুকুৰবাৰে মেঘালয় আৰক্ষীয়ে শ্বিলঙত গ্ৰেপ্তাৰ কৰিছিল যশু মিঞা নামৰ এটা চোৰাং সোণ ব্যৱসায়ীক । যশু মিঞাৰ স্বীকাৰোক্তিৰ ভিত্তিত মেঘালয় আৰক্ষীয়ে দিয়া খবৰ অনুসৰি অভিযান চলাই বৰপেটাৰ বানিয়াৰাপাৰা গাঁৱৰ পৰা স্থানীয় আৰক্ষীয়ে ছাহজাহান আলীক গ্ৰেপ্তাৰ কৰে। ইতিমধ্যে ঘটনাৰ অধিক তদন্তৰ বাবে মেঘালয় আৰক্ষীৰ এটা দল বৰপেটা থানাত উপস্থিত হৈছে। বৰপেটা আৰক্ষীৰ জিম্মাত থকা ছাহজাহান আলীক পৰৱৰ্তী সময়ত মেঘালয় আৰক্ষীয়ে নিজৰ জিম্মাত লোৱাৰ সম্ভাৱনা আছে।

## কিশোৰী নিৰ্যাতনকাৰীক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৫ জুন ঃ** নগাঁও চহৰৰ মধুপুৰ অঞ্চলত এগৰাকী কিশোৰীক ফুচুলাই দোকানৰ ভিতৰলৈ মাতি শাৰীৰিক নিৰ্যাতন চলোৱা পঞ্চাশ্‌ উৰ্দ্ধৰ এজন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। মধুপুৰ অঞ্চলৰ ৰিয়াজুদ্দিন নামৰ দোকানীজনে কালি চকলেট দিয়াৰ ছলেৰে কিশোৰীগৰাকীক শাৰীৰিক নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছে। আনহাতে, ভুক্তভোগী কিশোৰীগৰাকীৰ পৰিয়ালৰ লোকে ৰিয়াজুদ্দিনৰ বিৰুদ্ধে নগাঁও সদৰ থানাত এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ৭৪৬/২২ নম্বৰত এক গোচৰ ৰুজু কৰি অভিযুক্ত ৰিয়াজুদ্দিনক গ্ৰেপ্তাৰ কৰে।

## শিৱসেনাৰ ১৬ বিসম্বাদী

জাৰি কৰা সকলো ১৬জন বিধায়কে ২৭ জুনৰ (সোমবাৰ) ভিতৰত তেওঁলোকৰ লিখিত উত্তৰ দাখিল কৰিব লাগিব। শিৱসেনাৰ জ্যেষ্ঠ নেতা সঞ্জয় ৰাউতে কয়, 'দল ত্যাগ কৰাসকলৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হ'ব সেয়া ৰাইজে জানিব পাৰিব। মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই কৰা কাম প্ৰশংসনীয়। আমি সকলোৱে তেওঁৰ নেতৃত্বত নিৰ্বাচনত যুঁজিম।' তেওঁ লগতে কয়, 'মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই কৈছে যে শিৱসেনা ত্যাগ কৰা নেতাসকলে শিৱসেনা আৰু বালাচাহেব থাকৰেৰ নামত ভোট বিচাৰিব নালাগে। মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই লগতে কয় যে মুখ্যমন্ত্ৰী পদৰ প্ৰতি তেওঁৰ কোনো মোহ নাই। কিন্তু তেওঁ এইটোও কৈছে যে তেওঁ এই স্থিতিত অব্যাহত ৰাখিবলৈ নিজৰ জেদ এৰি দিয়া নাই। তেওঁ জিলা মুৰব্বীসকলৰ এখন সভাত এইবোৰ কথা কৈছিল। আজি দুপৰীয়া ১ বজাৰ পৰা সেনা ভৱনত জিলা প্ৰধান আৰু তহচিলৰ মুৰব্বীসকলৰ এখন বৈঠক অনুষ্ঠিত হৈছিল। যিটো মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেৰ দ্বাৰা অনলাইন সম্বোধন কৰা হৈছিল। উদ্ধৱ ঠাকৰেয়ে কৈছিল যে মোৰ ক্ষমতাৰ লোভ নাই, সেয়েহে মই মুখ্যমন্ত্ৰীৰ বাসগৃহ বৰ্ষা এৰি মাতোশ্ৰীলৈ আহিছিলো। আনকি তেওঁৰ মৃত্যু হ'লেও, তেওঁ শিৱসেনা এৰি নাযাব আৰু কিছুমান লোক পলাই গৈছে। আমি জানিব নালাগে কোনে কেনে ধৰণে আচৰণ কৰিছে। যিসকলে কৈছে যে আমি মৰিলেও শিৱসেনা এৰি নাযাম, তেওঁলোকে মৃত্যুৰ আগতে গুচি গৈছিল। থাকৰে আৰু শিৱসেনাক তেওঁলোকৰ নাম অবিহনে ব্যৱহাৰ কৰিব লাগে। বিদ্ৰোহী বিধায়কসকলে শিৱসেনা ভাঙিবলৈ কাম কৰিছে। মোৰ ছবি অবিহনে মানুহক ঘূৰি ফুৰা দেখুৱাওক। যিসকলে গুচি গৈছে তেওঁলোকৰ বিষয়ে মই কিয় বেয়া অনুভৱ কৰিম? মই ভাবিছিলো যে মোৰ মুখ্যমন্ত্ৰীৰ চকীখন কঁপি আছিল, কিন্তু মোৰ মেৰুদণ্ড হাড় জোকাৰি আছিল। একনাথ সিন্দেৰ বাবে কি কম কৰা হৈছিল, তেওঁক নগৰ উন্নয়ন মন্ত্ৰণালয় দিয়া হৈছিল। সঞ্জয় ৰাথোড়ৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ থকা সত্বেও তেওঁক চম্ভালি লোৱা হৈছে। যিসকলে শিৱসেনাৰ অস্তিত্বৰ ওপৰত প্ৰশ্ন উত্থাপন কৰে তেওঁলোকে দেখুৱাব লাগিব যে শিৱসেনাৰ প্ৰতি তেওঁলোকৰ আনুগত্য কি। আদিত্য থাকৰে, সাংসদ বিনায়ক ৰাউত, এমএলচি শচীন আহিৰেও বৈঠকত অংশগ্ৰহণ কৰিছিল। আশ্চৰ্যজনকভাৱে, শিৱসেনাৰ সমৰ্থকসকলে সেনা ভৱনত যি সংখ্যাত উপস্থিত হৈছিল সেয়া ইয়াত দেখা পোৱা নাছিল, কিন্তু এনচিপিৰ কিছুমান বিধায়ক সমৰ্থনৰ বাবে ইয়ালৈ আহিছিল। দলটোৰ বেছি ভাগ বিধায়ক একনাথ সিন্দেৰ সৈতে আছে।

## দুৰ্ঘটনাত পতিত বাহনখনক

পৰিস্থিতি। দুৰ্ঘটনাত পতিত এখন ট্ৰেভেলাৰত খুন্দা মাৰিলে দ্ৰুতবেগী আন এখন বাহনে। জানিব পৰা মতে গুৱাহাটীৰ পৰা নগাঁও অভিমুখে আহি থকা এএছ-০১ জি চি-৩৮৪১ নম্বৰৰ দ্ৰুতবেগী ট্ৰেভেলাৰখনে পথৰ ডিভাইডাৰত খুন্দা মাৰি পথৰ ওপৰতে বাগৰি পৰে। ফলত ট্ৰেভেলাৰখনত থকা বহুকেইজন আৰোহী আহত হয় আৰু আহতসকলৰ ভিতৰত ৬জনক পিছত স্থানীয় ৰাইজৰ লগতে আৰক্ষীৰ সহযোগত নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ইফালে পথৰ মাজত বাগৰি পৰা ট্ৰেভেলাৰখনত নগাঁও অভিমুখে আহি থকা আন এখন দ্ৰুতবেগী ছুইফ্‌ট বাহনে প্ৰচণ্ড বেগেৰে খুন্দা মৰাত হুৱা-দুৱা লাগে ঘটনাস্থলীত। অৱশ্যে সৌভাগ্যবশতঃ ছুইফটখনৰ খুন্দাৰ পৰা ৰক্ষা পৰে সেই সময়ত ঘটনাস্থলীত উপস্থিত থকা আৰক্ষী, সাংবাদিক আৰু বহুকেইজন লোক। ইয়াৰ পিছতে দ্ৰুতবেগী ছুইফটখনৰ চালকজনৰ বিৰুদ্ধে উত্তেজিত হৈ পৰে ৰাইজ। অৱশ্যে আৰক্ষীৰ তৎপৰতাত গণ ৰোষৰ পৰা ৰক্ষা পৰে ছুইফটখনৰ চালকজন।

## মৰিয়নি সমীপৰ নকছাৰিৰ

এলেকাৰ ডেবেৰাপাৰ চাৰিআলি আৰক্ষী চকীৰ অন্তৰ্গত নকছাৰি খাটিসোণাত সংঘটিত হৈছে এই লোমহৰ্ষক হত্যাকাণ্ড। অৰ্ধনগ্ন অৱস্থাত মৃতদেহ তিনিটা উদ্ধাৰ। খাটিসোণাৰ এটা ইটা ভাতাত ৰখীয়াৰূপে আছিল পৰিয়ালটো। মৰিয়নি দেবেৰাপাৰ আৰক্ষী উপস্থিত। লোককেইজন একেটা পৰিয়ালৰ মাক-দেউতাক তথা কন্যা বুলি জানিব পৰা গৈছে। মৃত লোকজনৰ ঘৰ লখিমপুৰত বুলি জানিব পৰা গৈছে। মৃত ব্যক্তিজনৰ নাম সোণটি বৰা (৫০), সোণটিৰ পত্নী টুলু বৰা ওৰফে মাতু (৪৫), মনালিছা বৰা (১৭) বুলি চিনাক্ত কৰা হৈছে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে মৰিয়নি আৰু ডেবেৰাপাৰ চাৰিআলি আৰক্ষী চকীৰ আৰক্ষী ঘটনাস্থলীত হয়। আৰক্ষী অধীক্ষক মোহনলাল মিনা, অতিৰিক্ত আৰক্ষী অধীক্ষক মৃন্ময় গোস্বামী, মহকমা আৰক্ষী বিষয়া মৈত্ৰেয়ী ডেকা, মৰিয়নি চক্ৰ আৰক্ষী পৰিদৰ্শক দণ্ডিৰাম বৰা, কাৰ্যবাহী দণ্ডাধীশ বিশ্বজিৎ বৰা, মৰিয়নি থানাৰ আৰক্ষী বিষয়া ত্ৰিলোচন নাথ, ডেবেৰাপাৰ চাৰিআলি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অৰবিন্দ ঘোষ সহিতে পুলিচ ঘটনাস্থলীত উপস্থিত হৈ সমগ্ৰ ঘটনাটো বুজ লোৱাৰ উপৰি স্নিফাৰ ডগ লৈ হত্যাকাৰীক বিচাৰি অভিযান চলাই যদিও এই সন্দৰ্ভত বৰ্তমানলৈকে কাকো পুলিচে আটক কৰা নাই। ইফালে আৰক্ষীয়ে মৃতদেহকেইটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰিছে। ঘটনাস্থলীৰ পৰা এটা মোনা, এখন দা, এটা চোলা পুলিচে উদ্ধাৰ কৰা বুলি জানিব পৰা গৈছে।

## ৰাজ্যত অব্যাহত বানৰ সংহাৰ

ধুবুৰী আৰু তামুলপুৰ জিলাৰ এজনকৈ লোকে প্ৰাণ হেৰুৱাইছে। এতিয়ালৈকে ১১৭জন লোকৰ মৃত্যু হৈছে। জাগীৰোডৰ ধৰমতুলত সংঘটিত হয় লোমহৰ্ষক দুৰ্ঘটনা। নিশাৰ ভয়ংকৰ দুৰ্ঘটনাত এগৰাকী নিহত হোৱাৰ লগতে আহত হয় ৭গৰাকী। বানে ঘৰ-ভেটি বুৰাই পেলোৱাৰ বাবে ঘাইপথতে অস্থায়ী আশ্ৰয় শিবিৰ পাতি থকা লোকক মহটিয়াই নিয়ে এ এছ-০১ এন চি-১২০৪ নম্বৰৰ এখন টাটা মোবাইলে এই দুৰ্ঘটনাত ২৫ বছৰীয়া বুবু দাস নিহত হোৱাৰ লগতে আন সাতগৰাকী ক্ৰমে ৰামপাল দাস, ৰীতা দাস, শিৱ দাস, সংগীত দাস, সঞ্জীৱ দাস, সঞ্জয় দাস, শোণিত দাস আহত হয়। ইয়াৰে দুগৰাকীৰ অৱস্থা এতিয়াও সংকটজনক বুলি জানিব পৰা গৈছে। সম্প্ৰতি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে লোককেইগৰাকী। উল্লেখ্য, ৰাজ্যৰ বহু ঠাইত ঘাইপথেই হৈ পৰিছে বন্যাৰ্তৰ আশ্ৰয়স্থল। এনে পৰিপ্ৰেক্ষিতত ৰাজ্যৰ পৰিবহণ বিভাগ তথা আৰক্ষী প্ৰশাসনে গাড়ীচালনাৰ ক্ষেত্ৰত চকু ৰখাটো জৰুৰী। বানপীড়িত অসমলৈ দেশৰ বিভিন্ন প্ৰান্তৰ পৰা সহায়ৰ হাত আগবঢ়াইছে বিভিন্নজনে। বলীউড তাৰকাৰ পৰা ধৰ্মগুৰু দালাই লামলৈকে সকলোৱে অসমৰ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ অনুদান আগবঢ়াইছে। দেশত যিকোনো বিপদ হ'লে সহায়ৰ হাত আগবঢ়াবলৈ পিছপৰি নাথাকে দেশৰ আটাইতকৈ ধনী ব্যক্তি তথা উদ্যোগপতি মুকেশ আম্বানি। বানবিধ্বস্ত অসমৰ এই বিপদকালতো সহায়ৰ হাত আগবঢ়াইছে আম্বানি পৰিয়ালে। আজি ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজৰ অধ্যক্ষ মুকেশ আম্বানি আৰু তেওঁৰ পুত্ৰ অনন্ত আম্বানিয়ে অসমৰ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ২৫ কোটি টকাৰ অনুদান আগবঢ়াইছে। মুখ্যমন্ত্ৰীয়ে টুইটযোগে এই কথা প্ৰকাশ কৰিছে। ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজৰ অধ্যক্ষ মুকেশ আম্বানিক তেওঁৰ বদান্যতাৰ বাবে বহুতে প্ৰশংসা কৰিছে।



মুম্বাইত একনাথ সিন্দে আৰু বিসম্বাদী বিধায়কৰ বিৰুদ্ধে দলীয় সমৰ্থকে প্ৰতিবাদ কৰাৰ উপৰি ৰাজপথত প্ৰতিকৃতি দাহ কৰা দেখা গৈছে এনেদৰে

# মায়াৱতীয়ে সমৰ্থন নকৰে বিৰোধী প্ৰাৰ্থী যশৱন্ত সিন্‌হাক

## ৰাষ্ট্ৰপতি নিৰ্বাচনত বহুজন সমাজপাৰ্টীক বিৰোধী দলৰ বৈঠকলৈ আমন্ত্ৰণ নজনোৱাৰ অভিযোগ উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰীৰ

**লক্ষ্ণৌ, ২৫ জুন ঃ** বহুজন সমাজপাৰ্টীৰ মুৰব্বী তথা উত্তৰ প্ৰদেশৰ চাৰি বাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, দলিত নেত্ৰী মায়াৱতীয়ে সমৰ্থন নকৰে যশৱন্ত সিন্‌হাক। কিয়নো বিৰোধী ৰাজনৈতিক দলবোৰে উমৈহতীয়া প্ৰাৰ্থী বাচনিৰ বাবে অনুষ্ঠিত কৰা বৈঠকলৈ মায়াৱতীক আমন্ত্ৰণ জনোৱা নহ'ল। আনকি প্ৰাৰ্থী থিৱাং কৰাৰ সময়তো তেওঁৰ সৈতে আলোচনা কৰা নাছিল। গতিকে বিৰোধী ৰাজনৈতিক দলৰ মনোনীত প্ৰাৰ্থী যশৱন্ত সিন্‌হাৰ পৰিৱৰ্তে এন ডি এ মৰ্চাৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মু হ'ব মায়াৱতী দলৰ সমৰ্থিত প্ৰাৰ্থী। উল্লেখ্য যে দ্ৰৌপদী মুৰ্মু এগৰাকী আদিবাসী আৰু জনজাতি মহিলা। গতিকে মহিলা তথা জনজাতিসকলক আগবঢ়াই নিবৰ বাবে বহুজন সমাজপাৰ্টীয়ে দীৰ্ঘদিনৰ পৰা নিজৰ কাৰ্যসূচীৰ অংশীদাৰ কৰি আহিছে। তেনেস্থলত দ্ৰৌপদী মুৰ্মুক সমৰ্থন নকৰা প্ৰশ্নই নাহে বুলি ইংগিত দিছে মায়াৱতীয়ে। উল্লেখ্য যে পশ্চিমবংগৰ মুখ্যমন্ত্ৰীয়ে কেৱল কেইটামান নিজৰ পছন্দৰ বিৰোধী দলকহে প্ৰথম সভালৈ আমন্ত্ৰণ জনাইছিল। ইফালে শাৰদ পাৱাৰেই বি এছ পি দলক আমন্ত্ৰণ জনোৱা নাছিল। তেনেস্থলত সকলো বিৰোধী দলৰ উমৈহতীয়া প্ৰাৰ্থী বাছনিৰ কথা কোৱা হৈছে যদিও প্ৰকৃততে কিছুমান বিৰোধী দলক গুৰুত্ব দিয়া দেখা নগ'ল। ইফালে বিৰোধী দলবোৰে বি এছ পি দলৰ বিৰুদ্ধে প্ৰয়োজনীয় সন্মান প্ৰৰ্ধন কৰা নাই। সেয়েহে বিৰোধীয়ে এলাগী কৰা বি এছ পি দলে নিজাকৈ স্বাধীনভাৱে সিদ্ধান্ত ল'বলৈ সুযোগ পাইছে। মায়াৱতীয়ে কয় যে বি এছ পি হ'ল একমাত্ৰ ৰাষ্ট্ৰীয় দল যিয়ে দলিত নেত্ৰীৰ জৰিয়তে পৰিচালিত হৈছে। এই দলটোৱে বিজেপি বা কংগ্ৰেছ বা অন্য কোনো ৰাজনৈতিক দলৰ দৰে পৰিচালিত নহয়। ইফালে বিৰোধী দলসমূহৰ উমৈহতীয়া প্ৰাৰ্থীৰ বিষয়ে আলোচনা কৰাৰ সময়ত কেতবোৰ বিৰোধী দলক বিশ্বাসত নোলোৱাকাৰ্য চিন্তনীয় বিষয়। গতিকে বিশ্বাসত ল'ব নোৱাৰা বিৰোধী দলৰ উমৈহতীয়া মঞ্চৰ প্ৰাৰ্থীৰ প্ৰতি বি এছ পি দলৰ আনুগত্যৰ বিষয়টো পুনৰ বিবেচনাৰ সুযোগ আহিছে। অহা ১৮ জুলাইত ভোটগ্ৰহণ আৰু ২১ জুলাইত ভোট গণনা হ'ব লগা ৰাষ্ট্ৰপতি নিৰ্বাচনত যদিহে ৬৪ বছৰীয়া দ্ৰৌপদী মুৰ্মু জয়ী হয় তেনেহ'লে তেওঁ একপ্ৰকাৰ সৰ্বকনিষ্ঠ ৰাষ্ট্ৰপতিৰ খ্যাতি লাভ কৰিব। অৱশ্যে পূৰ্বৰ ৰাষ্ট্ৰপতি এন সঞ্জীৱ ৰেড্ডি কেইদিনমানৰ জ্যেষ্ঠ হ'ব মুৰ্মুৰ তুলনাত। ইফালে এই নিৰ্বাচনত নিৰ্দলীয় হিচাপে বহুকেইজনে মনোনয়ন দাখিল কৰিলেও বিৰোধীৰ প্ৰাৰ্থী যশৱন্তৰ সৈতে তীব্ৰ প্ৰতিদ্বন্দ্বিতা হোৱাটো নিশ্চিত বুলিব পাৰি।



কিয়নো এন ডি এ মৰ্চাত বৰ্তমানলৈকে নিজা ভোটেৰে ৰাষ্ট্ৰপতি বিজয়ী কৰিব পৰা কৈ সংখ্যাগৰিষ্ঠতা নাই। তথাপি বিৰোধীৰ সমৰ্থনত দ্ৰৌপদী মুৰ্মু বিজয়ী হ'ব বুলি এক প্ৰকাৰ পতিয়ন গৈছে দেশৰ অধিকাংশ জনতা।

# শিৱসেনা বালাচাহেব ঃ একনাথ সিন্দেৰ নেতৃত্বত বিসম্বাদী শিবিৰৰ নতুন দলৰ নাম ঘোষণা

**মুম্বাই, ২৫ জুন ঃ** মহাৰাষ্ট্ৰৰ শিৱসেনৱা নেতৃত্বাধীন ত্ৰিদলীয় মৰ্চাৰ চৰকাৰখন সংকটত পেলাই বিসম্বাদত লিপ্ত হোৱাৰ পিছত সম্প্ৰতি জমি উঠিছে মহাৰাষ্ট্ৰ ৰাজনীতি।উদ্ধৱ ঠাকৰেৰ নেতৃত্বত মহা বিকাশ আঘাড়ী (এমভিএ) চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহৰ নেতৃত্ব দিয়া



একনাথ সিন্দে শিবিৰে শনিবাৰে তেওঁলোকৰ নতুন দলৰ নাম ঘোষণা কৰিছে। সেইমৰ্মে বিসম্বাদী শিবিৰৰ নতুন দলৰ নাম হ'ব 'শিৱসেনা বালাচাহেব' ।দলটোৱে আন কোনো দলৰ সৈতে মিত্ৰতা নকৰে বুলিও বিসম্বাদী শিবিৰে স্পষ্ট কৰি দিছে। মহাৰাষ্ট্ৰৰ মন্ত্ৰী তথা শিৱসেনাৰ নেতা একনাথ সিন্দেৰ নেতৃত্বত বিদ্ৰোহী গোটে ৰাজ্যখনত উদ্ধৱ থাকৰে নেতৃত্বাধীন চৰকাৰখন ভংগ কৰিবলৈ বিজেপিৰ সৈতে হাত মিলাব পাৰে বুলি বহুতে আলোচনা কৰাৰ সময়তে বিসম্বাদী শিবিৰে নতুন দলৰ নাম ঘোষণা কৰে।"আমাৰ গোটটোক শিৱসেনা বালাচাহেব বুলি কোৱা হ'ব। আমি কোনো দলৰ সৈতে একত্ৰিত নহ'ম," শিৱসেনাৰ বিদ্ৰোহী বিধায়ক দীপক কেচৰকাৰে কয় ।উদ্ধৱ থাকৰেৰ নেতৃত্বত শিৱসেনাই ১৬ জন বিদ্ৰোহী বিধায়কক অযোগ্য ঘোষণা কৰাৰ প্ৰস্তুতি চলোৱাৰ সময়তে বিসম্বাদী শিবিৰে নতুন দল খোলাৰ কথা ঘোষণা কৰে।মহাৰাষ্ট্ৰ বিধানসভাৰ উপাধ্যক্ষ নাৰহাৰী জিৰৱালে ১৬ জন বিদ্ৰোহী শিৱসেনা বিধায়কলৈ অযোগ্যতাৰ জাননী প্ৰেৰণ কৰিব পাৰে বুলি জানিব পৰা গৈছে। উদ্ধৱ থাকৰে নেতৃত্বাধীন শিৱসেনাই একনাথ সিন্দেকে ধৰি ১৬ জন বিদ্ৰোহী বিধায়কৰ সদস্যপদ বিধানসভাত "উপস্থিত নথকাৰ" বাবে খাৰিজ কৰিবলৈ বিধানসভাৰ উপাধ্যক্ষৰ ওচৰত এখন আবেদন দাখিল কৰিছে।

# দেশত ২৪ ঘণ্টাত কৰ'নাত মৃত্যু ২০ সক্ৰিয় সংক্ৰমিত ৯০ হাজাৰ অতিক্ৰম

**নতুন দিল্লী, ২৫ জুন ঃ** বিগত দহদিন ধৰি দেশত ক'ভিড ভাইৰাছৰ দ্বাৰা নতুনকৈ সংক্ৰমিতৰ সংখ্যা উৰ্ধমুখী হৈয়ে আছে। যাৰ বাবে ক'ভিডৰ চতুৰ্থ জোৱাৰৰ দ্বাৰা অধিক ক্ষয়-ক্ষতিৰ আতংক বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।



উল্লেখ্য যে যোৱা কেইমাহমানত কৰোনাত মৃত্যুৰ সংখ্যা তথা চিকিৎসালয়ত ভৰ্তি হোৱাৰ হাৰ যথেষ্ট হ্ৰাস পাইছিল। সেইকাৰণে জনসাধাৰণৰ এক বৃহৎ অংশই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণক সহজভাৱে লোৱা আৰম্ভ কৰিছিল। বৰ্তমান দেশৰ উৰ্ধমুখী কৰোনা গ্ৰাফে কিন্তু বিপদৰ আশংকাহে বৃদ্ধি কৰিছে। সক্ৰিয় ৰোগীৰ সংখ্যা প্ৰতিদিনে বৃদ্ধি পাইছে। মহাৰাষ্ট্ৰত সংক্ৰমণৰ হাৰ উদ্বেগজনক হৈ দেখা দিছে।শনিবাৰে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে জনোৱা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত ১৫,৯৪০ জন লোক কৰ'নাত আক্ৰান্ত হৈছে। পূৰ্বৰ দিনটোত এই সংখ্যাই ১৭হাজাৰৰ সীমা অতিক্ৰম কৰিছিল।দৈনিক সংক্ৰমণ সামান্য হ্ৰাস পাইছে যদিও সক্ৰিয় ৰোগীৰ সংখ্যা বৃদ্ধি হৈছে। বৰ্তমান দেশত সক্ৰিয় ৰোগী ৯১,৭৭৯ জনলৈ বৃদ্ধি পাইছে। সমগ্ৰ দেশত সক্ৰিয় ৰোগীৰ হাৰ ০.২১ শতাংশ।স্বাস্থ্য মন্ত্ৰালয়ৰ তথ্য অনুসৰি, দেশত যোৱা ২৪ ঘন্টাত ২০ জন লোকে কৰ'নাত প্ৰাণ হেৰুৱাইছে। এতিয়ালৈকে দেশত কৰ'নাৰ ফলত হোৱা মৃত্যুৰ মুঠ সংখ্যা হৈছে ৫ লাখ ২৪ হাজাৰ ৯৭৪ জন।বিগত ২৪ ঘণ্টাত কেৱল মহাৰাষ্ট্ৰতে ৪,২০০ ৰো অধিক লোক সংক্ৰমিত হৈছে। কিন্তু মুম্বাইত সংক্ৰমণ কালিৰ তুলনাত ২৩ শতাংশ কমিছে। বাণিজ্যিক চহৰখনত এদিনত ১৮৯৮ জন লোক সংক্ৰমিত হৈছে। ৰাজধানী দিল্লীৰ কৰ'না সংক্ৰমণো কম নহয়। ইয়াত যোৱা ২৪ ঘন্টাত ১৪৪৭ জন লোক কৰ'নাত আক্ৰান্ত হৈছে। কিন্তু ইয়াৰ মাজতো একমাত্ৰ সকাহ হৈছে সুস্থতাৰ হাৰ। তথ্য অনুসৰি, এতিয়ালৈকে দেশত ৪কোটি ২৭লাখ ৬১ হাজাৰ ৪৮১ জন লোক কৰ'নাৰ পৰা আৰোগ্য হৈছে। ইয়াৰ ভিতৰত, যোৱা ২৪ ঘণ্টাত ১২ হাজাৰ ৪২৫ জন লোক কৰোনাৰ পৰা আৰোগ্য হৈছে। সুস্থতাৰ হাৰ ৯৮.৫৮ শতাংশ।স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰদান কৰা তথ্য অনুসৰি, দেশত এতিয়ালৈকে ১৯৬কোটি ৯৪ লাখৰো অধিক লোকক কৰ'নাৰ ভেকচিন প্ৰদান কৰা হৈছে। ইয়াৰ ভিতৰত যোৱা ২৪ ঘন্টাত প্ৰায় ১৬ লাখ লোকে ভেকচিন লাভ কৰিছে। টিকাকৰণৰ লগতে কৰ'না ৰোগী চিনাক্ত কৰাৰ বাবে পৰীক্ষাৰ ওপৰতো গুৰুত্ব দিয়া হৈছে। বিগত ২৪ ঘন্টাত দেশত ৩লাখ ৬৩হাজাৰ ১০৩ জন লোকৰ নমুনা পৰীক্ষা কৰা হৈছে।

# নিটি আয়োগৰ নতুন মুখ্য কাৰ্যবাহী পৰমেশ্বৰণ আয়াৰ

দেশৰ প্ৰাক্তন প্ৰশাসনিক বিষয়া পৰমেশ্বৰণ আয়াৰক নিটি আয়োগৰ মুখ্য কাৰ্যবাহী বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে। আজি ভাৰতৰ কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগে এক বিবৃতি যোগে এই ঘোষণা কৰিছে।নিটি আয়োগৰ বৰ্তমানৰ মুখ্য কাৰ্যবাহী বিষয়া অমিতাভ কান্তৰ স্থানত আয়াৰৰ নিযুক্তিত ইতিমধ্যে কেবিনেটৰ নিযুক্তি সমিতিয়ে অনুমোদন জনাইছে বুলি এক চৰকাৰী অধিসূচনাত উল্লেখ কৰা হৈছে।ৰ্তমানৰ মুখ্য কাৰ্যবাহী বিষয়া কান্তৰ কাৰ্যকাল



২০২২ চনৰ ৩০ জুনত সম্পূৰ্ণ হ'ব। ২০১৬ চনৰ পৰা কান্ত এই পদত অধিষ্ঠিত আছিল।উল্লেখ্য যে অমিতাভ কান্তক ২০১৬ চনৰ ১৭ ফেব্ৰুৱাৰীত দুবছৰীয়া কাৰ্যকালৰ বাবে নিটি আয়োগৰ মুখ্য কাৰ্যবাহী বিষয়া হিচাপে নিযুক্ত কৰা হৈছিল। অৱশ্যে পিছত তেওঁৰ কাৰ্যকাল সম্প্ৰসাৰণ কৰা হৈছিল।উল্লেখ্য যে ১৯৮১ চনৰ বেচৰ আইএএছ বিষয়া পৰমেশ্বৰণ আয়াৰে ২০০৯ চনত ভাৰতীয় অসামৰিক সেৱাৰ পৰা স্বেচ্ছামূলকভাৱে অৱসৰ গ্ৰহণ কৰিছিল। ইয়াৰ পিছতে তেওঁ সেই বৰ্ষতে বিশ্ব বেংকৰ জল সম্পদ শাখাৰ মেনেজাৰ হিচাপে নিযুক্ত হয়।আয়াৰে ২০১৬ চনত খোৱা পানী আৰু অনাময় মন্ত্ৰালয়ত সচিব হিচাপে যোগদান কৰে। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা স্বচ্ছ ভাৰত অভিযান কাৰ্যকৰী কৰিবলৈ আয়াৰক নিযুক্ত কৰা হৈছিল।যোৱা বৰ্ষত তেওঁ জল শক্তি মন্ত্ৰালয়ৰ খোৱা পানী আৰু অনাময় বিভাগৰ সচিব পদৰ পৰা পদত্যাগ কৰে। উল্লেখ্য যে অভিজ্ঞ প্ৰশাসনিক বিষয়াগৰাকীয়ে লগতে লগতে ৰাষ্ট্ৰসংঘত এজন জ্যেষ্ঠ গ্ৰাম্য পানী অনাময় বিশেষজ্ঞ হিচাপেও কাম কৰিছিল।

# নিৰ্বাচনত জিকিবলৈ মোৰ দেউতাৰ নাম ব্যৱহাৰ নকৰিব

## বিসম্বাদীক নিজৰ পিতৃৰ নামেৰে ৰাজনীতি কৰিবলৈ উদ্ধৱ থাকৰেৰ সকীয়নি

**মুম্বাই, ২৫ জুন ঃ** মহাৰাষ্ট্ৰৰ বিসম্বাদী শিৱসেনাৰ বিধায়কে বালাচাহেব থাকৰে নাম ব্যৱহাৰ কৰি এটা নতুন ৰাজনৈতিক দল গঠন কৰাৰ সিদ্ধান্ত সদৰী কৰাৰ লগে লগে শিৱসেনাৰ মুৰব্বী তথা মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে জাঙোৰ খাই উঠিছে। মুখ্যমন্ত্ৰীৰ চৰকাৰী বাসস্থান এৰি নিজৰ বাসভৱনত সোমাই থকা থাকৰে সকিয়নী প্ৰদান কৰিছে বিসম্বাদীসকলক। তেওঁ কয় যে— মোৰ দেউতাৰ নাম ব্যৱহাৰ কৰি অন্য কোনোবাই ৰাজনীতি কৰিব নোৱাৰিব। তেওঁলোকে নিজৰ নিজৰ দেউতাকৰ নাম ব্যৱহাৰ কৰি ৰাজনীতি কৰক। তাত আপত্তি কৰিব লগা নাই। উল্লেখ্য যে শিৱসেনা বালাচাহেব নামেৰে বিসম্বাদী গোটে নতুন ৰাজনৈতিক দলটোৰ নামাকৰণ কৰিব বুলি খবৰ ওলাইছে। কেবাদিনো ধৰি বিসম্বাদীয়ে নিজ ৰাজ্য ত্যাগ কৰি প্ৰথমে গুজৰাটত আৰু সম্প্ৰতি অসমত বাহৰ পাতি আছে। উদ্ধৱ থাকৰে আনকি মুখ্যমন্ত্ৰীৰ পদ এৰি দিবলৈ সাজু হোৱা বুলি ঘোষণা কৰিছে আৰু ইয়াৰ বিনিময়ত শিৱসেনা দলটো একত্ৰিত হৈ থকাৰ কামনা কৰিছে। কিন্তু বিসম্বাদীয়ে নতুনকৈ দল গঠন কৰি প্ৰকৃত শিৱসেনা বুলি দাবী কৰাৰ পৰিকল্পনা কৰিছে। ফলত বৰ্তমানৰ মুখ্যমন্ত্ৰী জাঙেৰ খাই উছিঠে। সেয়েহে বালাচাহেব থাকৰেৰ নাম নিজৰ ৰাজনৈতিক অভিসন্ধি পূৰণৰ বাবে ব্যৱহাৰ নকৰিবলৈ বালা চাহেবৰ পুত্ৰ তথা মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই কঠোৰ ভাষাৰে সকিয়াই দিছে। তেওঁলোকে অৰ্থাৎ বিসম্বাদীয়ে যি মন যায় কৰিব পাৰে। তেওঁলোকে শিৱসেনা ত্যাগ কৰিব পাৰে দলৰ মুখ্যমন্ত্ৰীও সলনি কৰিব পাৰে। সেয়া তেওঁলোকৰ কথা। কিন্তু তেওঁলোকে নিজৰ মৰ্জিমতে বালাচাহেব থাকৰে নাম ব্যৱহাৰ কৰিব নোৱাৰিব। প্ৰণিধানযোগ্য এয়ে যে শিৱসেনা দলৰ জন্মদাতা আছিল বালাচাহেব থাকৰে। প্ৰতিজন শিৱসেনাৰ সদস্যক শিৱসৈনিক বুলি অভিহিত কৰা হয়। এই দলটোৱে হিন্দুত্ব দৰ্শন উপজীব্য কৰি ৰাজনৈতিক পথাৰত নামিছিল। বৰ্তমান এই সংসাৰত নথকা বালাচাহেবৰ নাম ব্যৱহাৰ কৰি বিসম্বাদী একনাথ সিন্দে নিজৰ ৰাজনৈতিক স্বাৰ্থ পূৰণত অগ্ৰসৰ হোৱা বুলি অভিযোগ উঠিছে।



# কেৰালাত ৰাহুল গান্ধীৰ সাংসদ কাৰ্যালয়ত এছএফআইৰ তাণ্ডৱ

## চিপিআই(এম)ৰ বিৰুদ্ধে ক্ষোভ কংগ্ৰেছৰ

**ৱাইনাড, ২৫ জুন ঃ** কেৰালাত এছএফআইৰ বিৰুদ্ধে ৰাহুল গান্ধীৰ সাংসদ কাৰ্যালয় লণ্ডভণ্ড কৰাৰ অভিযোগ উত্থাপিত হৈছে। স্থানীয় কংগ্ৰেছ নেতাসকলে অভিযোগ কৰিছে যে এছএফআই কৰ্মী আৰু সমৰ্থকসকলে উপস্থিত কংগ্ৰেছ কৰ্মীক নিৰ্বিচাৰে প্ৰহাৰো কৰিছিল। পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ আৰক্ষীয়ে লাঠিচালনা কৰে। এই ঘটনাত বহুকেইজন আহত হৈছে।এছএফআইয়ে অভিযোগ কৰে যে ৱায়ানাডৰ সাংসদ ৰাহুল গান্ধীয়ে সুৰক্ষিত অভয়াৰণ্য আৰু বনাঞ্চলৰ নিৰাপদ অঞ্চল সম্পৰ্কীয় অধিসূচনাক লৈ তেওঁৰ মুখ বন্ধ ৰাখিছে।শুকুৰবাৰে বাওঁপন্থী ছাত্ৰ সংগঠনৰ কৰ্মী আৰু সমৰ্থকসকলে সমদল কৰে। সেই সময়তে পৰিস্থিতি উত্তপ্ত হৈ পৰে। কংগ্ৰেছে অভিযোগ কৰে যে এছএফআই কৰ্মী আৰু সমৰ্থকসকলে ৱায়ানাডৰ কালপেট্টাত ৰাহুলৰ সাংসদ কাৰ্যালয়ত প্ৰৱেশ কৰি তাণ্ডৱ চলায়।কেৰালা বিধানসভাৰ বিৰোধী দলপতি ডি সতীচানে টুইট কৰা এটা ভিডিঅ'ত কাৰ্যালয়ৰ ভিতৰত প্ৰচণ্ড হুলস্থুল চলি থকা দেখা যায়। তাত কোনো কোনোক প্ৰহাৰ কৰাও দেখা গৈছে। কিন্তু কোনে কাক প্ৰহাৰ কৰিছে সেয়া স্পষ্ট নহয়।সতীচানে টুইটত লাখিছে,"ৱায়ানাডত ৰাহুল গান্ধীৰ সাংসদ কাৰ্যালয়ত এছএফআইৰ গুণ্ডাৰ দ্বাৰা ভয়ংকৰ আক্ৰমণ সংঘটিত হৈছে। আইন-শৃংখলা চূড়ান্তভাৱে অৱনমিত হৈছে। গুণ্ডামি আছে। চিপিএম এক সংগঠিত মাফিয়া হৈ পৰিছে। মই এই আক্ৰমণক তীব্ৰ গৰিহণা দিছো।'ইপিনে, আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ লাঠিচালনা কৰে। গোটেই ঘটনাটোত কেইবাজনো লোক আহত হয়। অঞ্চলটোত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বৃহৎ সংখ্যক আৰক্ষী কৰ্মী মোতায়েন কৰা হৈছে।এই ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যখনত কংগ্ৰেছে প্ৰতিবাদ তীব্ৰ সাব্যস্ত কৰিছে। মুখ্যমন্ত্ৰী পিনাৰাই বিজয়নে এই ঘটনাক নিন্দা কৰাৰ লগতে দোষীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ কথা ঘোষণা কৰিছে।

# ১৬ বিসম্বাদী বিধায়কলৈ মহাৰাষ্ট্ৰ বিধানসভাৰ উপাধ্যক্ষৰ পত্ৰ

## দলীয় হুইপ অমান্য কৰাৰ অপৰাধত অযোগ্য ঘোষণাৰ কুচকাৱাজ



**মুম্বাই, ২৫ জুন ঃ** মহাৰাষ্ট্ৰৰ শিৱসেনা দলৰ বিসম্বাদী ১৬ বিধায়ক অচিৰেই অযোগ্য ঘোষণা হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। কিয়নো এই বিধায়ককেইজনক জৰুৰীভাৱে দলীয় বিধায়িনী বৈঠকত উপস্থিত থাকিবলৈ হুইপ জাৰি কৰিছিল। কিন্তু দলীয় হুইপ অমান্য কৰি তেওঁলোকে বৈঠকত ভাগ নল'লে। গতিকে তেওঁলোকক দলবিৰোধী কাৰ্যকলাপত জড়িত থকাৰ অজুহাতত বিধানসভাৰ মজিয়াত বিধায়ক পদ খাৰিজ কৰিবলৈ শিৱসেনাই সক্ষম হৈ পৰিছে। এই মম্পৰ্কত শিৱসেনাৰ মুৰব্বী তথা মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে, দলৰ শীৰ্ষ কাৰ্যবাহী আদিত্য থাকৰে আৰু সাংসদ সঞ্জয় ৰাউতে বিসম্বদী বিধায়কসকলক বিধায়ক পদ খাৰিজৰ বাবে পদক্ষেপ ল'বলৈ সচেষ্ট হৈ পৰিছে। শিৱসেনাই এইসকল বিসম্বাদী বিধায়কক কেতিয়াও ক্ষমা নকৰে বুলি আদিত্য থাকৰে মন্তব্য কৰিছে। তেওঁলোকে বিসম্বাদ কৰিলেও, দলৰ নীতি-আদৰ্শ বিসৰ্জন দিলেও বিধানসভাৰ মজিয়াত সংখ্যাগৰিষ্ঠতা প্ৰমাণৰ যুঁজত চৰকাৰ জয়ী হ'ব। এই দাবী কৰিছে মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই। ইফালে সাংসদ সঞ্জয় ৰাউতে কয় যে বিজেপিয়ে এনফোৰ্চমেণ্ট, আয়কৰ, চিবিআই আদিৰ ভয় দেখুৱাই শিৱসেনাৰ বিধায়কসকলক ব্লেকমেইলিং কৰিছে। ইফালে মহাৰাষ্ট্ৰ চৰকাৰৰ অংশীদাৰ এন চি পি দলৰ মুৰব্বী শাৰদ পাৱাৰেও বিধানসভাৰ মজিয়াত শক্তি পৰীক্ষা নকৰাকৈ মুখ্যমন্ত্ৰীয়ে পদত্যাগ কৰিব লগা সাংবিধানিক পৰিস্থিতি নাই বুলি আঙুলিয়াই দিছে। যাৰ বাবে চিন্তিত হ'লে বৰ্তমানলৈকে মহাৰাষ্ট্ৰৰ চৰকাৰ অক্ষত অৱস্থাতে আছে।

# মুম্বাই আৰক্ষীৰ ১৪৪ ধাৰা আৰোপ ৰাজনৈতিক অস্থিৰতাক লৈ সতৰ্কতা

**মুম্বাই, ২৫ জুন ঃ** মহাৰাষ্ট্ৰত ৰাজনৈতিক অস্থিৰতা অব্যাহত থকাৰ সময়ত যাতে কোনোধৰণৰ অবাঞ্ছিত পৰিস্থিতিৰ সূত্ৰপাত হ'ব নোৱাৰে তাৰ প্ৰতি সতৰ্ক হৈছে আৰক্ষী তথা প্ৰশাসন। সেয়েহে এই সময়ছোৱাত সভাসমিতি, শোভাযাত্ৰা আদি নিষিদ্ধ ঘোষণা কৰিছে। মুম্বাই আৰক্ষীয়ে ইয়াৰ বাবে ১৪৪ ধাৰা জাৰি কৰিছে। ফলত চাৰিজনতকৈ অধিক লোকৰ একেটা স্থানতে সমাগম নিষিদ্ধ কৰা হৈছে। আগতীয়া অনুমতি অবিহনে কোনো লোকে সভা-সমিতি অনুষ্ঠিত কৰিব নোৱাৰিব। ধৰ্মীয় বা ৰাজনৈতিক শোভাযাত্ৰা আদিও বাৰণ কৰা হৈছে। উল্লেখ্য যে যোৱা এসপ্তাহতকৈ অধিক কাল মহাৰাষ্ট্ৰ চৰকাৰ অস্থিৰ হৈ আছে। ৰাজ্যখনত শাসকীয় শিৱসেনা দলৰ মাজত বিসম্বাদৰ সূত্ৰপাত ঘটিছে। দুকুৰিতকৈ অধিক বিসম্বাদী বিধায়কে নিজৰ ৰাজ্য এৰি বাহিৰত আত্মগোপন কৰি থকা বুলি প্ৰকাশ পাইছে। এই লোকসকলৰ বিৰুদ্ধে নিজ নিজ সমষ্টি, বাসভৱন, কাৰ্যালয় আদিত একাংশই আক্ৰমণ কৰা দেখা গৈছে। এই বিধায়কসকলক বিশ্বাসঘাতক বুলিও অভিহিত কৰিছে সমৰ্থকসকলে। আনকি বিসম্বাদীৰ নেতা একনাথ সিন্দেৰ প্ৰতিকৃতি দাহ কৰিছে ৰাজহুৱা স্থানত। কেবাজনো বিধায়কৰ বাসভৱনত আক্ৰমণ কৰা দেখা গৈছে। মুম্বাইৰ পৰা প্ৰায় তিনি হাজাৰ কিলোমিটাৰ অতিক্ৰম কৰি আহি বিধায়কসকলে বাহৰ পাতি থকা গুৱাহাটীৰ হোটেল চৌহদৰ বাহিৰতো একাংশই প্ৰতিবাদ কৰা পৰিলক্ষিত হৈছে। গতিকে আইন-শৃংখলাৰ অৱনতি যাতে হ'ব নোৱাৰে তাৰ প্ৰতি অতি সতৰ্ক হৈ পৰিছে মুম্বাই আৰক্ষী। সমগ্ৰ ৰাজ্যখনতে এই সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা বুলি প্ৰকাশ পাইছে।

# বেইজিংস্থিত এছিয়াৰ সৰ্ববৃহৎ ৰে'ল ষ্টেচনটো নতুন ৰূপত পুনৰ মুকলি



**বেইজিং, ২৫ জুন ঃ** অত্যাধুনিক সা-সুবিধা আৰু যাত্ৰীৰ সুৰক্ষা তথা আকৰ্ষণৰ বাবে মোহনয় ৰূপত সজাই তোলা হ'ল এটা শতাব্দী প্ৰাচীন ৰে'ল আস্থান। সেই অনুসৰি বেইজিঙৰ আটাইতকৈ পুৰণি ৰে'ল ষ্টেচনটোৱে একবিংশ শতিকাৰ নতুন ৰূপ লাভ কৰিছে। চিএনএনৰ এক প্ৰতিবেদনত এইকথা সদৰী কৰা হৈছে।এছিয়াৰ সৰ্ববৃহৎ ৰে'ল ষ্টেচন বুলি জনাজাত ফেংটাই ৰেল ষ্টেচনটো বহু বছৰজোৱা নৱীকৰণৰ কাম সম্পূৰ্ণ কৰি যোৱা ২০ জুনত পুনৰ মুকলি কৰা হৈছে।১৮৯৫ চনত নিৰ্মিত ষ্টেচনটোত ৪,০০,০০০ বৰ্গ মিটাৰ জুৰি ৩২টা ৰে'ল প্লেটফৰ্মৰ লগতে প্ৰস্থান লাউঞ্জ, খোৱাৰ স্থান আৰু বিভিন্ন সুবিধা উপলব্ধ আছে। দিনৰ অতি ব্যস্ত সময়খিনিত ষ্টেচনটোৱে ইয়াৰ চাবৰে ট্ৰেইনৰ উপৰিও বুলেট ট্ৰেইন তথা সাধাৰণ ট্ৰেইনৰ জৰিয়তে প্ৰতি ঘণ্টাত ১৪ হাজাৰ যাত্ৰী মোকাবিলা কৰে।উন্নয়ন প্ৰকল্পটোৰ মুখ্য অভিযন্তা মা হুইয়ে চৰকাৰী বাতৰি কাকত চাইনা ডেইলীক কয়, "দ্বৈত স্তৰৰ গজৰ ডিজাইন? যাৰ ওপৰেৰে বুলেট ট্ৰেইন চলি আছে আৰু তলেৰে নিয়মীয়া গতিৰ ৰে'লবোৰ চলিছে? ই যথেষ্ট ঠাই ৰাহি কৰে।"" "অনন্য ডিজাইনে পৰম্পৰাগত ৰে'ল ষ্টেচনটোৰ বিন্যাস সলনি কৰিছে। ৰে'ল ষ্টেচন এটাৰ কাম-কাজ পৰিচালনা কৰাৰ ই এক উদ্ভাৱনীমূলক উপায়,"-তেওঁ লগতে কয়।এই বিশেষ বিকল্পবোৰৰ ভিতৰত এটা হৈছে ছাদত থকা ফটোভল্টেইক শক্তি কেন্দ্ৰ যিয়ে নিৰ্মাণৰ কামৰ বাবে শক্তি উৎপন্ন কৰে।মূল ফেং চুই ষ্টেচনটো ২০১০ চনত বন্ধ কৰা হৈছিল।



ধনৰ অবৈধ লেনদেনৰ গোচৰত সাঙোৰ খাই পৰা হিন্দী চিনেমাৰ মোহময়ী অভিনেত্ৰী জেকুলিন ফাৰ্ণাণ্ডেজে নিজে অভিনয় কৰা 'বিক্ৰান্ত ৰাণে' শীৰ্ষক নতুন চিনেমাখনৰ প্ৰচাৰত এনেদৰে নিজকে নিয়োজিত কৰা দেখা গৈছে

# দক্ষিণ বৰপেটাৰ মাজৰচৰৰ বানাক্ৰান্ত অঞ্চলত বিনামূলীয়া চিকিৎসা প্ৰদান



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৫ জুন ঃ** সমগ্ৰ ৰাজ্যজুৰি প্ৰলয়ংকৰী বানে জটিল ৰূপ ধাৰণ কৰাৰ ফলত বানাক্ৰান্ত অঞ্চলৰ ৰাইজৰ মাজত হাহাকাৰ পৰিৱেশৰ সৃষ্টি হৈছে। সম্প্ৰতি বানপানী কমিলেও বহু অঞ্চল বৰ্তমানো জলমগ্ন হৈয়েই আছে। যাৰ ফলত একাংশ বানাক্ৰান্ত অঞ্চলত বিভিন্ন বেমাৰ-আজাৰে দেখা দিছে। এনে বেমাৰ-আজাৰৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ প্ৰতাপী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে একাংশ বানাক্ৰান্ত অঞ্চলত ইতিমধ্যে ভ্ৰাম্যমাণ চিকিৎসকৰ এটি সঁজাতী দলৰ জৰিয়তে একাংশ লোকক কালি বিভিন্ন দিশত চিকিৎসা সেৱা আগবঢ়োৱা পৰিলক্ষিত হৈছে। শেহতীয়াকৈ বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত পূব মাজৰচৰত আলোপতি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ এটি ভ্ৰাম্যমাণ চিকিৎসকৰ দলৰ জৰিয়তে ঘৰে ঘৰে গৈ গৰ্ভৱতী মহিলা, শিশু, বৃদ্ধ-বৃদ্ধাৰ বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়োৱা হয়। সংশ্লিষ্ট বানাক্ৰান্ত অঞ্চলৰ একাংশ ৰোগীক বিনামূলীয়াকৈ চিকিৎসা সেৱা আগবঢ়োৱাৰ লগতে বিভিন্ন ধৰণৰ ঔষধ পাতি যোগান ধৰা হয়। আলোপতি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক খাইৰুল ইছলামৰ নেতৃত্বত জি এন এম, এ এন এম, লেবৰেটৰী টেকনিচিয়ান, আশা ছুপাৰ ভাইজাৰ, এম পি ডব্লিউ, আশা কৰ্মীৰ লগতে প্ৰায় ১৫জনীয়া এটি দলে যন্ত্ৰচালিত নাৱৰে সংশ্লিষ্ট স্বাস্থ্য কেন্দ্ৰ এলেকাধীন পূব মাজৰচৰৰ বানাক্ৰান্ত অঞ্চল পৰিভ্ৰমণ কৰি বানাক্ৰান্ত অঞ্চলৰ একাংশ লোকক বিনামূলীয়া চিকিৎসা প্ৰদান কৰাৰ লগতে পৰ্যাপ্ত পৰিমাণে চৰকাৰী ঔষধ পাতি যোগান ধৰা কাৰ্যক বানবিধ্বস্ত অঞ্চলটোৰ ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।



## গ্ৰীষ্মকালীন শিবিৰত গ্ৰহণ কৰিবলগীয়া পঠন কাৰ্যসূচী সম্পৰ্কত পত্ৰ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ২৫ জুন ঃ** কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া অপূৰ্ব ঠাকুৰীয়াই কালি ২৪ জুনত জিলাখনৰ প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকসকললৈ প্ৰেৰণ কৰা এক পত্ৰৰ জৰিয়তে গ্ৰীষ্মকালীন শিবিৰৰ সময়ছোৱাত গ্ৰহণ কৰিবলগীয়া পঠন কাৰ্যসূচীসমূহ অধিক মনোগ্ৰাহী আৰু আকৰ্ষণীয় কৰি তোলা সম্পৰ্কত কেতবোৰ পদক্ষেপ লোৱাৰ অনুৰোধ জনাইছে। উল্লেখ্য যে 'পঢ়ক আৰু পঢ়ুৱাওক' কাৰ্যসূচীৰ অধীনত পঠন অভ্যাস গঠনৰ বাবে জিলাখনত ইতিমধ্যে বহু পদক্ষেপ গ্ৰহণ কৰি থকা হৈছে। পঠনৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি নিপুণ অসমৰ আধাৰত 'পঢ়ক আৰু পঢ়ুৱাওক' কাৰ্যসূচীৰ অধীনত জিলাখনৰ প্ৰতিখন প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ত গ্ৰীষ্মকালীন শিবিৰ অনুষ্ঠিত কৰাত সহায়ক হোৱাকৈ কৰ্মসূচীৰ এক বিস্তৃত বিৱৰণ-পত্ৰখনৰ লগত সন্নিৱিষ্ট কৰা হৈছে, যাতে এইসমূহৰ সহায় লৈ শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক শক্তিশালী পঠনৰ অভ্যাস গঢ় দিব পাৰে। তদুপৰি পাঠ্যপুথি, পুথিভঁৰালত উপলব্ধ পুথি, আলোচনী, বাতৰি কাকত আদিৰ সহায় লোৱাৰ উপৰি গ্ৰীষ্মকালীন বন্ধৰ সময়ছোৱাত অতি কমেও ১০ দিনৰ বাবে এই কাৰ্যসূচী অনুষ্ঠিত কৰাৰ পদক্ষেপ ল'বলৈও এই পত্ৰৰ যোগেদি অনুৰোধ জনোৱা হৈছে বুলি জানিব পৰা গৈছে।

## চাকলা-কোকিলা ৰাজ্যিক চিকিৎসালয়ৰ পৰা ফেন চুৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কোকিলা, ২৫ জুন ঃ** বঙাইগাঁও জিলাৰ কোকিলা আৰক্ষী নিৰীক্ষণ চকীৰ অন্তৰ্গত চাকলা-কোকিলা ৰাজ্যিক চিকিৎসালয়ৰ গ্ৰীল আৰু ছিলিং ভাঙি চিকিৎসক-নাৰ্ছৰ কোঠালিৰ পৰা চোৰে চুৰি কৰি নিলে ১১খন ফেন। চিকিৎসালয়ৰ চিকিৎসক-নাৰ্ছৰ কোঠাৰ পৰা নাৰ্ছ, চিকিৎসক নথকাৰ সুযোগ লৈ চোৰে চুৰি কৰি নিয়ে ফেনকেইখন। চিকিৎসক নুৰ আলমৰ বিৰুদ্ধে ৰোগীক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ স্থানীয় লোকৰ। চিকিৎসকজন ওচৰৰ হোৱাৰ বাবেই দিনৰ ১০-১১ বজাত আহে যদিও কম সময়ত চিকিৎসালয়ত থাকি গুচি যায়। স্থানীয় লোকে চিকিৎসকজনক দেৰিকৈ থাকিবলৈ ক'লে নানা ধৰণৰ কথা কৈ ভাবুকি দিয়ে বুলি অভিযোগ কৰে। চিকিৎসক নুৰ আলমৰ বিৰুদ্ধে নানা অভিযোগ উত্থাপন কৰে স্থানীয় লোকে। নুৰ আলমে চিকিৎসালয়ত নানা দুৰ্নীতি-অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰে। মাজে-সময়ে বিভাগীয় তদন্তৰ বাবে যদিও তদন্তৰ নামত ভেকোঁ-ভাওনা কৰাৰ অভিযোগ উত্থাপন কৰে। স্থানীয় ৰাইজে বিভাগীয় কৰ্তৃপক্ষক চিকিৎসকজনৰ বিৰুদ্ধে অভিযোগ দিছে যদিও কোনো ব্যৱস্থা নোলোৱাৰ অভিযোগ কৰিছে। সেয়ে স্বাস্থ্যমন্ত্ৰী তথা মুখ্যমন্ত্ৰীক চিকিৎসকৰ বিৰুদ্ধে বিহীত ব্যৱস্থা লোৱাৰ দাবী কৰাৰ লগতে চাকলা-কোকিলা ৰাজ্যিক চিকিৎসালয়ৰ পৰা বদলি কৰাৰ দাবী জনায়।

## বঢ়মপুৰত বান সাহায্য প্ৰদান নগাঁও জিলা সত্ৰ মহাসভাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৫ জুন ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে নগাঁও জিলাৰ বিভিন্ন স্থানতো বানপানীৰ কবলত পৰি হাজাৰ হাজাৰ লোক দিশহাৰা হৈ পৰিছে। জনসাধাৰণৰ এনে দুৰ্যোগৰ সময়ত চৰকাৰীভাৱে আগবঢ়োৱা বান সাহায্যই যথেষ্ট নহয়, এনে ক্ষেত্ৰত বিভিন্ন দল-সংগঠন বা ব্যক্তিবিশেষে পাৰ্যমানে সহায়ৰ হাত আগবঢ়াইছে বানাক্ৰান্তসকলক। নগাঁও জিলা সত্ৰ মহাসভাৰ ভগ্নী সংগঠন সতী ৰাধিকা মহিলা তীৰ্থ আৰু ভাতৃ সংগঠন সমন্বিত যুৱ তীৰ্থৰ সহযোগত কালি নগাঁও জিলা সত্ৰ মহাসভাৰ তৰফৰ পৰা বঢ়মপুৰ শ্বহীদ ভৱনত স্থাপন কৰা বানপীড়িতৰ আশ্ৰয় শিবিৰত চাউল, দাইল, চিৰা, চেনি, আলু, বিস্কুট, মহখেদা ধূপ, পেপাৰ প্লেট, পানী খোৱা গিলাচ আদি প্ৰদান কৰে। সংগঠনটোৰ বিষয়ববীয়া ক্ৰমে শৈলেন্দ্ৰ গোস্বামী, কমলাকান্ত বৰা, দেৱানন্দ গোস্বামী, ৰঞ্জিত কুমাৰ গোস্বামী, সত্য মোহন গোস্বামীৰ লগতে শ্ৰীশ্ৰীখুন্দামৰা সত্ৰৰ উদ্যমী সত্ৰীয়া মুকুট মহন্তই শিবিৰবাসীৰ মাজত এই সামগ্ৰীসমূহ বিতৰণ কৰে।

## 'দা ব্ৰীজ-সেতুবন্ধন'ৰ উদ্যোগত অম্বুবাচী উপলক্ষে বস্ত্ৰদান কাৰ্যসূচী




**দৈনন্দিন বাৰ্তাৰ সেৱা, মালিগাঁও, ২৫ জুন ঃ** মালিগাঁওস্থিত সামাজিক-সাংস্কৃতিক তথা জন কল্যাণমুখী অগ্ৰণী স্বেচ্ছাসেৱী সংস্থা ব্ৰীজ-সেতুবন্ধনৰ উদ্যোগত আজি পাণ্ডুনাথ দেৱালয় আৰু গোশালা শনি মন্দিৰ প্ৰাংগণত ভাৰতবৰ্ষৰ অন্যতম আধ্যাত্মিক তথা শক্তিপীঠ কামাখ্যা ধামত অনুষ্ঠিত অম্বুবাচী মেলা উপলক্ষে সমৱেত হোৱা দুশতাধিক ভক্তপ্ৰাণ ৰাইজৰ মাজত বস্ত্ৰদান কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। এই অনুসৰি আগন্তুক শীতকালত যাতে ভক্তসকলে শীত প্ৰবাহৰ পৰা কিছু সকাহ পাব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকক একোখনকৈ নতুন কম্বল প্ৰদান কৰা হয়। মা কামাখ্যা ধামত অনুষ্ঠিত অম্বুবাচী উপলক্ষে সমাগম হোৱা হাজাৰ হাজাৰ দেশী-বিদেশী সাধু, সন্ন্যাসী তথা ভক্তসকলক আদৰণি জনাই তেওঁলোকক আধ্যাত্মিক পৰিৱেশ আৰু শান্তি-শৃংখলা বজাই ৰাখি অম্বুবাচী মেলা সৰ্বোতপ্ৰকাৰে সফল কৰিবলৈ সংস্থাটোৰ বিষয়ববীয়াসকলে আহ্বান জনায়। বৰ্তমান অসমৰ শোচনীয় বানপৰিস্থিতি পৰিপ্ৰেক্ষিতত বানপীড়িত ৰাইজক সকাহ দিবলৈ বান সাহায্য বিতৰণৰ কাৰ্যসূচী হাতত লোৱা উদ্দেশ্যে এই বস্ত্ৰদান কাৰ্যসূচী অনুষ্টুপীয়াকৈ আয়োজন কৰা বুলি স্বেচ্ছাসেৱী সংস্থাটোৰ আহ্বায়কে প্ৰকাশ কৰে। এই বস্ত্ৰদান কাৰ্যসূচীত চিৰঞ্জীৱ দত্ত, সিদ্ধেশ্বৰ চৌধুৰী, উত্তম ভট্টাচাৰ্য, বিটু দাস, অমল চ্যাটাৰ্জী, বলেন ৰাজবংশী, ৰমেশ অধিকাৰী, উৎপল বৰো, গণেশ প্ৰসাদ ৰামকে ধৰি কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে। ইয়াৰ উপৰি অহা তিনি জুলাইত কঞা ৰাজহ চক্ৰৰ অন্তৰ্গত কঞা বৰপুল্লা গাঁও পঞ্চায়তৰ বানপীড়িত ৰাইজক সকাহ দিবলৈ এক বান সাহায্য শিবিৰ অনুষ্ঠিত কৰিব বুলি সংস্থাটোৰ আহ্বায়ক মণ্ডলীয়ে অৱগত কৰে।

## আব্দুল হাকিম মুন্সীৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৫ জুন ঃ** বিশিষ্ট চিন্তাবিদ, সমাজ সেৱক আব্দুল হাকিম মুঞ্চী আৰু ইহসংসাৰত নাই। আব্দুল হাকিম মুঞ্চীয়ে কেইবাদিন ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈ আছিল যদিও সুস্থ হৈয়ে আছিল। আজি হঠাৎ অসুস্থ হৈ ২নং বৰুৱা পথাৰৰ নিজ বাসভৱনত পুৱা ৯.৩০ বজাত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ খবৰ বিয়পাৰ লগে লগে বৃহত্তৰ বৰুৱাপথাৰ, মালিবাৰী, ছমৰীয়া অঞ্চলত শোকৰ ছাঁ পৰা পৰিলক্ষিত হয়। আব্দুল হাকিম মুন্সীয়ে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰাৰ উপৰি এজন দক্ষ সৈনিকৰ দৰে সমাজ সেৱকৰ দায়িত্ব পালন কৰি আহিছিল। ক'ত নাছিল আব্দুল হাকিম দক্ষতা? যি কোনো বিচাৰ-আচাৰত তেওঁ নহ'লে নহৈছিল। ১৯১৪ চনত জন্মগ্ৰহণ কৰা আব্দুল হাকিম মুন্সীয়ে মৃত্যুৰ আগলৈকে কেৱল সমাজৰ কথাই চিন্তা কৰিছিল। এনে এজন মহান ব্যক্তিত্বৰ ব্যক্তিয়ে আজি ইহলীলা সম্বৰণ কৰাত সমগ্ৰ অঞ্চলটোৰ এক অপূৰণীয় ক্ষতি হয় বুলি মন্তব্য কৰে সচেতন মহলে। আজি তেওঁৰ মৃত্যুত স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানে শোক সভা পালন কৰাৰ লগতে স্থানীয় বজাৰৰ দোকান দিনৰ ২ বজালৈ বন্ধ ৰাখে। ১০৮ বছৰ বয়সত মৃত্যু বৰণ কৰা আব্দুল হাকিম মুন্সীয়ে তিনিজন পুত্ৰ আৰু ছগৰাকী কন্যাৰ উপৰি কেইবাগৰাকীও নাতি-নাতিনী ইহ সংসাৰত এৰি থৈ যায়। সহস্ৰাধিক গুণমুগ্ধই তেওঁৰ জানাজা নামাজত অংশগ্ৰহণ কৰি অশ্ৰুসিক্ত নয়নেৰে বিদেহ আত্মাৰ সদ্গতিৰ কাৰণে দোৱা প্ৰাৰ্থনা কৰে।

## অনাতাঁৰ শিল্পী গুণকান্ত দাসৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৫ জুন ঃ** ডিব্ৰুগড় জিলাৰ বৰবৰুৱাৰ অন্তৰ্গত অমৰাগুৰি গাঁও নিৱাসী অনাতাঁৰ কেন্দ্ৰৰ লোকশিল্পী গুণকান্ত দাস উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ ২০ জুনত অকাল মৃত্যুক আঁকোৱালি লোৱাত বিহু সুৰক্ষা সমিতি অসমে গভীৰ শোক প্ৰকাশ কৰিছে। তেখেতৰ মৃত্যুত লোক সংস্কৃতিৰ ক্ষেত্ৰখন এক অপূৰণীয় ক্ষতি হিচাপে অভিহিত কৰি বিহু সুৰক্ষা সমিতিৰ প্ৰচাৰ সম্পাদক কৃপাল ফুকনে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

## নগাঁৱত অবৈধ পাৰ্কিঙৰ বিৰুদ্ধে সৰৱ আৰক্ষী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৫ জুন ঃ** নগাঁও চহৰত একাংশ লোকে য'তে-ত'তে গাড়ী ৰখাৰ ফলত দীৰ্ঘদিন ধৰি যান-জঁটৰ সৃষ্টি হৈ আহিছে। এই সন্দৰ্ভত বিভিন্ন সংগঠনৰ লগতে সচেতন নাগৰিকে আৰক্ষী প্ৰশাসনক ব্যৱস্থা ল'বলৈ দাবী জনাই আহিছে। বিশেষকৈ ঢাকাপট্টী-বৰবজাৰ এলেকাত অভাৱনীয় যান-জঁটৰ সৃষ্টি হয়। আজি নগাঁৱৰ আৰক্ষী অধীক্ষক লীনা দলেয়ে ঢাকাপট্টী-বৰবজাৰ এলেকাত অবৈধ পাৰ্কিঙৰ বিৰুদ্ধে অভিযান চলায়। আৰক্ষীয়ে এলেকাটোৰ পৰা অবৈধভাৱে পাৰ্কিং কৰা বাহনৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণ কৰে। আৰক্ষীয়ে পদপথত ব্যৱসায়ীসকলে ৰখা সামগ্ৰীসমূহ আঁতৰাই পদপথ মুকলি কৰি দিয়ে।

## বিশ্বনাথৰ তৰাজুলিত পুত্ৰই হত্যা কৰিলে পিতৃক

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৫ জুন ঃ** বিশ্বনাথ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তীৰ এখন ভিতৰুৱা তৰাজুলি টঙীয়া গাঁৱত সংঘটিত হয় এক হত্যাকাণ্ড। আজি নিচেই পুৱাতে মৃত অৱস্থাত উদ্ধাৰ কৰে মৃতদেহটো। পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে যোৱানিশা প্ৰায় ১০ মান বজাত সুৰাসক্ত অৱস্থাত থকা চোলে তেৰণে (২৩) পিতৃ সিং তেৰণৰ (৫৫) লগত কথাত কটাকটি হৈ অৱশেষত লিপ্ত হয় কাজিয়াত। মদৰ ৰাগীত পুত্ৰই পিতৃক খৰিৰ টুকুৰাৰে প্ৰহাৰ কৰি অচেতন কৰি পেলাই থয়। হাত আৰু ডিঙিৰ অংশত প্ৰচণ্ডভাৱে আঘাত পোৱা সিং তেৰণৰ নিচেই পুৱা ৩.৩০ মান বজাত মৃত্যু হোৱা বুলি পৰিয়ালৰ লোকে সদৰী কৰিছে। স্থানীয় গাঁওৰক্ষী বাহিনীয়ে ঘটনাৰ খবৰ পাই লগে লগে খবৰ দিয়ে বালিচাং আৰক্ষীক। বাতৰি যুগুত কৰা পৰলৈকে আৰক্ষীয়ে হত্যাকাৰী চোলে তেৰণক আটক কৰি ঘটনাটোৰ সন্দৰ্ভত সোধা-পোছা অব্যাহত ৰাখিছে। মদৰ বাবেই এই ঘটনা সংঘটিত হোৱা বুলি গাঁওবাসী জানিবলৈ দিয়ে।

## তাজ ভিভাণ্টাত প্ৰাকৃতিক, জৈৱিক, জি আই কৃষিজাত সামগ্ৰীৰ ৰপ্তানি বিষয়ক সন্মিলন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ জুন ঃ** ভাৰতৰ পৰা প্ৰাকৃতিক, জৈৱিক আৰু জি আই কৃষিজাত উৎপাদিত সামগ্ৰী ৰপ্তানিৰ সম্ভাৱনীয়তা বিষয়ক এখন সন্মিলন কালি গুৱাহাটীৰ তাজ ভিভাণ্টাত অনুষ্ঠিত হয়। সন্মিলনৰ শুভাৰম্ভ কৰে কৃষিমন্ত্ৰী অতুল বৰাই। উদ্বোধনী অনুষ্ঠানত তেওঁ কয় যে ভাৰতৰ প্ৰাকৃতিক, জৈৱিক আৰু জি আই কৃষিজাত সামগ্ৰীৰ ৰপ্তানিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰহণ কৰা পদক্ষেপে ভাৰতক বহুদূৰ আগুৱাই লৈ গৈছে। আনহাতে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ কৃষি উৎপাদিত সামগ্ৰীক বিশ্ব দৰবাৰত পৰিচয় কৰাই দিয়া তথা ৰপ্তানিৰ ক্ষেত্ৰত যি ব্যৱস্থা গ্ৰহণ কৰিছে সিয়ে ৰাজ্যখনৰ কৃষি খণ্ডত এক নতুন দিগন্তৰ সূচনা কৰিছে। বৰ্তমান অসমে কাজি নেমু, অৰ্থডক্স চাহ, লিচুকে আদি কৰি ৮ বিধ কৃষিজাত সামগ্ৰীৰ জি আই টেগ লাভ কৰাটো অসমৰ বাবে উল্লেখনীয় কথা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহে কৃষকসকলৰ আস্থা ঘূৰাই অনাৰ লগতে ৰাজ্যজুৰি কৃষি বিপ্লৱৰো সূচনা হৈছে। আনহাতে, অনাগত দিনত কৃষি খণ্ডৰ উন্নয়ন অধিক দ্ৰুততৰ কৰাৰ উদ্দেশ্যে এগ্ৰীকালচাৰেল এণ্ড প্ৰছেছড্ ফুড প্ৰডাক্ট এক্সপৰ্ট ডেভেলপমেণ্ট অথ'ৰিটীৰ পৰামৰ্শ অনুসৰি কৃষি বিষয়াসকলৰ দক্ষতা বিকাশৰ বাবে প্ৰশিক্ষণ লাভ কৰিবলৈ বাহিৰলৈ পঠিওৱাৰ বাবে তেওঁ চিন্তা কৰিব বুলি প্ৰকাশ কৰে। তদুপৰি, কৃষিজাত সামগ্ৰীৰ ক্ৰেতা-বিক্ৰেতা সন্মিলন, এগ্ৰ-হৰ্টি এক্সিভিচন আদি আয়োজনৰ জৰিয়তেও গোটেই ব্যৱস্থাটো কৃষকসকলৰ বাবে অধিক সুচল কৰি তোলা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে সদৰী কৰে। অনুষ্ঠানত APEDA অধ্যক্ষ ড° এম অংগমুথুৱে প্ৰাকৃতিক, জৈৱিক আৰু জি আই কৃষিজাত সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চলত সম্ভাৱনীয়তাৰ কথা উল্লেখ কৰি APEDA ৰ ফালৰ পৰা উৎপাদন তথা ৰপ্তানি বৃদ্ধিৰ বাবে কৃষকসকলক সকলো ধৰণৰ পৰামৰ্শ আৰু সুবিধা প্ৰদানৰো আশ্বাস দিয়ে। উদ্বোধনী অনুষ্ঠানত অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব আশিস ভূটানী, APEDAৰ জেনেৰেল মেনেজাৰ, অধ্যক্ষকে ধৰি অন্যান্য বিষয়ববীয়া, কৃষি বিভাগৰ বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে কৃষি সামগ্ৰীৰ এক প্ৰদৰ্শনী মুকলি কৰে কৃষি মন্ত্ৰী অতুল বৰাই।

## বঢ়মপুৰত 'নাট-নৃত্য' কৰ্মশালাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৫ জুন ঃ** নগাঁও জিলাৰ বঢ়মপুৰৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক সংগঠন 'নৱ সূৰুজ গোষ্ঠী আৰু শ্বহীদ পুথিভঁৰাল'ৰ ব্যৱস্থাপনাত ৩ জুলাইৰ পৰা ২৪ জুলাইলৈ বঢ়মপুৰ শ্বহীদ ভৱন প্ৰাংগণত এক গ্ৰীষ্মকালীন 'নাট আৰু নৃত্য' কৰ্মশালাৰ আয়োজন কৰা হৈছে। গোষ্ঠীৰ সম্পাদক বিমল বৰাই জানিবলৈ দিয়া মতে, ২০১২ বৰ্ষৰ পৰাই বৃহত্তৰ বঢ়মপুৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন দিশত থকা প্ৰতিভাসমূহ বিকশিত কৰাৰ মানসেৰে বিভিন্ন বিষয়, যেনে- যোগাসন, সত্ৰীয়া নৃত্য, আধুনিক নৃত্য, নাটক , ঢোলবাদন, বিহুনাচ , তবলাবাদন, কবিতা আবৃত্তি, সুন্দৰ হাতৰ আখৰ লিখন আৰু হস্তশিল্প আদি অন্তৰ্ভুক্ত কৰি অভিজ্ঞ আৰু প্ৰতিষ্ঠিত প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদানেৰে উক্ত কৰ্মশালা অনুষ্ঠিত কৰি আহিছে। উক্ত কৰ্মশালাত অংশগ্ৰহণ কৰাৰ বাবে গোষ্ঠীৰ সভাপতি ৰঞ্জন কলিতা আৰু সম্পাদক বিমল বৰাই ফোন নং ৯৮৬৪২৯৮৯৬৯ অথবা ৭০০২৯৪০২৯২১ সৈতে যোগাযোগ কৰিবলৈ ইচ্ছুক প্ৰশিক্ষাৰ্থীসকলক আহ্বান জনাইছে।

## অৰুণাচল প্ৰদেশৰ চিজুছাত ক'লা দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নদুৱাৰ, ২৫ জুন ঃ** ভাৰতীয় জনতা পাৰ্টীৰ পাকে কেচাং জিলা সমিতিৰ উদ্যোগত আজিৰ দিনটো ক'লা দিৱস হিচাপে পালন কৰা হয়। ১৯৭৫ চনৰ ২৫ জুনত তদানীন্তন কংগ্ৰেছৰ প্ৰধানমন্ত্ৰী প্ৰয়াত ইন্দিৰা গান্ধীয়ে সমগ্ৰ ভাৰতবৰ্ষতে জৰুৰীকালীন অৱস্থা ঘোষণা কৰি ভাৰতীয় সংবিধানক অৱমাননা কৰিছিল। লগতে দেশৰ জনগণৰ মৌলিক অধিকাৰ হনন কৰি নিজৰ গাদীৰ সুৰক্ষাৰ বাবে একপক্ষীয়ভাৱে ক্ষমতাৰ অপব্যৱহাৰেৰে দেশত জৰুৰী অৱস্থা ঘোষণাৰ কৰি দেশখনত এক অৰাজক পৰিস্থিতিৰ সৃষ্টি কৰিছিল। তাহানিৰ শাসনাধিষ্ঠিত ইন্দিৰা গান্ধী চৰকাৰৰ একনায়কত্ববাদ আজিও দেশবাসীৰ বাবে এক অভিশাপ স্বৰূপ। সেই ক'লা দিনটোক ভাৰতবাসীয়ে আজিও পাহৰিব পৰা নাই । তাৰে অংশ হিচাপে আজিৰ দিনটোক সমগ্ৰ ভাৰতবৰ্ষতে বিজেপিৰ উদ্যোগত পালন কৰা হৈছে ক'লা দিৱস। সেইদৰে আজি অৰুণাচল প্ৰদেশৰ ভাৰতীয় জনতা পাৰ্টীৰ পাকে কেচাং জিলা সমিতিৰ উদ্যোগত অৰুণাচল প্ৰদেশৰ চিজুছাত আজিৰ দিনটোক ক'লা দিৱস হিচাপে পালন কৰিছে পাকে কেচাং জিলা সমিতিয়ে।




## চতিয়াত মাৰাত্মক ড্ৰাগ্‌ছসহ এজনক আটক

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৫ জুন ঃ** বিশ্বনাথ জিলাৰ চতিয়া থানাৰ অন্তৰ্গত হোকাজানত শনিবাৰে পুৱাই চতিয়া আৰক্ষীয়ে অভিযান চলাই নিষিদ্ধ ড্ৰাগ্‌ছসহ এজন যুৱকক কৰায়ত্ত কৰে। চতিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ নেতৃত্বত চলোৱা অভিযান কালত বিশ্বনাথ চাৰিআলিৰ পৰা চতিয়া ইটাখোলালৈ ড্ৰাগ্‌ছখিনি বিক্ৰী কৰিবলৈ নি থকা সময়তে আৰক্ষীয়ে ড্ৰাগ্‌ছ ভৰ্তি ৫টা কণ্টেইনাৰসহ কৰায়ত্ত কৰে যুৱকজনক। আৰক্ষীয়ে আটক কৰা যুৱকজনৰ পৰা ড্ৰাগ্‌ছ সৰবৰাহৰ কামত ব্যৱহাৰ কৰা এ এছ-১২ এল-৬৮০১ নম্বৰ এখন বাহনো জব্দ কৰে। আৰক্ষীয়ে আটক কৰা যুৱকজনৰ নাম ৰাহুল দাস (৩০) বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি দীৰ্ঘদিন ধৰি এই ৰাহুল দাসে বিশ্বনাথ চাৰিআলিৰ পৰা বৃহৎ পৰিমাণৰ ড্ৰাগ্‌ছ সৰবৰাহ কৰি চতিয়া, ইটাখোলা, শোণিতপুৰ আদি অঞ্চলত এই মাৰাত্মক ড্ৰাগ্‌ছ বিক্ৰী কৰি অহাৰ তথ্য পোহৰলৈ আহিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে চতিয়া আৰক্ষীয়ে বহুকেইজন ড্ৰাগ্‌ছ বেপাৰী আটক কৰাৰ লগতে বৃহৎ পৰিমাণৰ ড্ৰাগ্‌ছ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পূৰ্বে বিশ্বনাথ আৰক্ষীয়ে বহু ড্ৰাগ্‌ছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছিল যদিও ক্ৰমান্বয়ে পুনৰ বিশ্বনাথ চাৰিআলিত ড্ৰাগ্‌ছ বেপাৰীসকল যে সক্ৰিয় হৈছে এই ড্ৰাগ্‌ছ বেপাৰী ৰাহুল দাসৰ ঘটনাই পোহৰলৈ আনিছে। ইফালে অসমৰ মুখ্যমন্ত্ৰীয়ে বাৰম্বাৰ মাৰাত্মক ড্ৰাগ্‌ছৰ বিৰুদ্ধে আৰক্ষীক কঠোৰ হ'বলৈ সকীয়নি দি আহিছে যদিও একাংশ ড্ৰাগ্‌ছ মাফিয়াই আৰক্ষীক কেৰেপ নকৰি আৰক্ষীৰ চকুত ধূলি দি অব্যাহত ৰাখিছে মাৰাত্মক ড্ৰাগ্‌ছৰ বেপাৰ। এতিয়া প্ৰশ্ন হয়, এই কুখ্যাত মাৰাত্মক ড্ৰাগ্‌ছ ব্যৱসায়ীক অসম আৰক্ষীয়ে নিঃশেষ কৰিব পাৰিব নে সেইটো হ'ব লক্ষণীয়। আনহাতে, চতিয়া আৰক্ষীয়ে আটক কৰা মাৰাত্মক ড্ৰাগ্‌ছ বেপাৰী ৰাহুল দাসক সোধা-পোছা অব্যাহত ৰাখিছে অধিক তথ্যৰ বাবে।

## বিশ্বনাথৰ মন্দিৰত চুৰি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৫ জুন ঃ** বিশ্বনাথত এইবাৰ চোৰৰ লক্ষ্য মন্দিৰৰ দানপাত্ৰ সা- সামগ্ৰী। ১৯৬৮ চনতে স্থাপিত হোৱা ঐতিহাসিক বিশ্বনাথ চাৰিআলি পানীভঁড়ালৰ ৰাধাকৃষ্ণ প্ৰাণামী মন্দিৰত চুৰি কাণ্ড। শুকুৰবাৰে নিশা চোৰে ৰাধাকৃষ্ণ প্ৰণামী মন্দিৰৰ গডৰেজ আৰু দানপাত্ৰ ভাঙি লুটি লৈ গ'ল লক্ষাধিক টকাৰ মূল্যৱান সামগ্ৰী। উল্লেখ্য যে এই মন্দিৰটোৰ পৰা কিছুদিন পূৰ্বে চোৰে লুটপাত কৰি নিছিল যদিও পুনৰ চোৰৰ লক্ষ্য হ'ল ৰাধাকৃষ্ণ প্ৰাণামী মন্দিৰ। ইফালে এই খবৰ লাভ কৰি পুৱাই বিশ্বনাথ চাৰিআলি থানাৰ এটা আৰক্ষীৰ দল উপস্থিত হৈ মন্দিৰ পৰিচালনা সমিতি সৈতে আলোচনা কৰাৰ লগতে তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে। আনহাতে, বাতৰি প্ৰেৰণ কৰা মুহূৰ্তলৈকে কোনো চোৰক চিনাক্ত কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষী।



# উত্তৰ-পূবৰ সামগ্ৰী ৰপ্তানিৰ বাবে এপিইডিএৰ উদ্যোগত অনুষ্ঠিত সন্মিলন কৃষিমন্ত্ৰী অতুল বৰাৰ অংশগ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ জুন ঃ** অসম তথা উত্তৰ-পূবৰ জৈৱিক কৃষিজাত সামগ্ৰীৰ ৰপ্তানিৰ এক পৰিৱেশ তথা পথ সুগম কৰাৰ উদ্দেশ্যে আজি কৃষি আৰু সংশোধিত খাদ্য সামগ্ৰী ৰপ্তানি উন্নয়ন প্ৰাধিকৰণ চমুকৈ এপিইডিএৰ উদ্যেগত আজি মহানগৰীৰ তাজ বিভান্তাত অনুষ্ঠিত কৰা হয় এক সন্মিলন। অসম তথা উত্তৰ-পূবৰ উৎপাদিত জৈৱিক কৃষিজাত সামগ্ৰীসমূহ ৰপ্তানিৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰাৰ লক্ষ্যৰে এই সন্মিলনৰ আয়োজন কৰা হয়। আজিৰ সন্মিলনত অসম তথা উত্তৰ-পূবৰ ব্যৱসায়ী তথা ৰপ্তানিকৰ্তাসকল উপস্থিত থাকে। আজিৰ সন্মিলন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে কৃষিমন্ত্ৰী অতুল বৰাই। আজিৰ অনুষ্ঠানত অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব তথা কৃষি উৎপাদন আয়ুক্ত ড° আশিস কুমাৰ ভূটানী উপস্থিত থাকে। উদ্বোধনী ভাষণত কৃষি মন্ত্ৰী অতুল বৰাই অসমৰ লগতে উত্তৰ-পূব অঞ্চলৰ অন্যান্য ৰাজ্যসমূহৰ প্ৰাকৃতিক আৰু জৈৱিক কৃষিজাত সামগ্ৰীৰ ৰপ্তানিৰ প্ৰসাৰৰ বাবে এপিইডিএ-য়ে গ্ৰহণ কৰা প্ৰচেষ্টা আৰু পদক্ষেপক প্ৰশংসা কৰে। অনুষ্ঠানত এপিইডিএৰ অধ্যক্ষ ড° এম অংগমুথুৱে কয় যে এই সন্মিলনে অসমৰ উৎপাদক আৰু প্ৰছেছৰসকলক তেওঁলোকৰ সামগ্ৰী প্ৰদৰ্শন তথা ৰপ্তানিৰ লগতে তেওঁলোকৰ পাইকাৰী আৰু খুচুৰা বিক্ৰীৰ প্ৰচাৰ কৰাৰ সুযোগ প্ৰদান কৰিব। অসমকে ধৰি উত্তৰ-পূবৰ ৰাজ্যসমূহত ৰপ্তানি পেকেটৰ আধাৰ সম্প্ৰসাৰিত কৰাত সহায় কৰে আৰু ৰাজ্যখনৰ জনসাধাৰণৰ মাজত নিযুক্তিৰ সুযোগ বৃদ্ধি কৰাত সহায় কৰিব বুলি অধ্যক্ষ গৰাকীয়ে উল্লেখ কৰে। আজিৰ সন্মিলনত কৃষক, এফপিঅ', উদ্যোগী আৰু চৰকাৰী বিষয়াসকলক মানৰ মাপকাঠি, পুষ্টিগত মূল্য, পৰীক্ষাগাৰ পৰীক্ষা আৰু স্বাস্থ্যৰ মাপকাঠি পূৰণ কৰিবলৈ পৰামৰ্শ প্ৰদান কৰা হয়। এপিইডিএয়ে কৃষি মন্ত্ৰণালয়ৰ বিষয়াসকলক ক্ষমতা নিৰ্মাণৰ সুবিধা প্ৰদান কৰাৰ পৰিকল্পনা কৰিছে আৰু বাচনিকৃত বিষয়াসকলক বাংগালোৰ, মহাৰাষ্ট্ৰ, গুজৰাট আদিলৈ প্ৰেৰণ কৰা হ'ব। লক্ষণীয়ভাৱে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ 'মন কি বাত'ত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰা জৈৱিক সামগ্ৰী ৰপ্তানিৰ বিষয়েও উল্লেখ কৰিছিল। অনুষ্ঠানটোত ২০ টাতকৈ অধিক ৰপ্তানিকৰ্তা, ৭০ টা কৃষক উৎপাদক সংগঠনৰ প্ৰতিনিধি আজিৰ সন্মিলনত অংশগ্ৰহণ কৰে। আজিৰ সন্মিলনত ১৮টা বিপণীত বিভিন্ন প্ৰাকৃতিক, জৈৱিক আৰু জি আই সামগ্ৰী প্ৰদৰ্শন কৰা হয়। এপিইডিএ কৃষি ৰপ্তানি নীতিৰ অধীনত ৰাজ্যসমূহক কৃষি উৎপাদন ৰপ্তানিৰ সম্ভাৱনা ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰি আছে। এপিইডিএৰ লক্ষ্য হৈছে ক্ৰেতাসকলৰ বাবে প্ৰযোজক গোট আৰু প্ৰচেছৰৰ পৰা পোনপটীয়াকৈ সামগ্ৰীপ্ৰাপ্ত কৰাৰ বাবে এটা মঞ্চ সৃষ্টি কৰা। এপিইডিএ-য়ে ৰপ্তানিকৰ্তাসকলক তেওঁলোকৰ খাদ্য সামগ্ৰীবোৰ বিশ্বৰ বজাৰত দাঙি ধৰাৰ এক মঞ্চ প্ৰদান কৰাৰ চেষ্টা চলাই আছে।

## কৰ্দৈগুৰিত ‘এ’ ডিভিজন ফুটবল লীগ আৰম্ভ

**গুৱাহাটী, ২৫ জুন ঃ** তিনিচুকীয়া জিলা ক্ৰীড়া সন্থাৰ তত্বাৱধানত,তালাপ কৰ্দৈগুৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত, বৰগড়া ৰাজহুৱা খেলপথাৰত আজিৰ পৰা অনুষ্ঠিত হৈছে ‘এ’ ডিভিজন মাশুলিক ফুটবল লীগ। মুঠ পাঁচটা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনৰ আজিৰ প্ৰথমখন খেল নৰমিলন ফুটবল দল (তালাপ) আৰু নিৰ্মালী ফুটবল দল (কৰ্দৈগুৰি)ৰ মাজত অনুষ্ঠিত হয়। খেলখনত ২-২ গলৰ ব্যৱধানত ড্ৰ হয়। খেলখন শুভ উদ্বোধন কৰে মৰাণ স্বায়ত্বশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য সোমেশ্বৰ মৰাণে আৰু অনুষ্ঠানটোত উপস্থিত থাকে সদৌ মৰাণ ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক দ্ৰোণকান্ত মৰাণ,উপ সভাপতি হেম বৰুৱা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফটিক চন্দ্ৰ মৰাণ, কৰ্দৈগুৰি আঞ্চলিক যুৱক সংঘৰ সভাপতি ৰহেন্দ্ৰ মৰাণ,তালাপ আঞ্চলিক যুৱক সংঘৰ সম্পাদক ত্ৰীদিপ বৰা,সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰৰ আলোচনী সম্পাদক নীৰেন মৰাণকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি। খেলখন মুখ্য ৰেফাৰী সুশান্ত মৰাণ আৰু সহঃপৰিচালক নিকুলাছ ধান,কুলেশ্বৰ মৰাণ আৰু চতুৰ্থ পৰিচালক নোৰেল কাশ্যপ।



নতুন দিল্লীত দবা অলিম্পিয়াড টৰ্চ ৰিলে মুকলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

## অলিম্পিক দিৱসত প্ৰদৰ্শনীমূলক ফুটবল

**গুৱাহাটী, ২৫ জুন ঃ** আন্তৰাষ্ট্ৰীয় অলিম্পিক দিৱস উপলক্ষে যোৱা ২৩ জুনত তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত পলফিল্ডত এখন প্ৰীতি ফুটবল খেল অনুষ্ঠিত হয়। তেজপুৰ ফুটবল একাডেমী আৰু চাৰিদুৱাৰৰ কলচী ফুটবল একাদশৰ মাজত অনুষ্ঠিত এই প্ৰদৰ্শনীমূলক খেল খনৰ শুভাৰম্ভ কৰে জিলা ক্ৰীড়া বিষয়া খনিন্দ মুদৈ আৰু তেজপু জিলা ক্ৰীড়া সন্থাৰ সভাপতি জিতেন বৰঠাকুৰে। দুয়োটা দলেই সুন্দৰ প্ৰদৰ্শন আগবঢ়াই য'দিও খেলখন অমীমাংসিত ভাৱে অন্ত পৰে। আন্তৰাষ্ট্ৰীয় অলিম্পিক দিৱসৰ বিশেষ দিনটোত আয়োজিত হোৱা প্ৰীতি ফুটবল খেলখনৰ ৰোমাঞ্চ লয় স্থানীয় ক্ৰীড়াপ্ৰেমীয়ে।

### প্ৰশিক্ষক-অধিনায়কৰূপে লক্ষ্মন-হাৰ্দিকৰ অভিষেক

# আজি ভাৰত-আয়াৰলেণ্ডৰ প্ৰথম টি-২০



**ডাবলিন, ২৫ জুন ঃ** আয়াৰলেণ্ড ভ্ৰমণলৈ যোৱা ভাৰতীয় ক্ৰিকেট দলে কাইলৈ দুখনীয়া টি-২০ শৃংখলাৰ প্ৰথম মেচখন খেলিব ঘৰুৱা দলৰ বিৰুদ্ধে। উল্লেখ্য যে টীম ইণ্ডিয়াক আয়াৰলেণ্ড ভ্ৰমণত নেতৃত্ব দিব তাৰকা অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াই। প্ৰথমবাৰৰ বাবে জাতীয় দলৰ অধিনায়ক হৈছে হাৰ্দিক। ইফালে, প্ৰথমবাৰৰ বাবে ভাৰতীয় দলৰ প্ৰশিক্ষকৰ ভূমিকাত দেখিবলৈ পোৱা যাব ভি ভি এছ লক্ষ্মনক। উল্লেখ্য যে ভাৰতৰ টেষ্ট দলৰ সৈতে নিয়মীয়া প্ৰশিক্ষক ৰাহুল দ্ৰাবিড় ইংলেণ্ড ভ্ৰমণত ব্যস্ত থকাৰ বাবে লক্ষ্মনক টি-২০ শৃংখলাটোত প্ৰশিক্ষকৰ দায়িত্ব দিয়া হৈছে। ভাৰতীয় দলৰ সহ-অধিনায়ক হিচাপে বেগী বলাৰ ভুৱনেশ্বৰ কুমাৰক নিৰ্বাচিত কৰা হৈছে। ইফালে, দক্ষিণ আফ্ৰিকা শৃংখলাত ভাৰতীয় দলৰ নেতৃত্বত থকা উইকেটকীপাৰ বেটাৰ ঋষভ পন্টৰ লগতে লোকেশ ৰাহুল আৰু শ্ৰেয়াছ আয়াৰকো ইংলেণ্ড ভ্ৰমণৰত ভাৰতীয় দলত স্থান দিয়াৰ বাবে আয়াৰলেণ্ডৰ বিৰুদ্ধে শৃংখলাত দলত ৰখা হোৱা নাই। কিন্তু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে শৃংখলাত প্ৰথমবাৰৰ বাবে ভাৰতীয় দলত স্থান লাভ কৰা পেচাৰদ্বয় উমৰান মালিক আৰু অৰ্শদ্বীপ সিঙক আয়াৰলেণ্ড ভ্ৰমণৰত দলত আছে। আনহাতে উইকেটৰক্ষক বেটাৰ দিনেশ কাৰ্তিককো আয়াৰলেণ্ড ভ্ৰমণৰ বাবে দলত পুনৰ অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰতীয় দলটো হ'ল ঃ হাৰ্দিক পাণ্ডিয়া, ভুৱনেশ্বৰ কুমাৰ, ঈশান কিষণ, ৰিতুৰাজ গায়কোৱাড, সঞ্জু চেমছন, সূৰ্যকুমাৰ যাদৱ, ভেংকটেশ আয়াৰ, দীপক হুডা, ৰাহুল ত্ৰিপাঠী, দিনেশ কাৰ্তিক, যুজবেন্দ্ৰ চাহাল, অক্ষৰ পেটেল, ৰবি বিষ্ণৱ, হৰ্ষল পেটেল, আৱেশ খান, অৰ্শদ্বীপ সিং আৰু উমৰান মালিক।




## গুৱাহাটী ক্ৰীড়া সন্থাৰ চাইকেল ৰেলী

**গুৱাহাটী, ২৫ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় ড্ৰাগ্ছ সেৱন বিৰোধী দিৱস উপলক্ষে গুৱাহাটী ক্ৰীড়া সন্থাই টিলিঙা ক্লাবৰ সহযোগত আয়োজন কৰিবলৈ লৈছে এক চাইকেল সমদল। অহা ২৬ জুনৰ পুৱা ৫-৩০ বজাত আৰ জি বৰুৱা স্প'ৰ্টছ কমপ্লেক্সৰ পৰা ফ্লেগ অফ্ হ'ব লগা এই ৰেলী পুনৰ নেহৰু ষ্টেডিয়ামতে সামৰণি পৰিব। সমাজৰ বিভিন্ন স্তৰৰ বিশিষ্ট ব্যক্তিয়ে অংশ লৈ ড্ৰাগ্ছ সেৱনৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ প্ৰয়াস চলাব বুলি সন্থাৰ সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি কলিতাই এটা বিবৃতিত জনাইছে। এই ৰেলীত যোগদানৰ বাবে আগ্ৰহীসকলক ৮৪৭৩০৯০৩৫৩ নম্বৰত যোগাযোগ কৰিবলৈ কোৱা হৈছে।

### অপৰাজেয় হৈ কোৱাৰ্টাৰ ফাইনেলত হাৰিয়ানা

## অন্তিম মেচত অসমৰ বিৰুদ্ধে ৬-২ গ'লত জয়

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ২৫ জুন ঃ** ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত হোৱা চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ আজিৰ গ্ৰুপ ‘জি'ৰ মেচত হাৰিয়ানাই অসমক ৬-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ন পইণ্টৰে অপৰাজেয় হৈ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। বিপৰীতে তিনিখন মেচৰ দুখনতে পৰাস্ত হৈ লজ্জাজনকভাৱে বিদায় ল'লে অসমে। উল্লেখ্য যে আজিৰ খেলত অসম দলৰ গ'লৰক্ষক মাম্পি সোনোৱালে বক্সৰ বাহিৰত অসাৱধানবশতঃ বল আয়ত্ত কৰিবলৈ যাওঁতে হাতত বল লাগি ধৰাত ৰেফাৰীয়ে ফাউলৰ সংকেত দিয়াৰ লগতে ৰঙা কাৰ্ড দেখুৱাই ফলত অসম দলে খেলৰ ১০ জনীয়া খেলুৱৈৰে খেলিব লগীয়া হয়। ইয়াৰ সুযোগ হৈ সফল হয় হাৰিয়ানা। দলৰ হৈ কল্পনাই খেলৰ দুই মিনিটত এটা কৰ্ণাৰ কিকেৰে গ'ল আৰম্ভণি কৰে। ইয়াৰ পিচতে নান্সিয়ে (৩১, ৩৬ মিনিট) আৰু সোনিয়াই (৪৭, ৭৭ মিনিট) দুটা তথা ৰীণাই (৩৭ মিনিট) এটা গ'ল দিয়ে । অসম দলৰ হৈ অঞ্জলী ব্ৰহ্মাই (১২,৪৩ মিনিট) দুয়োটা গ'ল দিয়ে। উল্লেখ্য যে পূৰ্বৰ মেচত হাৰিয়ানাই ৫-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল পডুচেৰীক। আনহাতে প্ৰথম মেচত হাৰিয়ানাই ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল গুজৰাটক। কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ বাবে অন্তিম মেচত অসমে হাৰিয়ানাক ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিব লাগিছিল যদিও ফলাফল ওলোটাহে হয়। ইফালে গ্ৰুপ ‘জি'ৰ আজি হোৱা আন এখন মেচত গুজৰাটে ৭-০ গ'লৰ ব্যৱধানত পডুচেৰীক পৰাস্ত কৰে যদিও এই সফলতাই দলক দ্বিতীয় স্থানতে ৰাখিলে। স্মৰ্তব্য যে অসমৰ বিৰুদ্ধে জয় অৰ্জন কৰি আশা সজীৱ ৰাখিছিল গুজৰাটে। আজি অন্তিম মেচত দলে বৃহৎ ব্যৱধান পডুচেৰীক পৰাস্ত কৰিলে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ সুযোগ আছিল। ইফালে, তিনিখন মেচত পৰাস্ত হোৱা পুডুচেৰী অসমৰ পাছতে চতুৰ্থত থাকে।

## বুধবাৰে তামুলপুৰত ফুটবল ৰেফাৰীৰ শাৰীৰিক পৰীক্ষা

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, তামুলপুৰ, ২৫ জুন ঃ** তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ অন্তৰ্গত ফুটবল ৰেফাৰীসকলৰ শাৰীৰিক পৰীক্ষা অহা বুধবাৰে পুৱা ৬.৩০ বজাৰ পৰা তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব। তামুলপুৰ ক্ৰীড়া সন্থাৰ অন্তৰ্গত ফুটবল ৰেফাৰী বোৰ্ডৰ অধ্যক্ষ দেৱেন দাসে আজি এই কথা সংবাদ মাধ্যমক জনাইছে।

## নৰ্থ চেনেল-ইংলিছ চেনেলত সাঁতুৰিব এলভিছে



**গুৱাহাটী, ২৫ জুন ঃ** অসমৰ জলকোঁৱৰ হিচাপে পৰিচিত আন্তঃৰাষ্ট্ৰীয় সাঁতাৰুবিদ এলভিছ আলি হাজৰিকাই এইবাৰ আন এক দুঃসাহসিক কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আগবাঢ়িছে। ‘মিছন অপৰাজেয়' নামেৰে আৰম্ভ কৰিবলগীয়া এই কাৰ্যসূচী অনুসৰি সাঁতোৰবিদগৰাকীয়ে অহা ১৭ ছেপ্টেম্বত নৰ্থ চেনেল'ৰ নৰ্থ আয়াৰলেণ্ডৰ পৰা স্কটলেণ্ডলৈ আৰু আগন্তুক বৰ্ষৰ মাজভাগত ইংলিছ চেনেল'ৰ ইংলেণ্ডৰ পৰা ফ্ৰান্সলৈ সাগৰ সাঁতুৰি পাৰ হ'ব। মাত্ৰ ১৩ ঘণ্টাত নৰ্থ চেনেল'ৰ ৪২ কিলোমিটাৰ আৰু ইংলিছ চেনেল'ৰ ৩৮ কিলোমিটাৰ সাগৰৰ মাজত পাৰ কৰিবলগীয়া এই কাৰ্যসূচী হ'ব অতি প্ৰত্যাহ্বানমূলক। আজি এক সংবাদমেলত এইকথা প্ৰকাশ কৰে এলভিছে। সংবাদমেলত উপস্থিত থাকি সাংবাদিক প্ৰণয় বৰদলৈয়ে জলকোঁৱৰ এলভিছ আলি হাজৰিকাৰ এই দুঃসাহসিক কাৰ্যৰ বাবে শুভেচ্ছা জনাৱোৰ লগতে প্ৰশংসাও কৰে। আনহাতে, ভাস্কৰজ্যোতি ভূএগই ‘মিছন অপৰাজেয়'ৰ বাবে এলভিছক সকলো দিশতে সহায় কৰাৰ আশ্বাস প্ৰদান কৰে। হেমন্ত শৰ্মাই আঁতধৰা সংবাদমেলখনত উপস্থিত থাকি কেবাগৰাকী জ্যেষ্ঠ ক্ৰীড়া সাংবাদিকে তেওঁক শুভেচ্ছা জনায়। ইপিনে, সাঁতোৰবিদগৰাকীয়ে এইবছৰৰ শেষত অথবা নতুন বছৰৰ আৰম্ভণিতে গুজৰাট-গোৱা-মুম্বাইলৈ ৮০০ কিলোমিটাৰ ৰিলেতো অংশগ্ৰহণ কৰিব। উল্লেখ্য যে, ৪২ বছৰীয়া সাঁতোৰবিদজনে বৰ্তমানলৈকে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ছটা সাণেৰ, সাতটা ৰূপৰ, পাঁচটা ব্ৰঞ্জ তথা ৰাষ্ট্ৰীয় পৰ্যায়ত ১৩৪ টা সোণৰ, ৪৩ টা ৰূপৰ, ১৫ টা ব্ৰঞ্জ আৰু ৰাজ্যিক পৰ্যায়ত ১২৮ টা সোণৰ, ১২ টা ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। শেহতীয়াকৈ চলিত বৰ্ষৰ মাৰ্চত আৰব সাগৰৰ গেটৱে অৱ ইণ্ডিয়া, মুম্বাইৰ পৰা মাত্ৰ ৫৩ ঘণ্টাত ২০০ কিলোমিটাৰ সাঁতুৰি অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।

### জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতা

## অন্তিম মেচত গোৱাক হৰুৱাই কোৱাৰ্টাৰ ফাইনেলত অৰুণাচল

**গুৱাহাটী, ২৫ জুন ঃ** অৰুণাচল আৰু চত্তিছগড়ে চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত অসম ফুটবল সন্থাই আয়োজন কৰা প্ৰতিযোগিতাখনৰ গ্ৰুপ ‘ডি'ৰ চেম্পিয়ন হৈ অৰুণাচলে সাত পইণ্ট লাভ কৰি নক আউট কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ইফালে চত্তিছগড়ে সাত পইণ্টৰে গ্ৰুপ ‘বি'ৰ চেম্পিয়ন হোৱাৰ সূত্ৰে প্ৰৱেশ কৰিছে কোৱাৰ্টাৰ ফাইনেলত। আজি সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গ্ৰুপ ‘ডি'ৰ খেলত অৰুণাচলে ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে গোৱাক। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰথম মেচত অৰুণাচলে ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ছিকিমক। আনহাতে, দ্বিতীয় মেচত হিমাচলৰ লগত ১-১ গ'লত ড্ৰ খেলিছিল অৰুণাচলে। আজি অনুষ্ঠিত হোৱা গ্ৰুপ ‘ডি'ৰ আন এখন মেচত হিমাচলে ৩-০ গ'লৰ ব্যৱধানত ছিকিমক পৰাস্ত কৰে যদিও পূৰ্বৰ দুখন মেচত ড্ৰ খেলাৰ বাবে পাঁচ পইণ্ট লাভ কৰি দ্বিতীয়ত থাকে। উল্লেখ্য যে চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ দুখন কোৱাৰ্টাৰ ফাইনেল সৰুসজাইত আৰু দুখন কোৱাৰ্টাৰ ফাইনেল সোনাপুৰত অনুষ্ঠিত হ'ব।

## গ'লৰ গড় আধাৰত কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা চত্তিছগড়ৰ

**গুৱাহাটী, ২৫ জুন ঃ** অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত অসম ফুটবল সন্থাই আয়োজন কৰা ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ আজি সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গ্ৰুপ ‘বি'ৰ এখন গুৰুত্বপূৰ্ণ খেলত চত্তিছগড়ে ৩-১ গ'লৰ ব্যৱধানত কৰ্ণাটকক পৰাস্ত কৰে। এই জয়ৰে দলে সাত পইণ্ট লাভ কৰি গ্ৰুপ ‘বি'ৰ চেম্পিয়ন হোৱাৰ সূত্ৰে প্ৰৱেশ কৰিছে কোৱাৰ্টাৰ ফাইনেলত। উল্লেখ্য যে মিজোৰাম দলেও সাত পইণ্ট লাভ কৰিছে যদিও গ'ল ব্যৱধানত আধাৰত চত্তিছগড়ে চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে পূৰ্বৰ মেচত খেলত চত্তিছগড়ে ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল উত্তৰ প্ৰদেশক। বিপৰীতে মিজোৰাম আৰু চত্তিছগড়ৰ মাজৰ মেচখন ১-১ গ'লৰ ব্যৱধানত ড্ৰ হৈছিল। ইফালে, মিজোৰামে আজি হোৱা মেচত ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে উত্তৰ প্ৰদেশক। কিন্তু এই জয়ে দলক লক্ষ্যত উপনীত কৰাব নোৱাৰিলে। উল্লেখ্য যে প্ৰথম মেচত মিজোৰামে ২-০ গ'লৰ ব্যৱধানত কৰ্ণাটকক পৰাস্ত কৰিছিল। উল্লেখ্য যে চলিত জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ অংশকাৰী দলসমূহক আঠটা গ্ৰুপত ভাগ কৰা হৈছে। প্ৰতিযোগিতাখনৰ মেচসমূহ অনুষ্ঠিত হৈছে সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়াম, নেহৰু ষ্টেডিয়াম, পল্টনবজাৰৰ ছাই নিউ ফিল্ড, সোণাপুৰৰ এল এন আই পি আৰু ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত। গ্ৰুপ পৰ্যায়ৰ মেচসমূহৰ পাছত দুখন কোৱাৰ্টাৰ ফাইনেল সৰুসজাইত আৰু দুখন কোৱাৰ্টাৰ ফাইনেল সোনাপুৰত অনুষ্ঠিত হ'ব। আনহাতে দুয়োখন ছেমিফাইনেল আৰু ফাইনেল মেচ সৰুসজাইত হ'ব।



ইংলেণ্ড আৰু নিউজিলেণ্ডৰ মাজত চলি থকা তৃতীয় টেষ্টৰ এটি মুহূৰ্ত

## ৰাজ্যিক-জিলা ক্ৰীড়া সন্থালৈ অসম অলিম্পিকৰ আৰ্থিক অনুদানৰ চেক বিতৰণ

**গুৱাহাটী, ২৫ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস উপলক্ষে অসম অলিম্পিক সন্থাই গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ত আয়োজন কৰা দিনজোৱা কাৰ্যসূচীতে ৰাজ্যৰ সকলো জিলা ক্ৰীড়া সন্থা আৰু ৰাজ্যিক ক্ৰীড়া সন্থাসমূহক আৰ্থিক আনুদান আনুষ্ঠানিকভাৱে প্ৰদান কৰে। উল্লেখ্য, যে অসম অলিম্পিক সন্থাই জিলা ক্ৰীড়া সন্থাক এক লাখ টকা আৰু ৰাজ্যিক ক্ৰীড়া সন্থাক ডেৰ লাখ টকাৰ আৰ্থিক অনুদান আগবঢ়ায়। কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা উক্ত অনুষ্ঠানত উপস্থিত থাকে অসম অলিম্পিক সন্থাৰ উপ সভাপতি তথা কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকা, অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ আৰু অসম অলিম্পিক সন্থাৰ কোষাধ্যক্ষ তপন কুমাৰ দাস। ইফালে, আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱসৰ দিনা গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ত আয়োজন কৰা এক অনুষ্ঠানত সমাগত যুৱ অলিম্পিক ২০২২ ৰ লগ', থিম ছং আৰু টি ছাৰ্ট আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। অহা ২৩ ৰ পৰা ২৭ জুলাইলৈ অসম অলিম্পিক সন্থা আৰু অসম চৰকাৰে যুটীয়া ভাৱে প্ৰথমবাৰৰ বাবে আয়োজন কৰিব অসম যুৱ অলিম্পিক। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে হ'বলগা ৰাজ্যিক ক্ৰীড়া প্ৰতিযোগিতাখনত ৩৫ খন জিলাৰ প্ৰায় ৪৫০০ খেলুৱৈয়ে অংশ ল'ব। অসম যুৱ অলিম্পিক মুঠ ৩১ বিধ খেল অন্তৰ্ভুক্ত কৰিছে অসম অলিম্পিক সন্থাই। ইতিমধ্যে অসম যুৱ অলিম্পিকৰ পোষ্টাৰ আৰু টিজাৰ মুকলি কৰা হৈছে।

## তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

### ৪ জুলাইৰ পৰা অনুষ্ঠিত হ'ব তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ অধীনত বিভিন্ন বিভাগৰ ফুটবল খেল

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, তামুলপুৰ, ২৫ জুন ঃ** তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা আজি তামুলপুৰ প্ৰেচ্ছক্লাৱত অনুষ্ঠিত হয়। তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য দেৱেন বড়োৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত অহা জুলাই মাহৰ পহিলা সপ্তাহৰ পৰা তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ অধীনত অনুষ্ঠিত হ'বলগীয়া বিভিন্ন বিভাগৰ খেল সমূহ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তামুলপুৰ ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক কমলা কান্ত বড়োই প্ৰকাশ কৰা মতে অহা ৪ জুলাইৰ পৰা তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ অধীনত ১৩ বছৰ অনুৰ্ধৰ ফুটবল লীগৰ খেল সমূহ তামুলপুৰত অনুষ্ঠিত হ'ব। আনহাতে ৭ জুলাইৰ পৰা তামুলপুৰ ক্ৰীড়া সন্থাৰ অধীনত এ আৰু বি ডিভিজন ফুটবল লীগ সমূহো আৰম্ভ হোৱাৰ কথা। কমলা কান্ত বড়োই আৰু সদৰি কৰামতে তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আন্তঃজিলা ছিনিয়ৰ ফুটবল ছেম্পিয়নশ্বিপৰ E ZONE ৰ খেলসমূহ অহা ২৮ জুলাইৰ পৰা তামুলপুৰত অনুষ্ঠিত হ'ব।






মেঘালয়ৰ দক্ষিণ গাৰো পাৰ্বত্য জিলাত অনুষ্ঠিত বাইক ৰেছ প্ৰতিযোগিতাৰ কেইটিমান মুহূৰ্ত, শনিবাৰে




## মিছন অপৰাজেয়

# নৰ্থ চেনেল আৰু ইংলিছ চেনেলত সাঁতুৰিব এলভিছে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ জুন ঃ** অসমৰ জলকোঁৱৰ হিচাপে পৰিচিত আন্তঃৰাষ্ট্ৰীয় সাঁতোৰবিদ এলভিছ আলি হাজৰিকাই এইবাৰ এক দুঃসাহসিক কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আগবাঢ়িছে। মিছন অপৰাজেয়' নামেৰে আৰম্ভ কৰিবলগীয়া এই কাৰ্যসূচী অনুসৰি সাঁতোৰবিদগৰাকীয়ে অহা ১৭ ছেপ্টেম্বত নৰ্থ চেনেল'ৰ নৰ্থ আয়াৰলেণ্ডৰ পৰা স্কটলেণ্ডলৈ আৰু আগন্তুক বৰ্ষৰ মাজভাগত ইংলিছ চেনেল'ৰ ইংলেণ্ডৰ পৰা ফ্ৰান্সলৈ সাগৰ সাঁতুৰি পাৰ হ'ব। মাত্ৰ ১৩ ঘণ্টাত নৰ্থ চেনেল'ৰ ৪২ কিলোমিটাৰ আৰু ইংলিছ চেনেল'ৰ ৩৮ কিলোমিটাৰ সাগৰৰ মাজত পাৰকৰিবলগীয়া এই কাৰ্যসূচী হ'ব অতি প্ৰত্যাহ্বানমূলক। মিছন অপৰাজেয়'ৰ বাবে সাজু হোৱা সাঁতোৰবিদগৰাকীক সহায়ক বাবে আগবাঢ়ি আহিছে গুৱাহাটীস্থ ব্যৱসায়িক প্ৰতিষ্ঠান এছ এম ডেভলপাৰ্ছ। শনিবাৰে গুৱাহাটী প্ৰেছ ক্লাব আয়োজিত এক সংবাদমেলত এইকথা প্ৰকাশ কৰে বিশিষ্ট সাঁতোৰবিদগৰাকীয়ে। সংবাদমেলত উপস্থিত থাকি বিশিষ্ট সাংবাদিক প্ৰণয় বৰদলৈয়ে জলকোঁৱৰ এলভিছ আলি হাজৰিকাৰ এই দুঃসাহসিক কাৰ্যৰ বাবে শুভেচ্ছা জনোৱাৰ লগতে প্ৰশংসাৰে উপচাই পেলায়। আনহাতে, এছ এম ডেভলপাৰ্ছৰ হৈ উপস্থিত থাকি প্ৰতিষ্ঠানটোৰ কেবাগৰাকী জ্যেষ্ঠ বিষয়া আৰু উপাধ্যক্ষ ভাস্কৰজ্যোতি ভূঞাই আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন সাঁতোৰবিদগৰাকীক 'মিছন অপৰাজেয়'ৰ বাবে সকলো দিশতে সহায় কৰাৰ আশ্বাস প্ৰদান কৰে। সাংবাদিক হেমন্ত শৰ্মাই আঁতধৰা সংবাদমেলখনত উপস্থিত থাকি কেবাগৰাকী জ্যেষ্ঠ ক্ৰীড়া সাংবাদিকে তেওঁত শুভেচ্ছা জনায়। ইপিনে, 'মিছন অপৰাজেয়'ৰ অন্তৰ্গত নৰ্থ চেনেল' আৰু ইংলিৰ্ছ চেনেল'ৰ উপৰি

## আন্তঃৰাষ্ট্ৰীয় সাঁতোৰবিদ এলভিছ আলী হাজৰিকাৰ নতুন প্ৰত্যাহ্বান

সাঁতোৰবিদগৰাকীয়ে এইবছৰৰ শেষত অথবা নতুন বছৰৰ আৰম্ভণিতে গুজৰাট-গোৱা-মুম্বাই লৈ ৮০০ কিলোমিটাৰ ৰিলেতো অংশগ্ৰহণ কৰিব। ইপিনে, সম্প্ৰতি 'মিছন অপৰাজেয়'ৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ বানপৰিস্থিতিৰ বিষয়ে সজাগতামূলক বাৰ্তা বিলোৱাৰ লগতে বন্যাৰ্তৰ বাবে আৰ্থিক সাহায্য সংগ্ৰহ কৰি মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ প্ৰেৰণ কৰাৰ কথাও আজিৰ সংবাদমেলত সদৰি কৰে সাঁতোৰবিদগৰাকীয়ে। উল্লেখ্য যে, ৪২ বছৰীয়া এইগৰাকী সাঁতোৰবিদে বৰ্তমানলৈকে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ৬ টা সোণৰ, ৭ টা ৰূপৰ, ৫ টা ব্ৰঞ্জ, ৰাষ্ট্ৰীয় পৰ্যায়ত ১৩৪ টা সোণৰ, ৪৩ টা ৰূপৰ, ১৫ টা ব্ৰঞ্জ আৰু ৰাজ্যিক পৰ্যায়ত ১২৮ টা সোণৰ, ১২ টা ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। শেহতীয়াকৈ চলিত বৰ্ষৰ মাৰ্চত আৰব সাগৰৰ গেটৱে অৱ ইণ্ডিয়া মুম্বাইৰ পৰা গেটৱে অৱ ইণ্ডিয়ালৈ মাত্ৰ ৫৩ ঘণ্টাত ২০০ কিলোমিটাৰ সাঁতুৰি অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।



## ডিমাকুছি ষ্টেডিয়ামত ১৭ অনূৰ্ধ্ব ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বীপ

# অসমক পৰাস্ত কৰি হাৰিয়ানাৰ বৃহৎ জয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, খৈৰাবাৰী, ২৫ জুন ঃ** সৰ্বভাৰতীয় ফুটবল ফেডাৰেশ্যনৰ উদ্যোগত অসম ফুটবল সন্থাৰ সহযোগত ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত চলি থকা হিৰো জুনিয়ৰ ১৭ বছৰ অনুৰ্ধ্ব ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বিপ আজি বিয়লী ৩ বজাত অসম বনাম হাৰিয়ানা দলৰ মাজত অনুষ্ঠিত হয়। আৰু উক্ত খেলত ৬-২ গ'লৰ ব্যৱধানত হাৰিয়ানা দলে অসম দলক পৰাস্ত কৰি বৃহৎ জয় লাভ কৰিবলৈ সক্ষম হয়। ২১ জুনত অসম দলৰ প্ৰথমখন খেলৰ পাৰদৰ্শীতা দেখি খেলপ্ৰেমি ৰাইজে অসম দলক জয়ী হোৱাৰ বাবে বহু আশা কৰিছিল যদিও শেহতীয়া দুখন খেল পৰাজয় হোৱাৰ বাবে আজি অসম দল ২০২২ বৰ্ষৰ এই চেম্পিয়নশ্বীপৰ পৰা বিদায় ল'ব লগিয়া হয়। আনহাতে, অসম দলে পৰাজয় বৰণ কৰাত অসম দলৰ অনুৰাগী সকলৰ লগতে অসম ফুটবল সন্থাৰ বিষয়ববীয়াসকলেও দুখ প্ৰকাশ কৰে।



*গুজৰি-গুমৰি অহা বানত উটি গৈছিল দৰিদ্ৰ পৰিয়ালৰ এজন ছাত্ৰৰ চাইকেল, ছাত্ৰগৰাকীক এখন নতুন চাইকেল কিনি দি মহানুভৱতা দেখুৱালে নলবাৰীৰ নিউজ লাইভৰ সাংবাদিক ব্ৰজেন তালুকদাৰে*

# সৌৰভ কুমাৰ চলিহা গল্প সাহিত্যৰ নতুন দিশৰ উদ্ভাৱক ঃ কুলধৰ শইকীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ জুন ঃ** সৌৰভ কুমাৰ চলিহা গল্প সাহিত্যৰ নতুন দিশৰ উদ্ভাৱক। তেওঁৰ গল্পই অসমৰ বহু খ্যাত গল্পকাৰক অনুপ্ৰাণিত কৰিছে। নতুন প্ৰজন্মই তেওঁৰ সৃষ্টিক পুনৰ মূল্যায়ণ কৰি সেইসমূহৰ আস্বাদ ল'বলৈ আগবঢ়া আমি দেখিবলৈ পোৱাটো এক সুখৰ অনুভূতি। আজি অসম সাহিত্য সভাৰ উদ্যোগত সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা সভাগৃহত অনুষ্ঠিত সৌৰভ কুমাৰ চলিহাৰ শ্ৰদ্ধাৰ্ঘ্য অনুষ্ঠানত সভাপতি ড° কুলধৰ শইকীয়াই এইদৰে কয়। সভাৰ প্ৰকাশন আহ্বায়ক দেৱজিৎ বৰাই আঁত ধৰা অনুষ্ঠানত কটন বিশ্ববিদ্যালয়ৰ সুদৰ্শন শৰ্মাই ভাষণ প্ৰসংগত কয়— 'সৌৰভ কুমাৰ চলিহা, অশান্ত ইলেক্ট্ৰন এই নামকেইটা নৱ প্ৰজন্মক সাংঘাতিক আকৰ্ষণ কৰে। দৈনন্দিন জীৱনৰ শব্দ প্ৰয়োগ, প্ৰত্যহিক জীৱনৰ সৰু বৰ ঘটনাৰ আধাৰত চৰিত্ৰ নিৰ্মাণ তথা অভিনৱ কথনশৈলীৰে মনোজগতৰ আভাষ দাঙি ধৰাত পাঠকে নিজা ধৰণে অন্তৰংগতা অনুভৱ কৰে।' চিৰ



চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ হোৱা সভাখনত অসম সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰপাপ্ত প্ৰধান সম্পাদক অবনীমোহন চহৰীয়া, অসম সাহিত্য সভাৰ সাংস্কৃতিক উপ সমিতিৰ কাৰ্যকৰী সভাপতি দেৱেন্দ্ৰনাথ বসুমতাৰী, নাট পৰিচালক মানিক আহমেদ, দিশপুৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° সঞ্জীৱ কুমা শৰ্মা, কটন বিশ্ববিদ্যালয়ৰ অশ্বিনী ফুকন আৰু ভায়েলিনা চহৰীয়াকে ধৰি বহুসংখ্যক লোকে প্ৰয়াত গল্পকাৰজনক সশ্ৰদ্ধ স্মৰণ কৰে।




# ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিক্‌ছত শুৱালকুছিৰ খেলুৱৈৰ সফলতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২৫ জুন ঃ** গুজৰাটৰ বদোদ্ৰাত ভাৰতীয় এথলেটিকচ্ ফেডাৰচনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত ৰাষ্ট্ৰীয় মাষ্টাৰছ এথলেটিকচ্ প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰি পদক জয়েৰে শুৱালকুছিলৈ গৌৰৱ কঢ়িয়াই আনিছে কিশোৰ কুমাৰ দাসে। প্ৰতিযোগিতাখনৰ ৩৫বছৰ উৰ্ধ্বৰ চটপুত থ্ৰ'ত অংশগ্ৰহণ কৰি কিশোৰে ৰূপৰ পদক অৰ্জন কৰে। শুৱালকুছি স্পোৰ্টছ একাডেমীৰ খেলুৱৈ কিশোৰ কুমাৰ দাসৰ এই সাফল্যৰ পিছত শুৱালকুছিবাসীয়ে শুভকামনা জ্ঞাপন কৰিছে।

## ৰহাত বানাক্ৰান্তৰ মাজত সাহায্য সামগ্ৰী বিতৰণ আছুৰ

# বানক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণাৰ দাবী কেন্দ্ৰীয় সম্পাদক শংকৰজ্যোতি বৰুৱাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৫ জুন ঃ** বানাক্ৰান্ত ৰহা চাপৰমুখৰ ৰাইজৰ কাষত থিয় হৈছে আছু। আজি সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ নেতৃত্বত আছুৰ কেন্দ্ৰীয় সমিতিৰ এটা দলে আজি ৰহা আৰু চাপৰমুখৰ বনাৰ্তৰ অৱস্থাৰ বুজ লোৱাৰ ওপৰিও বানাক্ৰান্তৰ মাজত কিছু খাদ্য সামগ্ৰী ৰ যোগান ধৰে। দলটোৱে পোনতে ৰহাৰ গড়মাৰী আৰু পিছত চাপৰমুখৰ চকিয়ালগাৱৰ পথৰ ওপৰত আশ্ৰয় লৈ থকা লোকসকলৰ কাষলৈ গৈ বিস্কুট আৰু খোৱাপানী বিতৰণ কৰে।ইপিনে সাংবাদিকৰ আগত আছুৰ কেন্দ্ৰীয় সম্পাদকগৰাকীয়ে অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা নকৰাৰ বাবেই বান সমস্যা অধিক জটিল হৈ পৰা বুলি উল্লেখ কৰি বিজ্ঞানসন্মত আৰু পৰিকল্পিতভাৱে বান প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণৰ লগতে অসমৰ বাবে এক বিশেষ পেকেজ দিয়াৰ বাবে চৰকাৰক দাবী জনায়। আছুৰ এই দলটোত আছুৰ কেন্দ্ৰীয় সমিতিৰ তথ্য সম্পাদক মৃদুল হাজৰিকা, সাংগঠনিক সম্পাদক ৰাইফুদ্দিন আহমেদ, নগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি গৌৰীশংকৰ শইকীয়া, উপসভাপতি পংকজ বৰা, ভাৰপ্ৰাপ্ত সম্পাদক কংকণ বৰুৱা, নগাঁও জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক সঞ্জয় কুমাৰ কাকতি,ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক ভাৰত বৰুৱা আদি উপস্থিত থাকে। আনহাতেদি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন বৰাৰ নেতৃত্বতো কংগ্ৰেছৰ এটা দলেও আজি ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিবিৰত উপস্থিত হৈ ৯৩ টা বানাক্ৰান্ত পৰিয়ালৰ মাজত খাদ্য সামগ্ৰীৰ টোপোলা বিতৰণ কৰে।সামগ্ৰী বিতৰণ কৰি কংগ্ৰেছৰ সভাপতিগৰাকীয়ে সাংবাদিকৰ আগত অসমৰ জাতি মাটি ভেটিৰ কথা কোৱা বৰ্তমানৰ চৰকাৰখনে অসমৰ ৰাইজক কোনোক্ষেত্ৰতে সকাহ দিব নোৱাৰা বুলি মন্তব্য কৰি এইখন চৰকাৰৰ দিনতে বানৰ এই দুৰ্যোগৰ সময়তো বানত আক্ৰান্ত লোকৰ পৰা ৰিলিফ দিয়াৰ নামতো এচাম নেতা পালিনেতাই ধন বিচৰাটো অতি দুৰ্ভাগ্যজনক বুলি কয়। কংগ্ৰেছৰ সভাপতিগৰাকীৰ সৈতে বিৰোধী দলৰ উপদলপতি ৰকিবুল হুচেইন, বিধায়কদ্বয় নুৰুল হুদা আৰু শিবামণি বৰা, জিলা কংগ্ৰেছৰ সভাপতি সুৰেশ বৰা উপস্থিত থাকে।

# কটহগুৰিত টুকটুকী প্ৰেছ ক্লাবৰ সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ২৫ জুন ঃ** 'জীৱনৰ প্ৰতি সময় বৰ মূল্য বান। সময়ৰ লগত আমি আগবাঢ়ি যাব লাগিব।— এই মন্তব্য শিক্ষক, সমাজ কৰ্মী মৃগাংকা বৰাৰ। আজি টুকটুকী প্ৰেছ ক্লাবৰ উদ্যোগত অসম ৰেৰ পৰ্টেলৰ সহযোগত কৃতি ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠানতিত সভাপতিত্ব কৰে কটহগুৰি কমাচ কলেজৰ অধ্যক্ষ মিৰাজ অলিয়ে। টুকটুকী প্ৰেছ ক্লাবৰ সম্পাদক মুস্তাফা চালিম আহমেদে আঁত ধৰা অনুষ্ঠানটিত টুকটুকী অঞ্চলটোৰ প্ৰায় ৫০জন ছাত্ৰ-ছাত্ৰীক গামোচা, জাপি আৰু মানপাত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। টুকটুকী প্ৰেছ ক্লাবৰ মুখ্য উপদেষ্টা নিতুমণি গোস্বামীয়ে আদৰণি ভাষণ আগবঢ়োৱা সভাত ভাষণ আগবঢ়াই সমাজ কৰ্মী আবুল কাচেম, ফাইজুদ্দীন আহমেদ, মুকুল কলিতা, শিক্ষক প্ৰেমেশ্বৰ ঠাকুৰীয়া, শিক্ষক ৰাজীৱ কুমাৰ মহন্তই ভাষণ প্ৰদান কৰে। টুকটুকী প্ৰেছ ক্লাবৰ সভাপতি জালাল উদ্দীন আহমেদে ছাত্ৰ-ছাত্ৰীক জীৱনৰ প্ৰতিটো মুহুৰ্তৰ কথা কৈ শলাগৰ শৰাই আগবঢ়াই। সভাখনত মহাবিদ্যালয়খনৰ তিনিশ ছাত্ৰ ছাত্ৰী, অভিভাৱক সকল উপস্থিত আছিল।

# উৰিয়ামঘাটত বড়ো অতিথিশালা উদ্বোধন কৰিলে বিধায়ক বিশ্বজিৎ ফুকনে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধনশিৰি, ২৫ জুন ঃ** অসম নগালেণ্ড সীমান্তৰ উৰিয়ামঘাটবাসী ৰাইজে বিধায়ক বিশ্বজিৎ ফুকনৰ তৎপৰতাৰ দীৰ্ঘদিনীয়া এটা সমস্যাৰ অন্ত পৰিল। সীমান্তৰ এই অঞ্চলটোত জনসাধাৰন তথা চৰকাৰী বিষয়া সকলে বিভিন্ন সময়ত সীমান্ত অঞ্চললৈ আহি অঞ্চলটোত থকাৰ বাবে সমস্যাত পৰিছিল। যোৱা কিছু বছৰত অএনজিচি, বিটিচি প্ৰশাসন আৰু ৰাইজৰ সহযোগত এটি বড়ো অতিথিশালা নিৰ্মান কৰিছিল যদিও ধনৰ অভাৱত অতিথিশালাটোৰ নিৰ্মানৰ কাম সম্পূৰ্ণ কৰিব পৰা নাছিল। বিধায়ক বিশ্বজিৎ ফুকনে অতিথি শালাটো ধনৰ অভাৱত নিৰ্মান সম্পূৰ্ণ কৰিব পৰা হোৱা নাছিল বুলি জ্ঞাত হোৱাত ততাতৈয়াকৈ ভৱনটোৰ নিৰ্মান কাম সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰে আৰু ভৱনটোৰ নিৰ্মানৰ কাম সম্পূৰ্ণ কৰোৱায়। শনিবাৰে বিধায়ক গৰাকীয়ে বড়ো অতিথিশালাটো উদ্বোধন কৰি ৰাইজৰ বাবে মুকলি দিয়ে। উদ্বোধন অনুষ্ঠানত বড়ো কছাৰী কল্যান স্বায়ত্ব পৰিষদৰ উপ মুখ্য কাৰ্যবাহী সদস্য ৰমিয় নাৰ্জাৰী, বড়ো কছাৰী কল্যান স্বায়ত্ব পৰিষদৰ সদস্য প্ৰদীপ স্বৰ্গীয়াৰী, চুতীয়া জাতি উন্নয়ন পৰিষদৰ সদস্য মাধূৰ্য শইকীয়া, গোলাঘাট জিলা বিজেপিৰ যুৱ মৰ্চাৰ সাধাৰন সম্পাদক অনুপ জ্যোতি বৰা উপৰিও ভালে সংখ্যক গন্যমান্য ব্যক্তি উপস্হিত থাকে। ভাষন প্ৰসংগত বিধায়ক বিশ্বজিৎ ফুকনে কয় যে সৰুপথাৰ সমষ্টিৰ উন্নয়ন কৰাৰ লক্ষ্য সৰোগত কৰি সমষ্টিটোৰ বিভিন্ন অঞ্চলৰ বাট পথ সমূহৰ উন্নত কৰাৰ লগতে স্বাস্হ্য, বিশুদ্ধ খোৱা পানী যোগান, জলসিঞ্চনৰ লগতে জনসাধাৰনৰ সমস্যা সমূহ দূৰ কৰিবলৈ আহোপুৰুষাৰ্থ কৰিব বুলি কয়। বিধায়কগৰাকীয়ে ভাষণ প্ৰসংগত আৰু কয় যে অসমৰ ভিতৰত সৰুপথাৰ সমষ্টিত বাট পথ নিৰ্মানৰ কাম সৰ্বাধিক হৈছে। অনাগত দিনত সীমান্তবাসীৰ বিভিন্ন সমস্যাসমূহৰ সমাধানৰ বাবে কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।







শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতহে প্ৰযোজ্য হ'ব)
■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি